# অসম সাহিত্য সভা পত্ৰিকা

## অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, গৱেষক-সাহিত্যিক

## ড° লক্ষ্মীনন্দন বৰা শ্ৰদ্ধাৰ্ঘ্য

## অসমীয়া গীতি-সাহিত্য বিশেষ সংখ্যা

ষষ্ঠসপ্ততিতম্ বৰ্ষ

পঞ্চম সংখ্যা— এপ্ৰিল, মে’, জুন, ২০২১ খ্ৰীষ্টাব্দ

সম্পাদক

ডক্টৰ উপেন্দ্ৰজিৎ শৰ্মা

# অসম সাহিত্য সভা পত্ৰিকা

**ষষ্ঠসপ্ততিতম্ বৰ্ষ**

**পঞ্চম সংখ্যা— এপ্ৰিল, মে', জুন, ২০২১ খ্ৰীষ্টাব্দ**

**পত্ৰিকা সম্পাদক**

ডক্টৰ উপেন্দ্ৰজিৎ শৰ্মা

**বেটুপাত ঃ**

জুলি বৰুৱা

যোৰহাট, জেইল ৰোড



© সম্পাদক



**অক্ষৰ বিন্যাস ঃ**

ৰতন দাস

**মূল্যঃ** 100.00টকা

**ছপা ঃ**

ভৱানী অফছেট প্ৰিণ্টাৰ্চ

গুৱাহাটী- 781007

**ASAM SAHITYA SABHA PATRIKA :** *76 years, 5th issue, (April-May-June, 2021) A Research Journal of Asam Sahitya Sabha, edited by Dr. Upendrajit Sarma and Published by Sri Jadab Chandra Sarma, General Secretary of Asam Sahitya Sabha, Chandrakanta Handique Bhavan, Jorhat-785001, Assam;* ***Price :*** *One hundred only*

**ISSN :** 2277-9515



**সম্পাদনা সমিতি ঃ**

ডক্টৰ কুলধৰ শইকীয়া, সভাপতি

শ্ৰী যাদব চন্দ্ৰ শৰ্মা, প্ৰধান সম্পাদক

ডক্টৰ মঞ্জুদেৱী পেগু, সদস্য

অৰিন্দম বৰকটকী, সদস্য

ডক্টৰ ভাস্কৰজ্যোতি শৰ্মা, সদস্য

ডক্টৰ অৰবিন্দ ৰাজখোৱা, সদস্য

ডক্টৰ অৰূপ কুমাৰ নাথ, সদস্য

ডক্টৰ উপেন্দ্ৰজিৎ শৰ্মা, পত্ৰিকা সম্পাদক



**প্ৰকাশক ঃ**

শ্ৰী যাদব চন্দ্ৰ শৰ্মা

প্ৰধান সম্পাদক,

অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট- 785001

# সভাপতিৰ একাষাৰ

লোকসাহিত্যৰ পৰম্পৰাক আশ্ৰয় কৰিয়েই লিখিত সাহিত্যৰ ভেটি গঢ় লৈ উঠে। একো একোটা জাতিৰ লোকসাহিত্য যিমানে শক্তিশালী হয়; সেই জাতিটোৰ লিখিত সাহিত্য সিমানেই বেছি বৰ্ণাঢ্য আৰু চহকী হয়। সেয়েহে লোকসাহিত্যৰ অধ্যয়ন আৰু সংৰক্ষণ এক জৰুৰী বিষয় বুলি আধুনিক বিশ্বত আলোচিত হৈ আহিছে। লোকসাহিত্যৰ এক অমূল্য উপাদান হ'ল লোকগীত। লোকগীতৰ মাজেৰে জাতি এটাৰ বহু কথাই জানিব পাৰি। লোকগীতৰ মাজত চহা সমাজখনৰ জীৱন-জীৱিকা, সুখ-দুখ, হাঁহি-আনন্দ আদি সৰল ৰূপত প্ৰকাশ হয়। লোকজীৱনে লোকগীতৰ মাজেৰে জীয়াই থকাৰ আনন্দ বিচাৰি পায়। সেয়েহে লোকগীতৰ অধ্যয়ন আৰু সংৰক্ষণ এক সময়োপযোগী বিষয় বুলি আমি ধাৰণা কৰিব পাৰোঁ।

অসমীয়া লোকগীতৰ জগতখন বিচিত্ৰময়। অসমীয়া লোকজীৱনৰ প্ৰতিটো দিশৰ লগত লোকগীত-মাত জড়িত হৈ আছে। এই লোকগীতসমূহৰ অনুশীলন, সংৰক্ষণ আৰু অধ্যয়ন অতি জৰুৰী হৈ পৰিছে বুলি আমি অনুভৱ কৰিছোঁ। লোকগীতৰ সমান্তৰালভাৱে আমাৰ লিখিত গীতি-সাহিত্যসমূহৰ ওপৰতো অধ্যয়নৰ প্ৰয়োজন আছে।

মহাপুৰুষ শংকৰদেৱে বৰগীত ৰচনাৰে প্ৰতিষ্ঠা কৰা অসমীয়া লিখিত গীতি সাহিত্যৰ ধাৰাটো পৰৱৰ্তী দিনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, সুধাকণ্ঠ ভূপেন হাজৰিকা প্ৰমুখ্যে বিশিষ্ট গীতিকাৰ-সাহিত্যিকসকলে আধুনিক অসমীয়া গীতি-সাহিত্যৰ ভেটি সুদৃঢ় কৰিছে। এইসকল মহান সাহিত্যিকৰ ৰচিত গীতসমূহৰ নিৰ্মোহ বিশ্লেষণৰো প্ৰয়োজন আছে।

অসম সাহিত্য সভা পত্ৰিকাৰ এই সংখ্যাটো অসমীয়া গীতি সাহিত্য বিষয়ত গুৰুত্ব দি প্ৰকাশৰ দিহা কৰা বুলি পত্ৰিকা সম্পাদকগৰাকীৰ পৰা জানিব পাৰি আনন্দিত হ'লোঁ। সম্পাদনা সমিতিৰ সদস্যবৃন্দৰ লগত আলোচনা কৰি অসম সাহিত্য সভা পত্ৰিকাৰ এই সংখ্যাটো অসমীয়া গীতি-সাহিত্য বিষয়ক সংখ্যা হিচাপে প্ৰস্তুত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমি অনুভৱ কৰোঁ অসমীয়া গীতি-সাহিত্যৰ ওপৰত হোৱা এনেধৰণৰ অধ্যয়নে আগন্তুক দিনত আমাৰ পৰম্পৰা ৰক্ষাৰ লগতে নৱপ্ৰজন্মক অসমীয়া লোকগীতৰ অধ্যয়ন আৰু লিখিত গীতি-সাহিত্যৰ ধাৰাটোৰ অধ্যয়নৰ প্ৰতিও আকৃষ্ট কৰিব বুলি আমি বিশ্বাস কৰোঁ।

**ড° কুলধৰ শইকীয়া**

**সভাপতি**

**অসম সাহিত্য সভা**

# প্ৰকাশক হিচাপে প্ৰধান সম্পাদকৰ একলম

অসম সাহিত্য সভাৰ কাৰ্বি আংলং জিলাৰ বকলীয়াঘাটত অনুষ্ঠিত সভাৰ কাৰ্যনিৰ্বাহকখন কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলি বিবেচিত কৰিব পাৰোঁ। এই কাৰ্যনিৰ্বাহকখনে আমাৰ কালজয়ী সম্প্ৰীতিৰ বান্ধোন অধিক কটকটীয়া কৰিলে। সভাৰ মজিয়াত আমি সকলোৱে সমবেত হৈ অসমীয়া জাতিৰ সম্প্ৰীতিৰ বাৰ্তা সকলোলৈকে বিলাই দিবলৈ সক্ষম হ'লোঁ। এই কাৰ্যনিৰ্বাহক সভাৰ উদ্বোধনী অনুষ্ঠানতে সভাৰ পত্ৰিকাৰ দুটাকৈ সংখ্যা দুগৰাকী জনজাতীয় স্বনামধন্য ব্যক্তিৰ দ্বাৰা উন্মোচিত কৰিবলৈ পাই আমি ধন্য হৈছোঁ। পুনৰবাৰ পাহাৰে ভৈয়ামে বৃহত্তৰ অসমীয়া জাতিৰ সমন্বয়ৰ কথা প্ৰতিফলিত হৈছে। এয়া জাতিৰ বাবে, সভাৰ বাবে ইতিবাচক দিশ। অসম সাহিত্য সভা পত্ৰিকাৰ তৃতীয় সংখ্যাটো জনগোষ্ঠীয় সমাজ-সংস্কৃতি আৰু চতুৰ্থ সংখ্যাটো নাট্য সংস্কৃতি বিশেষ সংখ্যা হিচাপে অতি সুন্দৰ ৰূপত সম্পাদনা কৰাৰ বাবে অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড$^{0}$ উপেন্দ্ৰজিৎ শৰ্মাৰ বিশেষ শলাগ ল'লোঁ।

2020–22 বৰ্ষৰ কাৰ্যকালত কাৰ্যনিৰ্বাহক সভাৰ প্ৰতিখনতে অসম সাহিত্য সভা পত্ৰিকা উন্মোচন কৰিবলৈ সমৰ্থ হোৱাটো সভাৰ বাবে গৌৰৱৰ বিষয়। আমি মনস্থ কৰিছোঁ সভাৰ প্ৰতিখন কাৰ্যনিৰ্বাহকতে অসম সাহিত্য সভা পত্ৰিকা উন্মোচিত হওক।

ক'ভিদ-19 পৰিস্থিতি কিছু শাম কটাৰ লগে লগে সভাৰ কাৰ্যপন্থা দ্ৰুত গতিত আগবঢ়াই লৈ যোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছোঁ। সভাখনক গতি দিবৰ বাবে আমি অহৰ্নিশে চেষ্টা কৰিছোঁ যদিও কিছু দুৰ্যোগময় পৰিস্থিতিয়ে আমাক কষ্ট দিছে; তথাপি আমি আমাৰ চেষ্টা অব্যাহত ৰাখিছোঁ। আমি সকলোৱে সম্ভাৱেৰে নতুন মাত্ৰা প্ৰদান কৰিব পাৰিম।

এইবেলি সভাৰ পত্ৰিকাখনত অসমীয়া সাহিত্যৰ বৈভৱ গীতি-সাহিত্যৰ ধাৰাটোৰ ওপৰত গুৰুত্ব দি প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা হৈছে। জানিব পাৰি আনন্দিত হৈছোঁ যে পত্ৰিকাৰ এই সংখ্যাটো অসমীয়া সাহিত্য জগতখনৰ মহীৰুহ অসমীয়া গদ্য সাহিত্যৰ পুৰোধা ব্যক্তি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড$^{0}$ লক্ষ্মীনন্দন বৰাদেৱৰ শ্ৰদ্ধাৰ্ঘ্য হিচাপে প্ৰকাশ কৰিবলৈ দিহা কৰা হৈছে।

সভাৰ আগন্তুক কৰ্মসূচী সকলোৱে মিলি আগবঢ়াই লৈ যোৱাৰ প্ৰয়াস কৰোঁ আহক।

চিৰ চেনেহী মোৰ ভাষা জননী

(যাদৱ চন্দ্ৰ শৰ্মা)

প্ৰধান সম্পাদক

অসম সাহিত্য সভা

# বিষয়সূচী

**সম্পাদকীয়** û9

**অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, গৱেষক-সাহিত্যিক ড° লক্ষ্মীনন্দন বৰা শ্ৰদ্ধাৰ্ঘ্য জ্ঞাপক প্ৰবন্ধ**

**প্ৰথিতযশা সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাদেৱৰ জীৱন, প্ৰজ্ঞা আৰু সাধনা**/û13
ড$^0$ প্ৰদীপ নেওগ

**সৰ্বকালৰ এগৰাকী শ্ৰেষ্ঠ অসমীয়া লক্ষ্মীনন্দন**/û19
ধ্ৰুৱজ্যোতি শৰ্মা

**ড° লক্ষ্মীনন্দন বৰাৰ *গৰীয়সী*ৰ সম্পাদকীয় আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি**/û20
ড$^0$ ধনেশ্বৰ কলিতা

**লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাস**/û24
**(গঙা চিলনীৰ পাখি আৰু গণদেৱতাৰ উল্লিখনসহ)**
জয়জ্যোতি ডেকা

**লক্ষ্মীনন্দন বৰাৰ "পাতাল ভৈৰৱী" ঃ এক অৱলোকন**/û29
ড$^0$ ৰীতা শৰ্মা

**প্ৰশস্তিমূলক প্ৰবন্ধ**

**মোৰ দৃষ্টিত অসম সাহিত্য সভা**/û34
ড$^0$ বসন্ত কুমাৰ গোস্বামী

**অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ ডেৰ শ বছৰীয়া জন্মজয়ন্তীৰ বিশেষ স্মৰণ শীৰ্ষক প্ৰবন্ধ**

**পদ্মনাথ গোহাঞিবৰুৱাৰ নাটকত মৌখিক সাহিত্যৰ সমলৰ প্ৰসংগ**/û39
ড$^0$ দীপামণি বৰুৱা দাস

## অসমীয়া গীতি সাহিত্য শীৰ্ষক প্ৰবন্ধ


**গোৱালপৰীয়া বাৰমাসী গীত ঃ চমু পৰ্যালোচনা**/û45

হিৰণ্য কুমাৰ নাথ

**দৰঙী লোকসংস্কৃতিৰ অমূল্য সম্পদ— চিয়াঁগীত**/û51

গজেন ডেকা

**পশ্চিম অসমৰ দেশী মুছলমান সকলৰ নাওখেলৰ গীত**/û56

ড$^0$ মোঃ মোৰশেদুজ জামান

**দুটিমান অনুষ্ঠানমূলক লোকগীত**/û64

ড$^0$ অনিল শইকীয়া

**আধুনিক অসমীয়া সংগীতৰ ধাৰা**/û76

বগেন গগৈ

**অসমীয়া আধুনিক গীত আৰু গীতি-সাহিত্য ঃ জন্ম ক্ৰন্দনৰ পৰা জাতীয় স্পন্দনলৈ**/û82

লোকনাথ গোস্বামী

**হীৰেন ভট্টাচাৰ্যৰ গীতত প্ৰকৃতি আৰু স্বদেশ প্ৰেম**/û86

ড$^0$ বনলতা দাস

**নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু-বিষয়ক গীত ঃ এক চমু অৱলোকন**/û94

ড$^0$ কল্পনা তালুকদাৰ

**অসমীয়া গীতি কবিতাৰ শিৰোমণি পাৰ্বতি প্ৰসাদ বৰুৱা**/û104

ডাঃ গিৰীশ সন্দিকৈ

**অসমৰ সংগীতৰ আকাশত এপাহ ৰ'দৰে ফুল; গীতিকাৰ-সুৰকাৰ দ্বিজেন্দ্ৰ মোহন শৰ্মা**/û109

জ্যোতি কুমাৰী শৰ্মা (বৰঠাকুৰ)

**অসমীয়া গীতি-সাহিত্য আৰু কেশৱ মহন্তৰ গীতত জাতীয় চেতনাৰ ঝংকাৰ**/û115

বিৰজা দেৱী

**নগেন বৰাৰ গীতত অসমীয়া লোকজীৱনৰ চিত্ৰণ**/û118

ড$^0$ ৰাজশ্ৰী হাজৰিকা

**ডঃ ভূপেন হাজৰিকাৰ গীতত বিজ্ঞান প্ৰযুক্তিৰ প্ৰতিচ্ছবি**/û121

ডঃ যতীন্দ্ৰ নাথ ডেকা

**চৰ চাপৰিৰ লোক-উৎসৱ পুযুৰা মাগুন**/û124

মনোজ কুমাৰ শৰ্মা

**নামনি অসমৰ মহখেদা উৎসৱ মহোহো**/û131

পাৰ্বতী পাটোৱাৰী


## গ্ৰন্থ সমালোচনা


**অসমীয়া উপন্যাসত জনজাতীয় জীৱনৰ অন্বেষণ ঃ এটি পৰিচয়**/û136

শচীন শৰ্মা

# সম্পাদকীয়

**অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, গৱেষক-সাহিত্যিক ড০ লক্ষ্মীনন্দন বৰাদেৱলৈ শ্ৰদ্ধাঞ্জলি**

অসমীয়া ভাষা-সাহিত্য জগতখনৰ খ্যাতিমান ব্যক্তি ড০ লক্ষ্মীনন্দন বৰা। বহু গুণেৰে সমাবৃত তেখেতৰ জীৱন পৰিচৰ্যা। এগৰাকী বিশাল পাণ্ডিত্যৰ অধিকাৰী তথা খ্যাতিসম্পন্ন সাহিত্যিক হিচাপে অসমীয়া সাহিত্য-সংস্কৃতি জগতখনত চিৰদিন পৰিচিত হৈ থাকিব ড০ লক্ষ্মীনন্দন বৰা। একাগ্ৰ চিত্তে তেখেতে সাহিত্য সাধনা কৰি যিদৰে আধুনিক অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতখনক জগত সভালৈ আগবঢ়াই লৈ গৈছিল; ঠিক তেনেদৰে এগৰাকী গৱেষক, শিক্ষক হিচাপেও অসমৰ গৱেষণা আৰু শিক্ষাৰ ক্ষেত্ৰখনক আগবঢ়াই লৈ গৈছিল। জাতীয় ভাৱধাৰাৰে পৰিপূৰ্ণ আছিল তেখেতৰ জীৱন। য'ত অসমীয়া জাতি, অসমীয়া ভাষা অনাদৃত বা অৱহেলিত হোৱা বুলি ধাৰণা কৰিছিল, তাতেই ড০ লক্ষ্মীনন্দন বৰাই নীৰৱ ভূমিকা পালন নকৰি গৰজি উঠিছিল আৰু নিজৰ স্বভাৱসুলভ দৃষ্টিভংগীৰে এই কথাৰ তীব্ৰ প্ৰতিবাদ কৰিছিল। 1979 চনৰ পৰা 1985 খ্ৰীষ্টাব্দলৈ সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত চলা অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ এগৰাকী মুক্ত সমৰ্থক আছিল ড০ লক্ষ্মীনন্দন বৰা। বিভিন্ন প্ৰবন্ধ লিখি, আলোচনা সভাত ভাষণ প্ৰদান কৰি অসম আন্দোলনক আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত সৰল ভূমিকা গ্ৰহণ কৰাৰ লগতে তেখেতে আন্দোলনৰ ঘটনাৰাজিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি লিখি উলিয়াইছিল 'শৰাইঘাট' নামৰ উপন্যাস। ড০ লক্ষ্মীনন্দন বৰা সত্ৰীয়া পৰিৱেশত ডাঙৰ-দীঘল হৈছিল। সেয়েহে তেখেতৰ ৰচনাৰাজিৰ মাজত আমি অসমৰ সত্ৰীয়া পৰিৱেশৰ যি জীৱন্ত ছবি প্ৰতিফলিত হোৱা দেখিবলৈ পাইছোঁ, সেয়া আন কোনো সাহিত্যিকৰে ক্ষেত্ৰত সম্ভৱ হোৱা নাই বুলি আমাৰ অনুভৱ হয়। বিশেষকৈ তেখেতৰ অমূল্য সৃষ্টি 'যাকেৰি নাহিকে উপাম' আৰু 'সেহি গুণনিধি' পঢ়াৰ পিছত ধাৰণা হয়; ড০ লক্ষ্মীনন্দন বৰা যেন শংকৰ-মাধৱৰ দিনৰহে লোক। তেখেতে যেন গুৰু দুজনাৰ জীৱন পৰিচৰ্যা নিজ চকুৰে দেখিছে আৰু গুৰু দুজনাৰ সংগতে থাকি জীৱনৰ ৰথ আগবঢ়াই লৈ গৈছে। এনেধৰণৰ জীৱন্ত পৰিৱেশ চিত্ৰণ কেৱল ড০ লক্ষ্মীনন্দন বৰাৰ সাহিত্য কৰ্মতহে সম্ভৱ বুলি আমাৰ অনুভৱ হয়। তেখেতৰ পৰিৱেশ চিত্ৰণৰ এক জ্বলন্ত সাক্ষী 'সেহি সব্যসাচী' নামৰ উপন্যাসখন। আমাৰ সত্ৰীয়া পৰিৱেশক তেখেতে সাহিত্যকৰ্মৰ মাজত যিদৰে জীৱন্ত ৰূপত তুলি ধৰিছিল ঠিক তেনেদৰে আমাৰ বিজ্ঞান মনস্তত্ত্ব আৰু অপৰাধ প্ৰৱণ ৰহস্যময় জগতখনকো তেওঁ জীৱন্ত ৰূপতে অংকিত কৰিছিল। তাৰ উদাহৰণ হিচাপে আমি তেখেতৰ বিজ্ঞান মনস্তত্ত্বৰ ওপৰত ৰচনা কৰা 'কায়কল্প' নামৰ উপন্যাসখন আৰু অপৰাধ জগতৰ জীৱন্ত ছবি অংকিত কৰা 'পাতাল ভৈৰৱী' উপন্যাসখনলৈ আঙুলিয়াব পাৰোঁ। ড০ বৰাদেৱৰ দৃষ্টিত শ্ৰেষ্ঠ উপন্যাস হিচাপে তেখেতে বহুবাৰ 'গংগা চিলনীৰ পাখি'কৈ কৈ গৈছে। উপন্যাসখনত আমাৰ অসমীয়া গ্ৰাম্য সমাজখনৰ ৰীতি-নীতি-পৰম্পৰা, আচাৰ-বিচাৰ, আদৰ্শ সুন্দৰ ৰূপত প্ৰতিফলিত হৈ আছে। অসমীয়া সমাজ জীৱনৰ ভূ-ভা নোপোৱা নতুন প্ৰজন্মই গংগা-চিলনীৰ পাখি পঢ়িলেই আমাৰ বিশুদ্ধ অসমীয়া সমাজ জীৱনৰ লগত

পৰিচয় লাভ কৰিব পাৰিব বুলি মই ডাঠি ক'ব পাৰোঁ।

ড০ লক্ষ্মীনন্দন বৰাই সমগ্ৰ জীৱন অসমীয়া উপন্যাস আৰু চুটিগল্প ৰচনাৰে যিধৰণে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ ভেটি নিৰ্মাণ কৰি গ'ল, সেই কাৰ্য আমি চিৰদিন স্মৰণ কৰিব লাগিব। এগৰাকী সফল ঔপন্যাসিক আৰু গল্পকাৰ হিচাপে ড০ লক্ষ্মীনন্দন বৰাই কাহিনী নিৰ্বাচন, পটভূমি নিৰ্মাণ আৰু কাহিনীৰ পৰিৱেশ চিত্ৰায়নত যি সফলতা দেখুৱাই থৈ গ'ল সেয়া হয়তো আমি আন সাহিত্যিকৰ প্ৰসংগত দেখিবলৈ সমৰ্থ নহ'ম। ড০ লক্ষ্মীনন্দন বৰাৰ সাহিত্য সাধনাৰ মূল বৈশিষ্ট্য আছিল তেওঁৰ কাহিনী কথনৰ দক্ষতা আৰু সহজ-সৰল অথচ প্ৰাঞ্জল ভাষাৰ উপস্থাপন।

এইগৰাকী প্ৰথিতযশা সাহিত্যিকে জীৱন কালত সাহিত্য অকাডেমি, সৰস্বতী সন্মান, অসম উপত্যকা বঁটা, জীৱন জোৰা সাধনা বঁটা, মাধৱদেৱ বঁটা, ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান লাভ কৰিলে যদিও তেখেতে জ্ঞানপীঠ বঁটা কিয় নাপালে সেয়া আমাৰ বাবে অযুত প্ৰশ্ন হৈ ৰ'ল। অসম সাহিত্য সভাক প্ৰাণভৰি ভালপোৱা এইগৰাকী সাহিত্যিকে সাহিত্য সভাখন সদায় নীতি আদৰ্শৰে পৰিচালিত হৈ অসমৰ সমাজ জীৱনক আগবঢ়াই লৈ যোৱাৰ পোষকতা কৰিছিল। যেতিয়া অসম সাহিত্য সভাত অনীতি-অনাচাৰ দৃষ্টিগোচৰ হৈছিল তেতিয়াই তেখেতে গৰজি উঠিছিল। সদায় সভাখনৰ এটা ভাল ৰূপ প্ৰত্যক্ষ কৰাৰ আশাৰে সমগ্ৰ জীৱন অসমীয়া সাহিত্য-সংস্কৃতিৰ সেৱা কৰি আমাৰ মাজৰ পৰা আঁতৰি গ'ল। আমি এইগৰাকী মহান অসমীয়াক যাচিছোঁ শত সহস্ৰ অশ্ৰুসিক্ত অঞ্জলি। আপোনাৰ কৰ্মই আপোনাক অসমীয়া জাতি, অসমীয়া সাহিত্য, অসমীয়া সংস্কৃতি জীয়াই থকালৈ সুঁৱৰিবলৈ বাধ্য হ'ব।

**অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ ডেৰ শ বছৰীয়া জন্মজয়ন্তীৰ বিশেষ স্মৰণ ঃ**

আধুনিক অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি তথা জাতীয় জীৱনৰ এক উজ্জ্বল নক্ষত্ৰ পদ্মনাথ গোহাঞিবৰুৱা। অসমীয়া ভাষা সাহিত্য তথা জাতীয় জীৱনৰ দুৰ্যোগপূৰ্ণ সন্ধিক্ষণত জাতিক উদ্ধাৰ কৰিবলৈ প্ৰাণে প্ৰণে যি কেইগৰাকী অসম মাতৃৰ সুসন্তানে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল, সেই সকলৰ ভিতৰতো পদ্মনাথ গোহাঞি বৰুৱা আছিল অন্যতম। তেখেতে আধুনিক অসমীয়া ভাষা সাহিত্যৰ ভেঁটি সবল ৰূপত প্ৰতিষ্ঠা কৰাৰ মানসেৰে একেধাৰে কবিতা, নাটক, উপন্যাস, জীৱনী গ্ৰন্থ, হাস্যৰসিক ৰচনা, তথ্যগধুৰ প্ৰবন্ধ ৰচনা কৰাৰ লগতে জনগণক জগাবলৈ সাংবাদিকতা বৃত্তিকো আঁকোৱালি লৈছিল।

এইগৰাকী অসম মাতৃৰ সুসন্তানৰ জন্ম হৈছিল 1871 চনৰ 29 আঘোন মঙ্গলবাৰে উত্তৰ লক্ষীমপুৰৰ নকাড়ী গাঁৱত উত্তৰ লক্ষীমপুৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি 1884 চনত শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত ভৰ্ত্তি হৈ 1890 চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ ৰিপন কলেজত ভৰ্ত্তি হয়। কিন্তু উচ্চ শিক্ষা সমাপ্ত নকৰাকৈয়ে তেখেতে অসমলৈ উভতি আহে। অসমলৈ আহিয়েই বৰ্তমানৰ নগালেণ্ডৰ কহিমা মধ্য ইংৰাজী বিদ্যালয়ত প্ৰধান শিক্ষকৰূপে নিযুক্ত হয়।

পদ্মনাথ গোহাই বৰুৱাই শৈশৱৰ পৰাই সমাজ সংগঠন আৰু সমাজৰ হিত সাধনৰ প্ৰতি আসক্ত আছিল। কহিমাত থকা সময়ছোৱাতে গোহাঞি বৰুৱাই অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ লগত জড়িত হয় আৰু কহিমা সাহিত্য সভা প্ৰতিষ্ঠা কৰে। কহিমাৰ পিছত তেজপুৰ নৰ্মাল স্কুলত প্ৰধান শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰি থাকোঁতে তেখেতে তেজপুৰ অসমীয়া উন্নতি সাধিনী সভাৰ সম্পাদকৰূপে নিৰ্বাচিত হয়। গোহাঞি বৰুৱাৰ প্ৰচেষ্টাতে তেজপুৰত নামঘৰ আৰু বান ৰংগমঞ্চ স্থাপন হয়। 1918 চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা অসম ছাত্ৰ সন্মিলনীৰ তৃতীয় বাৰ্ষিক অধিৱেশনত সভাপতি আছিল পদ্মনাথ গোহাঞি বৰুৱা। তেখেতে সদৌ অসম শিক্ষক সন্মিলনী, আহোম সভা, অসম ৰায়ত সভা, অসম ব্যৱস্থাপক সভা, অসম মণ্ডল কাননগো সন্মিলনী আদি বিভিন্ন অনুষ্ঠান আৰু দল সংগঠনৰ লগত জড়িত আছিল। পদ্মনাথ গোহাঞি বৰুৱাই তেজপুৰ পৌৰ সভাৰো সভাপতি আছিল।

পদ্মনাথ গোহাঞি বৰুৱাই সাহিত্য চৰ্চাৰ লগতে সমান্তৰালভাৱে সংবাদ সাহিত্যৰেও জাতীয় জীৱনৰ সেৱা

আগবঢ়াইছিল। সেই সময়ত প্ৰকাশ লাভ কৰা ‘জোনাকী’ আলোচনীৰ লগত মতানক্য হৈ তেখেতে জন্ম দিলে ‘বিজুলী’ নামৰ আলোচনী। ‘বিজুলী’ৰ প্ৰতিষ্ঠাপক সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি 1901 চনত তেজপুৰৰ পৰা ‘আসাম বন্তি’ নামৰ আন এখন কাকত উলিয়াবলৈ আৰম্ভ কৰে। তেখেতৰ সম্পাদনাত অসমীয়া তৃতীয়খন আলোচনী ‘ঊষা’ প্ৰকাশ পায়। 1906 চনত সাহিত্যৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে ইংৰাজ চৰকাৰে পদ্মনাথ গোহাঞি বৰুৱাক সাহিত্যিক পেঞ্চন আগবঢ়াই। পদ্মনাথ গোহাঞি বৰুৱা অসম সাহিত্য সভাৰ লগত জন্মলগ্নৰে পৰাই জড়িত হৈ অসম সাহিত্যৰ সভাৰ প্ৰথমগৰাকী সভাপতি হোৱাৰ গৌৰৱ অৰ্জন কৰে।

**অসমীয়া সাহিত্যৰ অমূল্য ৰতন হিচাপে বিবেচিত হৈ আহিছে অসমীয়া লোক গীতিসাহিত্য আৰু লিখিত গীতিসাহিত্য**

অসমীয়া লোকজীৱনত প্ৰচলিত মুখ পৰম্পৰাৰে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বাগৰি অহা লোক গীতবোৰৰ বিশেষ মূল্য আছে। এই লোক গীতবোৰৰ মাজত আমাৰ চহা জীৱনটোৰ জীৱন ধাৰণৰ সহজ-সৰল প্ৰকাশভংগী জড়িত হৈ আহিছে। অসমৰ লোক জীৱনত জন্মৰ পৰা মৃত্যু পৰ্যন্ত প্ৰতিটো অনুষ্ঠানৰ লগত লোক গীত-মাত গভীৰ ভাৱে সম্পৃক্ত হৈ আহিছে। আমাৰ জীৱন ধাৰাত প্ৰচলিত লোক গীতসমূহক আমি প্ৰধানকৈ চাৰিটা বহল ভাগত ভাগ কৰিব পাৰোঁ। এই ভাগকেইটা হ’ল— ধৰ্মীয় আৰু ভক্তি প্ৰসংগত গোৱা গীত, উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত, খেল-ধেমালিৰ লগত জড়িত গীত আৰু নিচুকণি গীত। আমাৰ সমাজত শিশু জন্ম পালে যিদৰে গীত পৰিৱেশন কৰা হয়, ঠিক তেনেদৰে শিশু ডাঙৰ-দীঘল হৈ পূৰ্ণ বয়স্কপ্ৰাপ্ত হৈ যেতিয়া এই সংসাৰ ত্যাগী গুচি যায়, তেতিয়াও খোল, তাল বজাই গীত গাই নশ্বৰ দেহ শ্মশান ঘাটলৈ লৈ যায়। আমাৰ লোকজীৱনত বৈষ্ণৱ ধৰ্মীয় উৎসৱ-পাৰ্বণেই হওক অথবা শাক্ত ধৰ্মীয় পূজা-পাৰ্বণেই হওক লোক গীত, নাম, পদ পৰিৱেশন নহ’লে সেই অনুষ্ঠান সমাপন হ’ব নোৱাৰে অথবা আধৰুৱা হোৱা যেন অনুভৱ হয়। অসমৰ লোক জীৱনৰ প্ৰতিখন সত্ৰ, প্ৰতিটো নামঘৰ, দৌল, দেৱালয়, মন্দিৰ, গোসাঁইঘৰ সকলো ধৰ্মীয় অনুষ্ঠানৰ লগত গীত-পদ অঙ্গাঙ্গীভাৱে জড়িত হৈ আহিছে। আমাৰ জীৱন চক্ৰৰ দশ কৰ্মৰ লগতো ভিন্ন প্ৰকাৰৰ গীত-পদ জড়িত হোৱাটো মনকৰিবলগীয়া বিষয়। অসমীয়া কৃষকে শ্ৰম কৰোঁতেও অৰ্থাৎ হাল বাওতে, ধান কাটোতে, কুঁহিয়াৰ পেৰোতে, সৰিয়হ তোলোতে, মাহ তোলোতেও গীত পৰিৱেশন কৰি শ্ৰম লাঘৱ কৰে। অসমীয়া শিপিনীয়ে কাপোৰ বোৱতে, ধান বানোতে গীত-পদ পৰিৱেশন কৰে। অসমীয়া লোকে গৰু চৰাওতে, ম’হ চৰাওতে, নাও বাওতে, হাতী ধৰোঁতেও গীত-পদেৰে মুখৰিত হৈ শ্ৰম লাঘৱ কৰে। মুঠৰ ওপৰত অসমীয়া লোকজীৱন পুৰামাত্ৰাই লোক গীত-পদ আশ্ৰয়ী। এই গীত-পদৰ ব্যৱহাৰে অমসীয়া লোকজীৱনৰ এক অনন্য মাত্ৰ দিয়াৰ লগেত আমাৰ লোকসাহিত্যৰ ভেটি টনকিয়াল কৰিছে।

লোকসাহিত্যৰ ভেটিতে লিখিত সাহিত্য গঢ় লৈ উঠে। অসমীয়া লোকসাহিত্যৰ ভেটি টনকিয়াল কৰা লোক গীতি সাহিত্যখিনিৰ অধ্যয়ন আজি পৰ্যন্ত সঠিক ৰূপত হোৱা বুলি আমাৰ মনে নধৰে। পৰৱৰ্তী দিনত অসমীয়া কবি-সাহিত্যিকসকলে এই লোক গীতি সাহিত্যৰ বৰ্ণাঢ্য ধাৰাটো প্ৰত্যক্ষ কৰিয়ে হয়তো গীতি সাহিত্য লিখাৰ প্ৰতি প্ৰেৰণা লাভ কৰিছিল। অসমীয়া লিখিত গীতি সাহিত্যৰ এক পদ্ধতিগত দিশেৰে আগবঢ়াই লৈ গৈছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱে। গুৰু দুজনাৰ দ্বাৰা সৃষ্ট গীতখিনিয়ে বৰগীত নামেৰে সমাদৃত হৈ আজি জগত সভাত এক অনন্য গীতি সাহিত্য ৰূপে পৰিচিতি লাভ কৰিছে। সেই যুগতে দুৰ্গাবৰ, মনকৰ, সুকবি নাৰায়ণদেৱ আদি কবি-সাহিত্যিকে ওজাপালিৰ উদ্দেশ্যে নিৰ্দিষ্ট ৰাগ-তালত গীত ৰচনা কৰি আমাৰ লিখিত গীতি সাহিত্যক বিশেষ মাত্ৰা প্ৰদান কৰিছে। পৰৱৰ্তী সময়ছোৱাত আধুনিক গীতি সাহিত্যই বহুজনৰ হাতত ভিন্ন মাত্ৰা লাভ কৰিছে। আধুনিক গীতি সাহিত্যৰ প্ৰাৰম্ভিক স্তৰত আমি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, পদ্মধৰ চলিহা, লক্ষ্মীৰাম বৰুৱা, কীৰ্তিনাথ শৰ্মা বৰদলৈ, আনন্দিৰাম দাস, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, প্ৰফুল্ল বৰা, গণশিল্পী বিষ্ণুপ্ৰসাদ ৰাভা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱা আদিৰ নাম শ্ৰদ্ধা সহকাৰে ল’ব পাৰোঁ। আধুনিক গীতি সাহিত্যৰ প্ৰাৰম্ভিক স্তৰতে অমূল্য গীত ৰচনা কৰি জগত সভালৈ লৈ যোৱাৰ প্ৰয়াস কৰিছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই। এই সময়ছোৱাত বিশেষকৈ জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু পাৰ্বতি প্ৰসাদ বৰুৱা কেন্দ্ৰিক হৈ পৰিছিল আমাৰ আধুনিক গীতি সাহিত্যৰ স্তৰ। পৰৱৰ্তী সময়ছোৱাত এইসকল মহান গীতিকাৰৰ পথ অনুসৰণ কৰিয়ে অসমীয়া গীতি সাহিত্য জগতখনক বিশ্বৰ পটভূমিলৈ আগবঢ়াই লৈ যোৱাৰ গুৰিবঠা

ধৰিছিল ড০ ভূপেন হাজৰিকাই। সেই সময়ছোৱাত অতুল চন্দ্ৰ হাজৰিকা, নলিনীবালা দেৱী, অম্বিকাগিৰী ৰায়চৌধুৰী, পুৰুষোত্তম দাস, তফজ্জুল আলি, দৰ্পনাথ শৰ্মা, কমল নাৰায়ণ চৌধুৰী মুক্তিনাথ বৰদলৈ, নৰকান্ত বৰুৱা, কেশৱ মহন্ত, দ্বিজেন্দ্ৰ মোহন শৰ্মা আদিৰ নাম শ্ৰদ্ধা সহকাৰে ল'ব পাৰি। আধুনিক অসমীয়া গীতি সাহিত্যৰ দ্বিতীয় স্তৰটো ড০ ভূপেন হাজৰিকা বিশ্ব পৰ্যায়ত উজলি উঠিছিল। সাম্প্ৰতিক সময়ত যথেষ্ট সংখ্যক গীতি সাহিত্য ৰচনা কৰা গীতিকাৰ ওলাই আহিছে। কিন্তু শংকৰ গুৰুৱে সৃষ্টি কৰা গীতি সাহিত্যৰ এই ধাৰাটো সময়ৰ লগত খোজ মিলাই কোনে নেতৃত্ব বহন কৰি আগবঢ়াই লৈ যাব সেই কথা সময়েহে ক'ব। আমি আমাৰ এই সম্পাদকীয়ত আধুনিক গীতি সাহিত্যৰ সকলো গীতিকাৰৰ নাম ল'বলৈ সমৰ্থ হোৱা নাই। আধুনিক অসমীয়া গীতি সাহিত্যৰ গীতিকাৰৰ কেৱল নামকেইটা ল'লেই হয়তো বহুকেইটা পৃষ্ঠা আগুৰিব। আমি অনুভৱ কৰোঁ অসমীয়া গীতি সাহিত্যক প্ৰকৃত মৰ্যাদা দি ইয়াৰ ওপৰত সঠিক অধ্যয়ন হ'ব লাগে। কাৰণ গীতি সাহিত্যও আমাৰ সাহিত্যৰ বাবে এক অমূল্য সম্পদ হিচাপে বিবেচিত হৈ আহিছে।

অসমীয়া গীতি সাহিত্যৰ এক দীঘলীয়া পৰম্পৰাৰ ওপৰত আলোকপাত কৰাৰ মানসেৰে অসম সাহিত্য সভা পত্ৰিকাৰ এই সংখ্যাটো অসমীয়া গীতি সাহিত্য বিশেষ সংখ্যা হিচাপে যুগুত কৰাৰ প্ৰয়াস কৰিছিলোঁ। প্ৰবন্ধ বিচাৰি বিভিন্নজনৰ লগত দীঘলীয়া যোগাযোগ অব্যাহত ৰাখিও সম্পূৰ্ণ সফল হ'ব নোৱাৰিলোঁ। হাতত পৰা প্ৰবন্ধৰ পৰাই চালি-জাৰি চাই এই সংখ্যাটো যুগুত কৰিলোঁ।

অসম সাহিত্য সভা পত্ৰিকাৰ পঞ্চম সংখ্যাটো অসমীয়া গীতি সাহিত্য বিশেষ সংখ্যা হিচাপে প্ৰকাশৰ ব্যৱস্থা কৰি দিয়াৰ বাবে অসম সাহিত্য সভাৰ মাননীয় সভাপতি ড০ কুলধৰ শইকীয়া, উপসভাপতি শ্ৰীযুতা মৃণালিনী দেৱী আৰু প্ৰধান সম্পাদক শ্ৰীযুত যাদৱ শৰ্মা দেৱলৈ আমি কৃতজ্ঞতা জনালোঁ। এই সংখ্যালৈ বহুমূলীয়া প্ৰবন্ধ প্ৰেৰণ কৰা লেখকবৃন্দলৈ আমাৰ অভিনন্দন আৰু কৃতজ্ঞতা যাচিলোঁ।

অসম সাহিত্য সভা পত্ৰিকাৰ পঞ্চম সংখ্যাটোৰ বেটুপাত অধিক আকৰ্ষণীয় আৰু অৰ্থবহ ৰূপত অংকণ কৰিছে যোৰহাটৰ শিল্পী জুলি বৰুৱাই। বেটুপাতত আমাৰ সাহিত্য জগতখনৰ গদ্য প্ৰভাকৰ ড০ লক্ষ্মীনন্দন বৰাৰ প্ৰতিচ্ছবি সম্বলিত কৰি যি অৰ্থবহ বেটুপাত অংকণ কৰিছে, তাৰ বাবে বিশিষ্ট শিল্পী তথা কবি জুলি বৰুৱা আমাৰ বাবে ধন্যবাদৰ পাত্ৰ। তেওঁৰ শিল্পী জীৱন অধিক মহীয়ান হোৱাৰ কামনা কৰিলোঁ। সদৌ শেষত সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাবৃন্দলৈ আমাৰ আন্তৰিক শলাগ যাচিলোঁ।

চিৰ চেনেহী মোৰ ভাষা জননী।

ড০ উপেন্দ্ৰজিৎ শৰ্মা
পত্ৰিকা সম্পাদক
অসম সাহিত্য সভা

# প্ৰথিতযশা সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাদেৰৰ জীৱন, প্ৰজ্ঞা আৰু সাধনা

ড° প্ৰদীপ নেওগ

চাৰিকুৰিৰো অধিক বহুমূলীয়া গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্য জগতত অন্যতম প্ৰথিতযশা সাহিত্যিক হিচাপে কেইবাদশক ধৰি উজ্জ্বলি থকাৰ উপৰি পদ্মশ্ৰী ড০ লক্ষ্মীনন্দন বৰা এগৰাকী বিশিষ্ট বতৰ বিজ্ঞানী হিচাপেও ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত পৰিচিত আছিল। সাংসাৰিক জীৱন আছিল মসৃন, সুখময় আৰু আনন্দময়। সেয়েহে আমাৰ বাবে প্ৰাতঃস্মৰণীয় এইগৰাকী ব্যক্তিৰ 'জীৱন, প্ৰজ্ঞা আৰু সাধনা'ৰ বিষয়ে লিখিবলৈ লৈ পহিলাতেই মন-প্ৰাণত ভুমুকি মাৰিছে এই ভাবে যে ঈশ্বৰপ্ৰদত্ত ঐশ্বৰিক শক্তি আৰু গুণেৰে বিশেষভাৱে আশীষপুষ্ট হোৱা বাবেহে এনে হোৱাটো সম্ভৱ হৈ উঠিল। এনে এক ক্ষণজন্মা ব্যক্তিৰ সংস্কৃতিৱানপৰিয়ালৰ সদস্য হৈ সুদীৰ্ঘ কাল তেখেতৰ চেনেহী সান্নিধ্য আৰু স্নেহাশীষ লাভ কৰাৰ পৰম সৌভাগ্য হোৱা বাবে সেয়ে নিজকে ধন্য মানি আহিছোঁ, আৰু পৰমেশ্বৰক জনাই আহিছোঁ শতকোটি প্ৰণিপাত। এই লেখাটো যুগুত কৰোতে ব্যক্তিগত সান্নিধ্যৰ উপলব্ধিৰ উপৰি আন বিভিন্ন উৎসৰ সহায় লোৱা হৈছে। লেখাটো প্ৰধানতঃ তিনিটা ভাগত পৰিৱেশন কৰিবলৈ প্ৰয়াস কৰিছোঁ ঃ ' বৰ্ণাঢ্য জীৱন' আৰু 'বহুমুখিন্ সুগভীৰ প্ৰজ্ঞা' আৰু ' নিৰৱধি একাগ্ৰ সাধনা'।

**বৰ্ণাঢ্য জীৱন**

১৯৩২ চনত জন্মগ্ৰহণ কৰাপদ্মশ্ৰী ড° লক্ষ্মীনন্দন বৰাৰ জন্ম হৈছিল নগাঁৱৰ কুঁজীদাহত। পিতৃ পিথুৰাম বৰা আৰু মাতৃ কাবেৰী বৰাৰ তেখেত নুমলীয়া সন্তান। ডাঙৰ ককায়েকৰ বিয়াৰ যো-জা চলি থাকোতে তেখেত মাকৰ গৰ্ভত আছিল। সেয়ে লোকলজ্জাৰ বাবে মাকে বেজিনী এজনীৰ পৰা কণমৰা ঔষধ খোৱাৰ কথাই ভাবিছিল। পিছে পিতাকে সৌভাগ্যবশতঃ কথাটো গমপোৱাত সেইটো হৈ নুঠিল। বৃদ্ধ পিতৃ-মাতৃৰ সন্তান হিচাপে ভূমিষ্ঠ হৈয়েই সেয়ে ক্ষণজন্মাগৰাকীয়ে গাঁৱত খলকনি তুলিছিল।পঢ়াশালিত নাম লগোৱাৰ পৰাই ভৱিষ্যতৰ যশস্বী সাহিত্যিকজনে পৰিচয় দিছিল প্ৰখৰ মেধাশক্তিৰ। পঢ়াত ৰাপ আছিল অসামান্য। লেম্প, টিপ চাকি আদিৰ পোহৰত সততে বহুসময় ধৰি পঢ়াৰ ফলত অষ্টম শ্ৰেণীত থাকোতেই দৃষ্টিশক্তি দুৰ্বল হৈ পৰাত ল'বলগীয়া হৈছিল চচমা। তাৰ বহুবছৰৰ পিছত আধুনিক চিকিৎসাৰ দ্বাৰা চচমা নোলোৱাকৈ পঢ়িব লিখিব পৰা হ'ল। হাইস্কুল শিক্ষান্ত পৰীক্ষা পাচ কৰাৰ পিছতে হেৰুৱাইছিল পিতৃক। উচ্চশিক্ষাৰ দায়িত্ব কান্ধ পাতি লৈছিল বৰ ককায়েক কমল চন্দ্ৰ বৰাই।

অষ্টম শ্ৰেণীলৈকে তেখেতেপঢ়িছিল বেবেজীয়া হাইস্কুলত। নৱম শ্ৰেণীৰ পৰা নগাঁও চৰকাৰী হাইস্কুলত পঢ়ি ১৯৪৮ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন সহ উত্তীৰ্ণ হ'ল। তাৰপাছত ১৯৫২ চনত কটন কলেজৰ পৰা প্ৰথম বিভাগত পদাৰ্থ বিজ্ঞানত স্নাতক ডিগ্ৰী, আৰু ১৯৫৪ চনত প্ৰেছিডেন্সী কলেজৰ পৰা প্ৰথম বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৫৫ চনৰ পৰা ১৯৫৮ চনৰ ভিতৰত বৰাদেৰে ক্ৰমান্বয়ে গুৱাহাটীৰ কটন কলেজ, শ্বিলঙৰ ছেইন্ট এন্থনী

কলেজ, ধুবুৰীৰ বি. এন. কলেজ আৰু যোৰহাটৰ জে.বি. কলেজত পদাৰ্থ বিজ্ঞানৰ প্ৰৱক্তা হিচাপে চাকৰি কৰিছিল। তাৰপিছত ১৯৫৮ চনত যোৰহাটস্থিত অসম কৃষি মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তা হিচাপে যোগদান কৰিছিল। ১৯৬৯ চনত অসম কৃষি মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাত দায়িত্বভাৰ লৈছিল পদাৰ্থ বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক হিচাপে। সেইসময়ত 'এগ্ৰমেটেঅ'ৰলজী ' নামৰ এক নতুন বিষয় কৃষি বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ শাখা হিচাপে আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠিত হ'বলৈ ধৰিছিল। ড° বৰাদেৱে বিশ্ববিদ্যালয়ৰ ফেলছিপ লাভ কৰি ১৯৭৭ চনত সেই বিষয়ত পি. এইচ. ডি. ডিগ্ৰী প্ৰাপ্ত কৰে অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ পৰা। ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংশ্লিষ্ট নীতিৰ লগত সংগতি ৰখাৰ উদ্দেশ্যে ১৯৮৭ চনত বিশ্ববিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান বিভাগক পৰ্যৱসিত কৰিছিল 'পদাৰ্থ বিজ্ঞান আৰু এগ্ৰমেটেঅ'ৰলজী' বিভাগ হিচাপে। তেতিয়াৰে পৰা সেই বিভাগৰ মূৰব্বী অধ্যাপক হিচাপে দায়িত্ব পালন কৰি চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল ১৯৯২ চনৰ মাৰ্চ মাহত।

অসমীয়া সাহিত্যৰ এইগৰাকী বিশিষ্ট সাহিত্যিক আছিল 'এগ্ৰমেটেঅ'ৰলজী' বিষয়ত পি. এইচ.ডি কৰা উত্তৰ-পূব ভাৰতৰ প্ৰথমগৰাকী ব্যক্তি। ১৯৮৯ চনত জাৰ্মানীৰ জোহন্স গুটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ সন্মানীয় ভিজিটিং প্ৰফেচৰ হিচাপে নিমন্ত্ৰণ লাভ কৰি তেখেতে তিনিমাহ সেই দায়িত্ব পালন কৰে। ১৯৯০ চনৰ পৰা ১৯৯২ চনলৈ তেখেতে 'ক্লাইমেট'লজী' বিষয়ক ভাৰতবৰ্ষ আৰু জাৰ্মানীৰ এক যুটীয়া আন্তঃৰাষ্ট্ৰীয় প্ৰকল্পৰ প্ৰকল্প-সঞ্চালকৰ দায়িত্ব লাভ কৰিছিল। প্ৰকল্পটো বেচ দক্ষতা আৰু উদ্ভাৱনী প্ৰতিভাৰে পৰিচালিত কৰা বাবে প্ৰশংসিত হৈছিল 'এগ্ৰক্লাইমেট'লজী'ৰ আন্তৰ্জাতিক মহলত।

কুঁজীদাহতে থাকি স্কুলীয়া জীৱন কটোৱা বাবেই গ্ৰাম্যজীৱনৰ ৰেহ-ৰূপ, গাঁৱলীয়া সমাজৰ ভাষা, কৃষিজীৱি জনসাধাৰণৰ জীৱন সংগ্ৰাম- চিন্তা-ভাবনা আদি স্বাভাৱিকভাৱে বেচ ভালকৈ আৰু গভীৰতাৰে আয়ত্ব হ'ল সাহিত্যিক গৰাকীৰ। কৃষিভিত্তিক প্ৰাকৃতিক পৰিৱেশৰ লগত আত্মীয়তা গঢ়ি উঠিল। গ্ৰাম্য সমাজৰ ৰীতি-নীতি, কলা-সংস্কৃতি, কৃষি কৰ্ম আৰু গ্ৰাম্য অৰ্থনীতি গভীৰভাবে হৃদয়ংগম কৰিলে, আৰু সিবিলাকত সক্ৰিয় অংশগ্ৰহণ কৰি লাভ কৰিলে প্ৰত্যক্ষ অভিজ্ঞতা। স্কুল বন্ধ থকাৰ দিনত তেওঁ হালোৱাক পথাৰত জলপান দিবলৈ গৈ ভাল পাইছিল। সেই কালছোৱাতে খোল বজাবলৈ শিকিছিল। ভাওনাত ভাও লৈছিল। ঘোষা গাবলৈ শিকিছিল। সোনাই নৈৰ পাৰত লগৰীয়াৰ সৈতে ফুৰি-মেলি, ৰং-ধেমালি কৰাৰ উপৰি নৈপৰীয়া গঞাৰ জীৱন নিৰ্বাহ তথা অৰ্থনৈতিক সংগ্ৰাম হৃদয়েৰে উপলব্ধি কৰিছিল। ককায়েকহঁতৰ লগত চাবুকধৰা-চাৰিপুনীয়া অঞ্চলত সোনাই নৈৰ পাৰত থকা পৰিয়ালৰ কৃষিপামলৈ গৈ তাৰ নৈসৰ্গিক শোভা উপভোগ কৰি আপোনপাহৰা হৈছিল। এনেকৈ শিশুকালৰ পৰা যৌৱনপ্ৰাপ্ত হোৱা পৰ্যন্ত গ্ৰাম্য পৰিৱেশত ডাঙৰ দীঘল হৈ সাহিত্যিকজনৰ সত্বা হৈ পৰিছিল খাটিখোৱা জনসাধাৰণ আৰু গ্ৰাম্য সমাজ-সংস্কৃতিৰ সৈতে একেসুঁতিৰ। নিজেই লিখি থৈ গৈছে ঃ 'মই মোৰ শৈশৰ আৰু প্ৰথম যৌৱন সোণাইপাৰতে অতিবাহিত কৰিলোঁ, আৰু তাৰ সাধাৰণ খাটিখোৱা শ্ৰমজীৱি মানুহৰ মাজত বিলীন কৰি দিলো মোৰ সত্বা।' কথা-ৰত্ন গৰাকীৰ স্কুলীয়া জীৱনৰ অন্যতম প্ৰসিদ্ধ সহপাঠী আছিল স্বনামধন্য সাহিত্যিক ড° ভবেন্দ্ৰনাথ শইকীয়া। তেখেতৰ সান্নিধ্য আৰু অন্তৰংগতাই ড০ বৰাদেৱৰ ব্যক্তিত্ব, অধ্যয়ন, আৰু সাহিত্যৰ অনুৰাগত বেচ অৰিহণা যোগাইছিল বুলি বিভিন্ন প্ৰসংগত নিজেই ব্যক্ত কৰি গৈছে, আৰু সেই অন্তৰংগতা সুঁৱৰি কেতিয়াবা বেচ নষ্টালজিকো হৈ উঠিছিল।

আজীৱন সাহিত্য চৰ্চাত ব্ৰতী হোৱা কৃতবিদ্য সাহিত্যিকগৰাকীয়ে সাহিত্যকৰ্ম আৰম্ভ কৰিছিল স্কুলীয়া জীৱনতে। অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই সহপাঠী ৰোহিত চন্দ্ৰ বেজবৰুৱাৰ সৈতে লগলাগি এখন হাতেলিখা আলোচনী প্ৰকাশ কৰি তাত কবিতা লিখিছিল। দশম শ্ৰেণীত থাকোতে স্কুলৰ আলোচনী 'উদয়'ত চপা আখৰত প্ৰকাশ পাইছিল 'তোমাত মোহমুক্তি ৰূপে' শীৰ্ষক এক তত্ত্বগধুৰ কবিতা। সেইখন আলোচনীয়েই আছিল নগাঁও চৰকাৰী হাইস্কুলৰ সৰ্বপ্ৰথম ছপা আলোচনী, আৰু তাৰ ছাত্ৰ সম্পাদক আছিল বৰেণ্য ড° ভবেন্দ্ৰ নাথ শইকীয়া। গল্পকাৰ হিচাপে ড° বৰাদেৱে প্ৰথম আত্মপ্ৰকাশ কৰিছিল ১৯৫৪ চনত 'ৰামধেনু'ত প্ৰকাশিত গ্ৰামীণ পটভূমিত লিখা 'ভাওনা' গল্পটোৰ জৰিয়তে। সোণাইপৰীয়া গ্ৰাম্য সমাজত সমস্ত বাল্যকাল কটাই তাৰ কলা-সংস্কৃতি, গ্ৰাম্য-অৰ্থনীতি আৰু জনসাধাৰণৰ লগত একাত্ম হোৱাৰ বাবেই

হয়তো সাহিত্যিক জীৱনৰ প্ৰথমছোৱা কালত তেখেতৰ গল্প, উপন্যাসৰ পটভূমি আছিল মুখ্যতঃ সেই সমাজ আৰু খাটিখোৱা মানুহখিনিৰ জীৱন সংগ্ৰাম, সুখ-দুখ, আৱেগ-অনুভূতি, হাঁহি-কান্দোন, হিংসা-দ্বেষ, খোৱা-কামোৱা, কামনা-বাসনা। পিছলৈ অৱশ্যে তেখেতৰ গল্প, উপন্যাস, নাটক আদিৰ পটভূমি আৰু বিষয়বস্তু হৈ পৰিছিল বহুমুখী আৰু বৈচিত্ৰ্যময়। অসমীয়া সাহিত্য জগতৰ বৰ্তমানৰ অন্যতম মহীৰূহ ড° নগেন শইকীয়াদেৱে তেখেতৰ বিষয়ে লিখিছেঃ ‘ গ্ৰামীণ জীৱনৰ পটভূমিত লিখা গল্পৰে আত্মপ্ৰকাশ কৰা এইগৰাকী লেখকৰ ৰচনাই গাঁৱৰ জীৱনৰ সতেজ ছবিখন দাঙি ধৰিলে। আৰু এই যে আৰম্ভ হ’ল গাঁৱৰ জীৱনৰ লগত থকা নাৰীৰ সম্পৰ্কই এক নতুন শক্তিলৈ তেখেতৰ গল্পক আগবঢ়াই লৈ যাবলৈ ধৰিলে। ..... ইতিমধ্যে তেখেতৰ গল্প আৰু উপন্যাসে নগৰৰ নিম্ন মধ্যবিত্ত জীৱন, মধ্যবিত্ত জীৱনৰ আনকি আন্ধাৰ জগতৰ আৰু বিজ্ঞান জগতৰ পটভূমি গ্ৰহণ কৰিছে। ... যিখন গ্ৰন্থৰ বাবে তেখেতে এক সৰ্বভাৰতীয় সন্মানীয় পুৰস্কাৰ সৰস্বতী সন্মান লাভ কৰিলে সেই ‘কায়কল্প’ নামৰ গ্ৰন্থখন বিজ্ঞানৰ বিশুদ্ধ জ্ঞান আৰু প্ৰয়োগিক জ্ঞানৰ ব্যৱহাৰৰপটভূমিত প্ৰস্তুত কৰি উলিয়াইছে। কেৱল সেয়ে নহয়, কেনেভাবে বিজ্ঞানে মানুহৰ জীৱনত আয়ুস বৃদ্ধিৰ পৰা আৰম্ভ কৰি বিভিন্ন প্ৰভাৱ পেলাব পাৰে সেই ধাৰণাৰ যেন এক বিজ্ঞানগাৰৰ পৰীক্ষাৰ লগত পাঠক মুখামুখি হয়। ... অসম আন্দোলনৰ লগত জড়িত হৈ তেখেতে কাৰাৰুদ্ধও হ’বলগীয়া হৈছিল। ‘ আকৌ শৰাইঘাট’ নামৰ উপন্যাসখন এই আন্দোলনৰ পটভূমিত লিখি উলিয়াইছিল। ড° বৰাৰ মাজত সদায় সক্ৰিয় হৈ আছে গভীৰ মানৱিকতাবোধ আৰু জাতীয়তাবোধ। তদুপৰি মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱৰ প্ৰতি তেখেতে অনুভৱ কৰা শ্ৰদ্ধা আৰু দায়িত্ব তেখেতে লেখাৰ মাজেদি প্ৰতিষ্ঠা কৰিছে।’

যশস্বী সাহিত্যিক গৰাকীয়ে মুঠ ৮৫ খন বিভিন্ন প্ৰকাৰৰ গ্ৰন্থৰে সমৃদ্ধ কৰি থৈ গৈছে অসমীয়া সাহিত্যৰ ভঁৰাল। ইয়াৰে ৩৭ খন উপন্যাস, ২৯ খন গল্প সংকলন, ৫ খন ভ্ৰমণ কাহিনী, এখন সুবৃহৎ আত্মজীৱনী, ২ খন নাটক, ৮ খন বিজ্ঞানভিত্তিক গ্ৰন্থ, দুখন অনুবাদ গ্ৰন্থ, আৰু এখন ইংৰাজী পাঠ্যপুথি। তদুপৰি প্ৰকাশ পাইছে ‘গল্প সমগ্ৰ’। এইখিনিৰ উপৰি লিখি থৈ গৈছে বহুসংখ্যক প্ৰবন্ধ আৰু মননশীল সম্পাদকীয়। সুবিশাল, বৈচিত্ৰ্যময় আৰু বিশিষ্ট সৃষ্টিৰাজিয়ে বৰেণ্য সাহিত্যিকগৰাকীলৈ কঢ়িয়াই আনিলে ভালেসংখ্যক সন্মানীয় পদবী, স্বীকৃতি আৰু বঁটা। ইতিমধ্যে উল্লিখিত চাকৰি জীৱনৰ পদবীৰ উপৰি তেখেতে অলংকৃত কৰা সন্মানীয় পদবীবিলাক হৈছেঃ

১) অসম সাহিত্য সভাৰ স ভাপতি ২) প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ড, অসমৰ অধ্যক্ষ ৩) অসম পৰিকল্পনা আয়োগৰ সদস্য ৪) অসম বিজ্ঞান সমিতিৰ উপসভাপতি ৫) অসম সাহিত্য সভাৰ উপসভাপতি ৬) গ্ৰীণ ছ’চাইটী অব আছামৰ সভাপতি ৭) ‘দ্য ইক’ন’মিক টাইম্ছৰ উজনি অসমৰ সংবাদদাতা ৮) সাপ্তাহিক অসমীয়া কাকত ‘ৰংপুৰ’ৰ সম্পাদক ৯) ‘গৰীয়সী’ৰ সম্পাদক ১০) ‘অসমৰ পূৰ্বাঞ্চল অভিমত সাতদিনৰ’ সম্পাদক ১১)সাহিত্য অকাডেমিৰ জেনেৰেল কাউন্সিলৰ সদস্য ১২) সাহিত্য অকাডেমিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য ১৩) সাহিত্য অকাডেমিৰ অসমীয়া উপদেষ্টা সমিতিৰ আহ্বায়ক।

কৃচ্ছ্ৰসাধনাৰ স্বীকৃতি হিচাপে সাহিত্যিকগৰাকীলৈ আগবঢ়োৱা ভালেসংখ্যক বঁটাৰ ভিতৰত বিশেষ উল্লেখযোগ্য কেইটামান হৈছেঃ সাহিত্য অকাডেমী বঁটা (১৯৮৮), অসম উপত্যকা বঁটা (২০০৪), সৰস্বতী সন্মান (২০০৮), অসম চৰকাৰৰ মাধৱদেৱ বঁটা (২০১০), প্ৰকাশন পৰিষদ বঁটা (২০১২), ভাৰতীয় ভাষা পৰিষদৰ ‘ৰচনা সমগ্ৰ বঁটা’ (২০১৩), পদ্মশ্ৰী বঁটা (২০১৫)

সৃষ্টিশীল সাহিত্যিকগৰাকী বিবাহপাশত আৱদ্ধ হৈছিল ১৯৬১ চনত। পত্নী শ্ৰীমতী মাধুৰী বৰাই তেতিয়া গ্ৰামোন্নয়ন বিভাগত চাকৰি কৰিছিল, আৰু পিছত অসম কৃষি বিদ্যালয়ৰ অধীনস্থ ‘গ্ৰাম সেৱিকা প্ৰশিক্ষণ’ কেন্দ্ৰত অধক্ষ্যা হিচাপে কাৰ্যনিৰ্বাহ কৰি ১৯৯৫ চনত অৱসৰ লয়। এগৰাকী অতি কৰ্মপটু, শৃংখলাবদ্ধ, নিয়মানুৱৰ্তী, সৎ আৰু পৰিচালন দক্ষতাসম্পন্ন গৃহিনী আৰু চাকৰিয়াল হিচাপে এইগৰাকী নাৰীয়ে ঘৰে-সমাজে লাভ কৰি আহিছে বিশেষ সমাদৰ আৰু স্বীকৃতি। ঘৰ-সংসাৰৰ দৈনন্দিন যাৱতীয় কামসমূহ নিয়াৰিকৈ কৰি তেখেতে সৃষ্টিশীল লেখকগৰাকীক লেখা-পঢ়াত একাণপতীয়াকৈ লাগিবলৈ সুবিধা কৰি দিছিল - এইকথা সাহিত্যিকগৰাকীয়ে কৃতজ্ঞতাৰে সোঁৱৰিছিল ভালেমান প্ৰসংগত।

দুখনমান গ্ৰন্থও প্ৰণয়ন কৰিছে এইগৰাকী মহীয়সীয়ে। তেখেতসকলৰ সাংসাৰিক জীৱন সফল আৰু সুখী আছিল বুলি একেষাৰেই ক'ব পাৰি। বৰ পো ত্ৰিদীপ জনসংযোগ বিভাগৰ সহকাৰী সঞ্চালক, সৰু পো স্বৰূপ গুৱাহাটী আই. আই. টি.ৰ গণিত বিভাগৰ অধ্যাপক, একমাত্ৰ জীয়েক সেউজী অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰধান বিজ্ঞানী, আৰু জোঁৱাই সেই বিশ্ববিদ্যালয়ৰে এক প্ৰতিষ্ঠানৰ সঞ্চালক। মুঠ ছটা নাতি-নাতিনীৰ ভিতৰত তিনিটাই তেখেতৰ জীৱন্ত কালতে ভাল চাকৰিত যোগদান কৰিছিল, আৰু বাকী তিনিটাও পঢ়াশুনাত প্ৰতিশ্ৰুতিসম্পন্ন। বোৱাৰী দুগৰাকী, ৰ'দালি আৰু স্বপ্নালী উচ্চশিক্ষিতা হোৱাৰ উপৰি সুলক্ষণা, সুদক্ষ গৃহিণী আৰু মৰমীয়াল। সেয়েহে পেটত কথা নথকা সাহিত্যিকগৰাকীয়ে মাজে-সময়ে সফল-সুখী সংসাৰক লৈ বিভিন্নজনৰ আগত সন্তুষ্টি প্ৰকাশ কৰিছিল, আৰু পৰিয়ালৰ সদস্য সদস্যাৰ সৰু-বৰ সফলতাৰ কথা কৈ আনন্দ পাইছিল। এইখিনিতে এইকথাও উল্লেখনীয় যে সাংসাৰিক জীৱনৰ দৈনন্দিক কাম-কাজ কৰিবলগীয়া হোৱা নাছিল যদিও বিভিন্ন সন্ধিক্ষণত প্ৰয়োজনসাপেক্ষে পৰিয়ালৰ গুৰুত্বপূৰ্ণ বিষয়ত অতি নিষ্ঠাৰে দায়িত্ব পালন কৰিছিল সাহিত্যিকগৰাকীয়ে। যুক্তিপূৰ্ণ সিদ্ধান্ত লৈ কাৰ্যকৰী কৰিছিল। জীয়েক, পুতেক, নাতিয়েকক প্ৰয়োজনসাপেক্ষে সংবৰ্ধন কৰিছিল বিদ্যায়তনিক দিশৰ তথ্য আৰু পৰামৰ্শ প্ৰদানেৰে। ল'ৰা-ছোৱালীহঁতক সৰুৰে পৰাই অধ্যয়নৰত হ'বৰ বাবে উৎসাহ যুগোৱাৰ উপৰি যোগাৰ কৰি দিছিল বিভিন্ন উপযোগী কিতাপ।

**বহুমুখিন্ সুগভীৰ প্ৰজ্ঞা**

প্ৰজ্ঞাৰ এটা প্ৰচলিত সংজ্ঞা হৈছে - জ্ঞান আৰু অভিজ্ঞতাৰ ভিত্তিত সমুচিত সিদ্ধান্ত ল'ব পৰা আৰু বিবেচনা কৰিব পৰা বুদ্ধিমত্তা। এই সংজ্ঞাৰ অৱলম্বনেৰে একেষাৰেই ক'ব পাৰি যে বৰেণ্য সাহিত্যিকগৰাকী আছিল উচ্চস্তৰীয় প্ৰজ্ঞাৱন্ত। বিবিধ বিষয়ক প্ৰজ্ঞা তেখেতৰ সৃষ্টিৰাজিৰ পাতে পাতে অতুল্য কথাশিল্পৰ ৰূপত খোদিত হৈ ৰৈছে। ঘৰুৱা জীৱন আৰু সামাজিক জীৱনৰ আচাৰ-ব্যৱহাৰ আৰু মনোবৃত্তিতো সবল বহুমুখিন্ প্ৰজ্ঞাৰ প্ৰতিফলন সুস্পষ্ট। এইলেখাত আমি তেখেতৰ সাহিত্যৰাজিত প্ৰকাশ পোৱা প্ৰজ্ঞাসমূহ ফঁহিয়াই দাঙি ধৰিব খোজা নাই। জীৱনযাত্ৰাৰ আনক্ষেত্ৰত প্ৰতিফলিত হোৱা প্ৰজ্ঞাৰ কেইটামান দৃষ্টান্তহে দাঙি ধৰিব খুজিছোঁ।

প্ৰধানতঃ এটা অভ্যাস, আৰু এটা বিশেষ গুণে তেখেতৰ প্ৰজ্ঞাৰ বৈচিত্ৰ্যতা আৰু গভীৰতা পৰিবৃদ্ধি তথা পৰিব্যাপ্ত হোৱাত মূলাধাৰ হিচাপে অৰিহণা যোগোৱা বুলি বোধ হয়। অভ্যাসটো হৈছে, দৈনন্দিন-সুনিৰ্বাচিত-একাগ্ৰ অধ্যয়ন। দৈনিক কেইবাখনো বাতৰি-কাকত পঢ়াৰ উপৰি নিয়মিত কেইবাখনো আলোচনী পঢ়িছিল, আৰু পঢ়িছিল বচা বচা গ্ৰন্থ। পঢ়োতে গুৰুত্বপূৰ্ণ বুলি বোধ হোৱা বাক্য আৰু শব্দ গাঁঠনিৰ তলত চিঁয়াহীৰে আঁচ টানি ৰাখে যাতে ভৱিষ্যতে আৱশ্যক অনুসৰি থাওকতে পঢ়িব বা ব্যৱহাৰ কৰিব পাৰে। গল্প-উপন্যাস যিমান মনপুতি পঢ়ে সিমান মনোযোগেৰেই পঢ়ে সমাজতাত্ত্বিক, ৰাজনৈতিক, বিজ্ঞান, আধ্যাত্মিক, মনঃতাত্ত্বিক আৰু স্বাস্থ্য সম্বন্ধীয় তত্ত্বসমৃদ্ধ গ্ৰন্থ তথা প্ৰবন্ধ-পাতি। অধ্যয়ন কৰা গ্ৰন্থাদিৰ নিৰ্বাচন লিখিবলৈ মন মেলা নাইবা লিখি থকা গ্ৰন্থৰ লগত অৱশ্যেই সম্বন্ধিত হৈছিল যদিও স্বাস্থ্য সম্বন্ধীয় আৰু বিজ্ঞানৰ ন-ন আৱিষ্কাৰ বিষয়ক তথ্যাদিৰ প্ৰতি আছিল বিশেষ আগ্ৰহ। অসমীয়া, বাংলা আৰু ইংৰাজী - এই তিনিওটা ভাষা অনায়াসে আৰু বেচ খৰকৈ পঢ়িব পাৰে বাবে জীৱন আগবঢ়াৰ লগে লগে চিত্তত সংৰক্ষিত অধ্যয়নলব্ধ জ্ঞান আৰু তথ্যৰ পৰিধিৰ পৰিবৃদ্ধি ঘটিছিল বেচ তৰান্বিতভাবে। হৈ পৰিছিল সুবিশাল আৰু বহুমুখী, আৰু সিবিলাক বিভিন্ন কৰ্ম আৰু আচৰণত স্বতঃস্ফূৰ্তভাৱে নিগৰি ওলাইছিল প্ৰজ্ঞা হিচাপে। প্ৰসংগতঃ উল্লেখনীয় যে এই অধ্যয়নশীলতাই তেখেতৰ সাহিত্য চৰ্চাৰ বিষয়বস্তু বৈচিত্ৰ্যময় আৰু সুবিস্তৃত হোৱাত অন্যতম অৰিহণা যোগাইছিল, আৰু সৃষ্টিসমূহ অধ্যয়নপুষ্ট প্ৰজ্ঞা, তথ্য, বিশ্লেষণ, উপলব্ধি আদিৰ জ্যোতিৰে জ্যোতিষ্মান হোৱাৰ সহায়ক হৈছিল।

অধ্যয়নলব্ধ তথ্য আৰু জ্ঞান প্ৰজ্ঞালৈ পৰ্যৱসিত হোৱাত তেখেতৰ অতুল্য ব্যক্তিত্বৰ বিভিন্ন গুণে অৱশ্যেই অৰিহণা যুগাইছিল। সিবিলাকৰ ভিতৰত সহানুভূতিশীলতা গুণটোৰ বৰঙণি বিশেষ বুলি বোধ হয়। তেখেত আছিল স্বভাৱজাতভাৱে অত্যন্ত সহানুভূতিশীল। আনৰ মনৰ অৱস্থা, সুখ, দুখ, ভাবনা-চিন্তা, পীড়া-যন্ত্ৰনা, আৱেগ-অনুভূতি, কামনা-বাসনা, সংগ্ৰাম, হাবিয়াস আদি অনায়াসে উপলব্ধি কৰিব পাৰিছিল, আৰু সেই অনুসৰি বিচাৰ-বিবেচনা আৰু খাপখোৱা আচৰণ কৰিব পাৰিছিল স্বতঃস্ফূৰ্তভাৱে। বিভিন্ন পৰিস্থিতিত সহজে অভিযোজন কৰিব পাৰিছিল, বিভিন্নজনৰ লগত সহ-অৱস্থান কৰিবলৈ

সক্ষম হৈছিল। মনটো স্বভাৱতঃ দৰদী আছিল বাবে পীড়িতজনৰ দুখ-কষ্ট, পীড়া-যন্ত্ৰনা, সংগ্ৰাম আদিয়ে কৰি তুলিছিল সংবেদনশীল। সহানুভূতিশীলতা তথা সংবেদনশীলতাপ্ৰসূত আৱেগ-অনুভূতি-অনুভৱ আদি কলমৰ যোগেদি নিগৰি ওলাইছিল সৃষ্টিৰাজিত - 'মানুহৰ বুকুৰ ভিতৰলৈকে দেখা পোৱা অৰ্ন্তদৃষ্টিৰে আঁকা ছৱিখন পৰিস্ফুট হৈ উঠিছিল'। তদুপৰি এই গুণ ফুটি উঠিছিল আচাৰ ব্যৱহাৰ, সিদ্ধান্ত, কৰ্ম আদিত। উল্লেখনীয় যে সহানুভূতিশীলতাক মানৱীয় গুণসমূহৰ জন্মদাতৃ বুলি গণ্য কৰা হয়। সহানুভূতিশীলতাই প্ৰেম, দয়া, বন্ধুত্ববোধ, ক্ষমা, সহযোগিতা, সহায়, কৃপা, শিষ্টাচাৰ, বিনম্ৰতা আদি গুণবোৰৰ পৰিবৃদ্ধি ঘটায়। সেয়েহে সহানুভূতিশীলতা সুগভীৰ আৰু নিৰ্ভেজাল হোৱা বাবেই তেখেতৰ ব্যক্তিত্ব আৰু লেখনিত পৰিস্ফুট হৈছিল মানৱীয় গুণৰাজি। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এদিন মই তেখেতৰ পৰা জানিব বিচাৰিছিলো - গল্প বা উপন্যাস এখনৰ মানদণ্ড মুখ্যতঃ কিহৰ ওপৰত নিৰ্ভৰশীল? উত্তৰ তেখেতৰ মুখতে আছিল - মানৱীয় প্ৰমূল্যৰ ওপৰত। গল্প, উপন্যাস এখনে পৰোক্ষভাৱে বা প্ৰত্যক্ষভাৱে পাঠকৰ মন-প্ৰাণত মানৱীয় প্ৰমূল্যবিলাকৰ প্ৰতি যিমান অধিক আৰু গভীৰভাৱে অনুপ্ৰাণিত কৰিব পাৰে সিমানে তাৰ মানদণ্ড অধিক হয়। এই অনুপ্ৰেৰণা মানৱীয় গুণৰ জয় আৰু উপকাৰিতা প্ৰতিফলনৰ দ্বাৰা নাইবা অমানৱীয় গুণৰ পৰাজয় আৰু অপকাৰীতা প্ৰতিফলনৰ দ্বাৰা নাইবা দুয়োবিধৰ প্ৰতিফলনৰ দ্বাৰা হ'ব পাৰে। মানৱীয় প্ৰমূল্যৰ উপৰি ভাষা, প্ৰকাশভংগী, কাব্যিকতা, অলংকাৰ আদিবোৰেও অৱশ্যেই সাহিত্যৰ মানদণ্ডত অৱশ্যেই বৰঙণি যোগায়।

উপযুক্তভাৱে অতুল্য প্ৰজ্ঞাধৰ আৰু গুণৱন্ত হোৱা বাবেই তেখেতৰ ব্যক্তিত্ব হৈ পৰিছিল বহুতো বৈশিষ্টৰে সমৃদ্ধ আৰু আকৰ্ষণীয় - সহজ-সৰল, সন্তোষিত, দৰদী, গৰ্বহীন, সপ্ৰতিভ, অমায়িক, সৰৱৰহী, নিয়মানুৱৰ্তী, অভিযোজিত, প্ৰতিশ্ৰুতিসম্পন্ন, নিষ্ঠাৱান, কৰ্মনিষ্ঠ। সেইবাবেই তেখেত হৈ পৰিছিল সকলো স্তৰৰ লোকৰ বুকুৰ আপোন আৰু সন্মানীয়। সেইবাবেই তেখেতৰ সাহিত্যকৰ্মৰ বিষয়ে বিভিন্ন লেখকে লেখা লেখাবিলাকতো তেখেতৰ ব্যক্তিত্বৰ বিষয়েও প্ৰসংগতঃ ঠাই পাইছিল ঃ

ড° নগেন শইকীয়াদেৱে এঠাইত লিখিছে— 'ৰজাঘৰ আৰু প্ৰজাঘৰে তেখেতক বিভিন্ন বঁটা আৰু সন্মানেৰে অলংকৃত কৰি তুলিছে। কিন্তু কেতিয়াও ক'তো তেখেতে তাৰ বাবে গৌৰৱত সামান্যতমভাৱেও ওফন্দি উঠা দেখা নাই।'

তেখেতৰ এগৰাকী ছাত্ৰ ইন্দ্ৰজিৎ দত্তই লিখিছে— 'তেখেতৰ গভীৰ জীৱনবোধ, জীৱন জিজ্ঞাসা আৰু জীৱন চৰ্চাৰ মই আগ্ৰহী ছাত্ৰ। এই ছাত্ৰজনৰ সামান্য সাফল্যৰ খবৰ পালেও ছাৰ উৎফুল্লিত হৈ পৰে, আনৰ আগতো আনন্দ প্ৰকাশ কৰে। কম কথানে?'

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে ' জ্ঞান-অৰণ্যৰ ভেমহীন মহীৰূহ' শীৰ্ষক লেখাত লিখিছে ঃ ' আমি লিখা-মেলা কৰা বেছিভাগ মানুহেই একো একোটা ভেমৰ টোপোলা লৈ ফুৰোঁ, আমি যেন ফুলাই ফুলাই ফাটো ফাটো হোৱা একোটা ইগোৰ বেলুন, আচৰণত এনেকুৱা ভাব ফুটি উঠে যেন বিশ্বব্ৰহ্মাণ্ডৰ জ্ঞান-ভাণ্ডাৰৰ ওপৰত আমাৰ একচেটীয়া অধিকাৰ, বাকীসকলেনো জানে কিটো। এনে এখন জ্ঞানৰ অৰণ্যত লক্ষ্মীনন্দন বৰা এগৰাকী বিৰল আৰু ব্যতিক্ৰম ইগোহীন, ভেম-অহংকাৰবিহীন মহীৰূহ। তেওঁৰ উচ্চতাক লৈ তেওঁৰ কোনো 'এয়াৰ' নাছিল। কোনো অনুজ লেখক, সাংবাদিক বা তেওঁৰ সংস্পৰ্শলৈ অহা কোনো কম বয়সৰ লোকেই কিজানি কেতিয়াও তেওঁৰ ওচৰত বয়সৰ ব্যৱধান অনুভৱ কৰা নাছিল, নিজৰ প্ৰতিভাক লৈ সংকুচিত হ'বলগীয়া হোৱা নাছিল।'

ড° সব্যসাচী মহন্তই লিখিছে - ' ড° লক্ষ্মীনন্দন ছাৰ আছিল এজন অসাধাৰণ 'সাধাৰণ' মানুহ। অত্যন্ত সহজ-সৰল, অমায়িক, প্ৰচুৰ প্ৰতিভাশালী, আজীৱন সপ্ৰতিভ, সক্ৰিয় আৰু সৰৱৰহী; সকলোকেই খুব সহজতেই আপোন কৰি ল'ব পৰা এক আকৰ্ষণীয় ব্যক্তিত্বৰ গৰাকী আছিল ড° বৰা ছাৰ।'

অপূৰ্ব শৰ্মাই 'সুখী, সক্ৰিয়, সৃষ্টিশীল জীৱনৰ সমাপ্তি' শীৰ্ষক লেখাত কৈছে -'তেওঁ খাদ্যৰসিক, সুখী আৰু সদালাপী আছিল। নিজৰ সুস্বাস্থ্য, সক্ৰিয় জীৱন আৰু লেখক জীৱনৰ সফলতা লৈ তেওঁ সন্তুষ্ট আছিল। .....তেওঁক সাহিত্যৰ সপক্ষে সৎ আৰু নিষ্ঠাৱান হোৱা দেখিছোঁ, আনকি বিশেষ প্ৰয়োজনত কঠোৰ সিদ্ধান্তৰ সপক্ষেও তেওঁ সহমত হৈছে। চাৰিওফালৰ ভোগ-লালসা, ছল-চাতুৰী, সুবিধা-দুৰ্বলতাৰ মাজতো সম্ভৱ সোণাই পাৰৰ ল'ৰাজন নীৰৱে সোমাই আছিল।'

প্ৰখ্যাত বোলচবি পৰিচালক মঞ্জু বৰাই 'অপ্ৰতিহত' প্ৰবন্ধত লিখিছে - " ইমান প্ৰাণৱন্ত, ইমান আধুনিক, প্ৰখৰ

স্মৃতিশক্তিসম্পন্ন, বিভিন্ন বিষয়ত অগাধ পাণ্ডিত্য আৰু সকলোতে নিজা দৃষ্টিভংগী সম্পৃক্ত ব্যক্তি খুব কমেই লগ পোৱা যায়। তেওঁক ভালপাওঁ তেওঁৰ স্পষ্টবাদিতাৰ বাবে আৰু সকলো সময়তে সকলো পৰিস্থিতিতে নিজকে খাপ খুৱাই ল'ব পৰা গুণৰ বাবে। শ্বুটিঙৰ সময়ত এদিন দুপৰীয়াৰ আহাৰৰ বাবে খৰখেদাকৈ পাণবজাৰৰ কেন্টিন জাতীয় ৰেস্তোৰাঁ এখনত খাবলগীয়া হ'ল। খুব সাধাৰণ খোৱা। হাত ধুবলৈ গৈ দেখি অহা ভিতৰখন কিমান লেতেৰা তেওঁ আহি মোক ক'লেহি । কিন্তু তাৰ মাজতো তেওঁৰ সহমৰ্মিতা।”

অতঃএৱ 'A world guided by wisdom is the proverbial heaven on earth.' আপ্তবাক্যষাৰ এইগৰাকী স্বনামধন্য সাহিত্যিকৰ জীৱনত পৰিস্ফুট হৈছিল চৌদিশ আলোকিত কৰি।

**নিৰৱধি একাগ্ৰ সাধনা**

কোৱা বাহুল্য যে স্বনামধন্য সাহিত্যিকগৰাকীৰ মুখ্যতম সাধনা আছিল সাহিত্য চৰ্চা। অসাধাৰণ কষ্টসহিষ্ণুতা একাগ্ৰতা, অধ্যৱসায় আৰু কৰ্মনিষ্ঠাৰে আজীৱন চলাই নিছিল এই সাধনা। প্ৰতিদিনেই অলপমান হ'লেও লেখাটো পৰিণত কৰিছিল অভ্যাসত। তাহানিৰ ৰঙা বাচত দিনৰ দিনটো তিনি-চাৰিশ কিলোমিটাৰ যাত্ৰা কৰি ঘৰ আহি পোৱাৰ কিছুসময়ৰ পিছতে কলম হাতত তুলি দুই চাৰি পৃষ্ঠা লেখা প্ৰত্যক্ষ কৰি আমি তবধ মানিছিলো। এবাৰ তেখেতে প্ৰয়োজনবশতঃ এখন উপন্যাস তিনি দিন তিনি ৰাতি একেলেথাৰিয়ে লিখি উলিয়াই আলোচনীত প্ৰকাশৰ বাবে প্ৰেৰণ কৰিছিল। সুবৃহৎ উপন্যাস একোখনৰ প্ৰণয়নত হাত দি সুপৰিকল্পনা, একাগ্ৰতা, অধ্যৱসায় আৰু কষ্টসহিষ্ণুতাৰে আগবাঢ়ি সচৰাচৰ ভবাতকৈও আগতীয়াকৈ প্ৰস্তুত কৰি উলিয়াইছিল। লেখাৰ অতুল্য প্ৰতিভা ঈশ্বৰপ্ৰদত্ত বুলি অনায়াসে বোধ হয়। আখৰো বেচ সুন্দৰ। খুব খৰ গতিত কলম চলে। জনপ্ৰিয় আলোচনী 'প্ৰান্তিক'ৰ কৃতবিদ্য সম্পাদক প্ৰদীপ বৰুৱাদেৱে এঠাইত লিখিছে ঃ 'পেচাগতভাৱে এজন অৱসৰপ্ৰাপ্ত বিজ্ঞানী, শিক্ষক হ'লেও ড০ লক্ষ্মীনন্দন বৰাই নিচাগতভাৱে চৰ্চা কৰা সাহিত্যকৰ্মৰ যোগেদিহে আত্মপৰিচয় সাব্যস্ত কৰিলে। তেখেতৰ লিখাৰ গতি দুৰ্বাৰ। এজন যুৱকে পাঁচমিনিটত এমাইল দৌৰিবলৈ যি গতি প্ৰাপ্ত হয়, তাৰ লগতহে মই তেখেতৰ লিখাৰ গতিক তুলনা কৰিম। অনৰ্গল এই বয়সতো কেনেকৈ এজন মানুহে ইমান লিখি যাব পাৰে, সেই কথা ভাবি মই আচৰিত হওঁ। এজন মানুহৰ আশাশুধীয়া প্ৰচেষ্টাই যে জীৱনটো অৰ্থৱহ কৰাৰ লগতে সন্মানীয় কৰি তুলিব পাৰে, আনকো অনুপ্ৰাণিত কৰিব পাৰে - সেই কথাটো মই ড০ লক্ষ্মীনন্দন বৰাৰ জীৱনৰ পৰা শিকিছো। ... চাৰিকুৰি বয়সতো এজন তজবজীয়া ডেকাৰ দৰে থাকিব পৰা মানুহজনক লগ পালে মোৰ মনলৈ উদ্দীপনা আহে।... যিসকলে ড০ বৰাক লগ পোৱা নাই, কিন্তু তেখেতৰ আত্মজীৱনী 'কাল বলুকাত খোজ' পঢ়িছে, তেখেতসকলে অনুভৱ কৰিব পাৰিছে - এজন মানুহৰ জীৱনত কিমান বৈচিত্ৰ্য থাকিব পাৰে।'

সাহিত্য সাধনাৰ লগত যোগ হৈছিল আৰু দুটা পৰিপূৰক সাধনা। সেই দুটা হৈছে জ্ঞানৰ সাধনা আৰু স্বাস্থ্যৰক্ষাৰ সাধনা। নিয়মিত, নিৰ্বাচিত আৰু একাগ্ৰ অধ্যয়নৰ কথা এই লেখাৰ আৰম্ভণিতে কৈ অহা হৈছে। স্বাস্থ্যৰক্ষাও তেখেতৰ জীৱনৰ অন্যতম সাধনা বুলিয়েই বোধ হয়। কাৰণ প্ৰায় মাজ বয়সৰ পৰা জীৱনৰ অন্তিমকালত হস্পিটেলত ভৰ্তি হোৱাৰ আগলৈকে তেখেতে নিয়মিত কৰিছিল আসন আৰু প্ৰাণায়াম। আৰম্ভ কৰা কালত অসমীয়াত আসন আৰু প্ৰাণায়াম বিষয়ক পচন্দৰ হাতপুথি বিচাৰি নাপাই এখন বাংলা ভাষাৰ সচিত্ৰ কিতাপ যোগাৰ কৰি লৈছিল। আসন, প্ৰাণায়ামৰ উপৰি দৈনিক খোজ কঢ়িছিল। স্বাস্থ্যৰক্ষাৰ উদেশ্যে বিজ্ঞানসন্মতভাৱে খোজ কাঢ়িবৰ বাবে এখন ইংৰাজী কিতাপ যোগাৰ কৰি লৈ তাৰ কিটিপ-কৌশল অনুসৰণ কৰি খোজ কাঢ়িবলৈ যত্নপৰ হৈছিল। জীৱনৰ শেষৰ কেইবছৰমান প্ৰতিদিনে বেচ কিছুসময় ধৰি কৰিছিল জপ। স্বাস্থ্যৰক্ষাৰ এই একাগ্ৰ সাধনাৰ বাবেই আজীৱন ৰৰ্তি আছিল তেখেতৰ অফুৰন্ত কৰ্মস্পৃহা, উৎসাহ, উদ্দীপনা, কৰ্মশক্তি আৰু সক্ৰিয়তা।

*****

● লেখক ঃ সঞ্চালক, সম্প্ৰসাৰণ শিক্ষা প্ৰতিষ্ঠান অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ৭৮৫০১৩

# সৰ্বকালৰ এগৰাকী শ্ৰেষ্ঠ অসমীয়া লক্ষ্মীনন্দন

ধ্ৰুৱজ্যোতি শৰ্মা

লুইতৰ ৰূপোৱালী উপত্যকাত আজি আকৌ এবাৰ বিনামেঘে বজ্ৰপাত পৰিল। অসমী আইৰ বুকু সুদা কৰি মহাকালে হৰি লৈ গ'ল তেওঁৰ মৰমৰ পুত্ৰ লক্ষ্মীনন্দনক। যি আছিল অসমৰ সাহিত্য আকাশৰ নবীন সূৰ্য। অসমীয়াৰ চিন্তা-চেতনা, সাহস আৰু ঐশ্বৰ্যৰ প্ৰতীক আছিল নগাঁৰৰ হাতীচোঙৰ এই পদাৰ্থ বিজ্ঞানীজন। বিজ্ঞান মনস্তত্ত্বৰ ব্যক্তি সত্তা হৈও আধ্যাত্মিক ধ্যান, ধাৰণা আৰু দৰ্শনৰ পৰম অনুৰাগী আছিল এই মহান অসমীয়াজন। তেওঁৰ মৃত্যুত অসমে আজি আন এগৰাকী সব্যসাচীসদৃশ সাহিত্যিক, সৰ্বকালৰ শ্ৰেষ্ঠ অসমীয়া এজনক হেৰুৱালে। সাহিত্যৰ পৃথিৱীৰ তেওঁ আছিল বিশাল স্তম্ভ। আছিল তেওঁ সাৰস্বত সাধক। আজি তেওঁ নাই। শূন্য হৈ পৰিল শব্দৰ মালিতা। শূন্য আজি দশোদিশ। "কাল বলুকাত খোজ" পেলাবলৈ, "পাতাল ভৈৰৱী"ৰ অনুসন্ধানত নামি পৰিবলৈ "মন মাটি মেঘ"ৰ প্ৰেমিক চৰাই হৈ তেওঁ আৰু কোনো দিনে উভতি নাহে কলংপাৰলৈ। এই চৰম সত্যক মানি ল'বলৈ আজি প্ৰতিজন অসমীয়াই বুকুত কষ্ট পাইছে। অতি সৰল মনৰ, সকলোকে আকুলতাৰে আপোন কৰি ল'ব পৰা গুণৰ বাবে আমাৰ দৰে বহুতৰে আজি কষ্ট হৈছে। তেওঁৰ পুত্ৰ ত্ৰিদিৱনন্দনৰ সতে আমাৰ দীৰ্ঘদিনীয়া বন্ধুত্ব। সেই সুবাদতে আমি তেওঁৰ পৰম গুণগ্ৰাহী আছিলোঁ। তদুপৰি নাটক, চিনেমাৰ প্ৰতি ছাৰৰ গভীৰ অনুৰাগ আছিল। আমাৰ আজিও মনত আছে আমি থিয়েটাৰ ভাগ্যদেৱীৰ বাবে ৰচনা কৰা, প্ৰস্তুতি পৰাশৰ অভিনীত মনত পৰেনে অৰুন্ধতী চাবলৈ আহিছিল বাইদেউৰ সতে। আহিয়েই সকলোৰে সতে ইমান আপোন হৈ পৰিছিল যে সকলোৱে বিস্ময়ত বিমুগ্ধ হৈ পৰিছিল। ভাগ্যদেৱীৰ স্বৰ্ণজয়ন্তী অনুষ্ঠানত অংশগ্ৰহণ কৰি তেও যিটো অধ্যয়নপুষ্ট বক্তৃতা প্ৰদান কৰিছিল তাতেই ওলাই পৰিছিল লেখকগৰাকীৰ মেধা, প্ৰজ্ঞা আৰু জ্ঞানৰ বিশাল পৰিধিৰ কথা। তাতেই তেওঁ কৈছিল নাটক লিখাটো অতি কষ্টসাধ্য, জীৱনত বহুতে লিখিলো কিন্তু নাটক সৰুকৈ দুখন সিপুৰিৰ আঁচনি আৰু যুগলহে লিখিব পাৰিলোঁ। এজন মানুহ কিমান মহৎ হ'লে এনেকুৱা কথা মুকলি মনেৰে ক'ব পাৰে? সেয়াই আছিল লক্ষ্মীনন্দন যি স্বৰূপাৰ্থত সৰস্বতী পুত্ৰ। অসমৰ সাংবাদিক ক্ষেত্ৰখনত বিদ্যায়তনিক মাত্ৰা প্ৰদান কৰাত এইজনা গুণাঢ্য সাহিত্যিকৰ আছে অনন্য অৱদান।। অসমৰ সাহিত্য সংস্কৃতিক সৰ্বভাৰতীয় পৰ্যায়ত পৰিচিতি দিব পাৰিছিল তেওঁৰ কায়কল্প বা পাতাল ভৈৰৱীৰ শ্ৰেষ্ঠতম সাহিত্য কীৰ্তিৰে। তেওঁ আমাৰ মাজত জীয়াই থাকিব এটি মিঠা সপোন হৈ। মহাকাব্যিক জীৱনৰ অজেয় নায়ক হৈ।

*****

- লেখক ঃ লেখক, ভ্ৰাম্যমাণৰ বিশিষ্ট নাট্যকাৰ আৰু নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি।

# ড° লক্ষ্মীনন্দন বৰাৰ *গৰীয়সীৰ* সম্পাদকীয় আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি

**ড° ধনেশ্বৰ কলিতা**

ড° লক্ষ্মীনন্দন বৰা (১৫ জুন ১৯৩২- ৩ জুন ২০২১) অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট কথাশিল্পী। তেওঁ মৌলিক সৃষ্টিশীল ৰচনাৰাজিৰ বাবে যিদৰে সৰ্বভাৰতীয় পৰ্যায়ত পৰিচিত, তেনেদৰে অসমীয়া সাহিত্যৰ যুগ সৃষ্টিকাৰী আলোচনী *গৰীয়সীৰ* এটা দশকৰো অধিক কাল সম্পাদকৰ দায়িত্ব সুকলমে পালন কৰি এগৰাকী সফল সম্পাদক ৰূপেও খ্যাতিমন্ত।

আলোচনী সম্পাদনাৰ ক্ষেত্ৰত তেওঁ গ্ৰহণ কৰা দৃষ্টিভঙ্গী সম্পৰ্কে ২০১৯ চনৰ চেপ্তেম্বৰ মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ৰ পৰিশীলন পাঠ্যক্ৰমৰ সামৰণি অনুষ্ঠানত এটা সুন্দৰ বক্তৃতা প্ৰদান কৰিছিল। বিশেষকৈ *গৰীয়সী* আলোচনীত প্ৰকাশৰ বাবে কেনে ধৰণৰ ৰচনাৰাজি তেওঁ নিৰ্বাচনত গুৰুত্ব দিয়ে, সেই সম্পৰ্কে বক্তব্য দাঙি ধৰিছিল। সেই বক্তব্যৰ মূল কথা আছিল এই যে তেওঁ সাধাৰণতে সৰ্বসাধাৰণে বুজি পাব পৰা বিধৰ ৰচনা প্ৰকাশত গুৰুত্ব আৰোপ কৰে। বেছি তাত্ত্বিক আৰু জটিল বিষয়বস্তুৱে এক শ্ৰেণীৰ পাঠকক সন্তুষ্ট কৰে যদিও সি সকলোৰে বাবে গ্ৰহণযোগ্য নহয়। সেয়ে অধিক সংখ্যক সাহিত্যনুৰাগীৰ কাষ চাপিবলৈ সহজ-সৰল ৰচনাৰাজি প্ৰকাশত তেওঁ অধিক গুৰুত্ব প্ৰদান কৰিছিল। প্ৰায় এটা দশকৰ *গৰীয়সী* আলোচনীত চকু ফুৰালেও সেই কথাৰ সত্যতা প্ৰতিপন্ন নোহোৱাকৈ নাথাকে।

তেওঁৰ সম্পাদনা ৰীতি সম্পৰ্কে *গৰীয়সীৰ* সহকাৰী সম্পাদক অংকুৰ ডেকায়ো প্ৰান্তিকৰ পাতত লিখিছে—"ড° লক্ষ্মীনন্দন বৰা ছাৰে শিৰোনামত খুব গুৰুত্ব দিছিল। ছাৰৰ কথা স্পষ্ট যে শিৰোনাম পঢ়িয়ে সকলো পাঠকে লেখাটোৰ বিষয়নো কি স্পষ্টকৈ জানিব লাগিব। মোৰ নিজৰ প্ৰবন্ধৰ আলমত কথাটো বুজিবলৈ সুচল হ'ব। ২০১০ চনৰ নৱেম্বৰ সংখ্যা 'গৰীয়সী'ত প্ৰকাশৰ বাবে চিত্ৰকলা বিষয়ক এটা প্ৰবন্ধ লিখিছিলোঁ; যাৰ শিৰোনাম আছিল 'কবিগুৰুৰ ছবি'। সেই বছৰৰে ১৮ অক্টোবৰত মোৰ সেই প্ৰবন্ধটো ছাৰে সম্পদনা কৰিবলৈ লৈয়ে মোক তেখেতৰ কোঠালৈ মাতি পঠিয়াইছিল; কৈছিল— "আমাৰ কিমানজন পাঠকে কবিগুৰু মানে ৰবীন্দ্ৰনাথ বুলি বুজিবহে— শিৰোনাম সদায় স্পষ্ট হ'ব লাগে। বৰা ছাৰে নতুন শিৰোনাম দিছিল 'চিত্ৰশিল্পী ৰবীন্দ্ৰনাথ'।"[১]

তেৰটা বছৰৰ *গৰীয়সীৰ* সম্পাদকীয়ত চকু ফুৰালে গম পোৱা যায়— ড° লক্ষ্মীনন্দন বৰাই জাতীয় সংকট, ভাষাৰ সংকট, নিৰ্বাচন, অনুবাদ, শিক্ষাৰ মাধ্যম, সাহিত্য একাডেমী পুৰস্কাৰ আদি বিষয়ত তেওঁৰ সম্পদকীয়সমূহ লিখিছিল।

এই আলোচনাত তেওঁৰ সম্পাদনা কালৰ *গৰীয়সী* আলোচনীৰ সম্পাদকীয়সমূহত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিয়ে কেনেদৰে ঠাই পাইছিল সেই বিষয়ে বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। ড° লক্ষ্মীনন্দন বৰাই ২০০৯ চনৰ মে মাহত *গৰীয়সী* আলোচনীৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। প্ৰথম সম্পাদকীয় 'আশিস্ কামনাৰে' তেওঁ পোনতে প্ৰয়াত সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াক স্মৰণ কৰে। পূৰ্বৰ *জোনাকী, আৱাহন, ৰামধেনু* যুগৰ দৰে *গৰীয়সী* আলোচনীয়েও নিজৰ

নামেৰে এটা যুগ সৃষ্টি কৰিবলৈ সক্ষম হোৱা বুলি সন্তোষ প্ৰকাশ কৰে। লগতে ন-পুৰণি লেখকৰ নতুন চিন্তা আৰু লেখাৰে *গৰীয়সী*ৰ পূৰ্বৰ মৰ্যাদা অক্ষুণ্ণ ৰাখি সম্পাদনাৰ দায়িত্ব আগবঢ়াই নিবলৈ পাঠকৰ আশিস্ কামনা কৰে। তেওঁ দায়িত্ব লোৱা সময়খিনি অসমৰ বাবে দুঃসময় আৰু সন্ধিক্ষণৰ সময় আছিল বুলি উল্লেখ কৰি তেনে সময়েই সাহিত্য সৃষ্টিৰ বাবে উৎকৃষ্ট বুলি বিশ্বসাহিত্যৰ উদাহৰণ দাঙি ধৰে। এই সম্পাদকীয়তে তেওঁ বিশ্বত ইলেকট্ৰ'নিক মাধ্যমৰ প্ৰসাৰ আৰু জনপ্ৰিয়তাই পোনতে ছপা মাধ্যমলৈ ভাবুলি কঢ়িয়াই আনিছিল যদিও সোনকালেই পুনৰ ছপা মাধ্যমে মানুহক আকৰ্ষণ কৰিবলৈ লোৱাৰ বাবেও ছপা মাধ্যমৰ ভাল ভৱিষ্যত থকাৰ আশা ব্যক্ত কৰে।

জুন ২০০৯ সংখ্যাত 'নিৰ্বাচনৰ ফলাফল আৰু অসমৰ বিপৰ্যস্ত ভাষা-সংস্কৃতি'ত দ্বিতীয় বাৰৰ বাবে কেন্দ্ৰত গঠিত কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰখনৰ পৰা অসমে বিশেষ একো ভাল ফল লাভ কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা নাই। বিদেশী সমস্যা আদিৰ ক্ষেত্ৰত অসম আন্দোলন কৰি চৰকাৰ গঠন কৰা জাতীয়তাবাদী শিবিৰে একো কৰিব নোৱাৰাৰ দৰে কংগ্ৰেছৰ পৰাও আশা কৰিবলগীয়া নাই বুলি উল্লেখ কৰিছে। কিন্তু ভাষা-সংস্কৃতি ৰক্ষা কৰিব লাগিব জনসাধাৰণে বুলি তেওঁ মত পোষণ কৰে। উন্নত ৰাষ্ট্ৰসমূহে পুঁজিবাদী অৰ্থনীতি বিশ্বলৈ মুকলি কৰি দিছে যদিও নিজৰ নিজৰ ভাষা-সংস্কৃতি কিন্তু বিপন্ন হ'বলৈ দিয়া নাই। তেওঁ কৈছে— "অসমত পিছে ৰাষ্ট্ৰীয় চৰকাৰ বা আঞ্চলিক দলৰ শাসকবৰ্গই ৰাজ্যৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সুৰক্ষা আৰু বিকাশৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া নাই আৰু যিখিনি কাম হৈছে তাৰ বাবে কৃতিত্বৰ দাবী কৰিব পাৰে অসমৰ সাহিত্য-সংস্কৃতিপ্ৰেমী ৰাইজ আৰু অসম সাহিত্য সভাৰ প্ৰতি ৰাইজৰ অকুণ্ঠ সমৰ্থনেহে।"[২]

জুলাই ২০০৯ সংখ্যাত 'সাহিত্যৰ সমৃদ্ধিত অনুবাদৰ বিকল্প নাই' শীৰ্ষক সম্পাদকীয়ত অনুবাদৰ যোগেদি বিশ্বসাহিত্যৰ গ্ৰন্থসমূহ নিজ নিজ ভাষালৈ অনুবাদ কৰিলেহে সেই ভাষাৰ পাঠকসকল সমৃদ্ধ হ'ব বুলি মত ব্যক্ত কৰিছে। হিন্দী, বাংলা আৰু দক্ষিণ ভাৰতৰ ভাষালৈ বহু গ্ৰন্থ অনুবাদ হৈছে যদিও সেয়া পৰ্যাপ্ত নহয় বুলি কৈছে। অসমত মধ্যযুগৰ কবিসকলে অনুবাদৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ কথাও প্ৰসঙ্গক্ৰমে উল্লেখ কৰিছে।

আগষ্ট ২০০৯ সংখ্যাত 'সৰ্বগুণাকৰ শংকৰ ঃ প্ৰচাৰ, প্ৰসাৰ আৰু পেৰাডক্স' বিষয়ক সম্পাদকীয় শংকৰদেৱ সম্পৰ্কে অনুবাদৰ যোগেদি বিশ্বমুখী প্ৰচাৰ কৰাৰ পোষকতা কৰে। শংকৰদেৱৰ কিছু গ্ৰন্থৰ ইংৰাজী অনুবাদ হৈছে যদিও তাৰ বিপণন অসমতে সীমাবদ্ধ থকাৰ বিপৰীতে বিশ্বজুৰি বিপণন ব্যৱস্থা থকা প্ৰতিষ্ঠানৰ যোগেদি গ্ৰন্থ বিপণন কৰিলে শংকৰদেৱ বিশ্বত প্ৰতিষ্ঠিত হ'ব বুলি আশা কৰিছে। সত্ৰীয়া নৃত্যৰ ক্ষেত্ৰত একাংশ ব্যক্তিৰ বিশ্বমুখী প্ৰচেষ্টাৰো তেওঁ শলাগ লৈছে। বিশেষকৈ উত্তৰ কমলাবাৰী সত্ৰৰ ভবানন্দ বৰবায়ন, ইন্দিৰা পি পি বৰাৰ কন্যা মেনকা, শাৰদী শইকীয়া আদি শিল্পীয়ে ফ্ৰান্স, ইংলেণ্ডৰ লগতে ভাৰতৰ বিভিন্ন ঠাইত সত্ৰীয়া নৃত্যৰ প্ৰদৰ্শন আৰু প্ৰশিক্ষণ দি শংকৰী কলা-কৃষ্টিক প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগবঢ়োৱা প্ৰচেষ্টা অসমীয়া কলা-সংস্কৃতিৰ বাবে শুভ লক্ষণ।

ছেপ্তেম্বৰ ২০১১ সংখ্যাৰ সম্পাদকীয়ৰ বিষয় আছিল 'সৌৰভ কুমাৰ চলিহা'। অসমৰ লগতে সৰ্বভাৰতীয় স্তৰত পৰিচিত স্বকীয় বিশেষত্বসম্পন্ন কথাশিল্পী সৌৰভ কুমাৰ চলিহাৰ মূল্যায়ন কৰিবলৈ চেষ্টা কৰিছে এই সম্পাদকীয়ত। বিষয়বস্তুৰ বৈচিত্ৰ্য, শব্দচয়ন আৰু বাক্য বিন্যাসত তেওঁৰ আছিল সুকীয়া দক্ষতা। ড° লক্ষ্মীনন্দন বৰাই সেই বিষয়ে এনেদৰে উল্লেখ কৰিছে— "তেওঁ আমাৰ নগৰীয়া সমাজখনৰ জটিল অগ্ৰগতিৰ ৰূপকাৰ, জীৱনৰ খুটি-নাটিবোৰৰ মহাসমীক্ষক আৰু সাধাৰণক অসাধাৰণৰূপে দাঙি ধৰিব পৰা এজন শব্দ, বাক্যাংশ আৰু বাক্যৰ যাদুকৰ।.... তেওঁ অসমীয়া গল্পলৈ আনিলে কথনভঙ্গীৰ নতুন ধৰণৰ ৰচনাশৈলী (তেওঁ পিছে আনৰ ৰচনাশৈলী বা আংগিকৰ অনুশীলনৰ পক্ষপাতী নাছিল, তেওঁৰ নিজস্ব শৈলীয়েই তেওঁৰ নিজস্ব অনুশীলন) আৰু নতুন চিন্তা-চেতনা।"[৩]

নৱেম্বৰ ২০১১ সংখ্যাৰ 'অসমীয়া ভাষাৰ ভেটি' শীৰ্ষক সম্পদকীয়ত এটা ভাষাৰ সমৃদ্ধি সাধনত পূৰ্ণাঙ্গ অভিধান, ব্যাকৰণ আৰু বিশ্ব-সাহিত্যৰ নিৰ্বাচিত গ্ৰন্থসমূহৰ অনুবাদৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰিছে। ভাৰতৰ সাহিত্য অকাদেমীয়ে ২৪ টা ভাষাক স্বীকৃতি দিলেও, আটাইবোৰ ভাষা সমৃদ্ধ নহয়। এইবোৰৰ ভিতৰত হিন্দী, তামিল, মালয়ালম, বাংলা আদিৰহে ভেটি সুদৃঢ় বুলি তেওঁ মত পোষণ কৰে। অসমীয়া ভাষাৰ ভেটি সুদৃঢ় কৰিবলৈ এখন সৰ্বজনগ্ৰাহ্য অভিধান প্ৰণয়ন নোহোৱাটোত তেওঁ খেদ প্ৰকাশ কৰে। বিশ্ববিদ্যালয়সমূহে আৰু সাহিত্য সভাই এই দিশত গুৰুত্ব নিদিয়াটোও মন কৰিবলগীয়া। আকৌ,

অনুবাদৰ ক্ষেত্ৰত বিশ্ব-সাহিত্যৰ গ্ৰন্থৰ সঠিক অনুবাদ নোহোৱাটোও লক্ষ্যণীয়। মহৎ সৃষ্টিসমূহৰ সঠিক অনুবাদ নহ'লে সি মূলেখকৰ ৰচনাশৈলী, মূল বক্তব্য আৰু গ্ৰন্থখনৰ মহত্ত্ব বিচাৰি পোৱা নাযায় বুলিও তেওঁ উল্লেখ কৰে।

২০১১ চনৰ ৫ নৱেম্বৰত ড° ভূপেন হাজৰিকাই ইহলীলা সম্বৰণ কৰে। ড° লক্ষ্মীনন্দন বৰাই তেওঁৰ স্মৃতিচাৰণ কৰি ২০১১ চনৰ ডিচেম্বৰ সংখ্যা গৰীয়সীত 'জয়তু ভূপেনদা' শীৰ্ষক সম্পাদকীয়ত লিখিছে— "অকল অসমৰে নহয়, সমগ্ৰ উত্তৰ-পূব ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ ৰাইজৰ হিয়াৰ আমঠু, ৰাইজৰ আবেগ-অনুভূতিৰ মুকুটবিহীন সম্ৰাট, অদ্বিতীয় সংগীতজ্ঞ, কণ্ঠশিল্পী, কবি, সাহিত্যিক আৰু অসমৰ জাতীয় জীৱনৰ মহানায়ক সুধাকণ্ঠ ভূপেন হাজৰিকা স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত।"[৪] তেওঁ শংকৰদেৱৰ পিছতে ভূপেন হাজৰিকাক স্থান দিছে। শংকৰদেৱে উত্তৰ-পূব ভাৰত আৰু বৰ অসমৰ বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ বিশিষ্ট উপাদানেৰে বাদ্যধ্বনি, গীত আৰু নৃত্যৰ সৃষ্টি কৰাৰ দৰে ভূপেন হাজৰিকায়ো এই অঞ্চলৰ বৰ্ণাঢ্য গণ-সংস্কৃতিৰ ভেটিত নিজৰ সৃষ্টিক অতুলনীয় কৰি তুলিব পাৰিছিল বুলি তেওঁ উল্লেখ কৰিছে।

ড° ভূপেন হাজৰিকাৰ মৃত্যুৰ কিছুদিন পিছতে অৰ্থাৎ ২৯ নৱেম্বৰত মামনি ৰয়ছম গোস্বামীও স্বৰ্গগামী হয়। ফেব্ৰুৱাৰী ২০১২ সংখ্যাৰ গৰীয়সীৰ সম্পাদকীয় 'মামণি ৰয়ছম গোস্বামী ঃ এক বিষাদসিক্ত অনুভৱ'ত সাহিত্যিকগৰাকীৰ মূল্যায়ন কৰিবলৈ যত্ন কৰিছে। তেওঁৰ উপন্যাসসমূহৰ লগতে আত্মজীৱনীখনেও সৰ্বভাৰতীয় পৰ্যায়ত অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰাত সহায় কৰিলে; বিশেষকৈ ইংৰাজীকে ধৰি বিভিন্ন ভাৰতীয় ভাষালৈ সেইসমূহৰ অনুবাদৰ যোগেদি। ঘটনাবহুল জীৱন আৰু ব্যাপক পৰিসৰৰ বিষয়বস্তুৰে সমৃদ্ধ তেওঁৰ সাহিত্যৰাজি অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। মামনি ৰয়ছম গোস্বামী ৰামায়ণী সাহিত্যৰো এগৰাকী বিশিষ্ট গৱেষক আছিল। এই বিষয়ৰ পাণ্ডিত্যৰ বাবেই তেওঁ দেশে বিদেশে খ্যাতি লাভ কৰিছিল। সম্পাদকগৰাকীয়ে লিখিছে— "তেওঁ যি লিখিছিল সেয়া হৃদয়ৰ ভাষাৰে আৰু উপলব্ধ সত্যৰ সুকোমল অনুভূতিৰে লিখিছিল, তেওঁৰ জীৱনবোধ আৰু সৃষ্টিৰ মাজত কোনো পাৰ্থক্য নাছিল, তেওঁৰ সৃষ্টিত আপোন ব্যক্তিত্বৰ যাদুকৰী আভাই পঢ়ুৱৈক বিমুগ্ধ কৰিছিল, আৰু তেওঁৰ সৃষ্টিৰ পৰিধিও আছিল অকল্পনীয়ৰূপে ব্যাপক।"[৫]

সুগন্ধি পখিলাৰ কবি ২০১২ চনৰ ৪ জুলাইত পৰলোকলৈ গমন কৰে। ড° লক্ষ্মীনন্দন বৰাই তেওঁৰ স্মৃতিচাৰণ কৰি আগষ্ট সংখ্যাত 'অপৰাজেয় হীৰেন ভট্টাচাৰ্য' শীৰ্ষক সম্পাদকীয়ত হীৰেন ভট্টাচৰ্যাক জনসাধাৰণৰ কবি বুলি আখ্যা দিছে। সঁচা অৰ্থতে হীৰেন ভট্টাচাৰ্য আছিল কবিতাই উচ্চশিক্ষিতজনৰ পৰা খাটি খোৱা নিঠৰুৱাজনলৈকে সামৰি লৈছিল। বাংলা কবি জীৱনানন্দ দাশ আৰু শক্তি চট্টোপাধ্যায়ৰ দৰেই অসমীয়া সমাজত হীৰেন ভট্টাচাৰ্য আছিল জনপ্ৰিয় কবি। অতি সহজ-সৰল জীৱনশৈলীৰে অহংভাৱশূন্য কবিগৰাকীয়ে প্ৰথম সাক্ষাততে সকলোৰে হৃদয় জয় কৰিব পাৰিছিল বুলি তেওঁ উল্লেখ কৰিছে। তেওঁৰ কবিতাৰ বিশেষত্বসমূহ এইদৰে দাঙি ধৰিছে— "কবিজনা আছিল শব্দৰ যাদুকৰ। তেওঁ প্ৰতিটো শব্দৰ প্ৰকাশিকা শক্তি ওজন কৰিহে ব্যৱহাৰ কৰিছিল। তেওঁৰ কবিতাৰ গীতিময়তা চিত্তাকৰ্ষক। কোনো কোনোৰ মতে প্ৰেমৰ কবি হিচাপেও তেওঁ বিশিষ্ট আসন অধিকাৰ কৰিছে। তেওঁৰ কবিতাত মাটিৰ গোন্ধ আছে, চহা জীৱনৰ প্ৰেম-প্ৰীতি আৰু আশা-আকাংক্ষাৰ প্ৰতিফলন ঘটিছে আৰু অসমৰ প্ৰাকৃতিক বৈভৱ প্ৰস্ফুটিত হৈছে। তদুপৰি তেওঁৰ স্বদেশপ্ৰেমৰ কবিতাসমূহ ভৱিষ্যতলৈকে প্ৰেৰণাদায়ক হৈ থাকিব।"[৬]

মে ২০১৩ সংখ্যাৰ 'বেজবৰুৱাৰ শংকৰ-চৰ্চা' এটা গুৰুত্বপূৰ্ণ সম্পাদকীয়। ইয়াত লক্ষ্মীনাথ বেজবৰুৱাইহে গুৰুজনাক সত্ৰ-নামঘৰৰ চাৰিবেৰৰ ভিতৰৰ পৰা জগতসভালৈ উলিয়াই অনা বুলি তেওঁ মন্তব্য কৰিছে। শংকৰদেৱক কেৱল ভকতসকলৰ গুৰু শাৰীৰ পৰা জগতগুৰুৰ শাৰীলৈ অনা ব্যক্তিজনেই হৈছে লক্ষ্মীনাথ বেজবৰুৱা। শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰতি থকা শ্ৰদ্ধা আৰু দায়িত্বশীলতা সম্পৰ্কে তেওঁ লিখিছে— "সাঁচিপতীয়া পুথিৰ অৱস্থাত থকা চতিপুথিসমূহ অশেষ কষ্টেৰে আহৰণ কৰি, নিষ্ঠাৰে অধ্যয়ন কৰি, লগতে পিতৃ দীননাথ বেজবৰুৱাৰ জ্ঞান আৰু সত্ৰসমূহৰ 'চৰিত তোলা' অনুষ্ঠানৰ আলাপ-আলোচনাত প্ৰকাশ পোৱা তথ্যৰ আশ্ৰয় লৈ তেওঁ "শ্ৰীশ্ৰীশংকৰদেৱ" আৰু "শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ" নামৰ দুখন মনোৰম গ্ৰন্থ, গুৰু দুজনাৰ বিষয়ে ভালেমান কথা আৰু ভক্তিতত্ত্ব সম্পৰ্কে পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ প্ৰণয়ন কৰিলে; শ্ৰীমন্ত শংকৰদেৱক সত্ৰৰ চৌহদৰ পৰা আৰু নামঘৰৰ মাহ-চাউলৰ আগৰ পৰা উলিয়াই আনি বাহিৰৰ জগতখনত প্ৰতিষ্ঠা কৰিলে।"[৭]

জুন ২০১৫ সংখ্যা গৰীয়সী আছিল অজিৎ বৰুৱা শ্ৰদ্ধাৰ্ঘ্য বিশেষ। আধুনিক অসমীয়া কবিতাক সমৃদ্ধ কৰি থৈ

যোৰা  কবিগৰাকী সম্পৰ্কে সম্পাদকে লিখিছে যে অজিৎ বৰুৱাৰ সৃষ্টিত অলীক কল্পনাৰ স্থান নাছিল। বাস্তৱ আৰু কল্পনাৰ সুসমন্বিত ৰূপে তেওঁৰ সৃষ্টিক মোহনীয় সুষমাৰে তাৎপৰ্য কৰি তুলিছিল। তেওঁৰ সৃষ্টিত প্ৰকাশ পোৱা জীৱনবোধৰ গভীৰতা আৰু নিজৰ জীৱনবোধৰো যথাযথ মিল পোৱা যায়। এনে ধৰণৰ মিল মহৎ সাহিত্যিকসকলৰ গুণ বুলি তেওঁ পুনৰ উল্লেখ কৰিছে।

৫ আগষ্ট ২০১৬ তাৰিখে দেহাৱসান ঘটা মহিম বৰা সম্পৰ্কে ছেপ্তেম্বৰ সংখ্যাত সম্পাদকে তেওঁৰ স্মৃতিচাৰণ কৰাৰ লগতে তেওঁৰ জীৱন আৰু সাহিত্যৰ মূল্যায়ন কৰিছে। তেওঁৰ ধ্ৰুপদী পৰ্যায় লাভ কৰা 'কাঠনিবাৰী ঘাট' গল্পটো গল্পকাৰৰ সমাৰ্থবোধক বুলি উল্লেখ কৰিছে। তেওঁৰ গল্প যেন অসমীয়া গ্ৰাম্য জীৱনৰ উত্তৰাধিকাৰ স্বৰ্ণলিপি। 'ৰস' আৰু 'মাছ আৰু মানুহ' গল্পকো অসমীয়া গল্প সাহিত্যৰ অসামান্য গল্প হিচাপে তেওঁ স্বীকৃতি দিছে। ব্যক্তিগত জীৱনত পত্নী-পুত্ৰক হেৰুৱায়ো তেওঁ আধ্যাত্মিক সাধনা আৰু লোক-সমাজৰ পৰা পোৱা স্বীকৃতিৰ বাবে স্থিতপ্ৰজ্ঞৰ দৰে জীৱন যাপন কৰিব পাৰিছিল বুলি সম্পাদকে ভাবে।

'আহাৰ', 'নিবাৰণ ভট্টাচাৰ্য' আদি নাটকেৰে অসমীয়া নাটকৰ ধাৰালৈ নতুনত্ব কঢ়িয়াই অনা অৰুণ শৰ্মাৰ স্মৃতিচাৰণ কৰা হৈছে মে ২০১৭  সংখ্যাত। এইগৰাকী নাট্যকাৰে 'আশীৰ্বাদৰ ৰং' উপন্যাসৰ বাবেহে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল। আধুনিক জীৱনৰ জটিলতা আৰু সাৰশূন্যতাক তেওঁৰ এবচাৰ্ডধৰ্মী নাটকবোৰে সঠিক ৰূপত উপস্থাপন কৰিছিল। ড° লক্ষ্মীনন্দন বৰাই উল্লেখ কৰিছে যে তেওঁক অসমীয়া নাট্য আন্দোলনৰ এগৰাকী পুৰোধা ব্যক্তি বুলি নিৰ্বিবাদে ক'ব পাৰি।

ড° লক্ষ্মীনন্দন বৰাৰ *গৰীয়সী*ৰ সম্পাদকীয়সমূহ ধাৰাবাহিকভাৱে অধ্যয়ন কৰিলে দেখা যায় যে তাত ভিন্ন বিষয়বস্তুৱে ঠাই পাইছিল। এগৰাকী সমাজ সচেতন ব্যক্তি হিচাপে নিৰ্বাচনৰ কথাৰ পৰা ভাষাৰ সংকটলৈকে, ধৰ্মৰ পৰা সংস্কৃতি চিন্তালৈকে সকলো বিষয়ে সমান গুৰুত্বৰে তেওঁ সম্পাদকীয়ত ঠাই দিছিল। একাধিক সংখ্যাত অসমীয়া ভাষাৰ সংকট, অসমীয়া সাহিত্যৰ উত্তৰণৰ চিন্তা, অসমীয়া সমাজ গঠনৰ বাবে তেওঁৰ সবল স্থিতি মুকলিকৈ প্ৰকাশ কৰিছে। লগতে অসম সাহিত্য সভা, সাহিত্য অকাদেমি বঁটা, বঁটা বাচনি প্ৰক্ৰিয়া আদি সম্পৰ্কেও একাধিক সম্পাদকীয় লিখিছে। এখন সাহিত্য আলোচনী হিচাপে বিশিষ্ট সাহিত্যিকসকলৰ মৃত্যুৰ পিছত সেইগৰাকী সাহিত্যিক সম্পৰ্কে একোটা বিশেষ সংখ্যা প্ৰকাশ কৰিছিল। তাত সাহিত্যিকগৰাকীৰ মূল্যায়ন কেনেধৰণে আগবঢ়াইছে, সেই বিষয়ে ওপৰত আলোচনা কৰা হৈছে। তাৰ লগতে এটা কথা মন কৰিব পাৰি যে *গৰীয়সী*য়ে হয়তো এনে এখন আলোচনী যি অসমীয়া সাহিত্যিকসকলৰ সাহিত্য আৰু ব্যক্তিত্ব সম্পৰ্কে একোটা নিৰ্দিষ্ট সংখ্যা প্ৰকাশ কৰি আহিছে। ই অসমীয়া সাহিত্যৰ ইতিহাস প্ৰণয়নটো যে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব তাত সন্দেহৰ অৱকাশ নাই।

**প্ৰসঙ্গসূচী ঃ**


১. *প্ৰান্তিক*, ১৬ জুন ২০২১, পৃষ্ঠা- ৩১
২. *গৰীয়সী*, জুন, ২০০৯, পৃষ্ঠা- ২
৩. *গৰীয়সী*, ছেপ্তেম্বৰ, ২০১১, পৃষ্ঠা- ২
৪. *গৰীয়সী*, নৱেম্বৰ, ২০১১, পৃষ্ঠা- ৪
৫. *গৰীয়সী*, ফেব্ৰুৱাৰী, ২০১২, পৃষ্ঠা- ৪
৬. *গৰীয়সী*, আগষ্ট, ২০১২, পৃষ্ঠা- ৪
৭. *গৰীয়সী*, মে, ২০১৩, পৃষ্ঠা- ৪


*****


● লেখক ঃ সহকাৰী অধ্যাপক, শৰাইঘাট মহাবিদ্যালয়, চাংসাৰি।

# লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাস

## (গঙা চিলনীৰ পাখি আৰু গণদেৱতাৰ উল্লিখনসহ)

**জয়জ্যোতি ডেকা**

সাম্প্ৰতিক সময়ত সাহিত্য সমালোচনাৰ ক্ষেত্ৰখনত এক বিশেষ ধাৰা ৰূপে সমাদৃত হোৱা বিষয়টি হৈছে 'তুলনামূলক অধ্যয়ন'। অৰ্থাৎ ই কোনো এক বিশেষ 'সাহিত্যৰ প্ৰকাৰ নহয়' বা এই বিষয়ক কোনো সাহিত্য তত্ত্বও নাই বা ই মাথোঁ সাহিত্য অধ্যয়ন বা বিচাৰৰ এক পদ্ধতিহে। যি অধ্যয়ন বা পদ্ধতিৰ যোগেদি দুটি সমজাতীয় বিষয়ৰ তুলনা কৰা হয়। ই হয় পৃথিৱীৰ যিকোনো ভাষাৰ সাহিত্যিকৰ মাজত হ'ব পাৰে বা একেটা ভাষাৰ দুটা ভিন্ন সাহিত্য কৰ্মৰ মাজতো হ'ব পাৰে।

সাহিত্যৰ আন বিভাগসমূহৰ তুলনাত কিন্তু উপন্যাসৰ তুলনাত্মক অধ্যয়নে বেছিকৈ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰো কাৰণ আছে কিয়নো উপন্যাসেই হৈছে 'সাহিত্যৰ একমাত্ৰ শাখা য'ত মানৱ জীৱনৰ পূৰ্ণ চিত্ৰ প্ৰকাশিত হয়। যিহেতু ইয়াৰ পৰিসৰ ব্যাপক সেয়েহে তুলনাৰ সুবিধাও বেছি। সেয়েহে আমি উক্ত গৱেষণামূলক প্ৰবন্ধটিৰ বাবে অসমীয়া আৰু বাংলা সাহিত্যৰ দুগৰাকী প্ৰথিতযশা সাহিত্যিক ক্ৰমে লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ এখনকৈ উপন্যাস 'গঙা চিলনীৰ পাখি' আৰু 'গণদেৱতা' বাচি লৈছোঁ।

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায় দুয়োগৰাকী আছিল আধুনিক ভাৰতীয় সাহিত্যক প্ৰতিনিধিত্ব কৰা দুগৰাকী অন্যতম 'কথাশিল্পী' দুয়োগৰাকী সাহিত্যিকৰ ৰচনাৰ মাজত তদানীন্তন সময়ৰ শিক্ষা, জীৱনদৰ্শন, ৰীতি-নীতি, বিশ্বাস, মূল্যবোধ ইত্যাদিয়ে গা কৰি উঠাৰ মূলতে আছিল লেখকদ্বয়ৰ মনৰ মাজত অহৰহ লালিত পালিত হৈ থকা সামাজিক চিন্তা। যাৰ পৰিণতিৰ গঢ় লৈ উঠিছিল বিভিন্ন অৰ্থনৈতিক, ৰাজনৈতিক তথা সামাজিক চিন্তা-চেতনা আৰু সেই চিন্তা-চেতনাৰ বহিঃপ্ৰকাশ ঘটিছিল সাহিত্যৰ মাজেৰে। বিভিন্ন বিষয়ক সাহিত্যৰ মাজেৰে ৰূপদান কৰিবলৈ যাওঁতে আলোচিত ঔপন্যাসিকদ্বয়ৰ ৰচনাৰ মাজত বিবিধ বিষয়ত সাদৃশ্য তথ্য বৈসাদৃশ্য প্ৰকট হৈ উঠিছে। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে তেনেধৰণৰ লক্ষ্যনীয় বৈশিষ্ট্যসমূহে উমৈহতীয়াভাৱে ভাৰতীয় সাহিত্যকেই প্ৰকট কৰি তুলিছে। পৃথক সমাজ, পটভূমি হ'লেও কথাকেই ঔপন্যাসিকদ্বয়ে তেওঁলোকৰ ৰচনাৰ মাজত বিদ্যমান কৰি তলিছে।

পোন প্ৰথমে বিষয়বস্তুৰ ক্ষেত্ৰত লক্ষ্য কৰিলে আমি দেখা পাওঁ যে লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ে বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত ৰচনা কৰা উক্ত উপন্যাস দুখন নদীকেন্দ্ৰিক। বৰাৰ 'গঙা চিলনীৰ পাখি'ৰ বিষয়বস্তু, ঘটনাপ্ৰৱাহ আৰু সামগ্ৰিক উপন্যাসখনৰ গতিধাৰা নগাঁও জিলাৰ সোণাই নৈৰ পাৰৰ মানুহৰ জীৱনবোধক কেন্দ্ৰ কৰি লিখিত। ঠিক একেদৰে বন্দ্যোপাধ্যায়ৰ 'গণদেৱতা' ময়ুৰাক্ষী নৈৰ পাৰৰ মানুহৰ জীৱনবোধৰ বাস্তৱ ছবিৰে নিৰ্মিত। দুয়োজন উপন্যাসিকৰে উক্ত দুয়োখন উপন্যাসৰ বৰ্ণিত জনসাধাৰণৰ যাত্ৰা অতি দাৰিদ্ৰ-পীড়িত। সমস্যা আৰু অৰ্থনৈতিয়ে তেওঁলোকৰ জীৱন জুৰুলা কৰিলেও, এই মানুহখিনিৰ জীৱনক তেওঁলোকৰ সংস্কৃতি প্ৰীতিৰ গভীৰ ৰং মনকৰিবলগীয়া। তেওঁলোকৰ উৎসৱ যেন তেওঁলোকৰ ভৱিষ্যত। এনে দৃষ্টিভংগীৰে মানুহখিনিৰ সাংস্কৃতিক চেতনা দুয়ো ঔপন্যাসিকৰ কলমৰ প্ৰাণৱন্ত।

দুয়োখন উপন্যাসত ‘ৰাজনীতি’য়ে এক উল্লেখযোগ্য বিষয়ৰূপে স্থান পাইছে। গঙা চিলনীৰ পাখিত ৰাজনীতিৰ কবলত পৰি সাধাৰণ জনতাৰ জীৱনলৈ অহা ভয়াৱহ দুখ-বেদনা আৰু ৰাজনীতিৰ ভণ্ডামী বিস্তাৰিত। ৰাজনীতিয়ে কুটিল ৰূপ ধাৰণ কৰিছে এই উপন্যাসত। একেদৰে গণদেৱতা উপন্যাসতো ৰাজনীতি বৰ্ণনাই তীৰ্যক ৰূপ ধাৰণ কৰিছে। ৰাজনীতিৰ গৰ্ভত সাধাৰণ মানুহে ভোগা যন্ত্ৰণাই উপন্যাসখনক এক বিশেষ গতি প্ৰদান কৰিছে। দুয়োখন উপন্যাসতে দুখন পৃথক পৃথক সমাজে প্ৰতিনিধিত্ব কৰিছে। এখন পৰম্পৰাঘত নিয়ম-নীতিৰে আৱৰি থকা ৰক্ষণশীল সমাজ। আনখন বৈজ্ঞানিক চিন্তা-চেতনাৰে পৰিপূৰ্ণ নতুন প্ৰগতিবাদী সমাজ। য'ত নতুন আৰু পুৰণিৰ দ্বন্দ্ব স্পষ্ট। গঙা চিলনীৰ পাখিত ভোগৰামে মানৱীয় সকলো প্ৰমূল্য এৰি পৰিৱৰ্তনৰ ধামখুমিয়াত নিজকে বিলীন কৰাৰ দূৰন্ত কল্পনাক ঔপন্যাসিকে প্ৰকট কৰিছে—

> “কৃষি জীৱনৰ বিকলাংগ অৱস্থাত, দেশৰ ব্যাধিমুক্ত অগ্ৰসৰ গতি আৰু গ্ৰাম্য........... নীতিবোধ গ্ৰাস কৰিবলৈ চাইছে।”[1]

সেইদৰে গণদেৱতা উপন্যাসত পুৰণি আৰু নতুনৰ সংঘাত দ্বিধা আৰু সংশয়ৰ কথাবস্তুৰ ৰূপ স্পষ্ট। চণ্ডীমণ্ডপৰ জীৱন আছিল গণদেৱতাৰ মানুহৰ এক বিৰল সত্ত্বা। তাতেই তেওঁলোকৰ বিভিন্ন বাৰংবাৰতাৰ ৰূপ বিকশিত। কিন্তু চণ্ডীমণ্ডপ ভাঙি নাট্য মন্দিৰ নিৰ্মাণৰ কথাই নতুন আৰু পুৰণিৰ মাজত দ্বন্দ্ব, সংঘাতক তীব্ৰ ৰূপত প্ৰত্যক্ষ কৰিছে। চণ্ডী মণ্ডপ মানুহৰ সাংস্কৃতিক জীৱনৰ প্ৰাণকেন্দ্ৰ আছিল। মানুহে সেই দিশেৰে গ'লে মূৰ দোঁৱাই যায়। কিন্তু নতুন প্ৰজন্মই সেই দিশেৰে গ'লে তাৰ ঐতিহাসিক গুৰুত্বকো নস্যাৎ কৰি আনকি চণ্ডীমণ্ডপৰ ফালে চাবলৈ ইচ্ছাও নকৰা হ'ল। গঙা চিলনীৰ পাখিৰ জনসাধাৰণৰ সৰহ সংখ্যকৰে জীৱন-জীৱিকাৰ সম্বল আছিল কৃষি। কৃষিক কেন্দ্ৰ কৰিয়ে তেওঁলোকৰ গ্ৰাম্য জীৱনৰ জীৱন ৰথ পৰিচালিত হৈছিল। মাটি আৰু কৃষকৰ সমস্যা-সংঘাত এই উপন্যাসত স্পষ্ট। মানুহৰ সংখ্যা বৃদ্ধিত মাটিৰ চাহিদা পুৰণ নহয়, ফলত তেওঁলোক অন্য কাম কৰিবলৈও বাধ্য হয়—

> “সোণাইপৰীয়া গাঁৱত জনসংখ্যা বাঢ়িছে। খেতিৰ মাটিয়ে নোজোৰা হৈছে........... দুই চাৰি হালিচা মাটিহে ৰৈছেগৈ।”[2]

সেইদৰে গণদেৱতা উপন্যাসতো কৃষকৰ কৃষি-মাটিৰ লগত যি সম্বন্ধ সেয়া উপন্যাসখনত আদিৰ পৰা অন্তলৈ চিৰ প্ৰৱাহমান ৰূপত দেখা যায়—

> “পল্লীগ্ৰাসে জল সাইবাৰ বেলা হইয়াছে.......... বন-জংগল হইতে শুকান কাঠ পৰিয়া জানানি সংগ্ৰহ কৰিবে।”[3]

নাৰীৰ স্থান সম্পৰ্কে লক্ষ্য কৰিলে আমি দেখা পাওঁ ‘গঙা চিলনীৰ পাখি’ত নাৰীৰ অৱস্থান তীব্ৰ ৰূপত প্ৰতিফলিত হ'লেও পুৰুষ শাসিত সমাজ হেতু নাৰীৰ মতামতক গুৰুত্ব প্ৰদান কৰা হোৱা নাই। সেয়ে বাসন্তীৰ বিবাহৰ সময়ত বাসন্তীয়ে কি বিচাৰিছিল সেয়া কোনেও গুৰুত্ব নিদিয়াটো মনকৰিবলগীয়া। সেইদৰে গণদেৱতাতো নাৰীৰ নিজা স্থিতি নাই। পুৰুষৰ কৰ্ম-কাণ্ডই মুখ্য ভমিকা পালন কৰে। নাৰীৰ স্বাধীনতা আৰু জীৱনৰ জীয়াই থকা ছন্দবোৰ পুৰুষেহে নিৰ্ধাৰণ কৰাত নাৰীৰ অধিকাৰে বহু সময়ত হাহাকাৰ কৰা দেখা যায়। অৰ্থাৎ নাৰীৰ ভূমিকা আৰু স্বাধীনতাৰ কথাবস্তু দয়োজন ঔপন্যাসিকৰ মনোজগতেৰে প্ৰকাশ হওঁতে পুৰুষ সমাজ ব্যৱস্থাৰ বলিষ্ঠ আধ্যাত্মিক দৃষ্টিভংগী অতি প্ৰবল। বৰাৰ উপন্যাসখনত মানুহৰ নৈতিক চৰিত্ৰৰ অধঃপতনৰ কথা-বতৰাই যিদৰে তীৰ্যক ৰূপ ধাৰণ কৰিছে ঠিক একেদৰে গণদেৱতাতো নীতি-আদৰ্শ স্খলিত কৰি বিষয়বস্তু আৰু আদৰ্শক জলাঞ্জলি দিয়াৰ মানুহৰ বিধি ব্যৱস্থা প্ৰকট হৈ উঠিছে।

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ বিষয়বস্তুৰ বিভিন্ন ক্ষেত্ৰত সাদৃশ্য থাকিলেও পৰিৱেশ-পটভূমিৰ গভীৰতাৰ ক্ষেত্ৰত কিছু বৈসাদৃশ্যৰ লক্ষ্য কৰা যায়। ‘গঙা চিলনীৰ পাখি’ উপন্যাসৰ যি কাহিনী বিন্যাস সেই বিন্যাসৰ মাজত সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন পটভূমিয়েই গা কৰি উঠিছে। অন্যহাতে গণদেৱতা উপন্যাসতো সমাজবোধ, ইতিহাসৰ ৰূপদানক ঔপন্যাসিকগৰাকীয়ে শিল্পসন্মতভাৱে অগণন মানুহৰ জীৱন সত্বাক প্ৰতিফলিত কৰি তুলিছে। এনে কৰিবলৈ যাওঁতে ঔপন্যাসিকে কোনো নিৰ্দিষ্ট চৰিত্ৰৰ বিপৰীতে সমগ্ৰ অঞ্চলক উপন্যাসখন নায়কৰ আসনত উপবিষ্ট কৰাইছে। যাৰ ফলত উপন্যাসখন ইতিহাসধৰ্মী হৈ পৰিছে। আৰু ইয়াতে ‘গঙা চিলনীৰ পাখি’ আৰু

'গণদেৱতা'ৰ বিষয়বস্তুৰ বৈসাদৃশ্য দৃশ্যমান হৈ উঠিছে। 'গঙা চিলনীৰ পাখি' উপন্যাসৰ পঞ্চায়তী ব্যৱস্থা হাই। উপন্যাসখনৰ শেষৰ ফাললৈ নিৰ্বাচনৰ জৰিয়তে বিধানসভালৈ এম. এল. এ. হৈ যোৱাৰ দুৰ্বাৰ বাসনাত উপন্যাসৰ গতিয়ে তীব্ৰতা লাভ কৰিছে। অন্যহাতে গণদেৱতাত পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে গ্ৰাম্য স্বৰাজ আৰু উন্নয়নৰ কথা স্পষ্ট হৈছে। অন্যহাতে তাৰাশংকৰ বন্দ্যোপাধ্যায়ে প্ৰত্যক্ষভাৱে ৰাজনীতিৰ সতে জড়িত হোৱাৰ বাবে তেওঁৰ উপন্যাসত ৰাজনীতিৰ কথাবোৰে সঘনে দেখা যায়। এই ক্ষেত্ৰত লক্ষ্মীনন্দন বৰা ৰাজনীতি স'তে জড়িত নহয়। সেয়ে দুয়োজনৰ মাজত ৰাজনৈতিক দৃষ্টিকোণৰ বৈসাদৃশ্য দেখা যায়। 'গঙা চিলনীৰ পাখি' উপন্যাসত জমিদাৰীত্বৰ কোনো কথা উল্লেখ নাই। কিন্তু 'গণদেৱতা'ত জমিদাৰী তন্ত্ৰই কেনেদৰে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে তাৰ স্পষ্ট আভাষ দেখা গৈছে যে সামন্তৰূপী জমিদাৰসকলে গ্ৰাম্য মানুহৰ মাটিক গ্ৰাস কৰি কৰা শোষণ-শাসনৰ চৰিত্ৰত। 'গঙা চিলনীৰ পাখি'ত শিক্ষাগত দিশটো অতি পুতৌজনক। ইয়াৰ জনসাধাৰণ পুৰণিকলীয়া বিধি ব্যৱস্থাৰে সৈতে সাঙোৰ খাই আছে। কিন্তু তাৰ তুলনাত 'গণদেৱতা'ৰ কাহিনীৰ গতিধাৰাত শৈক্ষিক দিশটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সাধাৰণ গ্ৰাম্য জনতাৰ জীৱনবোধ, তেওঁলোকৰ জাতীয় চেতনা তথা নিজস্ব শিল্প, সংস্কৃতি আৰু তাৰ লগতে সমান্তৰালকৈ স্বাধীনতাক তৰান্বিত কৰিবৰ বাবে শৈক্ষিক দিশটোৱে যে এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে সেই কথা উপন্যাসখনত এক বিশেষভাৱে তুলি ধৰিছে। বৰাৰ উপন্যাসত মানুহৰ প্ৰাপ্য মৰ্যাদা অধিকাৰ বিচাৰি কোনো আন্দোলনৰ দ্বাৰা হাঁহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিবলগীয়া হোৱা নাই। অন্যহাতে গণদেৱতাত মানুহৰ অধিকাৰ মৰ্যাদা বিচাৰি কৰা সংগ্ৰাম পাতে পাতে বিস্তাৰিত হৈ আছে। গঙা চিলনীৰ পাখিত ব্যক্তিস্বাৰ্থই ভয়াৱহ ৰূপ ধাৰণ কৰিব পৰা নাই; কিন্তু তাৰ তুলনাত গণদেৱতাত ব্যক্তিস্বাৰ্থই হিংস্ৰ ৰূপ পৰিগ্ৰহণ কৰিছে।

উপন্যাসৰ বিষয়বস্তু সাৰ্থকভাৱে ৰূপায়িত হৈ উঠে চৰিত্ৰসমূহৰ ক্ৰিয়া-কলাপৰ জৰিয়তে। দুয়োগৰাকী ঔপন্যাসিকৰ উক্ত দুয়োখন উপন্যাসৰ আটাইকেইটা চৰিত্ৰই বাস্তৱ সমাজৰ পৰা বুটলি অনা। চৰিত্ৰসমূহ বিভিন্ন দোষ-গুণেৰে পৰিবেষ্টিত হৈ ঔপন্যাসিকে লৈ যোৱা ধৰণেৰে নিজকে বিকশাই তুলিছে। মানৱীয় দোষ-গুণেৰে সমৃদ্ধ এই চৰিত্ৰসমূহে দুখন পৃথক সমাজক প্ৰতিনিধিত্ব কৰিছে। সেইবাবে নিৰ্বাচিত উক্ত দুয়োখন উপন্যাসৰ চৰিত্ৰসমূহৰ মাজত ভাৱগত আৰু ৰূপগত দিশত বিভিন্ন সাদৃস্য আৰু বৈশাদৃশ্য পৰিলক্ষিত হয়। দুয়োখন উপন্যাসৰে প্ৰায়বোৰ চৰিত্ৰ গ্ৰাম্য জীৱনৰ সৰলতাৰে পৰিপূৰ্ণ; য'ত অকৃত্ৰিমতাৰ ৰং বিদ্যমান। 'গঙা চিলনীৰ পাখি'ত থকা ধনঞ্জয়ৰ চৰিত্ৰত আমি বিশাল মানৱতাৰ ৰূপৰেখা দেখিবলৈ পাওঁ। ধনঞ্জয়ে যিদৰে চিকিৎসা বিজ্ঞানৰ কোনো আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈ নিঃস্বাৰ্থভাৱে ৰাইজক সেৱা আগবঢ়াই এক বিৰল জীৱনবোধৰ পৰিচয় প্ৰদান কৰিলে। ঠিক একেদৰে 'গণদেৱতা' উপন্যাসতো 'জপন' ডাক্তৰে অনানুষ্ঠানিক চিকিৎসা বিজ্ঞানৰ শিক্ষাৰে মানুহক আগবঢ়োৱা সহায়ৰ হাতৰ যোগেদি আমি চৰিত্ৰটোৰ ধনঞ্জয়ৰ দৰে বিশাল মানৱীয়তাৰ পৰিচয় পাওঁ। বৰাৰ উপন্যাসখনৰ আন এটি প্ৰধান চৰিত্ৰ হ'ল— ভোগৰাম। য'ত চৰিত্ৰটি ধন ঘটাৰ কাৰণবশত কিদৰে লাহে লাহে নৈতিকভাৱে অধঃপতন হৈছে তাৰ স্পষ্ট ছবি আমি দেখিবলৈ পাওঁ। একেদৰে গণদেৱতাতো ছিৰুপালে ক্ৰমশঃ জামিদাৰিত্বৰ পৰিসীমা বঢ়াই নি এক সামন্ত চৰিত্ৰৰ ৰূপ পৰিগ্ৰহ কৰিছে আৰু মানুহৰ মাজত তাৰ সম্পৰ্ক বিচ্ছিন্ন হৈ পৰিছে। দুয়োখন উপন্যাসতে প্ৰগতিবাদী ভাৰতীয় নাৰীৰ চৰিত্ৰ পাওঁ। বৰাৰ উপন্যাসত বাসন্তী চৰিত্ৰই দেখুওৱা বিধৱা হিন্দু নাৰীৰ সততা লেখল ল'বলগীয়া। যি সততা স্বামী মথুৰাৰ মৃত্যুৰ কিছু দিনলৈকে আছিল। কিন্তু, পিছত তাইৰ বুকুত যি পুনৰ হেৰোৱা প্ৰেম জাগে, সেই প্ৰেম ঘূৰাই পাবলৈ বাসন্তীয়ে দেখুওৱা সাহসী প্ৰচেষ্টা মনকৰিবলগীয়া। একেদৰে গণদেৱতা উপন্যাসৰ 'পথা' চৰিত্ৰটো বাসন্তীৰ সমপৰ্যায়ৰ। 'গঙা চিলনীৰ পাখি'ত ভোগ ৰামৰ সুবিধাবাদী চৰিত্ৰই পৰিৱৰ্তিত অনিৰুদ্ধ আৰু গিৰিশ সূতাৰ আদিয়ে ধন ঘটাৰ লালসাৰ কবলত পৰি চহৰমুখী হৈ ক্ৰমশঃ ব্যক্তিকেন্দ্ৰীক চৰিত্ৰলৈ ৰূপান্তৰিত হৈছে। বৰাৰ উপন্যাসত গ্ৰাম্য সমাজৰ কৃষি ব্যৱস্থা, কৃষিৰ সমস্যা আৰু সৰহসংখ্যক মানুহৰ কৃষিক কেন্দ্ৰ কৰি জীৱিকা নিৰ্বাহৰ বিৰল বৰ্ণনা আছে। এই কৃষি ব্যৱস্থাৰ লগত জড়িত চৰিত্ৰসমূহ গ্ৰাম্য জীৱনৰ অভিধা। একেদৰে গঙ্গোপাধ্যায়ৰ উপন্যাসতো কৃষিৰ লগত জড়িত চৰিত্ৰসমূহ কৃষিকেন্দ্ৰিক জীৱনবোধৰ অনন্য ৰূপ ভাস্বত। এইখন উপন্যাসত জমিদাৰিত্বৰ ব্যাপক বিধি-বিধানৰ লগত জড়িত চৰিত্ৰ আছে। উদাহৰণস্বৰূপেৰ আমি চাৰুলতাৰ কথা ক'ব পাৰো। কিন্তু তাৰ তুলনাত গঙা চিলনীৰ পাখিত কোনো জমিদাৰীত্বৰ চৰিত্ৰৰ অৱতাৰণা নাই বাবেই উপন্যাসখনত জমিদাৰী ব্যৱস্থাত আচ্ছন্ন চৰিত্ৰৰ

উপস্থিতিও দেখা নাযায়। 'গঙা চিলনীৰ পাখি'ত প্ৰত্যক্ষ ৰাজনীতি, নিৰ্বাচন আৰু ৰাজনৈতিক ভণ্ডামিৰ চৰিত্ৰই বিশেষ ৰূপ পৰিগ্ৰহ কৰিছে। উদাহৰণস্বৰূপে সুবোধ শইকীয়া আৰু সঞ্জীৱ বৰুৱা চৰিত্ৰ দুটিৰ কথা আমি ক'ব পাৰোঁ, যিয়ে উপন্যাসখনলৈ এক ৰাজনৈতিক বাতাবৰণ কঢ়িয়াই আনিছে। তাৰ তুলনাক আকৌ গণদেৱতাত তেনে কোনো প্ৰত্যক্ষ ৰাজনৈতিক চৰিত্ৰৰ সমাৱেশ নাই। ইয়াত ৰোমাণ্টিক প্ৰেমৰ চৰিত্ৰ অনুপস্থিত। কিন্তু গঙা চিলনীৰ পাখিত ধনঞ্জয় আৰু বাসন্তীৰ প্ৰেমৰ মাজেৰে কাহিনীক গতি প্ৰদান কৰোঁতে তেওঁলোকৰ মাজত গঢ়ি উঠা ৰোমাণ্টিক প্ৰেমৰ সূচনা কৰিবলৈ যাওঁতে চৰিত্ৰ দুটাত ৰোমাণ্টিকতাৰ পৰশেৰে নিটোল হৈ পৰিছে।

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ আলোচিত দুয়োখন উপন্যাসত ভাৰতীয় সমাজ জীৱনৰ বিভিন্ন দিশ উন্মোচিত হৈছে। যদিওবা দুয়োগৰাকী ঔপন্যাসিকে দুখন পৃথক সমাজৰ প্ৰতিনিধিত্ব কৰিছে তথাপি দুয়োজন ঔপন্যাসিকৰ ৰচনাৰ মাজত সমাজ জীৱনৰ বিভিন্ন সাদৃশ্য আৰু বৈসাদৃশ্যই উপন্যাস দুখনৰ গতিময়তা প্ৰদানত ব্যাপক ভূমিকা প্ৰদান কৰি আছে। ৰচনাৰীতি তথা কলা-কৌশলৰ ক্ষেত্ৰতো যিদৰে দুয়োজনৰ মাজত সাদৃশ্য দেখা যায়। ঠিক একেদৰে বৈসাদৃশ্যও নথকা নহয়। সাধাৰণতে সৃষ্টিশীল সাহিত্যৰূপে অংগীভূতু পন্যাসৰ ক্ষেত্ৰত কলা-কৌশলৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে বিভিন্ন দিশ পৰ্যালোচনাৰে সামৰি লোৱা হয়। বৰা আৰু বন্দ্যোপাধ্যায়ৰ অনুপন বৰ্ণনাশৈলীৰে কাহিনী পৰিৱেশ, পটভূমি আৰু চৰিত্ৰৰ মাজত সংযোগ স্থাপন কৰাৰ ক্ষেত্ৰত ঔপন্যাসিকৰ বৰ্ণনাশৈলী যি ধৰণৰ হোৱাটো বাঞ্ছনীয় তাক দয়োজনেই কলাসম্মতভাৱে ৰূপ প্ৰদান কৰিছে। দুয়োৰে উপন্যাসত মাজত চৰিত্ৰৰ কথনশৈলীৰ ক্ষেত্ৰত সাদৃশ্য দেখা যায়। পৰিস্থিতিৰ সাপেক্ষে চৰিত্ৰ মুখত ব্যৱহাৰ কৰা সংলাপ বাস্তৱ আৰু জীৱন্ত হৈ উঠাৰ ক্ষেত্ৰত দ্বিভাষিক ৰীতি ব্যৱহাৰ কৰিছে সেই ক্ষেত্ৰত উভয় ঔপন্যাসিকৰ মাজৰ সাদৃশ্য অতি মনোৰম। লোকভাষাৰ অনেক ৰূপে দুয়োজন ঔপন্যাসিকৰ ৰচনাত স্থান পাইছে। গঙা চিলনীৰ পাখিৰ ৰচনাশৈলীত প্ৰবাদ-প্ৰবচন, ফঁকৰা যোজনা, পটন্তৰ ইত্যাদিৰ বহুল প্ৰয়োগ ঘটিছে। একেদৰে 'গণদেৱতা'ত বঙালী সমাজত প্ৰচলিত এনে বহুতো প্ৰবাদ-প্ৰবচনে প্ৰভাৱ বিস্তাৰ কৰি ৰচনাশৈলীক গাম্ভীৰ্য প্ৰদান কৰিছে। বৰাই উপন্যাসখনৰ প্ৰকাশভংগী সুখপাঠ্য আৰু উপাদেয় কৰি তোলাৰ ক্ষেত্ৰত বিভ্নি ধৰণৰ ৰূপক, চিত্ৰকল্প, ব্যঞ্জনা, উপমা আদি বিবিধ অলংকাৰৰ সমাৱেশেৰে তাৰ ৰসোতীৰ্ণ কৰি তুলিছে। একেদৰে বন্দ্যোপাধ্যায়ৰ ৰচনাশৈলীৰ মাজতো উপমা, প্ৰতীক, চিত্ৰকল্পৰ মনকৰিবলগীয়া। দুয়োজন উপন্যাসিকৰ উপন্যাসত কথোপকথনমূলক ৰীতিৰ অত্যধিক প্ৰয়োগ উল্লেখযোগ্য। চৰিত্ৰক যথাযোগ্য ৰূপত প্ৰস্ফুটিত কৰি পটভূমিক জীৱন্ত ৰূপ প্ৰদান কৰাৰ ক্ষেত্ৰত এনে কথোপকথন ৰীতিয়ে বিশেষ ভূমিকা পালন কৰে। চুটি চুটি বাক্যৰে গভীৰ অৰ্থ প্ৰকাশ কৰি বাক্য সমৃদ্ধিশালী কৰি তুলিব পৰাটো দুয়োগৰাকী ঔপন্যাসিকৰ আন এক কৃতিত্ব। গঙা চিলনীৰ পাখিত ঔপন্যাসিকে জ্ঞাত বা অজ্ঞাতভাৱেই হওক, কাব্যময়তাৰ প্ৰয়োগ কৰিছে। যিয়ে উপন্যাসখনক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। একেদৰে গণদেৱতাৰো তেনে কাব্যময়তা নথকা নহয়। ইয়াত প্ৰশ্নবোধক বাক্যৰ প্ৰাচুৰ্যতা মনকৰিবলগীয়া। তাৰ তুলনাত আকৌ গঙা চিলনীৰ পাখিত তেনে বাক্য আছে যদিও অতিমাত্ৰা নহয়। বৰাৰ উপন্যাসত থকা গীত মাতবোৰ পৌৰাণিক অসমীয়া গীতিধৰ্মী কাব্যিক গ্ৰন্থক কেন্দ্ৰ কৰি সমাদৃত হোৱা। ইয়াৰ বিপৰীতে আকৌ গণদেৱতাত থকা গীত-মাতবোৰ লোক সমাজত পৰম্পৰাগতভাৱে চলি অহা গীত-মাত। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচনাৰীতিত ঠাই বিশেষে উপভাষিক ৰূপ প্ৰকট হৈ পৰাটো লক্ষণীয়। এক বিশেষ অঞ্চলৰ পটভূমিক উপন্যাসৰ পাতত ৰূপ দান কৰিবলৈ যাওঁতে ঔপন্যাসিকে সেই অঞ্চলৰ ভাষিক উপকৰণ গ্ৰহণ কৰি ৰাজনীতিত অংগীভূত কৰাটো তেখেতৰ আন এক কৃতিত্ব। লক্ষ্মীনন্দন বৰাৰ উপন্যাসখনত আকৌ থলুৱা গ্ৰাম্য শব্দৰ সুপ্ৰয়োঘ ঘটিছে যদিও উপভাষিক ৰূপসমূহ তেনেভাৱে প্ৰকট হোৱা নাই।

অসমীয়া আৰু বাংলা উপন্যাস সাহিত্যত লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ বৰঙণি অতুলনীয়। দুটা বিশেষ যুগৰ কথাসাহিত্যক প্ৰতিনিধিত্ব কৰা দুইগৰাকী ঔপন্যাসিকে নিজৰ নিজৰ ভাষা সাহিত্যক তেওঁলোকৰ অপূৰ্ব সৃষ্টিৰে টনকিয়াল কৰি ৰখাৰ উপৰি সমগ্ৰ ভাৰতীয় কথাসাহিত্যতে এখন নিগাজী আসন দখল কৰিবলৈ সক্ষম হৈছে। এই দুগৰাকী ব্যক্তিৰ দ্বাৰা ৰচিত সাহিত্যকৃতিৰ তুলনামূলক অধ্যয়নে দুটা বিশেষ অঞ্চলৰ জনসাধাৰণৰ সমাজ-সভ্যতা-সংস্কৃতি-ভাষা আদিৰ বিষয়ে জনাত আমাক বহু পৰিমাণে সহায় কৰে। একেদৰে আকৌ এই দুগৰাকী সাহিত্যিকৰ সাহিত্যকৃতিৰ

তুলনাত্মক অধ্যয়নৰ দ্বাৰা তেওঁলোকৰ জীৱনাদৰ্শৰ বিষয়ে জনাৰ লগতে সমকালীন অসমীয়া আৰু বাংলা সমাজখনৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন বিষয়ৰ তথ্যও পোহৰলৈ আহে। যদিও দুয়োগৰাকী ঔপন্যাসিকৰ উক্ত উপন্যাস দুখনৰ মাজত ইতিমধ্যে বহুজনে ভিন ভিন দিশত দৃষ্টি নিক্ষেপ কৰি তুলনামূলক আলোচনা আগবঢ়াইছে। তথাপি কিন্তু এতিয়াও ইয়াৰ মাজত তুলনামূলক আলোচনাৰ আন আন বহুতো দিশ গৱেষণাৰ গৰ্ভতে নিহিত হৈ আছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


1. লক্ষ্মীনন্দন বৰা— গঙী চিলনীৰ পাখি
2. শৈলেন ভৰালী— উপন্যাস বিচাৰ আৰু বিশ্লেষণ
3. সত্যোন্দ্ৰনাথ শৰ্মা— অসমীয়া উপন্যাসৰ গতিধাৰা
4. তাৰাশংকৰ বন্দ্যোপাধ্যায়— গণদেৱতা
5. নগেন ঠাকুৰ— এশ বছৰৰ অসমীয়া উপন্যাস


*****


● লেখক ঃ প্ৰাক্তন ছাত্ৰ, কটন বিশ্ববিদ্যালয়

# লক্ষ্মীনন্দন বৰাৰ “পাতাল ভৈৰৱী” ঃ এক অৱলোকন

ড° ৰীতা শৰ্মা

জাত্রিকৰ জাত্ৰাৰ জৰিয়তে যাত্ৰা আৰম্ভ কৰা অসমীয়া উপন্যাসে বৰ্তমানলৈ এক দীৰ্ঘ পথ পৰিক্ৰমা অতিক্ৰম কৰাৰ পিছতো উপন্যাসৰ ওপৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলিয়েই আছে। পৰম্পৰাগত ভাৱে সমাজৰ বিভিন্ন কাহিনীক লৈ উপন্যাস ৰচনা কৰাৰ লগতে পৰম্পৰাৰ পৰা ফালৰি কাটি আহি সময়ে সময়ে একোখন নতুন শ্ৰেণীৰ উপন্যাসো ৰচনা হৈছে। কিন্তু পশ্চিমীয়া দেশসমূহত উপন্যাসৰ ক্ষেত্ৰত হোৱা পৰীক্ষা-নিৰীক্ষাৰ তাৰ তুলনাত অসমীয়া উপন্যাস যথেষ্ট পিছপৰা। তৎসত্বেও পদ্মনাথ গোঁহাঞি বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা আৰম্ভ কৰি ন ন লিখক ওলায়ে আছে। পৰম্পৰাগত সামাজিক উপন্যাসৰ পিছত ব্যক্তিজীৱনক কেন্দ্ৰ কৰিও উপন্যাস ৰচনা হ'বলৈ ধৰিলে।

ৰামধেনু যুগত প্ৰধানকৈ গল্পকাৰ হিচাপে সাহিত্য জগতত আত্মপ্ৰকাশ কৰা লক্ষ্মীনন্দন বৰা অসমীয়া সাহিত্য জগতৰ এগৰাকী স্বনামধন্য ঔপন্যাসিক। ‘নিশাৰ পুৰৱী’ উপন্যাসৰ জৰিয়তে নিজকে ঔপন্যাসিক হিচাপে প্ৰক্ষেপ কৰা বৰাদেৱৰ *গঙা চিলনীৰ পাখি, উত্তৰ পুৰুষ, মৎসকন্যা, সেহি গুণনিধি, যাকেৰি নাহিকে উপাম, কায়কল্প, পাতাল ভৈৰৱী* আদি বিশিষ্ট উপন্যাস। সাহিত্য অকাদেমী বঁটা লাভ কৰা *পাতাল ভৈৰৱী* লক্ষ্মীনন্দন বৰাৰ সামাজিক উপন্যাসৰ পৰম্পৰাৰ পৰা আঁতৰি আহি ৰচনা কৰা ব্যক্তিকেন্দ্ৰিক উপন্যাস।

তৃতীয় পুৰুষ বৰ্ণনাকাৰীৰ দ্বাৰা বৰ্ণিত এই উপন্যাসখনৰ বিষয়বস্তু পৰম্পৰাগত কাহিনীৰ পৰা পৃথক। বিষয়বস্তুৰ পৰিৱৰ্তন সম্পৰ্কে সোধা এটা প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিল যে যি সময়ত তেওঁ উপন্যাসখন ৰচনা কৰিছিল সেই সময়ত টি ভি জনসমাজত অতিকে জনপ্ৰিয় আছিল । মানুহে উপন্যাস গল্পৰ প্ৰয়োজন নাই বুলি ভাবিবলৈ লৈছিল। সেয়ে যুগৰ লগত মিলাই উপন্যাসৰ গঠন সলনি কৰাৰ কথা চিন্তা কৰিছিল আৰু তাৰেই ফলশ্ৰুতি পাতাল ভৈৰৱী। (‘সৃজন’ ঃ বছৰেকীয়া আলোচনী, তেজপুৰ বিশ্ববিদ্যালয়, পঞ্চম সংখ্যা , ২০১১-১২ বৰ্ষ)। লিখকৰ মনত সংশয় সৃষ্টি হৈছিল যে বৈদ্যুতিন মাধ্যমসমূহৰ জনপ্ৰিয়তাই উপন্যাস সাহিত্যক গ্ৰাস কৰি পেলাব নেকি ? এই সকলোবোৰৰ পৰা উপন্যাসক ৰক্ষা কৰিবলৈ হ'লে বিষয়বস্তুৰ নতুনত্ব, উপন্যাসৰ কাহিনী অলস-মন্থৰ আৰু অজগৰ সদৃশ বুলি থকা সচৰাচৰ প্ৰচলিত ধাৰণাৰ পৰিৱৰ্তে, ফেঁটীসাপৰ দৰে তীব্ৰসঞ্চাৰী-দ্ৰুতগামী কাহিনীৰ উপস্থাপন, কাহিনীৰ লগতে সংঘাতৰ সঠিক প্ৰক্ষেপ আদিৰ প্ৰয়োজন। পাতাল ভৈৰৱীত এই সকলোবোৰ সন্মিলিত ৰূপত পোৱা যায়।

আন্ধাৰ জগতখনৰ কাহিনী , বিশেষকৈ কানিৰ চোৰাং জগত, য'ত আৰক্ষীৰ সাধাৰণ কনিষ্টবলৰ পৰা উচ্চপদস্থ বিষয়া, বিধায়ক, মন্ত্ৰী সকলো জড়িত হৈ থাকে - এয়ে পাতাল ভৈৰৱীৰ পটভূমি। কাহিনীৰ গতি অতি দ্ৰুত। সঘনাই পৰিৱৰ্তিত পৰিস্থিতিত তাল মিলাই চলিবলৈ প্ৰয়োজন ক্ষিপ্ৰ সিদ্ধান্ত ল'ব পৰা শক্তি, উপস্থিত বুদ্ধি ,তীব্ৰ পৰ্য্যবেক্ষণ ক্ষমতা। এনেবোৰ গুণৰ অধিকাৰী হোৱা বাবে কম সময়ৰ ভিতৰতে কান্ধুলিজনীয়া মুকুন্দ সহজে এন্ধাৰ জগতৰ অধিপতি

ইৰ্শ্বাদৰ প্ৰিয়পাত্ৰ হৈ অলেখ সম্পত্তিৰ অধিকাৰী হ'ব পাৰিছে। লিখকৰ ভাষাত ই 'খৰিকটীয়াৰ পৰা ৰজা হোৱাৰ দৰে কাহিনী'। মদ, ভাং, কানি আদিৰ এখন অন্ধকাৰ জগত, যি জগত সৰ্বসাধাৰণ মানুহৰ জ্ঞানৰ পৰিধিৰ বাহিৰত; য'ত মানুহৰ জীৱনৰ কোনো মূল্য নাই ,আছে কেৱল প্ৰতিহিংসা । সাধাৰণ কথাতে ইয়াত মানুহ হত্যা কৰা হয়। তেনে এখন জগতৰ অধিপতি মুকুন্দ চন্দ্ৰ খাওণ্ড কাহিনীৰ মূল নায়ক। কাঞ্চুলীজানৰ সাধাৰণ ডেকা মুকুন নৰ্থ ইষ্ট স্পৰ্টচ ক্লাবত সোমোৱাৰ পৰা কাহিনীৰ আৰম্ভ হৈছে বুলি কোৱা হৈছে। সুন্দৰ চেহেৰা, সংযত কথা-বতৰা, দায়িত্বজ্ঞান থকা আচৰণ মুকুন্দক ক্লাবৰ সম্পাদকে পচন্দ কৰাৰ মূল কাৰণ, পৰিণতিত ক্লাবৰ নামহীন পদবীত যোগদান। ইয়াৰ পিছৰ কাহিনীভাগ দ্ৰুতগতিত আগবাঢ়ি গৈ মুকুন্দই বিয়া-বাৰু কৰাই দুটা সন্তানৰ পিতৃ হোৱালৈ স্বাভাৱিক ভাৱে চলি আছিল। ইপিনে ক্লাবৰো সমৃদ্ধি আৰু প্ৰসাৰেও দ্ৰুততা লাভ কৰে। এসময়ত ইয়াৰ সভাপতি-সম্পাদক হ'ব পৰাটো সম্ভ্ৰম আৰু প্ৰতিপত্তিৰ কথা বুলি গণ্য হয়। ভোটৰ ব্যৱস্থা হয়। নতুন সম্পাদক-সভাপতি হয়। মুকুন্দ কেয়াৰ-টেকাৰ হয়। কিন্তু ইমান ডাঙৰ সন্মানীয় ক্লাব এটাৰ কেয়াৰ টেকাৰ এজন লিখা-পঢ়া নজনা ব্যক্তি হোৱাটো অসন্মানজনক বুলি বিবেচিত হয় । নতুনকৈ লিখা-পঢ়া শিকিবলৈ চেষ্টা নকৰি মুকুন্দই চাকৰি ইস্তফা দিয়ে। ইয়াৰ পিছত মুকুন্দৰ জীৱনৰ দ্বিতীয় অধ্যায় আৰম্ভ হয়।

খঙৰ ভমকত চাকৰি ইস্তফা দি আহিলেও পত্নী-পুত্ৰৰ ভৱিষ্যতৰ কথা ভাবি শংকিত হৈ আস্থা বিচাৰি, ভাৰসা বিচাৰি ব্ৰহ্মপুত্ৰৰ পাৰলৈ যাত্ৰা কৰে। এই ব্ৰহ্মপুত্ৰৰ পাৰতেই লগ পায় পুৰণি মানুহ দেউতা আৰু বছিৰক। দেউতা আৰু বছিৰে মুকুন্দক চিনাকি কৰাই দিয়ে অন্ধকাৰ জগতৰ অধিপতি ইৰ্শ্বাদ খাঁৰ লগত। তাৰ পিছতেই মুকুন্দৰ জীৱনে গতি সলায়। প্ৰথম চিনাকিতে ইৰ্শ্বাদৰ মুকুন্দক পচন্দ হয় আৰু নিজৰ লগত ৰাখি দিয়ে। মুকুন্দৰ সুন্দৰ আঁটিল চেহেৰা, পৰোৱাহীন স্বভাৱেই ইৰ্শ্বাদে মুকুন্দক পচন্দ কৰাৰ প্ৰধান কাৰণ বুলি মুকুন্দই ভাৱে। লাহে লাহে মুকুন্দই অন্ধকাৰ জগতৰ প্ৰথম খোজ হিচাপে গাড়ী চলাবলৈ শিকিলে, বন্দুক-ৰিভলভাৰ আদি চলাবলৈ শিকিলে। ইৰ্শ্বাদক সন্তুষ্ট কৰিব পৰা সকলোখিনি শিকাৰ উপৰি হিন্দী ক'বলৈও শিকিলে। মুঠতে কলা বেপাৰৰ জগতখনত ভৰি থব পৰাকৈ মুকুন্দ পাৰদৰ্শী হৈ পৰাত ইৰ্শ্বাদে তাক আফিং কেলেংকাৰীৰ বাদশ্বাহ কেইগৰাকীৰ লগত চিনাকি কৰাই দিয়ে। এসময়ত মুকুন্দ ইৰ্শ্বাদৰ অতি ঘনিষ্ট প্ৰধান, সহযোগী আৰু পৰামৰ্শদাতা হৈ পৰে। এনে এটা সময় আহে যে, মুকুন্দ ন'হলে ইৰ্শ্বাদ চলিব নোৱাৰা হয়। সেয়ে মুকুন্দই ভাবিবলৈ লয় যে, " ... সি ইৰ্শ্বাদ মোক ভাৰসা নকৰাকৈ চলিবই নোৱাৰা হ'ল। সি এদিন মোক পাৰ্টনাৰ কৰিবই লাগিব। লেহুকা ন'হবি, মুকুন, তই খিতাপ দেখুৱাব লাগিব। আজিৰ দিনত টকাই সকলো। .. .." (পৃ. ১৮৬ )। অন্ধকাৰ জগতৰ সকলো কু-কৰ্মৰে অলংকৃত মুকুন্দই ইৰ্শ্বাদৰ মৃত্যুৰ পিছত পাতাল জগতৰ অধিপতি হৈ পৰে।

অন্ধকাৰ জগতক বিষয় বস্তু হিচাপে ৰচনা কৰা এই উপন্যাসখনত ঔপন্যাসিক বৰাদেক্তৰ বৰ্ণনাই আমাক পাতাল পুৰীৰ অৰ্থাৎ অন্ধকাৰ জগতৰ বিভিন্ন দিশৰ লগত পৰিচয় কৰাই দিয়ে। ভাষা, শব্দ চয়ন, বৰ্ণনাপ্ৰণালী সকলোতে অন্ধকাৰ জগতৰ অচিন পৰশ দেখা যায়। উপন্যাসখন পঢ়ি গৈ থাকিলে ঔপন্যাসিক পাতাল জগতৰে এক চৰিত্ৰ নেকি বুলি ভাৱ এটাই মনত দোলা দি যায়। অন্ধকাৰ জগতত সচৰাচৰ ব্যৱহৃত মাল, কেৰিয়াৰ, ৰাণাৰ, ইনফৰ্মাৰ, ৰিটেইলাৰ, বেক কৰা ইত্যাদি শব্দৰ প্ৰয়োগেৰে উপন্যাসখনত এক নিষিদ্ধতাৰ প্ৰলেপ সানিছে। এই শব্দবোৰ অৰ্থ আমি জনা অৰ্থতকৈ পৃথক। হিন্দী, ইংৰাজী আৰু স্বসৃষ্ট শব্দবোৰৰ স্থান বিশেষে শ্ৰুতিমধুৰ প্ৰয়োগ ঘটিছে । ৰিস্ক, মজেইক, ইন্টেৰিয়ৰ ডেকৰেটৰ, বদ্‌লা, চৰ্জা, কিলিক, চিৰ্জন, বেব্‌চা আদি শব্দবোৰে দেউতা আৰু বছিৰ মুখৰ ভাষাত সৰলতা প্ৰদান কৰিছে। দেশৰ সৰ্বদিশৰ সুৰক্ষাৰ দায়িত্বত থকা প্ৰতিৰক্ষা বিভাগকে আদি কৰি মন্ত্ৰী-বিষয়াসকল কিদৰে অন্ধকাৰ জগতৰ লগত জড়িত হৈ থাকে উপন্যাসৰ পৃষ্ঠাই পৃষ্ঠাই তাৰ প্ৰমাণ মজুত। ইৰ্শ্বাদ খাঁক প্ৰথম লগ ধৰিবলৈ গৈ অপেক্ষা কৰি থাকোতে ইৰ্শ্বাদৰ ঘৰৰ খটখটিয়েদি নামি অহা মানুহ তিনিটাৰ এটা ডি.এছ. পি. লবোৰাম গগৈ। ইৰ্শ্বাদৰ ঘৰত ৰেইড হোৱাৰ আগতিয়া খবৰ দিয়া ব্যক্তিগৰাকী ইন্সপেক্টৰ বাবুলী বৰা। আবকাৰী মন্ত্ৰীৰ পৰা মুখ্যমন্ত্ৰী সকলোৰে যেন কিছু পৰিমাণে হ'লেও পাতাল ৰাজ্যৰ কঁলা টকাৰ পৰোক্ষ অংশীদাৰ । মুখ্যমন্ত্ৰীৰ ওচৰলৈ যোৱা ইৰ্শ্বাদ আৰু মুকুন্দক মুখ্যমন্ত্ৰীৰ লগত , "স্বয়ং আবকাৰী মন্ত্ৰী শ্ৰীকান্ত মহন্তই এনেকৈ চিনাকি কৰাই দিলে,'এওঁ ইৰ্শ্বাদ খাঁ, খোৱাংৰ পৰা মাইজানলৈকে এওঁৰ সমান প্ৰতাপী ব্যৱসায় পাবলৈ নাই. এওঁ মুকুন্দ খাওণ্ড, ইৰ্শ্বাদ খাঁৰ পাৰ্টনাৰ। .. .."(পৃ.১৫৭)। এই জগতখনত টকাই সকলো ;

টকাৰে সকলো কৰিব পাৰি, কিনিব পাৰি-- এম.এল.এ. , মিনিষ্টাৰ আনকি দেশৰ মুখ্যমন্ত্ৰীকো হাতত ৰাখিব পাৰি। সাধাৰণ পাণ-দোকানী ইৰ্শ্বাদ খাঁ অন্ধকাৰ জগতৰ অধিপতি হৈ পৰাৰ সম্পৰ্কত ঔপন্যাসিকৰ বক্তব্য প্ৰণিধানযোগ্য ।এই ক'লাজগতখনত "সততা-নিষ্ঠাৰ স্থান নাই, অধ্যৱসায়ৰ স্থান নাই। স্থান আছে সাহসৰ, চাতুৰ্য্যৰ, নিষ্ঠুৰতাৰ আৰু দুৰন্ত অভিলাষৰ।" (পৃ ৬২)। অথচ আমি যিখন জগতত বাস কৰোঁ তাত ইয়াৰ বিপৰীতধৰ্মী ছবি এখনহে দেখা যায়। তাত প্ৰথম স্থান পায় অধ্যৱসায়ে। তাৰ পিছত আহে সততা, নিষ্ঠা। এই জগতত হত্যা কৰা অতি সাধাৰণ বিষয় হিচাপে বিবেচিত। "তাৰ মাংস কাছই খাব লাগিব" বুলি কোৱা মুৰব্বীৰ মুখৰ এটা বাক্যতে এজন মানুহক মাৰি পেলাব পৰা হত্যাকাৰীৰ অভাৱ নাই। এইবোৰ অন্ধকাৰ জগতৰ গোপন ভাষা। সাধাৰণ মানুহে ইয়াৰ অৰ্থ বুজি নাপায়। সেইদৰে এই কামৰ লগত জড়িত তলৰ খাপৰ ব্যক্তিসকলক নামৰ সলনি নম্বৰেৰে হে জনা যায়। মুকুন্দই গুৰমৎ সিঙক ফোনত কোৱা, "চিৰিয়াখানাৰ পৰা কৈছোঁ। ডিব্ৰুগড়ক ক'বা, আহিব লাগে। শ্বিলঙত বাৰখনমান কম্বল লাগিব।" (পৃ.১৪৬) -- বিষয়ৰ পূৰ্ব জ্ঞান অবিহনে ইয়াৰ অৰ্থ বিচাৰি উলিওৱা সম্ভৱ নহয়, ই গোপন ভাষা। মানুহ সম্পৰ্কে এক কঠিন অথচ সঠিক বিশ্লেষণ বিভিন্ন সময়ত বিভিন্ন ব্যক্তিৰ বৰ্ণনাৰ মাজেৰে ফুটাই তুলিবলৈ যত্ন কৰা হৈছে। আমি প্ৰত্যেকজন ব্যক্তিয়েই বেলেগ বেলেগ পৰিৱেশত বেলেগ বেলেগ আচৰণ কৰিবলৈ বাধ্য হওঁ। ইয়াৰ জৰিয়তে আমাৰ সময়োপযোগী ৰূপ প্ৰকাশ পায় ; যেন আমি একোগৰাকী মুখাধাৰী ব্যক্তিহে। যেতিয়াই প্ৰয়োজন হৈছে একোখন মুখা পিন্ধি লৈছোঁ। এনে এক অভিব্যক্তি প্ৰকাশ পাইছে মুকুন্দৰ বক্তব্যৰ মাজেৰে, "প্ৰত্যেকটো মানুহেই সময় বুজি বেলেগ বেলেগ মানুহ। একোটা মানুহ দৈত্যও হ'ব পাৰে, দেৱতাও হ'ব পাৰে"(পৃ. ৫০)।প্ৰত্যেক মানুহে জীয়াই থকাৰ তাড়নাত বিভিন্ন কাম কৰিবলগীয়া হয়; পেটত যেতিয়া ভোক থাকে, পৰিয়াল চলোৱাৰ কথা থাকে তেতিয়া মানুহৰ ভাল-বেয়া চিন্তা কৰিবলৈ সময় নাথাকে। এই কথাৰ উপলব্ধি ঘটিছে সাধাৰণ যেন লগা জগ্নুৰ কথাত; "অভাৱী মানুহে কাম-কাজ ভাল লাগিছে নে বেয়া লাগিছে ভাবিব নোৱাৰে।"(পৃ.৫০) ।সময়ত আকৌ ইয়াৰ বিপৰীত মতৰো প্ৰকাশে মুখাধাৰী মানৰ চৰিত্ৰকে ফুটাই তুলিছে, "অভাৱত পৰা চব ছোৱালীয়ে বেশ্যা নহয়।"(পৃ.১০২)। কানিৰ গোপন ব্যৱসায়ে ক'লা-বেপাৰৰ সাম্ৰাজ্যখনক অধিক চহকী কৰাৰ বিপৰীতে সাধাৰণ মানুহৰ কানিপ্ৰীতিয়ে সমাজখন ধ্বংস কৰি আনিছে। এই বিষয়ে সজাগতে সৃষ্টিৰ অংশৰূপে চৰকাৰে যিমানে কানি তথা নিচাজাতীয় সামগ্ৰীৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰে সিমানে ইয়াৰ মূল্য বৃদ্ধি হয় আৰু ক'লা বেপাৰীৰ লগতে চৰকাৰৰ লাভ দুগুণ হৈ পৰে। কানি তথা নিচাজাতীয় সামগ্ৰীৰ ওপৰত মানুহৰ আকৰ্ষণ বৃদ্ধি পোৱাৰ কাৰণ 'দেউতা'ৰ বক্তব্যত এনেদৰে প্ৰকাশ পাইছে, " আজিকালিৰ মানুহৰ মনৰ লেকাম সোলোক-ঢোলোক হৈছে। জীৱনটো আকৌ নেপাম বুলি সন্দেহ হৈছে। কিছুমানৰ আকৌ হতাশা। কিছুমানৰ আকৌ মনৰ ভিতৰত টনা-আজোৰা। কিছুমানে খুব খাটে বাবেও নিচা খায়। মানুহৰ মনৰ এই দুৰ্বলতাখিনিৰ পৰাই জীপ পাই চব ঠাইতে নিচাই আকৌ ভালকৈ খোপনি লৈছে। "(পৃ.৫৫)

উপন্যাসখনত বৰ্ণিত পৰিৱেশ-পৰিস্থিতিৰ লগত অসমৰ বৰ্তমান পৰিস্থিতিৰ সামগ্ৰিক মিল লক্ষ্য কৰিবলগীয়া। আজিৰ সমাজখন বিশেষকৈ উঠি অহা চামক নিচাজাতীয় দ্ৰব্যই এনেদৰে চাৰিওপিনৰ পৰা গ্ৰাস কৰি আহিছে যে তাৰ পৰা আঁতৰত থকা বহুতৰে বাবে অসম্ভৱ হৈ পৰিছে। চৰকাৰে যিমানে ইয়াৰ পৰা যুৱসমাজক আঁতৰাই ৰখাৰ প্ৰচেষ্টা হাতত লৈছে সিমানে অধিক উচ্ছৃংখল হ'বলৈ গৈ আছে। ইয়াৰ কাৰণ দেউতা ওৰফে মুক্তা ৰহমানৰ ভাষাত এনেধৰণৰ, "আজিকালিৰ মানুহৰ মনৰ লেকাম সোলোক-ঢোলোক হৈছে ... ... ...। তাকে বুজি নেপাই অলগৰ্ধ চৰকাৰে এইবোৰ 'পৰ্হিবিচন' কৰি স্মাগলাৰবোৰক হে প্ৰতাপী কৰিছে। নতুন বজাৰৰ মলয় চাহাই এই টাউনলৈ কিমান গাঞ্জা মণিপুৰৰ পৰা আনে জান? সপ্তাহত একোখন এম্বাশ্বেদৰ ভৰ্তি কৰি আনে। দুনিয়াত ইমানবোৰ নিচাখোৰ মানুহ আছে বুলি খবৰ কাগজৰ মানুহেও নাজানে , 'ডিপ্তি কমিচনে'ও নেজানে"(পৃ.৫৫) ইয়াৰ দ্বাৰা চৰকাৰখনৰ অক্ষমতাকে প্ৰতিপন্ন কৰাৰ লগতে সাংবাদিকৰ ভূমিকা সম্পৰ্কেও সন্দেহৰ অৱকাশ ৰৈ যায়। পৰিস্থিতি আজিও অপৰিৱৰ্তিত আছে। মুঠতে , বছিৰৰ ভাষাত "আমাৰ ভাৰস্তত চব্‌চে ভাল বেব্‌চা হ'ল- কঁলা বেপাৰ"(পৃ. ৫৫)। এই বেপাৰৰ লগত সংলগ্ন ব্যক্তিসকলৰ জীৱনৰ আটাইতকৈ দুখলগা দিশটো হ'ল , ইয়াত নিজ ইচ্ছাৰে সোমাবহে পাৰি, ওলাই আহিব নোৱাৰি। সহজাত বুদ্ধিমত্তা আৰু বিশ্বাসযোগ্যতাৰে এসময়ত মুকুন্দ ইৰ্শ্বাদৰ সকলো ক'লা বেপাৰৰ বিশ্বস্ত সঙ্গী হৈ পৰে ।প্ৰশাসনৰ বিভিন্ন স্তৰৰ

ব্যক্তিসকলৰ ছত্ৰছায়াতে পালিত হয় ক'লা বেপাৰীসকল; এইটো সকলোৰে জনা গোপন সত্য । ইৰ্শ্বাদৰ মৌচম মঞ্জিলত ডি.এচ.পি.ৰ উপস্থিতি ইয়াৰেই প্ৰকাশ। লগতে এইটোও প্ৰতীয়মান যে প্ৰশাসনত ইৰ্শ্বাদ খাঁৰ হাত আছে। ডাঙৰ ডাঙৰ অপৰাধী ধৰা নপাৰৰ আঁৰৰ কাৰণ এইটোৱে। ৰৌ-বৰালি সৰকি যায় পুথি-খলিহনাহে পাহে পাহে ৰয়; "হায় বিশুদ্ধ সংবিধানেৰে ৰচিত গণতন্ত্ৰই" (পৃ.৭৪)। আন এঠাইত এই কথা অধিক স্পষ্ট হৈছে, মুকুন্দৰ কথাত, "ৰাজনীতি কৰা মানুহৰ সহায়ত চোৰাং কাৰবাৰ বঢ়িয়াকৈ চলিছে। আমাক কোনেও বাধা দিয়া নাই। পুলিচ, আব্‌কাৰী আৰু যানবাহন বিভাগৰ মানুহবোৰ আমাৰ বহতীয়া হৈছে। মাথোন মাহে মাহে সিহঁতক মৰ্যাদা অনুসৰি একোটা 'বোনাচ' দি থাকিব লাগে। আৰক্ষী অধীক্ষকক দুহেজাৰ, আব্‌কাৰী অধীক্ষকক ডেৰ হাজাৰ, টাউন দাৰোগাক এহেজাৰ, ডি-টি-অ' অফিচৰ এন্‌ফৰ্চমেন্ট ইন্সপেক্টৰক চাৰিশ আৰু উপায়ুক্তক উপঢৌকন সহ মাজে মাজে চালামী।----সিহঁতে ঘৃণা কৰে আমাৰ আইন বিৰোধী উপাৰ্জনৰ পন্থাক, আমি ঘৃণা কৰোঁ সিহঁতৰ ভণ্ডামিক, প্ৰৱঞ্চনাক, দুমুখীয়া কথাবোৰক আৰু ক্ষমতাৰ নিচাক" (পৃ.১৯২-১৯৩)। দেশৰ সমস্ত ৰাজনীতিক নিয়ন্ত্ৰণ কৰে ব্যৱসায়ীগোট আৰু মহলদাৰ (মদৰ মহল) সকলে। মন্ত্ৰী ভঙা-পতাত এই দুই গোটৰ প্ৰধান ভূমিকা। শাসক দলৰ অফিচ এটাৰ গৰাকী বশিষ্ঠ শৰ্মাৰ মতে, " মহলদাৰ সমষ্টিটোকে অসম ৰাজনীতিত চমুকৈ 'লিকৰ লবী' বোলে। মন্ত্ৰী ভঙা-পতা কৰা, এম-এল-এ-ৰ মতামতেৰে দলপতি হৈ মুখ্যমন্ত্ৰী হোৱাত সহায় কৰা আৰু নিৰ্বাচনত বিশেষ বিশেষ ঠাইত মুক্তহস্তে খৰচ কৰাৰ ক্ষেত্ৰত ব্যৱসায়ী গোটে আৰু 'লিকৰ লবী'য়ে নেতাহঁতক পুতলা নাচ নচুৱায়। " (পৃ. ১৩৪)। ই সমগ্ৰ অসম তথা ভাৰতৰ ৰাজনীতিৰ গূঢ় কথা, সাধাৰণ জ্ঞান থকা প্ৰতিগৰাকী ব্যক্তিৰ ই বোধগম্য। চৰকাৰৰ কৰ্মকৰ্তা তথা চৰকাৰী কাৰ্যকলাপৰ নিৰ্ভীক বিশ্লেষণ। স্বনামধন্য ঔপন্যাসিক বৰাদেৱে তৎকালীন ৰাজনীতিৰ যি চিত্ৰ উপন্যাসত অংকন কৰিছে আজিও সেই পৰিস্থিতি সকলো দিশতে অপৰিৱৰ্তিত আছে।

অসমৰ বিদেশী সমস্যাৰ এক সুন্দৰ চিত্ৰ উপন্যাসত প্ৰকটিত হৈছে। চৰকাৰী পৃষ্ঠপোষকতাতেই যে বিদেশীসকল নিৰাপদে আছে সেই কথা স্পষ্ট হৈছে ভানু শৰ্মা আৰু মুকুন্দৰ কথোপকথনত; " .. .. .. পৰীক্ষিত জিকিবলৈ হ'লে বৰ বেয়া কথা হ'ব। সি আচল বদন বৰফুকন। সি মিটিঙত অসমৰ ইতিহাসৰ বৰ বৰ কথা ক'লে কি হ'ব? সি জানে সীমান্তৰ সিপাৰৰ পৰা বিদেশী আহি আছে। সিহঁতে বেদখল কৰি পমুৱা মুছলমানৰ মাজত বহিছেহি। সি সিহঁতৰ ত্ৰাণকৰ্তা হৈ পৰিছে। তাৰ এটা গ্ৰুপ আছে। এনেকৈ বিদেশী আহি থাকিলে মূল অসমীয়া মানুহখিনি তাকৰীয়া হৈ পৰিব। অসমীয়া ঘৰতে বিদেশী হ'ব। এই বিদেশীবোৰ খেদিবলৈ নিৰ্দেশো আছে। কিন্তু তাকে কৰিবলৈ ল'লেই একুৰিমান এম,এল,এ,ই "ৰিজাইন" দিম বুলি কয়। তাতে লগ লাগে পৰীক্ষিত বৰুৱা। আমাৰ চি, এমৰ অৱস্থা থৰক-বৰক হৈ পৰে।"-- এয়া অসমৰ ৰাজনীতিৰ প্ৰকৃত চিত্ৰ । "ইয়াত অহিংসাক ধৰ্ম কৰিব খোজা মহাত্মা গান্ধী গুলি খাই মৰে। সত্যৰেই জয় হ'ব বুলি বিশ্বাস কৰা গান্ধীৰ দেশতেই আকৌ ৰজাঘৰে প্ৰজাঘৰে অসত্য আৰু ভণ্ডামিৰ প্ৰকোপ বেছি।"(পৃ.১২৪)। ঔপন্যাসিকে সমাজৰ এইবাস্তৱ চিত্ৰখন অতি দক্ষতাৰে আৰু কৌশলগত ভাৱে অংকন কৰিছে। ই কেৱল তৎকালীন অসমৰ ৰাজনীতিয়েই নহয় বৰ্তমান প্ৰেক্ষাপটতো ইয়াৰ প্ৰতিফলন ঘটিছে।

চৰিত্ৰাংকনত ঔপন্যাসিকে এক ভিন্নধৰ্মী ৰীতি অনুসৰণ কৰা দেখা যায়। যি ঠাইত চৰিত্ৰই প্ৰথম ভুমুকি মাৰিছে তাতেই পূৰ্ব পৰিচয়সহ চৰিত্ৰটোৰ দীঘলীয়া চিনাকী উপস্থাপন কৰি কাহিনী আগুৱাই লৈ যোৱা হৈছে। দেউতা, বছিৰ, ইৰ্শ্বাদ খাঁ, হীৰা বাই, বশিষ্ঠ শৰ্মা, দশানন যাদৱ আদি চৰিত্ৰবোৰ এই ৰীতিৰে উপস্থাপন কৰি আগুৱাই লৈ যোৱা হৈছে। সেইবাবে হঠাতে উপস্থিত হোৱা চৰিত্ৰ এটাকো চিনি পোৱাত পাঠকৰ কোনো অসুবিধা নহয়। উপন্যাসৰ প্ৰতিটো চৰিত্ৰ প্ৰথমতে কোৱা লেখীয়া 'সময় বুজি বেলেগ বেলেগ মানুহ'। কোনো সময়ত যদি মৰমীয়াল , দয়ালু, মানৱীয় গুণ সম্পন্ন কোনো সময়ত আকৌ নিষ্ঠুৰ, ভয়ানক ভাৱে মানৱতাহীন। প্ৰতিটো চৰিত্ৰৰে সুকীয়া মহত্ব আছে। মুকুন্দ "এটা হাড়-শকত প্ৰকাণ্ড মানুহ। তাৰ ৰ'দে চেলেকা তেজাল দেহটো বৰ আকৰ্ষণীয়।" মুকুন্দৰ জীৱনৰ বিৰাট পৰিৱৰ্তন তথা উত্থানৰ মূলতে তাৰ শৰীৰ। এই মুকুন্দই নিজৰ খেতি পথাৰ ব্ৰহ্মপুত্ৰৰ বালিয়ে পুতি পেলোৱাৰ পিছতো ভাবিব পাৰে,"এয়া পিতা বৰ্‌হমপুত্ৰৰ দয়াহীন কাম নহয়; মানুহৰ বিবেচনা নোহোৱা কামৰ পৰিণামহে। পিতা বৰ্‌হমপুত্ৰই মানুহক সাৱধান নোহোৱাকৈ সোলোক ঢোলোক মথাউৰি বান্ধিবলৈ দিয়া নাছিল; পাৰৰ গছ-গছনি কাটি খাস্তাং কৰিবলৈ দিয়া নাছিল; মানুহবোৰ ইমান পাপী হ'ব বুলিও কিজানি পিতা বৰ্‌হমপুত্ৰই ভবা নাছিল" (পৃ. ২০)। দিল বাহাদুৰ সাধাৰণ মানুহৰ অসাধাৰণ চিন্তা, " মনত

ৰাখিবি মুকুন, সাপ নচুওৱা মানুহ সাপৰ হাতত মৰে।” দেউতা ওৰফে মুক্তা আহমেদ, যিয়ে নেকি জীৱনৰ যি কোনো পৰিস্থিতিত গাব পাৰে, ‘জীৱৰে সাৰথি নাই অ’ আল্লা, জীৱৰ সাৰথি নাই ----।’ এই দেউতাৰ বক্তব্য, “তহঁতৰ কৃষ্ণই হেনো অৰ্জুনক কৈছিল-- তুমি যদি ইহঁতক নেমাৰা, তেনেহ’লে ইহঁতে তোমাক মাৰিব” । সকলোৰে ক্ষেত্ৰত সৰ্বকালৰ বাবে চৰম সত্য হিন্দু শাস্ত্ৰৰ কথাটো মুক্তা আহমদেও জানে। বছিৰ-- কাৰৈমাৰী গাঁৱৰ মাউৰ লগা সময়ত মুকুন্দৰ দেউতাকে কেও-কিছু নোহোৱা বচিৰ ওৰফে বছিৰুদ্দিন য়ুচুফক তুলি আনি ডাঙৰ দীঘল কৰি খুটি খাব পৰা হোৱাত বহল পৃথিৱীত মুকলি কৰি দিছিল। বছিৰৰ মতে, “নিচাৰ ক’লা বেপাৰে মানুহক অনিষ্ট কৰিছে বুলি ভাবিছ নেকি? ন’,ন’,ন’। চৰকাৰে মানুহৰ পৰা নিচা খোৱাৰ অধিকাৰ কাঢ়ি লৈছিল, স্মাগলাৰে সেই অধিকাৰ নাইকিয়া হ’বলৈ নিদিলে।” (পৃ.৫৫) লিখা-পঢ়া নজনা সকলো সময়তে অন্ধকাৰ জগতত উঠা-বহা কৰা বছিৰৰ চিন্তাৰ দৌৰ ইয়াতকৈ বেছি যাব বুলি ভবা অসাৰ্থক। ইৰ্শ্বাদ খাঁ আন্ধাৰ জগতৰ অধিপতি; অতি সহজে ‘তাৰ মঙহ কাছই খাব লাগিব’ আজ্ঞা দিব পৰা মানুহগৰাকীৰ অন্তৰতো মনুষ্যত্ব আৰু কোমলতা থকাৰ প্ৰমাণ পোৱা যায় যেতিয়া “কোনো অলস উজ্জ্বল সঙ্গহীন মুহূৰ্তত ইমান বছৰৰ মৃৰতো তাৰ মমতাজলৈ মনত পৰে।” (পৃ.৬১)। অলক ফুকন -- এক দালাল । তেওঁৰ মতে, ‘বোলে ধৰ্মৰ পাক সাতটা, পাপৰ পাক দুকুৰি সোতৰটা’ (পৃ.১৩০)। মুখ্যমন্ত্ৰীৰ চৰিত্ৰ সদায় জটিল । তেওঁৰ ওপৰত শাসনৰ মূল বাঘজৰীডাল থাকে; আৰু এই জৰীডালৰ টনা অথবা ঢিলাই দিয়াৰ ওপৰত নিৰ্ভৰ কৰে মুখ্যমন্ত্ৰীৰ নিজৰ তথা দলৰ ভাগ্য। গতিকে তেওঁ সুচতুৰ ব্যক্তি হোৱা অতি প্ৰয়োজন। বশিষ্ঠ শৰ্মাৰ ভাষাৰে “ক্ষমতাৰ বাঘজৰী টানিবলৈ হ’লে কেৱল গুণ, খ্যাতি আৰু ৰাইজৰ ওপৰত প্ৰতিপত্তি থাকিলেই নহ’ব। বৰ বৰ গছত হাকুটি লগাবলৈও শিকিব লাগিব। এই বিষয়ত আমাৰ মুখ্যমন্ত্ৰীজন বৰ পাকৈত। সেই বাবেই তেওঁ মুখ্য মন্ত্ৰী।”(পৃ. ১৩১); অসমৰ ৰাজনীতিৰ নিপুণ খেলুৱৈ। তেওঁৰ এটা ‘অ” - ত কেবাটাও অৰ্থ নিহিত হৈ থাকে। উপন্যাসখনৰ প্ৰতিটো চৰিত্ৰকে স্বমহিমাৰে মহিমান্বিত কৰি তোলাত ঔপন্যাসিকে বিশেষ গুৰুত্ব আৰোপ কৰিছে। এইখিনিতে গুৰুত্বপূৰ্ণ কথাটো হ’ল যে , ইয়াতব্ৰহ্মপুত্ৰও এক সজীৱ চৰিত্ৰ। মুকুন্দৰ বাবে আশা-ভাৰসাৰ থল। বিপদত পৰামৰ্শ আগবঢ়াব পৰা এগৰাকী তেজ-মঙহৰ ব্যক্তিৰ লেখীয়া। খেতিপথাৰ বালিয়ে পুতি পেলোৱাৰ পিছত মুকুন্দক চহৰলৈ অহাৰ পৰামৰ্শ যেন ব্ৰহ্মপুত্ৰই দিছিল, “তই যাগৈ। এই ঠাইত তোৰ কাম নাই। মাটি নথকা খেতিয়ক পানীত নথকা মাছহে। বাহুত বল থাকিলে তোৰ দৰে পাহোৱাল ডেকা এটাৰ —” (পৃ. ২০) । চকীদাৰৰ চাকৰি ইস্তফা দি খঙেৰে, আক্ৰশেৰে, অভিমানেৰে ব্ৰহ্মপুত্ৰৰ ওচৰলৈ ঢাপলি মেলা মুকুন্দক ‘ব্ৰহ্মপুত্ৰই ভাৰসা দিলে’। জীৱনৰ প্ৰতিটো সংকটপূৰ্ণ মুহূৰ্তত ভাৰসা দিব পৰা ব্ৰহ্মপুত্ৰ, মুকুন্দৰ বক্তব্যৰ মাজেৰে তেজ-মঙহৰ শৰীৰলৈ ৰূপান্তৰ হৈছে।

কান্ধুলিজান , বগীদ’ল, নগাখেলীয়া , মথলা, মাইজান, মোহনঘাট, হাইঠা চাপৰি, বিৰিণা চাপৰি, পহুকটা চাপৰি, নিমাতি চাপৰি আদি ব্ৰহ্মপুত্ৰৰ চাপৰিবোৰৰ নাম যেনে সুন্দৰ ঠাইবোৰ সমানে সুন্দৰ, অসমৰ প্ৰকৃতি বিচিত্ৰ ৰূপত এইবোৰৰ মাজত অংকিত হৈছে। “এতিয়াৰ দিনতো এইবোৰ ঠাইৰ হাবিত হৰিণা চৰে, দঁতাল গাহৰিও থাকে আৰু প্ৰকাণ্ড প্ৰকাণ্ড গছৰ ফেৰেঙণিত মৌ বাহ ওলমি থাকে।.. .. .. মাছৰ উজান উঠিলে, মাছ কিছুমান জঁপিয়াই জঁপিয়াই মানুহৰ ঘৰৰ ভেটিত উঠেগৈ” (পৃ.৪৩)। অসমৰ প্ৰকৃতিক বিনন্দীয়া ৰূপ দিয়া , অসমীয়াৰ স্বাভিমানৰ প্ৰতীক ব্ৰহ্মপুত্ৰই পাতাল ভৈৰৱীৰ মাজেৰে প্ৰাণ পাই উঠিছে। বিভিন্ন ঠাইত ব্ৰহ্মপুত্ৰৰ জীৱন্ত বৰ্ণনা সন্নিবিষ্ট কৰা দেখা যায়।

পাতাল ভৈৰৱীৰ পাতত অসমৰ প্ৰকৃতিৰ বিনন্দীয়া ৰূপ, সমাজ জীৱনৰ বাৰেৰহণীয়া জীৱন পদ্ধতি, ৰাজনীতিকসকলৰ সৰ্বসাধাৰণৰ প্ৰতি দায়িত্বহীনতা , অৰ্থনৈতিক জীৱনৰ সংকটপূৰ্ণ ৰূপৰ লগতে এক শ্ৰেণীৰ অনৈতিক পথেৰে অৰ্জা ধনৰ দ্বাৰা পৰিচালিত সচ্চল জীৱনৰ ৰূপ মূৰ্ত হৈ উঠিছে। লগতে , বৃটিছৰ দিনতে আৰম্ভ হৈ আজিৰ দিনতো অৰ্থাৎ পাতাল ভৈৰৱী লিখাৰ তিনি দশকৰ বেছি কালৰ পিছতো কানিৰ অবাধ প্ৰচলনৰ চিত্ৰৰে আমাৰ সমাজৰ আত্মিক, আধ্যাত্মিক অৱক্ষয়ৰ দিশ পৰিস্ফুট হৈছে। সহজ-সৰল অসমীয়া মানুহৰ বিপৰীতে নিষ্ঠুৰ-হত্যাকাৰী সমাজৰ অধঃপতনৰ বাবে প্ৰধানকৈ দায়ী শ্ৰেণীটোৰ নিৰ্ভূল ৰূপায়ণেৰে পাতাল ভৈৰৱীৰ লিখকে লিখকৰ সামাজিক দায়বদ্ধতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

*****

● লেখক ঃ সহকাৰী অধ্যাপিকা, ৰাজীৱ গান্ধী মেম’ৰিয়েল কলেজ, লেংটিছিঙা।

# মোৰ দৃষ্টিত অসম সাহিত্য সভা

**ড° বসন্ত কুমাৰ গোস্বামী**

1969 চনৰ বৰপেটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনলৈ গৈছিলোঁ। তেতিয়াৰ পৰাই সভাৰ লগত সম্পৰ্ক গঢ় লৈ উঠিছিল। আমাক লৈ গৈছিল ড° মহেশ্বৰ নেওগ ছাৰে। **অসম সাহিত্য সভা** — এই তিনিটা শব্দৰ মাজত খাঁৰী বান্ধি সোমাই আছে স্বৰ্গতকৈও মনোৰম আইমাতৃ অসম। সুদীৰ্ঘ শতাধিক বৰ্ষৰ পৰিক্ৰমাত নানা ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি সভা আজি মহীৰূহলৈ ৰূপান্তৰ হ'ল। সভাৰ আনন্দ-বেদনা, সফলতা-বিফলতা প্ৰতিটো ধ্বনিয়েই অসমৰ জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলোৰে হৃদয়ত টুকুৰিয়াই যোৱা অনুভৱ কৰি লাভ কৰোঁ পৰম আ াদ। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ সকলো নৃ-গোষ্ঠীকে হিয়াৰ কুটুমৰূপে সামৰি জাতীয়ত্বৰো সভাই পৰিচয় দি আহিছে। এয়া যেন সভাৰ জাতীয়ত্বৰ এক প্ৰতীক, তেনে অনুভৱ হয়। সভাৰ দৃষ্টিত জ্যোতিপ্ৰসাদৰ আত্মাৰ বাণী এনে —

মৰ়েই খাছীয়া  
মৰ়েই জয়ন্তীয়া  
ডফলা চিংফৌ  
ভৈয়ামৰ মিৰি  
সোৱণশিৰীয়া ডেকা

এয়া সভাৰ আত্মিক পৰিচয়ৰ দৃঢ়বিনদ্ধ ৰূপ। সেয়ে মই অনুভৱ কৰোঁ স্বদেশ-স্বজাতিৰ সিংহদুৱাৰত জাগ্ৰত প্ৰহৰীৰূপে নিজক গঢ় দি প্ৰতিষ্ঠা কৰাৰ বাবেই অসমৰ জাতিয়ত্বই সভাক হৃদয় আৰু মনৰ অনুষ্ঠানলৈ ৰূপান্তৰ কৰিছে। অসমৰ ভাষা-সাহিত্য-সমাজ-সংস্কৃতিৰ সাৰ্বিক বিকাশৰ বাবে কৰি অহা সংগ্ৰাম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উমৈহতীয়া সুঁতিটো ভৰুণ কৰা একমাত্ৰ অনুষ্ঠান বুলি অনুভৱ কৰোঁ। অসমত বসবাস কৰা বিভিন্ন নৃ-গোষ্ঠীৰ লগত সম্ভাৱ-সম্প্ৰীতি বৃদ্ধিৰে আৱেগিক ঐক্যৰ খোপনি সুদৃঢ় কৰিবলৈ মন কৰাৰ বাবেই সভাৰ মহিমামণ্ডিত ৰূপটো দেখি আনন্দ পাওঁ। সেইকাৰণে অনুভৱ কৰোঁ অসমীয়া ভাষাৰ পৰাধীনতাৰ পাটকাই পৰ্বতটো যিমান ওখ হৈ জিলিকি আছিল সভাৰ যত্নত সিমান ফুট তলৰ পাটনাদত পৰিল বুলি। এইটো সভাৰ চন্দ্ৰৰ মৃগপহু ৰূপ বুলিও অনুভৱ কৰিব পাৰি। আমি সভাৰ জলমলীয়া মড়লৰ কেতিয়াবা বাহিৰত আৰু কেতিয়াবা ভিতৰত থাকি সভা আৰু অসমৰ স্বাৰ্থৰ ৰশ্মিদান পেলাই সভাক যশস্যাৰ কলচীত তুলিব পাৰিলে লাভ কৰোঁ পৰম আ াদ।

অসম সাহিত্য সভাই সভাখনক অসম কৰি ৰাখিব খোজে। সেয়ে 1924 চনৰ 25 মে' তাৰিখে পঞ্জীয়ন কৰা দলিলত এইকথা লিপিবদ্ধ হৈছিল। সভাই অসমীয়া ভাষাক এক দ্বীপ কৰি ৰাখিব নোখোজাৰ বাবেই দেশ-বিদেশলৈ গৈয়ো থানিকা পাতিব পাৰিছিল।

সভাই দহোটা দশকৰ অভিজ্ঞতাৰে কালিদাসৰ সেই বিখ্যাত উক্তি দুটাও হৃদয়ংগম কৰি লৈছে— “পুৰাণম ইত্য এৱ ন সাধু সৰ্বম”, “নৱীনম ইত্য এৱ ন সাধু সৰ্বম।” সেয়ে পুৰণি মণি-মুকুতা, হিৰণ্ময় পাত্ৰত থাপি অনাগতৰ হিৰণ-কিৰণ পৰিবলৈও সভাই বাট উলিয়াই দিছে।

অৱশ্যে সভাই প্ৰথম অৱস্থাত নিজৰ মাতৃভাষা উদ্ধাৰৰ, মাতৃভাষাক মৰ্যাদাসীন কৰি কৰি ৰখাৰ আৰু সাম্প্ৰতিক কালৰ উপযোগীকৈ সংৰৰ্ধন সাধন কৰি অসমীয়া সাহিত্যৰ সৰ্বতোমুখী বিকাশৰ ঠেক মানসিকতাৰ পৰিচায়ক নহয়। এয়া ইতিহাস আৰু সমাজবিদ্যাৰ বিশ্বজনীন শিক্ষা। উনবিংশ শতিকাৰ পৰা সমগ্ৰ বিশ্বব্যাপীৰ আত্মপৰিচয় প্ৰতিষ্ঠাৰ মানসিকতা গঢ় লৈ উঠিছে। অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ আন্দোলনক অসমীয়া ভাষা-ভাষীয়েও প্ৰথম স্থান দি আহিছে। এই মানসিকতা বিজ্ঞানসন্মত আৰু স্বাভাৱিক প্ৰক্ৰিয়াৰ অংশ বিশেষ। এই নীতি চিৰন্তন। এচামে সভাক জগৰীয়া নকৰাকৈ থকা নাই। কিয়নো সভাৰ নীতিক ঐতিহাসিক আৰু বিজ্ঞানসন্মত স্থিতিত ৰাখি বিচাৰ নকৰাৰ বাবেই সভাক জগৰীয়া কৰা হৈছে বুলি ভাবিবৰ অৱকাশ আছে। অসমৰ শিক্ষিত চামটোৱে সদায় সতৰ্ক হৈ আছিল যাতে চৰকাৰী কোনো সিদ্ধান্তই অসমীয়া ভাষাৰ ক্ষতিসাধন কৰিব নোৱাৰে। নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সৰ্বতোমুখী বিকাশৰ বাবে কৰা প্ৰযত্ন দূষণীয় নহয়। এয়া ইতিহাসপ্ৰদত্ত শিক্ষা। এই কথা উপলব্ধি নকৰি অনেকে ক'ব খোজে সভাই অসমত বসবাস কৰা জনগোষ্ঠীৰ সাৰ্বিক বিকাশৰ কথা ভবা হ'লে জনগোষ্ঠীয় ভাষা-সাহিত্যৰ অনুষ্ঠানবোৰ গঢ় লৈ নুঠিলহেঁতেন। সভাৰ জনগোষ্ঠীয় ভাষাৰ সংৰৰ্ধন আৰু সংৰক্ষণৰ বাবে দৃঢ় পদক্ষেপ নোলোৱাৰ বাবেই তেওঁলোকৰ মনত বিভাজনমুখী প্ৰৱণতাই গঢ় লৈ উঠিল। সভাৰ অদূৰদৰ্শিতা, জাত্যাভিমানী বৰ্ণহিন্দুৰ অৱজ্ঞা বা উচ্চাত্মিকা মনোভাৱৰ বাবেই জনগোষ্ঠীসমূহ বৃহত্তৰ জাতি গঠনৰ বা আৱেগিক ঐক্যৰ অংশীদাৰ হ'ব নোৱাৰিলে। কিন্তু কথাটো শুদ্ধ নহয়। ইয়াক সমাজতত্ত্বৰ দৃষ্টিৰে স্বাভাৱিক ক্ৰিয়া বুলিহে ক'ব পাৰি। ঐতিহাসিক পৰিঘটনা অধ্যয়ন নকৰাকৈ বহুতে সভাৰ নেতিবাচক সমালোচনা কৰে। অসমীয়া ভাষা-ভাষীৰ মাজৰ পৰা শিক্ষিত মধ্যবিত্ত শ্ৰেণীটো ভাষা-সাহিত্য-সংস্কৃতি-সমাজৰ সংৰক্ষণ আৰু পৰিৱৰ্ধনৰ বাবে ওলাই অহাৰ দৰে জনগোষ্ঠীৰ মাজতো স্বাভাৱিকভাৱে গঢ় লৈ উঠিছিল সজাগ-সচেতনতা— সমাজতত্ত্বৰ বিজ্ঞানসন্মত ভিত্তিৰ আধাৰত। ঝাৰখণ্ড, ভিলভূমি গণ্ডোৱানাৰ জনগোষ্ঠী আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ পৃষ্ঠভূমি একেই। নিজৰ অস্তিত্ব বৰ্তাই ৰাখিবৰ বাবে সগোত্ৰীয় জনগোষ্ঠীৰ মাজত জাগৰূপ হোৱা সজাগ-সচেতনতাৰ ফলত আন্দোলনসমূহে আৱেগিক ঐক্য স্থাপন কৰিবলৈ সক্ষম হৈছে।

এইক্ষেত্ৰত মিছনেৰীসকলৰ অৰিহণা নাই বুলি ক'ব নোৱাৰি। বিভিন্ন সময়ত ধৰ্মান্তৰকৰণক জনগোষ্ঠীৰ সৰ্বতোমুখী বিকাশৰ আহিলাস্বৰূপে লোৱাত চিৰন্তন প্ৰৱাহিত জনগোষ্ঠীয় চিন্তা আৰু বোধ প্ৰভাৱান্বিত হৈছে। 2005 খ্ৰীষ্টাব্দৰ 31 জানুৱাৰী তাৰিখে দৈনিক বাতৰিত নাগা বুদ্ধিজীৱী (এসময়ত নাগা হো হো-ৰ সম্পাদক) চাৰ্লছ চেচিৰ উক্তিৰ মাজত শুনিছিলোঁ। ইংৰাজ চৰকাৰে ঔপনিৱেশিক প্ৰশাসনক জনজাতিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব অৰ্পণ কৰিলে। Haimenderf C.V.F (Naked Nagas, 1939) এ কৈছে — “Tribes were linked with primitiveness, and task of defining their direction of change was delegated to colonial administrator guided by the theory of isolation.” ভাৰত চৰকাৰেও জাতীয় সংহতি বৰ্তাই ৰাখিবৰ বাবে সাংবিধানিক ৰক্ষাকৱচ দিলে যদিও সেয়া মাত্ৰ আনুষ্ঠানিকতা বুলিহে বিবেচিত হ'ল। তেওঁলোকৰ বিকাশত গুৰুত্ব নিদি আমাৰ নিকৃষ্ট নকল হ'বলৈ দিয়া হ'ল। নেহৰু ইয়াৰ ঘোৰ বিৰোধী আছিল। তেওঁ কৈছিল — “There is no point in trying to make them a second rate copy of ourselves.” 1955 চনত সেই সময়ৰ অসমৰ ৰাজ্যপাল জয়ৰাম দাস দৌলত ৰামে কৈছিল — “Every flower has the right to grow according to its own fragrance to make up the cumulative beauty and splendour of the garden. I would not like to change my roses into lilies nor my lilies into roses. Nor do I want to sacrifice my lovely orchids of rhododendrons of the hill.”

সভাই বৰ্ণাঢ্য জাতিসত্তাৰ সামাজিক জীৱনত ভাতৃ আৰু ভগ্নীৰূপে শান্তিপূৰ্ণ সহঅৱস্থানত গুৰুত্ব দি আহিছে। গোলাপক পদুম বা পদুমক গোলাপ কৰিবলৈ যোৱা নাই। 2000 চনত সভাই আয়োজন কৰা 'অন্তৰংগ আলাপ' অনুষ্ঠানত

সমৱেত হোৱা ৰাজনীতিক, বুদ্ধিজীৱী, সাংবাদিক আৰু জনগোষ্ঠীয় প্ৰতিনিধিসকলৰ ওচৰত তিনিটা প্ৰশ্ন উত্থাপন কৰিছিল—
1¼ অসমৰ সমাজ জীৱনত মূল সুঁতিৰ ধাৰণা বাস্তৱত আছেনে ?

2¼ অসমীয়া সাহিত্যত বিভিন্ন সামাজিক গোটৰ জীৱনৰ প্ৰতিফলন হৈছেনে ? আৰু

3¼ প্ৰাথমিক স্তৰত ঐচ্ছিক ভাষা হিচাপে জনগোষ্ঠীয় ভাষাক অসমীয়া মাধ্যমৰ বিদ্যালয়ত অন্তৰ্ভুক্ত কৰিব পাৰিনে ?

আলোচনাৰ পৰা এইটো প্ৰতীয়মান হয় যে অসমৰ বিভিন্ন ভাষা-সম্প্ৰদায় আৰু বৃত্তিৰ সামাজিক গোটসমূহৰ পাৰস্পৰিক সন্মান আৰু সহযোগিতাৰ মনোভাৱ আন্তৰিকতাৰে সৃষ্টি কৰিব লাগে। অসমৰ বিভিন্ন সামাজিক গোটৰ জীৱন সঠিকভাৱে অসমীয়া সাহিত্যত প্ৰতিফলিত হ'বলৈ জনগোষ্ঠীয় লেখক ওলাই আহিব লাগিব। প্ৰাথমিক স্তৰত কোনো জনগোষ্ঠীয় ভাষাক ঐচ্ছিক ভাষা হিচাপে শিকিবলৈ সুযোগ দিয়াৰ পথ মুকলি কৰিলেও বিভিন্ন সামাজিক গোটৰ মানুহৰ প্ৰতি আৰু ভাষাসমূহৰ প্ৰতি আত্মীয়তাৰ ভাব গঢ় দি তুলিবলৈ সাংস্কৃতিক আন্দোলন গঢ়ি তুলিব লাগে, যাতে বিভিন্ন সামাজিক গোটৰ লোকে উমৈহতীয়া সামাজিক জীৱনৰ পৰা মানসিক বিচ্ছিন্নতা অনুভৱ কৰিবলগীয়া নহয়। সেয়েহে সভাই উমৈহতীয়া সামাজিক জীৱনক ঐক্যবদ্ধ ৰূপত আগবঢ়াই নিবৰ বাবে বিভিন্ন সামাজিক গোটৰ ভাষা-সংস্কৃতিৰ বিকাশৰ সুযোগ দান কৰি পাৰস্পৰিক সন্মান আৰু সহযোগিতাৰ মনোভাৱ সৃষ্টি কৰিবলৈ যত্নপৰ হৈ আহিছে। সেয়েহে জনগোষ্ঠীয় সন্মিলন, জনগোষ্ঠীয় সাহিত্য মঞ্চ অসম, জনগোষ্ঠীয় ভাষা-সাহিত্য সভা মঞ্চ, জনগোষ্ঠীয় সন্মিলন, চৰচাপৰি সন্মিলন, দিহিং-পাটকাই উৎসৱ, প্ৰকাশন আদিত গুৰুত্ব দি আহিছে। এতিয়ালৈকে সভাই শতাধিক এনে গ্ৰন্থ প্ৰকাশ কৰি আহিছে। গতিকে জনগোষ্ঠীসমূহে ভাষা বিষয়ত লোৱা সিদ্ধান্ত স্বাভাৱিক, সামাজিক, ঐতিহাসিক, অভিব্যক্তি। অসম সাহিত্য সভাই এই অভিব্যক্ত ৰূপৰ পৰা জনগোষ্ঠীক আঁতৰাই আনিব নোৱাৰে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত সুনীতিকুমাৰ চট্টোপাধ্যায়ে 1948 চনৰ 'ভাৰতের ভাষা ও ভাষা সমস্যা' গ্ৰন্থত চাওতালী ভাষা বঙলা ভাষাৰ লগত আৰু বড়ো অসমীয়া ভাষাৰ লগত মিলি যাব বুলি কৈছিল। তেওঁ জীৱনকালতেই এই ভৱিষ্যতবাণীক অসাৰতা প্ৰমাণিত হ'ল। ৰাজনৈতিক আকাংক্ষা পূৰণৰ বাবেহে মেঘালয়, নাগালেণ্ড সৃষ্টি হ'ল বুলি বুৰঞ্জীয়ে প্ৰমাণ নকৰাকৈ থকা নাই।

অসমীয়া বুলি কোৱাটোও বহুতে জগৰৰ কথা বুলি ভাবে। সেইসকলৰ ভাবাদৰ্শ কি ? যি ঐতিহাসিক কাৰণত অসমীয়া ভাষাৰ জন্ম হৈছিল আৰু কেনেকৈ তাক মাতৃভাষালৈ ৰূপান্তৰ কৰিছিল, মহাপুৰুষ শংকৰদেৱৰ সময়লৈকে সেই ভাষাক সামূহিক নাম নিদিয়াকৈয়ে কেনেকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত ব্যৱহৃত হৈছিল এইকথাও বিবেচনা কৰা উচিত। গতিকে অসমীয়া নামটো সংকীৰ্ণ কৰাটো ভ্ৰমাত্মকেই নহয় ; অনৈতিহাসিকো। ইয়াৰ মাজতেই আজি উত্থাপিত অসমীয়াৰ সংজ্ঞাটোও অন্তৰ্লীন হৈ আছে। অসমত বসবাস কৰা, আনকি 1971 চনৰ আগলৈকে অসমলৈ আহি থিতাপি লোৱা পূৰ্ববংগৰ লোকসকলো অসমৰ বহল বৃত্তৰ মাজত সোমাই আছে। অসম সাহিত্য সভা অসমত এক স্বাস্থ্যকৰ ভৱিষ্যত নিৰ্মাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। বিশ্ববিখ্যাত পণ্ডিত সুনীতিকুমাৰ চট্টোপাধ্যায়ে কৈছিল — "অসমৰ লোক বুলিলে প্ৰধানতঃ বড়ো, আংশিকভাৱে অষ্ট্ৰিক মনখ্‌মেৰ (খাছী) আৰু দ্ৰাবিড়ী জাতিৰ ঠালসমূহক বুজায়, লগতে পশ্চিমৰ পৰা আগতে অহা আৰ্যসমূহকে ঠিক এনে সময়তে অসমৰ ইতিহাসত দুটা গুৰুত্বপূৰ্ণ ঐতিহাসিক ঘটনা ঘটে যাৰ পশ্চাৎ প্ৰতিক্ৰিয়া উত্তৰ ভাৰতত কেইবা শতিকা জুৰি ঘটিছিল। এই দুয়োটা সংকটেই বিদেশী আক্ৰমণৰ মাজেদি ঘটিছিল। সেই আক্ৰমণ আছিল ক্ষণস্থায়ী, কিন্তু এই আক্ৰমণে অসমৰ সমগ্ৰ ৰূপকে সলাই দিছিল আৰু অসম নতুন নামটোও আনিছিল।" 1973 চনত অসম সাহিত্য সভাই অনুষ্ঠিত কৰা প্ৰথম লেখক শিবিৰ (এই শিবিৰ সাত দিন হৈছিল, কেয়োদিনৰ সঞ্চালক আছিল মহেশ্বৰ নেওগ)-ত জনগোষ্ঠীৰ পৰিৱৰ্তে 'থলুৱা' শব্দটোহে গ্ৰহণ কৰা হৈছিল। সেই শিবিৰত বড়ো, কাৰ্বি, মিচিং, ৰাভা, তিৱা আদি থলুৱা ভাষাসমূহৰ প্ৰতিনিধিৰ সাক্ষাতত বড়ো ভাষাৰ প্ৰতিনিধিয়ে উদাত্ত কণ্ঠেৰে কৈছিল "আমি বড়ো ভাষা-সাহিত্যৰ উন্নতি বিচাৰোঁ, উদয়াচল নিবিচাৰোঁ।" এই প্ৰসংগত ভৱেন নাৰ্জাৰিৰ কথাৰ আঁত ধৰি সঞ্চালকে কৈছিল — "এখন ফুলনিত একেবিধৰ ফুল থকাতকৈ বহুত বৰ্ণৰ ফুল থাকিলেহে বেছি ধুনীয়া। কিন্তু এই ভাষাৰ ফুলনিখনৰ ফুল গছবোৰৰ আপডাল কৰোঁতে যাতে কাৰো অপকাৰ নহয় তালৈও চাব লাগে।" জনজাতি বুলি নকৈ থলুৱা শব্দ ব্যৱহাৰ

সম্পৰ্কে নেওগে কৈছে — "জনজাতীয় বুলি নকৈ থলুৱা বোলাত আমাৰ সকলোৰে বাবে সেই ভাষা আপোন যেন হৈ পৰিছে।"

জনগোষ্ঠীয় ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি সভাই সন্মান জনাই আহিছে। প্ৰথম লেখক শিবিৰতেই সভাই জনগোষ্ঠীৰ সম্পৰ্কত বিশেষ নীতি গ্ৰহণ কৰিছিল। সভাই সকলো জনগোষ্ঠীয় সমস্যাত মাত মতাৰ উপৰি এইটোও বিশ্বাস কৰিছিল যে অসম সাহিত্য সভাৰ সৰ্বতো বিকাশ সম্ভৱ হ'ব জনগোষ্ঠীয় ভাষা-সংস্কৃতিৰ বিকাশৰ যোগেদিহে। গাৰো, মিচিং, ভোট, যৱন, অসম, কছাৰী, ব্ৰাহ্মণ, কায়স্থ সকলোকে সামৰি উচ্চতৰ জীৱনৰ সন্মান দান, সকলোকে হৰিভকত বিভূষাৰে বিভূষিত কৰা, যত জীৱন জংগম কীট পতংগম, অগ-নগ-জগক কায়াৰূপে স্থান দিয়াৰ লগতে মানৱতাবাদী শংকৰদেৱক নিহিত স্বাৰ্থত বন্দী কৰি নাৰাখিবলৈও সভাই আহ্বান জনাই আহিছে।

তাহানি পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তেজপুৰত অনুষ্ঠিত অধিৱেশনৰ সভাপতিৰ ভাষণত কৈছিল — "অসমীয়া মানুহক অতি সহজে খং তোলাব খুজিলে আন একো নকৰি কেৱল অসমীয়া ভাষাৰ নিন্দা কৰিবা... তেতিয়া দেখিবা শান্ত-শিষ্ট অসমীয়া মানুহে কেনে ৰুদ্ৰ মূৰ্তি ধাৰণ কৰে।" গোস্বামীয়ে কোৱা কথাষাৰ সভাৰ ক্ষেত্ৰতো সমানে খাপ খাই পৰে। Establishment আৰু Status quo -ৰ বিৰুদ্ধেহে প্ৰতিবাদ-অভিযোগ কৰা দেখা যায়। সভাৰ সম্পৰ্কত এনে উক্তিয়ে প্ৰতিক্ৰিয়া সৃষ্টি কৰিলেও সভাৰ নিজস্ব বৈশিষ্ট্য, শক্তি আৰু মৌলিক গুণেৰে সুপ্ৰতিষ্ঠিত। এনে অপবাদৰ পৰা সভাক মুক্ত কৰিবৰ কাৰণে নিয়মতন্ত্ৰ সভাই সলাই লৈছে। সম্প্ৰতি অসম সাহিত্য সভাৰ সাধাৰণ সভ্য, আজীৱন সভ্য, হিতৈষী সভ্য, পৰম হিতৈষী সভ্য, পৰম সুহৃদ হিতৈষী সভ্য, শাখা সভ্য, জিলা সভাৰ উপৰি আছে বিশাল জনসমুদ্ৰ। এই জনসমুদ্ৰৰ পৰাই সভাই লাভ কৰিছে প্ৰাণশক্তি আৰু ভাৱশক্তি। সভা স্বদেশানুৰাগ আৰু মানৱিকতাৰ কুম্ভমেলা, সাহিত্যৰ উৎসৱ। এই উৎসৱলৈ কিয় আহে? তাৰ উত্তৰটো নগেন শইকীয়াই এনেকৈ দিছে — "অসম সাহিত্য সভাৰ পিছফালে আছে অসমৰ বিশাল জনসমুদ্ৰ। এই জনসমুদ্ৰৰ বাবে অসম সাহিত্য সভাই এটা ভাৱশক্তি (Spirit) এটা ভাৱনাৰ প্ৰতীক। অসম সাহিত্য সভাৰ অধিৱেশনসমূহ যেন স্বদেশানুৰাগ আৰু মানৱিকতাৰ কুম্ভমেলা। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে সমগ্ৰ অঞ্চলৰ পৰা জনতা আহে এই কুম্ভমেলাত যোগ দিবলৈ। কালক্ষয়, অৰ্থক্ষয় আৰু শক্তিক্ষয় কৰি কিয় আহে? আহে এবাৰ স্বদেশানুৰাগৰ সংগমস্থলীত অৱগাহন কৰি যাবলৈ। যিসকলে এই জনতাক কেৱল মেলা চাবলৈ সাহিত্যৰ ভূ-নোপোৱা মূঢ় জনতা বুলি তাচ্ছিল্য কৰে, সেইসকলৰ মুখত যেতিয়া জনতাৰ জয়গান শুনো তেতিয়া ভূতৰ মুখত ৰাম নাম বুলি ভাবিবৰ মন নাযায়নে?... বিমূৰ্ত জনতাৰ মংগল সাধনাৰ আদৰ্শৰ ধ্বজা বহন কৰি মূৰ্ত জনতাৰ হৃদয়াবেগক অসন্মান কৰোঁতাজনক জনসাধাৰণে বিশ্বাস কৰে কেনেকৈ?... সকলোৰে বিষয়বাব লাভৰ বাবে নাহে গাঁঠিৰ ধন ভাঙি আহে এই উৎসৱত যোগ দিবলৈ, আহে নিজৰ প্ৰিয় লেখকসকলক এবাৰ নিজ চকুৰে চাবলৈ।"

গতিকে ইয়াত অ-সাহিত্যিকৰ ভিৰ বুলিব পাৰিনে? বিশাল জনসমুদ্ৰই এই কথা প্ৰতীয়মান কৰে যে তেওঁলোকৰ হৃদয়ত অসম সাহিত্য সভাৰ ভাৱমূৰ্তি থাপিত আৰু সঞ্চিত হৈ আছে।

অৱশ্যে মাজে-সময়ে এনে অভিযোগ উঠা শুনা যায় যে সভাত ৰাজনৈতিক দলৰ দৰে পদমৰ্যাদা বিচৰা লোকৰ অবাঞ্ছিত ভিৰ আজি হ'বলৈ ধৰিছে। এনে ভিৰ হোৱা দেখিলে ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা সাহিত্য সভাই কৰিব লাগিব। কোটি কোটি শিলগুটিৰ মাজত কেতিয়াবা এজনাহে শালগ্ৰাম ওলায়, কিন্তু শিলগুটিবোৰ বিনামূলীয়া নিশ্চয় নহয়। ইয়াৰ মূল্য নিৰূপণৰ দায়িত্বৰ পৰা সভাই গা এৰা নিদিয়ে।

1960 চনৰ 27, 28 আৰু 29 অক্টোবৰ তাৰিখে পলাশবাৰীত (মিৰ্জা) ত্ৰৈলোক্যনাথ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত অধিৱেশন কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ আছিল। এই অধিৱেশনত সভা চহৰমুখী হয়। এই সময়ৰে পৰাই সভাৰ বিস্তাৰ যুগ আৰম্ভ হয় বুলি সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাই উল্লেখ কৰিছে। লগতে গ্ৰন্থৰ সংস্কৃতি এটিও গঢ় লৈ উঠে। মহেশ্বৰ নেওগে কৈছে — "From this session onwards the sammilan have been attracting large crowds to open meeting and evening performances of music etc." তেতিয়াৰ পৰাই সভাত ৰাজ্যখনৰ

লাখ লাখ  লোকে অংশগ্ৰহণ কৰি সভাক জনমুখী কৰিলে। সভা মেলামুখী হোৱা প্ৰসংগত মহেশ্বৰ নেওগে কৈছে — "মেলামুখী বোলোঁতে সভাক নিন্দা কৰা হয় নে প্ৰশংসা কৰা হয়? হাজাৰ হাজাৰ জনতাই সভাত আধুনিক কবিতা পাঠ কৰালৈ যেতিয়া কাণ দি থাকে, তেতিয়া ভাব হয় কবিতা বস্তুটিয়েই জনতাৰ উপলব্ধিৰ বস্তু হ'ল আৰু সাহিত্য সভাও জনমুখী হ'ল।" সাহিত্যৰ সাধকসকলক সাহিত্যপ্ৰেমীসকলে আৱৰি ধৰাটো প্ৰশংসনীয় নে নিন্দনীয়? অৱশ্যে মুকলি সভা, প্ৰদৰ্শনী, গ্ৰন্থমেলা, সাংস্কৃতিক সন্ধ্যা আদিৰ তুলনাত শাখা সন্মিলনবোৰত শ্ৰোতাৰ উপস্থিতি সেৰেঙা। নিৰ্বাচিত প্ৰতিনিধিসকলো এনে সন্মিলনৰ পৰা আঁতৰি থাকে? ইয়াৰ কেৰোণ সাহিত্য সভাই বিচাৰি উলিয়াব লাগিব। প্ৰয়োজন হ'লে প্ৰতিনিধি পঠিওৱা ব্যৱস্থাৰো সাল-সলনি হ'ব পাৰে। প্ৰতিনিধিসকলৰ গাত সকলো গুণেই আছে; কিন্তু নাই সহৃদয় হৃদয় সংবাদী মানসিকতা বা গুণটো। সভাৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰক বিষয়বাছনী সভাত গুৰুত্বপূৰ্ণ একোটা সিদ্ধান্ত ল'বৰ সময়ত সমুখত আঙুলি মূৰত লেখিব পৰা প্ৰতিনিধিহে উপস্থিত থাকে। এনে অৱস্থাৰ অৱসান হোৱাটো সভাৰ বাবে শুভ বুলি বিবেচিত হ'ব। প্ৰতিনিধিসকলৰ কেলিকেন্দেলিতে সীমাবদ্ধ হোৱাটো গ্ৰহণযোগ্য নহয়। এটা সময়ত প্ৰতিনিধি নিৰ্বাচনত শাখাসমূহে সতৰ্কতা অৱলম্বন কৰিছিল বাবেই প্ৰতিনিধি সভাবোৰে উচ্চস্তৰীয় মৰ্যাদা লাভ কৰিছিল। মাৰ্ঘেৰিটা আৰু ছিলং অধিৱেশনে প্ৰতিনিধি সভাক বিশেষ মৰ্যাদা দান কৰিছিল। এই প্ৰসংগতে সভাৰ বিষয়ববীয়া নিৰ্বাচন সম্পৰ্কেও আলচ কৰা যুগুত।

সভাৰ এই অতীত ৰোমন্থন কৰি আ াদিত হওঁ। সভাৰ ভাৱমূৰ্তিৰ ম্লান হোৱা দেখিলে দুখ পাওঁ। সেয়ে অনুৰোধ কৰিবৰ মন যায় বিষয়বাবৰ প্ৰতি নহয় সভাৰ প্ৰতি আকৃষ্ট হৈ সভাখনক সুণীয়া সঁফুৰা কৰাৰ ব্যৱস্থা কৰিলে সভা যুগজয়ী হৈ ৰ'ব।

*****

● লেখক ঃ অসমৰ এগৰাকী বিশিষ্ট গৱেষক-সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক।

# পদ্মনাথ গোহাঞিবৰুৱাৰ নাটকত মৌখিক সাহিত্যৰ সমলৰ প্ৰসংগ

**ড° দীপামণি বৰুৱা দাস**

**আৰম্ভণি ঃ**

সাহিত্যত মৌখিক সাহিত্যৰ প্ৰৱাহ অতীজৰে পৰাই চলি আহিছে। সাধাৰণতে মানুহৰ মুখে মুখে বাগৰি প্ৰৱাহিত হৈ অহা সাহিত্যই মৌখিক সাহিত্য। লোকসমাজৰ সৃষ্টি মৌখিক সাহিত্যৰ ভিতৰত— আইনাম, বিয়ানাম, লোকগীত, গৰখীয়া গীত, কাহিনী, লোকভাষা, উক্তি, দেহবিচাৰৰ গীত আদিবোৰক সামৰি লোৱা হয়। জনসাধাৰণৰ মুকলি মনৰ মুকলি প্ৰকাশ মৌখিক সাহিত্য এটা জাতিৰ এখন সমাজৰ অস্তিত্বৰ পৰিচায়ক। লৌকিক জীৱনৰ সমলসমূহ, যিবোৰক লোকসাংস্কৃতিক উপাদান বুলিও কোৱা হয়, সেইবোৰ লিখিত সাহিত্যৰ পৰম্পৰাত অৱধাৰিতভাৱে প্ৰৱিষ্ট হয়। যুগৰ দাপোণস্বৰূপ সাহিত্যত লোকসংস্কৃতিৰ সকলোবোৰ সমলেই অন্তৰ্ভুক্ত হয়। সাহিত্য অতীত, বৰ্তমান আৰু ভৱিষ্যত জীৱনৰ ওপৰত নিৰ্ভৰশীল।

লোকসাহিত্যৰ বুকুৰ পৰাই সাহিত্যই ক্ৰমবিৱৰ্তনৰ মাজেদি আহি বৰ্তমানৰ অৱস্থাত উপনীত হৈছে। মানৰ মন পৰম্পৰাৰ প্ৰতি আস্থাশীল। সেয়ে মানৰ মনৰ সৃষ্টিশীলতা পৰম্পৰাক বাদ দি চলিব নোৱাৰে। পৃথিৱীৰ সকলো দেশৰ সকলো সাহিত্য আৰু সাহিত্যিকৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য। কিয়নো, কোনো লোকেই এই উপাদান ব্যতিৰেকে সাহিত্য সৃষ্টি কৰিব নোৱাৰে। গোহাঞিবৰুৱাই অসমীয়া সমাজত প্ৰচলিত বিভিন্ন মৌখিক সাহিত্যৰ সমলেৰে তেওঁৰ সাহিত্যক পূৰ্ণ কৰি তুলিছে। আমাৰ আলোচনাত গোহাঞিবৰুৱাৰ ঐতিহাসিক নাটকত মৌখিক সমলৰ প্ৰয়োগেৰে সমসাময়িক সমাজ জীৱন তথা চৰিত্ৰসমূহৰ গুণ-গৰিমা কিমান সজীৱ আৰু জীৱন্ত হৈ উঠিছে সেই বিষয়ে আলোচনাৰ প্ৰয়াস কৰা হ'ব।

**নাট্যকাৰ পদ্মনাথ গোহাঞিবৰুৱা ঃ**

আধুনিক অসমীয়া নাট্যজগতত পদ্মনাথ গোহাঞিবৰুৱা (1871–1946] এটি চিনাকী নাম। মুঠ আঠখনকৈ নাট ৰচনা কৰি গোহাঞিবৰুৱাই অসমীয়া নাট্য সাহিত্যৰ ভঁৰাল সমৃদ্ধি কৰাই নহয়; তেখেত বুৰঞ্জীমূলক নাটকৰ বাটকটীয়াও। বিষয়বস্তু অনুসৰি নাট্যসমূহ প্ৰধানভাৱে চাৰিটা ভাগত ভাগ কৰিব পাৰি। সেইবোৰ—

**ঐতিহাসিক ঃ** জয়মতী (1822], গদাধৰ (1829 শক], সাধনী (1833 শক], লাচিতবৰফুকন (1837 শক]

**ধেমেলীয়া বা প্ৰহসনমূলক ঃ** গাঁওবুঢ়া (1819 শক], টেটোন তামুলী (1831 শক]

**সংস্কাৰমূলক ঃ** ভূত নে ভ্ৰম (1846 শক]

**পৌৰাণিক নাটক ঃ** বাণৰজা (1855 শক]

আমাৰ অধ্যয়নত ঐতিহাসিক নাট চাৰিখনকহে আলোচনাৰ আওতালৈ অনা হৈছে।

ভাষা-সাহিত্য-সংস্কৃতিৰ ভেঁটি নিৰ্মাণত লক্ষ্মীনাথ বেজবৰুৱাৰ লেখীয়াকৈ গোহাঞিবৰুৱাইয়ো অহোপুৰুষাৰ্থ কৰিছিল। গোহাঞিবৰুৱাৰ ঐতিহাসিক নাটকসমূহৰ উৎস অসম বুৰঞ্জী। 'জয়মতী'ৰ কাহিনী তুংখুঙীয়া বুৰঞ্জী, হৰকান্ত বৰুৱাৰ সদৰামীনৰ বুৰঞ্জীত আছে। 'জয়মতী' নাটখনত নায়িকা জয়মতীয়ে ল'ৰাৰজাৰ নিষ্ঠুৰ অত্যাচাৰ, নিৰ্যাতন সহ্য কৰি মৃত্যু পৰ্যন্ত স্বামীভক্তিৰ যি অচল নিদৰ্শন দেখুৱাই গৈছে, তেনে নিদৰ্শন পৃথিৱীৰ কোনো বুৰঞ্জীত বিচাৰি পোৱা নাযায়।[1] 'জয়মতী' আৰু 'গদাধৰ' নাট দুখনৰ সমস্ত কাহিনীভাগ নায়ক গদাধৰ আৰু নায়িকা জয়মতীক কেন্দ্ৰ কৰি গঢ় লৈ উঠিলেও সংগীত, জনজাতীয় চৰিত্ৰ, শৃংগাৰ ৰসাত্মক উপকাহিনীৰ সংযোগে নাট্যপুষ্টি সাধনত সহায় কৰিছে। তেখেতৰ 'গদাধৰ' নাটখন একে উৎসৰ পৰাই লোৱা।

সেইদৰে 'সাধনী' নাটখনৰ কাহিনী কাশীনাথ তামুলী ফুকন, হৰকান্ত বৰুৱাৰ সদৰামীনৰ বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী আৰু অন্যান্য বুৰঞ্জীতো পোৱা যায়। গোহাঞিবৰুৱাৰ চতুৰ্থখন ঐতিহাসিক নাটক লাচিত বৰফুকনৰ জুমুঠিটো অসম বুৰঞ্জী, বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জীকে আদি কৰি আনকেইবাখনো বুৰঞ্জীৰ পৰা আহৰণ কৰা হৈছে। নাট্যকাৰৰ সৰ্বোৎকৃষ্ট নাটক 'লাচিত বৰফুকন'ত ৰামসিংহৰ অসম আক্ৰমণ আৰু লাচিতৰ প্ৰতিৰোধ অসম বুৰঞ্জীৰ সবাতোকৈ গৌৰৱময় কীৰ্তি অক্ষুণ্ণভাৱে ৰূপায়িত কৰিছে। আহোম-মোগলৰ যুদ্ধই নাটকখনৰ মূল বিষয়বস্তুৰ মাজেদি লাচিতৰ বীৰত্ব, ৰামসিংহৰ ব্যক্তিত্ব সুন্দৰভাৱে ফুটাই তুলিছে।[2]

নাট্যকাৰৰ একমাত্ৰ পৌৰাণিক নাট 'বাণৰজা'ৰ কাহিনীক বিভিন্ন পুৰাণৰ পৰা লোৱা। 'কুমৰহৰণ', 'উষাপৰিণয়' আৰু 'হৰিহৰযুদ্ধ' এই তিনিটা বিষয়ক নাট্য কাহিনীত একেলগ কৰি নাট্যকাৰে নাটকীয় ৰূপ দিছে। গোহাঞিবৰুৱাই নাট্যকাৰ জীৱন আৰম্ভ কৰে 'গাঁওবুঢ়া' নাটকৰ যোগেদি। নাট্যকাৰে পাতনিত নাটকখনক সামাজিক নাটক বুলি আখ্যা দিছে যদিও প্ৰহসন বা ধেমেলীয়া বা ফাৰ্চৰ লক্ষণ প্ৰতিফলিত হোৱালৈ চাই বিভিন্নজনৰ মাজত মতভেদ আছে।

গোহাঞিবৰুৱাৰ আনখন ধেমেলীয়া নাটক হ'ল— 'টেটোন তামুলি।' য'ত ধেমেলীয়া বৰ্ণনাৰ উপৰি লৌকিক জীৱনৰ সৰু-সুৰা ঘটনা প্ৰৱাহেৰে নাটখনিক প্ৰাণৱন্ত কৰি তুলিছে। নাট্যকাৰৰ সংস্কাৰমূলক 'ভূত নে ভ্ৰম'ত কোনো এটা বিশেষ কাহিনীৰ পৰিৱৰ্তে কিছুমান বিক্ষিপ্ত কথাইহে ঠাই পাইছে। লোকসাহিত্যৰ সমলেৰে পূৰ্ণ নাটখনিত স্থানীয় পৰিৱেশ সৃষ্টি মনকৰিবলগীয়া।[3]

নাট্যকাৰগৰাকীৰ প্ৰায় প্ৰতিখন নাটকতে ঐতিহাসিক পৰিৱেশ যথাযথভাৱে ৰূপায়িত হোৱাৰ মূলতে হ'ল তেওঁ ইতিহাসৰ ঘটনাক সঞ্জীৱিত কৰি দাঙি ধৰিব পাৰিছিল। প্ৰায় প্ৰতিখন নাটকেই গোহাঞিবৰুৱাক অমৰত্ব প্ৰদান কৰাৰ লগতে প্ৰতিখন নাটকে কোনোবা নহয় কোনোবা দিশত শ্ৰেষ্ঠত্বৰ দাবী কৰাৰ থল আছে। লগতে অসমীয়া নাটকৰ ইতিহাসত নাট্যকাৰ হিচাপে এক উচ্চ পৰ্যায়ত অৱতীৰ্ণ কৰাইছে।

**মূল আলোচনা ঃ**

লোকসংস্কৃতিৰ আটাইতকৈ সমৃদ্ধিশালী শাখাটো হৈছে লোকসাহিত্য বা মৌখিক সাহিত্য। য'ত লোকসমাজৰ চিন্তা-দৰ্শন, হাঁহি-কান্দোন, প্ৰেম-প্ৰীতি, হৰ্ষ-বিষাদ, আশা-আকাংক্ষা আৰু জীৱন যাত্ৰাৰ পৰা আহৰণ কৰা অভিজ্ঞতাবোৰ সাঙোৰ খাই থাকে। মানৱ মন সদায় অতীতৰ পৰম্পৰাৰ প্ৰতি আস্থাশীল। মানৱ মনৰ সৃষ্টিশীলতাই অতীত আৰু পৰম্পৰাক বাদ দি চলিব নোৱাৰে। সাহিত্যৰ ক্ষেত্ৰতো একে কথা। সাহিত্যিকসকলে শিষ্ট সাহিত্যৰ শিল্পসৌধ নিৰ্মাণত লোক পৰম্পৰাৰ বুনিয়াদক এৰা দি চলিব নোৱাৰে। লোকজীৱনৰ মাজত লালিত-পালিত হোৱা গোহাঞিবৰুৱাৰ নাটকত মৌখিক সাহিত্যৰ সমলৰ ব্যৱহাৰ পৰ্যাপ্ত পৰিমাণে হোৱা পৰিলক্ষিত হৈছে। বিভিন্ন প্ৰসংগত এই সমলৰ সুবিন্যাস ঘটিছে। তলত সেই সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

**ক) কিংবদন্তী বা জনশ্ৰুতি ঃ** লোকসমাজত প্ৰচলিত জনশ্ৰুতি বা কিংবদন্তীমূলক কাহিনী অসমীয়া মৌখিক সাহিত্যৰ অন্যতম সম্পদ। গোহাঞিবৰুৱাই ৰচনা কৰা ঐতিহাসিক নাটকেইখনত বুৰঞ্জীৰ মূল ঘটনা আৰু জনসমাজত প্ৰচলিত বুৰঞ্জীমূলক কাহিনীৰ সংমিশ্ৰণ ঘটিছে। 'জয়মতী' তেওঁৰ প্ৰথম ঐতিহাসিক নাটক। এই নাটকৰ কাহিনীৰ উৎস তুংখুঙীয়া বুৰঞ্জীত পোৱা যায়। ঐতিহাসিক নাটকত নাট্যকাৰসকলে বুৰঞ্জীৰ কাহিনীৰ ৰূপৰেখা বিকৃত নকৰাকৈ লোকসমাজত

প্ৰচলিত জনশ্ৰুতিমূলক বা কিংবদন্তীমূলক উপাদান সন্নিৱিষ্ট কৰে। নাট্যকাৰে অসম বুৰঞ্জীৰ কেউখনতে জয়মতীৰ যি কাহিনী আছে তাকে নাটকীয় ৰূপ দিছে। এই আখ্যান লোকসমাজত বিভিন্ন ৰূপত প্ৰচলিত। এইক্ষেত্ৰত নাট্যকাৰে নাটকৰ পাতনিতে উল্লেখ কৰা মন্তব্য প্ৰণিধানযোগ্য বুলি বিবেচনা কৰা হৈছে— 'আহোম ৰাজবংশৰ তুংখুঙীয়া ফৈদৰ মহাবীৰ গদাপাণি কোঁৱৰৰ বীৰাংগনা ভাৰ্যা 'জয়মতী কুঁৱৰী'ৰ চৰিত্ৰ-চিত্ৰ লৌকিক চিত্ৰ চৰিত্ৰৰ পৰা ভালেমান খাপৰ ওপৰত, ই অলৌকিক চৰিত্ৰৰ সমকক্ষ।'[4]

নাট্যকাৰৰ এনে উক্তিয়ে জনসমাজত জয়মতী কুঁৱৰী সম্বন্ধে অসমত প্ৰচলিত থকা লোক পৰম্পৰাই এই চৰিত্ৰটিত এক অনিৰ্বচনীয়তা আনি দিবলৈ সমৰ্থ হৈছিল।

গোহাঞিবৰুৱাৰ 'গদাধৰ' নাটকখনক 'জয়মতী' নাটকৰ পৰিপূৰক বুলিব পাৰি। নাটখনৰ শেষৰফালে গদাধৰে ব'ৰাগীৰ ছদ্মবেশ লয়। এনে ছদ্মবেশৰ পৰম্পৰাৰ আধাৰ লোক-মনস্তত্ত্বৰ ওপৰত নিৰ্ভৰশীল। কিন্তু তাকে কৰিবলৈ যাওঁতে বুৰঞ্জীৰ সমল প্ৰায় বিনষ্ট হৈছে। এইক্ষেত্ৰত ৰামমল ঠাকুৰীয়াৰ মন্তব্য প্ৰণিধানযোগ্য—

ব'ৰাগীৰ ভাও লোৱা গদাধৰে সলাল গোহাঞিৰ দৰবাৰত গৈ গৰখীয়াৰ কাম লোৱা গৰখীয়া ল'ৰাবোৰেৰে গদাধৰক গৰখীয়া ৰজা পতা, সেই ব'ৰাগীয়ে আকৌ সলাল গোহাঞিৰ জীয়ৰী ৰম্ভাৰ লগত প্ৰেমৰ সম্বন্ধ স্থাপন কৰা আদি ঘটনাবোৰ সাধুকথাৰহে উপযোগী, বুৰঞ্জীমূলক নাটকৰ উপযোগী নহয়।[5]

নাট্যকাৰ গোহাঞিবৰুৱাৰ আন এখন ঐতিহাসিক নাট 'সাধনী'ত ভালেমান 'সাধুকথা'ৰ সমল পোৱা যায়। নাটখনিত ভিন্ ভিন্ বুৰঞ্জীৰ সমলৰ কথা আছে যদিও আটাইতকৈ বেছি সহায়ক হৈছে চুটীয়া ৰাজ্য সম্পৰ্কে থকা জনশ্ৰুতিটো। নাটখনৰ 'কুবেৰ প্ৰদত্ত ধন' আৰু 'পাল শৰ দিয়া'— 'শদিয়া' শ্মশানৰ নামৰ উৎপত্তিত কিংবদন্তীৰ উল্লেখ আছে।

**খ) গৰখীয়া গীত, বিপদ তাৰিণী গীত আদিৰ প্ৰসংগ ঃ** গোহাঞিবৰুৱাই নাটকেইখনত বিভিন্ন প্ৰসংগত প্ৰয়োজনীয় গীত সন্নিৱিষ্ট কৰিছে। এই গীতবোৰৰ জৰিয়তে নাটৰ লগতে চৰিত্ৰৰ কাৰ্য আৰু ভাব-চিন্তাত এটা স্বাভাৱিক পৰিৱেশ ফুটি উঠিছে।

'সাধনী' নাটখনত বিপদতাৰিণী গীত এটিৰ উল্লেখ কৰিছে। গীতটি ধৰ্ম্মধ্বজৰ পত্নী লীলাৱতীয়ে গাইছে এনেদৰে—

জয় দুৰ্গা দুৰ্গতি নাশিনী,
হে বিপদতাৰিণী।
আপদে নিস্তাৰিণী, তাপ ক্ষয়কাৰিণী,
সন্তাপহাৰিণী,
পতিত পাৱনী।
মিলিলে অপায় নৰে শান্তি ছাঁয়াদায়িনী।[6]

গীতটিৰ জৰিয়তে লীলাৱতীয়ে দেৱীক কাতৰে প্ৰাৰ্থনা জনাইছে যেন তেওঁ আহি বিপদৰ পৰা মুক্ত কৰে। কিয়নো মানুহক বিপদত স্ৰজন কৰোঁতাইহে উদ্ধাৰ কৰিব পাৰে।

'লাচিত বৰফুকন' নাটখনিত (পঞ্চম গৰ্ভাংক)ত লাচিতে শৰাইঘাটৰ ৰণত জয়ী হৈ অহাত লাচিতক জয়ধ্বনি দি ঐক্যতানৰ জাতীয় সংগীত গাইছে। অসমীয়াৰ দেহ-মন প্ৰাণত জাতীয়তাৰ সুৰ জাগ্ৰত কৰাই আছিল লাচিত বৰফুকনৰ উদ্দেশ্য। মৌখিক সাহিত্যই মানুহৰ মনত জাতীয়তাবোধৰ ভাৱ জগাই তোলাত অৰিহণা যোগায়। নাটত থকা এই গীতটিৰ কিয়দংশ এনেধৰণৰ—

অসম দেশৰ 'অসম' নামৰ
পালে জগতে প্ৰমাণ;
শত্ৰু আক্ৰমণ কৰিলো দমন
মোগল পৰিলে ম্লান।
—গোৱা অহে জাতীয় গান।[7]

এই গীতটোৰ মাজেৰে তেনে জাতীয়তাবোধৰ ভাৱৰেই সুপ্ৰকাশ ঘটিছে।

মৌখিক সাহিত্যৰ ভিতৰত গৰখীয়া গীত অন্যতম। গৰখীয়াসকলে শ্ৰমৰ ক্লান্তি দূৰ কৰা আৰু মনৰ মৰ্ম-বেদনা প্ৰকাশ কৰিবলৈকে গৰখীয়া গীত সমদলে গায়। গোহাঞিবৰুৱাই 'গদাধৰ' নাটকত এটি গৰখীয়া গীত সন্নিৱিষ্ট কৰিছে।

আজি পাতিম তোমাক ৰজা-গৰখীয়া।
বনফুলৰ মালা পিন্ধি হ'বা তুমি ধুনীয়া
 বৰদ'ল বৰভেঁটি,
 দিম তাতে কুশ পাতি,
বিতোপন সিংহাসনে বহিবা যেতিয়া
বহিম সকলো প্ৰজা আমি গৰখীয়া।[8]

গৰখীয়াসকলে গৰখীয়া দলৰ ৰাজভেঁটিত সবাহ পাতি নাটকৰ মূল চৰিত্ৰ গদাধৰক ৰাজপাটত বহুৱাবলৈ যো-জা কৰাৰ প্ৰসংগত গীতটি দিয়া হৈছে।

**গ) প্ৰবাদ-প্ৰবচনৰ সংযোজন ঃ** মৌখিক সাহিত্যৰ বিশিষ্ট সমল হৈছে প্ৰবাদ-প্ৰবচন। প্ৰবাদ, প্ৰবচনৰ সৈতে ফকৰা যোজনা, সাঁথৰ, পটন্তৰ লোকোক্তি আদিক এই শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। এফাঁকি প্ৰবাদ-প্ৰবচনেই বহু বিস্তৃত কথাৰ বিষয়বস্তুক সামৰি লয়। প্ৰবাদ-প্ৰৱচন, ফকৰা যোজনা, সাঁথৰ সকলোৰে নিজা নিজা সংজ্ঞা, স্বৰূপ, বৈশিষ্ট্য আৰু প্ৰকাৰ্য আছে। যুগ-যুগান্তৰৰ অভিজ্ঞতা বহনকাৰী প্ৰবাদ-প্ৰবচনসমূহ লোকসমাজত অতি জনপ্ৰিয়। মহেশ্বৰ নেওগৰ মতে প্ৰবাদ-প্ৰবচন হ'ল লোককলাৰ এক বিশেষ জ্ঞাননিষ্ঠ কথনভংগী। পৰম্পৰাগতভাৱে চলি অহা এই প্ৰবাদ-প্ৰবচনসমূহ প্ৰত্যেক জাতিৰে নিজস্ব মূল্যৱান সম্পদ। লোকসাহিত্যৰ দৰেই প্ৰবাদ-বাক্যও প্ৰজ্ঞাৰ স্বতঃস্ফূৰ্ত, জীৱনীৰ টিপ্পনী।[9] লোকসমাজৰ সূক্ষ্মতম অভিব্যক্তি প্ৰবাদ-প্ৰবচনবোৰৰ লগত অসমীয়া জাতীয় জীৱনৰ সম্পৰ্ক অতি গভীৰ। প্ৰাচীন সাহিত্যৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়ৰ সাহিত্যিকৰ ৰচনাৰাজিত প্ৰবাদ-প্ৰবচনৰ বহুল প্ৰয়োগ দেখা পোৱা যায়। এই ক্ষেত্ৰত পদ্মনাথ গোহাঞিবৰুৱাও ব্যতিক্ৰম নহয়। তেখেতৰ ঐতিহাসিক নাটকেইখনত সন্নিৱিষ্ট কেতবোৰ প্ৰবাদ-প্ৰবচনৰ উল্লেখ কৰা হ'ল ঃ

**জয়মতী ঃ**

পানীত হাঁহ নচৰা হৈছে। (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 65]

আৰ্জিলে ভুঞ্জিব লাগে বিধিৰ বিধান। (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 69]

**গদাধৰ ঃ**

জিনিম শত্ৰুক, কিম্বা মৰিম ৰণত। (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 111]

কাটে যদি নাক কাণ খাম আলে-জালে,
কটা গ'লে চুলিটাৰ পাম কোন কালে। (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 112]

**সাধনী ঃ**

ভাগ্যত যি আছে লিখা অৱশ্যে ফলিব,
ভাগ্যে যেন ফলিযায়— (ঈশ্বৰে যি কৰে ভাল মানুহ কাৰণে, পৃ. 6]
যি লাই বাঢ়ে তাৰ দুপাততে চিন [গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 9]
বিধিৰ লিখন হায়। নাযায় খণ্ডন। [গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 19]

**লাচিত বৰফুকন ঃ**

চাপৰিলে মেঘ নেৰায় (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 202]

লোভে পাপ, পাপে মৃত্যু (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 235]

**ঘ) লোকভাষাৰ প্ৰয়োগ ঃ** মুখে মুখে প্ৰচলিত অৰ্থাৎ কথিত ভাষাই লোকভাষা। এই ভাষা কোনো ধৰণৰ আনুষ্ঠানিক পদ্ধতিৰে শিকা নাযায়; আৰু ই পৰিমাৰ্জিত তথা ৰীতিবদ্ধ নহয়। লোকসাহিত্যত ব্যৱহৃত ভাষা উপাদান মাত্ৰেই 'লোকভাষা' (Folk Speach) বুলি আমি ক'ব পাৰো যদিও লোকভাষাৰ আয়তন বহু পৰিমাণে সংকীৰ্ণ।[10] অতি সহজ

কথাত ক'বলৈ গ'লে লোকসমাজে দৈনন্দিন জীৱনত ঘৰুৱা বা সামাজিক জীৱনত অনানুষ্ঠানিকভাবে স্বতঃস্ফূৰ্তভাৱে স্বাভাৱিক ভংগিমাৰে ব্যৱহাৰ কৰা ভাষিক ৰূপটোৱে হ'ল লোকভাষা। লোকসাহিত্যৰ অন্যতম মাধ্যম হৈছে লোকভাষা।

গোহাঞিবৰুৱাৰ ৰচনাৰাজিতো লোকভাষাৰ প্ৰয়োগ বাৰুকৈয়ে দেখা যায়। নিদৰ্শন হিচাপে দুটিমান তলত দিয়া হ'ল—

ক) গঙ্গাই ঃ ... ভাল ৰইখা পৰিলোঁ। উঃ আজি মহ-যখ এটাই বেয়াকৈ পিছ লাগিছিল, বুপাই ককাই হেৰ, আছে যদি চলি এখন দে। গাঁঠিটো মেলছোন; মুখ ভেকুৰিল। অঃ মোৰ স্বোৱামী গুৰু।

নদাই ঃ বৰকৈ নাম ললিচোন? মৰিব গোনাইছনে?

অ' যখে পালেই নেকি?

(গোহাঞিবৰুৱা ৰচনাৱলী ঃ জয়মতী, পৃ. 61]

খ) সাধি সাধি সাধনীক পালোঁ, সাধনীক দিবলৈ ঠাই নাপালোঁ।

(পদ্মনাথ গোহাঞিবৰুৱা ঃ সাধনী, পৃ. 6]

গ) চন্দ্ৰ জানো উচাতন নে বিচাতন, তোমালোকে হে জানো দেও দি মিছাতে ইয়াত লেকাট লাগিবলৈ আহিলোঁ মাথোন, লাভত একো নহ'বগৈ যেন হে লাগিছে।

(গোহাঞিবৰুৱা ৰচনাৱলী ঃ লাচিত বৰফুকন, পৃ. 221]

Ó লোকভাষাৰ ভিতৰতে খণ্ডবাক্যও পৰে। গোহাঞিবৰুৱাই তেওঁৰ সৃষ্টিৰাজিত অনেক খণ্ডবাক্যৰ প্ৰয়োগ কৰিছে। তেনে কেতবোৰ নাটকেইখনতো পোৱা যায়—

ক) হাতে-বাটে-ঘাটে (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 65]

খ) টিকা-ফটা ৰ'দ (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 71]

গ) উগুল-থুগুল (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 108]

ঘ) কটা, কেনে আপদীয়া
মানুহ ঐ এইটো (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 234]

ঙ) বুঢ়াৰ হাতত চেঙ্গেলী (গোহাঞিবৰুৱা ৰচনাৱলী, পৃ. 235]

**উপসংহাৰ ঃ**

ইতিহাসৰ ঘটনাই হওক বা বাস্তৱৰ ঘটনা-পৰিঘটনা তথা কল্পনাসমৃদ্ধ সৃজনীশীল সাহিত্যৰ ক্ষেত্ৰতেই হওক মৌখিক সাহিত্যৰ সমলৰ প্ৰয়োগ দেখা যায়। পদ্মনাথ গোহাঞিবৰুৱাৰ ঐতিহাসিক নাটকেইখন এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। পদ্মনাথ গোহাঞিবৰুৱাই অসমীয়া মানুহক ঐতিহাসিক নাটকেইখনৰ জৰিয়তে স্বদেশ আৰু স্বজাতিৰ প্ৰতি প্ৰেম আৰু জাতীয়ভাবেৰে উদ্বুদ্ধ কৰাৰ লগতে মৌখিক সাহিত্যৰ সমলৰ প্ৰয়োগৰ জৰিয়তে অসমীয়া লোকজীৱনৰ স্বৰূপ প্ৰকাশ কৰিছে। অসমীয়া গ্ৰাম্য লোকৰ ব্যৱহৃত বাক্‌ভংগীয়ে নাটকেইখন জনসাধাৰণৰ আপোন হৈ পৰিছে। এটা জাতিৰ মাজত প্ৰচলিত মৌখিক সাহিত্যৰ বিভিন্ন সমলৰ চিন্তাচৰ্চা আৰু তাৰ প্ৰয়োগ কৰাটো যে প্ৰয়োজনীয়, সেয়া নাট্যকাৰে নাটকেইখনৰ জৰিয়তে প্ৰমাণ কৰি দেখুৱাইছে।

**প্ৰসংগ টোকা ঃ**

1¼ হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য (সম্পা.) ঃ *গোহাঞিবৰুৱা-প্ৰতিভা*, পৃ. 71

2¼ সদ্যোক্ত, পৃ. 76

3¼ সদ্যোক্ত, পৃ. 86

4¼ পদ্মনাথ গোহাঞিবৰৰুৱা ঃ *গোহাঞিবৰুৱা ৰচনাৱলী*, পৃ. জয়মতীৰ পাতনি

5¼ হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য (সম্পা.) ঃ পূৰ্বোক্ত, পৃ. 73

6¼ পদ্মনাথ গোহাঞিবৰুৱা ঃ পূৰ্বোক্ত, পৃ. 153
7¼ সদ্যোক্ত, পৃ. 248
8¼ সদ্যোক্ত, পৃ. 94
9¼ মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃ. 34
10¼ নন্দিতা গোস্বামী ভট্টাচাৰ্য ঃ *ঐতিহ্য*, পৃ. 97

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গোহাঞিবৰুৱা, পদ্মনাথ ঃ *গোহাঞিবৰুৱা ৰচনাৱলী*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, 2003
গোস্বামী, নন্দিতা ভট্টাচাৰ্য (মুখ্য সম্পা.) ঃ *ঐতিহ্য The Heritage, vol. 2* ঐতিহ্য সংস্থা, কাহিলীপাৰা কলনি, গুৱাহাটী, ছেপ্টেম্বৰ-অক্টোবৰ, 2014
গোস্বামী, প্ৰফুল্লদত্ত ঃ *অসমীয়া জন-সাহিত্য*, বাণী প্ৰকাশ, পাঠশালা, 1986
নেওগ, মহেশ্বৰ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, 1986
ভট্টাচাৰ্য, হৰিশ্চন্দ্ৰ ঃ *গোহাঞিবৰুৱা - প্ৰতিভা*, অসম সাহিত্য সভা, যোৰহাট, 1971
শৰ্মা, শশী ঃ *সাহিত্যৰথী পদ্মনাথ গোহাঞিবৰুৱা*, জ্ঞানপীঠ, নলবাৰী, 1971
শৰ্মা, নবীনচন্দ্ৰ ঃ *অসমীয়া লোকসংস্কৃতিৰ আভাস*, বাণী প্ৰকাশ, গুৱাহাটী, 1998

**গৱেষণা গ্ৰন্থ ঃ**

যুতিফুল বৰুৱা ঃ *পদ্মনাথ গোহাঞিবৰুৱাৰ সাহিত্যত লৌকিক উপাদান ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন*, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়, 2010

*****

● লেখক ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক।

# গোৱালপৰীয়া বাৰমাসী গীত ঃ চমু পৰ্যালোচনা

**শ্ৰীহিৰণ্য কুমাৰ নাথ**

অবিভক্ত গোৱালপাৰা জিলাৰ অফুৰন্ত লোকগীতসমূহৰ মাজত বাৰমাহী বা বাৰমাসী গীতসমূহ অতিকৈ উল্লেখযোগ্য। বাৰমাহী গীতত সাধাৰণতে বাৰমাহ, ছয় ঋতুৰ বৰ্ণনা পোৱা যায়। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল মানৱৰ মনোৰাজ্যত উদ্ভৱ হোৱা সুখ-দুখৰ অনুভূতি প্ৰকাশৰ মধ্যম আছিল, প্ৰকৃতি জগতৰ গছলতা, নৈ-নিজৰা, পশু-পক্ষীৰ ওপৰত পৰিৱৰ্তনৰ প্ৰভাৱে মানৱ প্ৰাণত তাৰ প্ৰতিক্ৰিয়া কৰে, মনোজগতত ইয়াৰ প্ৰভাৱ পৰে। প্ৰকৃতিৰ পৰিৱৰ্তনবিলাকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি নাৰী হৃদয়ৰ আশা-আকাঙ্খা, হা-হুমুনিয়াহ, ভয়-সন্দেহ, বিৰহ-বেদনা, হা-হুতাশ আদিৰ লগতে উজাগৰী নিশাৰ দুখ বৰ্ণিত হৈছে বাৰমাসী গীতত। বিৰহ-বেদনাৰে ভাৰাক্ৰান্ত নাৰীৰ অন্তৰৰ সম্ভোগ আৰু কৰুণ বিননিৰ সুন্দৰ বৰ্ণনা পোৱা যায়। পতি বনিজ বা আন কামত ঘৰৰ পৰা আঁতৰি থকা হেতু পতি বিচ্ছেদত ঘৰত আবদ্ধ হৈ থকা বিৰহিণী নাৰীৰ অন্তৰত বিভিন্ন মানুহৰ মাহৰ প্ৰাকৃতিক পৰিৱৰ্তনে কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে তাৰে স্বতঃস্ফূৰ্ত প্ৰকাশ এনে গীতত দেখা যায়। মানৱ আৰু প্ৰকৃতি প্ৰীতিয়ে হৈছে বাৰমাসী গীতৰ সঞ্জীৱনী শক্তি।

এইখিনিতে উল্লেখযোগ্য যে বাৰমাসী গীত বুলি ক'লে, তাত যে কেৱল বাৰমাহৰ বৰ্ণনাই থাকিব লাগিব তাৰ কোনো ধৰাবন্ধা নিয়ম নাই। এই গীতবিলাক আখ্যানমূলক আৰু চহা অখ্যাত কবিৰ মৌখিক সৃষ্টি। এনে গীতত কোনো এটা জনপ্ৰিয় কাহিনী সংক্ষিপ্ত ৰূপত পালেও ইয়াক পূৰ্ণ কাহিনী গীত বুলিব নোৱাৰি। গোৱালপৰীয়া লোক-সাহিত্যৰ গৱেষক ড$^{0}$ বীৰেন্দ্ৰনাথ দত্তৰ ভাষাৰে ক'বৰ হ'লে, "বাৰমাহী বা বাৰমাসী গীতৰ সৰহ ভাগৰেই বিষয়বস্তু প্ৰিয়জনৰ বিচ্ছেদজনিত বিৰহ, সেই ফালৰ পৰা এইবোৰো প্ৰণয় গীতেই। কিন্তু প্ৰায় প্ৰতিটো বাৰমাহী গীতৰ লগত যিহেতু এটা কাহিনী বা কাহিনীৰ আভাস জড়িত হৈছে সেইবাবে এইবোৰক সুকীয়া শ্ৰেণীত ধৰিব পাৰি। অৱেশ্য এনে গীতত পূৰ্ণ কাহিনী নাথাকি কাহিনীৰ জুমুঠি একোটাহে থাকে বাবে এইবোৰক বিশুদ্ধ কাহিনী গীত বা মালিতাৰ শাৰীত হোৱাও টান।" মানুহৰ মুখ বাগৰি যুগৰ ঘঁহনি খাই অহাত এনে গীতৰ নিজস্বতা হেৰাই আন ৰূপত প্ৰকট হোৱাও অসম্ভৱ নহয় বা নতুন ৰূপ দিয়াৰ চেষ্টা যত্ন একো অস্বাভাৱিক নাছিল যেন বোধ হয়। সংৰক্ষণৰ অভাৱত বহুখিনি লুপ্ত হৈছে আৰু যিখিনি সংৰক্ষিত হৈছে সেইখিনিয়ে নিজৰ জনপ্ৰিয়তা অটুট ৰাখিছে।

অবিভক্ত গোৱালপাৰাত পোৱা বাৰমাসী গীতৰ লগত উত্তৰবংগ আৰু কামৰূপৰ বাৰমাহী গীতৰ একাত্মতা দেখা যোৱা যায়। এনে গীতত বছৰৰ আৰম্ভণি আঘোণ মাহত হয় আৰু কাতি মাহত সামৰণি পৰে। মৌখিক গীতৰ ৰচকৰ নাম নাথাকে যদিও বাৰমাহী গীতৰ ৰচকৰূপে জয়ধৰ বা জয়ধন বানিয়াৰ নামৰ উল্লেখ দেখা যায়।

বাৰমাসেৰ তেৰ চান নেওতো চিনিয়া।<br>
এই গান তৈয়াৰ কৰিছে জয়ধন বানিয়া।।

এই নামোল্লেখ পৰৱৰ্তী সময়ত হোৱা বুলি বিজ্ঞমহলে মত প্ৰকাশ কৰিছে।

বাৰমাসী গীত সম্পৰ্কে কিছুমান জনবিশ্বাস অতীতৰ পৰা চলি আহিছে। গাৰোৱান, মৈষাল, হাতীমাউত, ঘাটোৱাল, গৰখীয়া আৰু আনৰ ঘৰত বন্ধা থকা পুৰুষে পৰিয়ালৰ মৰম স্নেহৰ পৰা আঁতৰি থাকি কৰ্মত ব্যস্ত থকা সময়ত মনৰ অস্থিৰতা, দুখ আঁতৰ কৰাৰ বাবে এনে গীত গাইছিল। প্ৰকৃতিৰ নিৰ্জনতা মুখৰ কৰি গোৱা এনে গান শুনি অৰণ্যৰ হিংস্ৰ জন্তু জানোৱাৰেও ভয় খাই বাট এৰি দিছিল বুলি বিশ্বাস প্ৰচলিত আছিল। আন এটা বিশ্বাস মতে, বাৰমাসী গীতৰ গায়কজনৰ মৃত্যুৰ সময়ত যদি এটা বাৰমাসী গীত সম্পূৰ্ণকৈ শুনোৱা নহয়, তেনে সেইগৰাকী গায়কৰ মৃত্যু নঘটে বা আত্মাৰ মুক্তি সম্ভৱ নহয়। এই ভয়তে পৰৱৰ্তী সময়ত বাৰমাসী গীতৰ চৰ্চা পৰিত্যাগ কৰা বুলি সচেতন মহলে মত প্ৰকাশ কৰিছিল। বাঞ্চিত বাৰমাসী গীত শুনিলে পাপ খণ্ডন হয়, বঞ্চিত সন্তানৰ মুখ দেখা পায় বুলি বিশ্বাস আছিল—

যেবা গায় যেবা শুনে,
কিঞ্চিত খণ্ডে পাপ।
গৰ্ভৱতী নাৰী যদি একমনে শুনে।
তাৰ ঘৰে জন্ম নেয় শ্ৰীৰাম-লক্ষ্মণে..

এনে গান যদি তিনিদিন ধৰি পৰিৱেশন কৰা হয় তেনে বৰষুণ আপোনা-আপুনি আহে—

ঢোল বাজে, ডগৰ বাজে
আৰ বাজে কাঁশি।
এই গান তিনিদিন গাইলে
দেৱাৰ আসে পানী।।

বাৰমাসী গীতৰ নায়িকা বিবাহিতা যুৱতী কন্যা অথবা কিশোৰী হোৱা আলসুৱা নাৰী। স্বামী থাকে বিদেশত, হয় বেপাৰ-বাণিজ্যৰ বাবে যায় নাইবা অৰ্থ-উপাৰ্জনৰ বাবে কৰ্মক্ষেত্ৰত ব্যস্ত থাকে। ‘স্বামী বিনে গতি নাই’ ধাৰণাৰ বশৱৰ্তী যুৱতী পত্নীয়ে প্ৰবাসী স্বামীৰ কথা মনত পেলাই অস্থিৰ হাহাকাৰত ভোগে, মানসিক যন্ত্ৰণাৰ সন্মুখীন হয়, যৌৱনৰ জুয়ে দেহ মন অস্থিৰ কৰি তোলে। কিশোৰী কন্যা যৌৱনপ্ৰাপ্তা হৈ অলেখ ৰঙীন সপোন, কল্পনাত বিভোৰ হৈ পৰে। নানা চিন্তা, নানা ভাৱনাই পতি বিচ্ছেদক অসহনীয় কৰি তোলে। পতিধন ঘূৰি আহিব বুলি প্ৰতিদিনৰ প্ৰতীক্ষাৰ অন্তত আঘোণ, পুহ, মাঘ, ফাগুনকৈ মাহ পাৰ হৈ বছৰ বাগৰে। এনে সময়ত আকাশৰ ওপৰেৰে পাখীত পাখী লগাই উৰি যোৱা বগলী চৰাইৰ জাক দেখি চঞ্চল অন্তৰৰ অভিব্যক্তি প্ৰকাশ পায়—

ও কি বগিলাৰে,
ঝাকে ঝাকে উৰি যাওৰে
উজান দ্যাসে...
তুই যাইস আগে আগে,
তোৰ বন্ধু যায়ৰে সাথে সাথে
বৃক্ষডালে কৰিমৰে পৰবাস
মুই নাৰী ফাগুন মাসে,
জ্বলিয়া মৰোং হা-হুতাশে
পতিধন মোৰ গেইছে পৰদেশে।

সেই বগলীকে বাৰ্তাবহ কৰি প্ৰিয়জনৰ সৈতে সাক্ষাৎ হ'লে ক'বলৈ অনুৰোধ কৰে—

দেখা হইতে কবু তাৰে অভাগিনী বাচে নাৰে
আউলাইছে মাথাৰ কেশ।

এনেদৰে বাৰমাসী গীতত কোনো কিশোৰী বা যুৱতী পত্নীয়ে প্ৰবাসত থকা স্বামীক স্মৰণ কৰি নিজৰ অন্তৰৰ দুখ, বেদনা সাৱলীল ভাষাত বৰ্ণাই গৈছে—

অ’ সখিৰে, মনেৰ দুখ, কৰং হায় হায়।
স্বামী নাই ঘৰত মোৰ, বুক ফাটিয়া চিৰিয়া যায়।।
শুনেক সখি মন দিয়া, দুখেৰ কথা কং।
বাৰো মাসেৰ দুখত ময়, কি হয়া গেছুং।।

এনেদৰে বহাগ মাহৰ পৰা চ’ত মাহলৈকে প্ৰতি মাহৰ গুৰুত্ব বৰ্ণনা কৰি নাৰী মনৰ দুখৰ বাতৰি ব্যক্ত কৰিছে। প্ৰতি মাহতে কিবা নহয় কিবা প্ৰাকৃতিক পৰিৱৰ্তন অথবা উৎসৱ-পাৰ্বন থাকে আৰু সেই বিলাকত স্বামীৰ সঙ্গৰ পৰা বঞ্চিত হৈ নাৰীমনে হাহাকাৰ কৰে—

পাখিৰ ডাকত স্বামী চিন্তাত
সখি মন যায় ভাঙিয়া চিঙিয়া
অ’ সখিৰে, ময় কৰং হায় হায়।

গোৱালপৰীয়া বাৰমাসী গীতসমূহৰ ভিতৰত নাৰী বাৰমাসী, পিয়া-বাৰমাসী, কন্যা বাৰমাসী, শান্তি বাৰমাসী, সীতা বাৰমাসী, টিয়া বাৰমাসী, সাধু বাৰমাসী, মধুমতীৰ গান আদি উল্লেখযোগ্য।

শান্তি বাৰমাসী গীতৰ নায়িকা শান্তিৰ বিদেশত থকা স্বামীৰ চিন্তাত প্ৰতিটো মাহতে কেনে অনুভৱ হৈছিল তাৰে অপূৰ্ব বৰ্ণনা পোৱা যায়—

মাঘ মাহতে শান্তি ধৰমৰে তিথি।
চিলানকে গৈলা শান্তি ভগিনী সহিতি।।
আগহাতে জলফুল অগৰু চন্দন।
জলতে নামিয়া শান্তি জুৰিলা ক্ৰন্দন।।

এই গীতত ভিন ভিন ঋতু আৰু মাহৰ উল্লেখ কৰি গীতটোক সজীৱ আৰু জীৱন্ত কৰি তুলিছে—

বৈশাখ মাস গেলো কন্যাৰে
উঠিতে আৰু বসিতে
স্বামী নাই ঘৰত মোৰ
বুক ফাটিয়া চিৰিয়া যায়।
..........................................
..........................................
আঘোণ মাসে তিগুণ জালা,
হৈয়া যায় নাৰীৰ বৰণ কালা।
..........................................
পুষ মাসত সখি,
বৰয় হয় জাৰ।
পীৰিতিৰ ভীষণ জ্বালা সখি,
মনত পৰে বাৰে বাৰে।।
..........................................
চৈত্ৰ মাসতে সখি চৈতালি চলায় বাও,
জিবা তালু সুকিয়া যায়, মুখে নলায় ৰাও।

এনেদৰে বাৰমাহৰ মনৰ প্ৰতিক্ৰিয়া বৰ্ণনাৰ অন্তত স্বামী ঘৰলৈ ঘূৰি অহাত প্ৰতীক্ষাৰ অন্ত পৰে, মনৰ উৎকণ্ঠা অস্থিৰতা প্ৰশমিত হয়। স্বামীৰ সান্নিধ্য পাই শান্তিয়ে মনৰ অভিব্যক্তি প্ৰকাশ কৰে—

বাৰমাস পূৰ্ণিত হৈল, স্বামীধন মোৰ ঘূৰিয়া আইল।
মাথাৰ কেশ মোৰ দুইভাগ কৰিয়া,
ভজিম স্বামী ধনেৰে পাৱ পৰিয়া।।

'ফুল বাৰমাসী' গীতত প্ৰবাসী স্বামী আশা কৰা মতে ঘূৰি নাহিলে, পত্নীৰ অন্তৰত যি বিষাদ, মান-অভিমানৰ উন্মেষ হয় তাৰে সুন্দৰ প্ৰকাশ ঘটিছে—

সকল ফুলে ফুটিল, নাই ফুটে কাশি।
ঘৰেৰ স্বোৱামী নাই, মুখত নাই হাসি।।

এই গীতটোত বাৰ মাহৰে অন্তৰৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে স্বামীৰ আগমনৰ অপেক্ষাত থকা নাৰীয়ে—

সিন্দুৰেৰ ফটাখিনি অতি বৰো ৰূপ।
আমাৰ কালাৰ স্বামী নাই, শূন্য হৈল বুক।।
...............................................
মুঞি নাৰী অভাগিনী, পতি নাইকা ঘৰে।
কাৰ সঙ্গে কেলি কৰিম হৃদয় পূৰিয়া মৰে।।

নাৰী বাৰমাসীত নাবালিকা পত্নীয়ে স্বাবালক পতিক যুগ্ম জীৱন সম্পৰ্কে যে অনভিজ্ঞতাৰে আভাস দি যৌৱন প্ৰাপ্তা হোৱালৈ অপেক্ষা কৰাৰ আৱেদন জনাইছে—

শিশু না কালে প্ৰভু, কৰাইচেন বিয়া।
দয়া না কৰো প্ৰভু, ক্ষমা না কৰো।।
যত দিন নাই হোং নাৰীৰে মুই।
বছৰেৰ বাৰ প্ৰভু দয়া কৰো।।
...............................................
নতুন ন মালী কাটিয়া লাগাইছুং পুঁই,
সিও না পুঁই প্ৰভু নাই মেলে আগা।
সিওৰে স্বামী দেখং বনেৰ বাঘা।।

পত্নী পূৰ্ণ যৌৱনা হ'লেহে যুগ্ম জীৱন মধুৰ হয়। সেয়ে যৌৱন প্ৰাপ্তা হোৱাত ইমান দিনৰ প্ৰতীক্ষাৰ অন্ত পৰাৰ কথা স্বামীক জানিব দি যুগ্ম জীৱনৰ সোৱাদ ল'বলৈ এইদৰে ব্যক্ত কৰিছে—

যৈবত নাৰীৰে মুই বছৰেৰ বাৰ।
ডাৰী ঘৰেৰ (বাহিৰাঘৰ) বিছ্নিাপ্ৰভু,
বৰঘৰত আনি পাৰা,
আপুনাৰ হাল কিৰসি আপুনি কৰো।।

কন্যা বাৰমাসী গীতত প্ৰবাসী স্বামীৰ অপেক্ষাত মাহ পাৰ হয়। প্ৰতি মাহতে বিবিধ গছ-ঘছনি, ফল-মূলেৰে পৰিপূৰ্ণ হয় অথচ স্বামীৰ অভাৱত নাৰীৰ হৃদয় শূন্য হৈ ৰোৱা অভিব্যক্তিকে বৰ্ণাইছে—

আমাৰ সাধু ঘৰে নাই
শূন্যে ৰৈছে মোৰ বুক।
.....................................
তিনি মোৰ প্ৰহৰ মোৰ বুক।
জ্বলিয়া উঠিল তাৰা।
যেই নাৰীৰ স্বামী নাই
তাৰ দিনে অন্ধকাৰা।।

পিয়া বাৰমাসী গীতত বেপাৰলৈ গৈ ঘূৰি নহা পতিধনৰ বাবে অপেক্ষা কৰি থকা যুৱতী পত্নীৰ অন্তৰৰ হাহাকাৰ ধ্বনি প্ৰতিধ্বনিত হৈছে—

আজি ইওতো মাস গেলোৰে কন্যা
  নাপূৰাইল বিলাস।
প্ৰথম যৌৱন নিয়া নামিল
  আঘোণ মাস।।

ফাগুন মাহে যুৱতী পত্নীৰে প্ৰাণ উন্মনা কৰি তোলে। মনৰ আকুলতাৰে স্বামীৰ সান্নিধ্য পোৱাৰ বাবে নাৰী মনে হাহাকাৰ কৰে। দেহৰ যৌৱনৰ জুই নিৰ্বাপিত কৰাৰ আকাঙ্খাৰে মনৰ হাবিয়াস ব্যক্ত কৰে—

অৰণ্যতে লাগিছে আগুন
  অৰণ্য পোৰা যায়।
মোৰ অভাগিনীৰ মনেৰ আগুন
  নিমাতো নাযায়।।

বছৰৰ শেষত স্বামীৰ ঘৰলৈ প্ৰত্যাৱৰ্তন ঘটে। কিন্তু বহু বছৰ স্বামীৰ অদৰ্শনত স্বামীক চিনাক্ত কৰিব নোৱাৰে কিশোৰীৰ পৰা যৌৱনা হোৱা পত্নীয়ে। সেয়েহে পৰিয়ালৰ আন সদস্যক চিনাক্ত কৰি দিয়াৰ আৱেদন জনায় মনৰ ভাৱ প্ৰকাশ কৰে—

কি কৰিসৰে বাপুসকল, নিশ্চিন্তে বসিয়া।
শিশু কালেৰ পতি আইসে, দেওৰে চিনিয়া।।

সাধু বাৰমাসীত বহুদিনৰ অদৰ্শনত বণিজৰ পৰা ঘূৰি অহা স্বামীক চিনি নাপায় পৰপুৰুষ বুলি স্বামীৰ প্ৰেম প্ৰত্যাখ্যান কৰি গাইছে—

নাইও বিলাও ওৰে সাধু
  নকৰিবো দান।
আঞ্চলে লেখিয়া থৈছুং
  নিজ স্বামীৰ নাম।।

মধুমতীৰ গীতত পতিৰ অৱৰ্তমানত নায়িকা মধুমতীৰ অকলশৰীয়া জীৱনৰ অস্থিৰতা, ব্যাকুলতাৰ অপূৰ্ব সমাৱেশ ঘটিছে। গীতটো কৰুণ ৰসেৰে পৰিপূৰ্ণ আৰু ই সকলোকে শোকাভিভূত কৰি তোলে।

মাঘৰে মাহতে ধৰণৰ তিথি।
ডাক ডালিম শ্ৰীফল খাইতে নেদে বিধি।।
তুলি পাৰে গাৰু পাৰে অতি বিপৰীত।
তাতে বহি মধুমতী জুৰিলেক গীত।।
তুলি পাৰে গাৰু পাৰে সোণৰ সিংহাসন।
তাতে বহি মধুমতী জুৰিলা ক্ৰন্দন।।

সীতা বাৰমাসী গীতত ৰাৱণে হৰণ কৰি নিয়াৰ পাছত অশোকবনত থকা অকলশৰীয়া সীতাৰ প্ৰতিটো মুহূৰ্তৰ, প্ৰতিটো ক্ষণৰ দুখ-বেদনা প্ৰতি মাহতে বেলেগ বেলেগ ৰূপত মূৰ্তমান হৈ উঠিছে। ৰামচন্দ্ৰই কাতি মাহত ৰাণৰ কবলৰ পৰা সীতাক উদ্ধাৰ কৰি অনাৰ পাছতো সীতাৰ দুখ দূৰ হোৱা নাছিল। ৰাজ্যবাসীৰ সমালোচনা আৰু লোক অপবাদৰ পৰা মুক্ত হৈ ৰাজ্যবাসীক সন্তোষ দিয়াৰ মনেৰে শ্ৰীৰামচন্দ্ৰই সগৰ্ভা সীতাক পুনৰাই বনবাস দিছিল। মাঘ মাহতেই সগৰ্ভা সীতাক বনত এৰি থৈ অহা বুলি গীতত বৰ্ণিত হৈছে—

মাঘৰে মাহতে বাপু ধৰণৰ থিতি।
বনবাসে দিলা মোক গৰ্ভে সহিতি।।

লতাই যেনেকৈ গছৰ আশ্ৰয়ত বগাই পুষ্প পত্ৰে সুশোভিত হয় তেনেদৰে নাৰীয়ে পুৰুষৰ আশ্ৰয়ত নিৰাপত্তা আৰু জীৱন নিৰ্বাহৰ সপোন দেখে। "যেই নাৰীৰ স্বামী নাই দিনে অন্ধকাৰা" হয় যদিহে নাৰীগৰাকী অকলশৰীয়া হয়। এনে নাৰীৰ দুখ-বেদনা, হা-হুমুনিয়াহ বৰ্ণনাতীত হয়। বাৰমাসী গীতসমূহে তাৰে ধ্বনি প্ৰতিধ্বনিত কৰি আহিছে।

অবিভক্ত গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে আৰু চৰ-চাপৰিসমূহত বসবাস কৰা পূৰ্ববঙ্গ মূলীয় অভিবাসী মুছলমান জনগোষ্ঠীৰ মাজতো বাৰমাসী গীতৰ দৰে বাৰাশে গীতৰ প্ৰচলন দেখা পোৱা যায়। এই গীতৰ বিষয়বস্তু মুখ্যত প্ৰেম আৰু এই গীততো বাৰটা মাহৰ কাৰ্যৰ সুন্দৰ বৰ্ণনা পোৱা যায়।

জষ্ঠি মাসে মিষ্ঠিৰ ফল,
আষাৰ মাসে নতুন জল।
অ' ৰে শাওন মাসে কাটাইল নাৰী নাৰেৰে।
ক'ত ৰাস্তা চাইব' সইগো
ভাদ্ৰ মাস হইলে,
আমাৰ বন্ধু আছে বিদেশে।
আশ্বিন মাসে শৰৎ আসে
কাতি মাসে আকালৰে।
আঘোন মাসে ৰইদেৰ জ্বালা
পীঠ পুইৰা হয় যে কালা।
তাৰ মাজেতে আহে দেউল
প্ৰাণবন্ধু মোৰ নাইৰে।
অ'ৰে বৈশাগেতে আচি চাইয়া
প্ৰাণবন্দুৰ লাগিয়া
অন্তৰ আমাৰ জ্বইলা পইৰা যায়ৰে।

বাৰমাসী গীতৰ মাজেৰে গোৱালপাৰাৰ মানুহৰ সামাজিক স্থিতি, ভাৱ-ভাষা, উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি, ধ্যান-ধাৰণা, খোৱা-লোৱা, পিন্ধা-উৰা আদিৰ সুন্দৰ প্ৰকাশ দেখা যায়। এনে গীতত সামাজিক বিশ্বাস, লোক-অনুষ্ঠান, লোক-ধৰ্ম, গছ-ফুল-ফল, আকাশ-চৰাই, জীৱ-জন্তু, নদ-নদী আদি প্ৰাকৃতিক জগতৰ বৰ্ণনা জীৱন্ত ৰূপত পোৱা যায়। ইয়াৰ ভাব-ভাষাও অতি সহজ। সহজ-সৰল ভাষা, শব্দ-যোজনা, ফকৰা-যোজনা, পটন্তৰ আদি এনে গানৰ জীৱনীশক্তি। সচৰাচৰ গ্ৰাম্য জীৱনৰ সুন্দৰ চিত্ৰ সম্পূৰ্ণ ৰূপত ফুটি উঠিছে বাৰমাসী গীতত। আজিৰ আধুনিক যান্ত্ৰিকতাৰ জীৱন পথত বাৰমাসী গীতৰ অনুশীলন নহ'লেও এই গীতৰ যি অপূৰ্ব আৱেদন তাক অস্বীকাৰ কৰিব নোৱাৰি।

*****

- লেখক ঃ গোৱালপৰীয়া লোকসংস্কৃতিৰ এগৰাকী গৱেষক-সাহিত্যিক তথা বিলাসীপাৰা ৰোকাখাতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ।

# দৰঙী লোকসংস্কৃতিৰ অমূল্য সম্পদ— চিয়াঁগীত

গজেন ডেকা

অসমৰ উত্তৰ পূৰ্বাঞ্চলত অৱস্থিত বৰ্তমান দৰং জিলা একালত আছিল এখন সমৃদ্ধিশালী ৰাজ্য। হিমালয়ৰ পাদ-প্ৰান্তৰ পৰা পূৱে ধনশিৰি নদী, পশ্চিমে বৰনদী, দক্ষিণে বৰলুইত পৰ্যন্ত এই ভূখণ্ডক 'দৰং দেশ' অভিধাৰে জনা গৈছিল। এই ৰাজ্যৰ অধিবাসী বড়ো, কোচ আদি তিব্বত বৰ্মীয় গোষ্ঠী ভুক্ত লোকসকলৰ লগতে ব্ৰাহ্মণ, কলিতা, শালৈ, কৈৱৰ্ত, কুমাৰ, মুছলমান, গণক আদি বিভিন্ন সম্প্ৰদায়ৰ লোকৰো মিলন ভূমি। এই দৰং ৰাজ্য আছিল কোঁচ ৰাজ্যৰ অঙ্গ। পূৰ্বে এই ৰাজ্য খণ্ড ভূঞাসকলৰ অধীনস্থ আছিল। কোচ ৰজা ধৰ্মনাৰায়ণৰ ৰাজত্ব কালৰ পৰা দৰং ৰাজ্যত ভৌগোলিক-ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিবেশ এটিয়ে গঢ় লৈ উঠে। সেই বাবেই দৰঙৰ থলুৱা ভাষা, কৃষ্টি-সংস্কৃতি, আধ্যাত্মিক পৰম্পৰা, লোকাচাৰ আদি বিভিন্ন ক্ষেত্ৰত এক স্বকীয় ৰূপ দেখিবলৈ পোৱা যায়।

দৰঙী ৰজাসকলৰ সাংস্কৃতিক ক্ষেত্ৰত অতিকে উৎসাহী আছিল। এই কথাৰ সত্যতা প্ৰমাণ হয় ৰজা ঘৰীয়া পৃষ্ঠ-পোষকতাতে ধ্ৰুপদী সংগীত-জাগৰ, মালচী, ব্যাসৰ ওজাপালি, সুকনানি ওজাপালি আদিৰ চৰ্চা, অনুশীলন আৰু প্ৰসাৰ ঘটিছিল। ব্যাসৰ ওজাপালি সকলক ৰজাঘৰীয়া মাটি-ভেটি দান কৰি থাপিছিল ছিপাঝাৰ মৌজাৰ অন্তৰ্গত ব্যাসপাৰা নামে ঠাইত। ব্যাসপাৰা নামটোৱেই এই কথাৰ সত্যতা প্ৰমাণ কৰে। কোৱা বাহুল্য দৰঙৰ সাংস্কৃতিক ক্ষেত্ৰখন অতিকৈ সমৃদ্ধ। এককথাত দৰং অসমৰ সংস্কৃতিৰ ভঁড়াল বুলি কব পাৰি। থলুৱা কৃষ্টি বুলি কওতে সাধাৰণতে কোনো এখন ঠাইৰ নিজা কৃষ্টি সমূহক বুজা যায় যদিও অন্য ঠাইৰ কৃষ্টিয়েও সেই ঠাইৰ বৈশিষ্টৰে পৰিপুষ্ট হৈ উঠিলে তেনে কৃষ্টিকো থলুৱা বুলিয়েই গণ্য কৰা হ'ব। দৰঙৰ প্ৰাচীন পৰম্পৰাগত কৃষ্টি সমূহ ব্যাসৰ ওজাপালি, সুকনানি ওজাপালি, দেওধনি নৃত্য, বৰঢুলীয়া, ঢেপাঢুলীয়া, কালীয়া, চিয়াঁগীত, নাঙেলী গীত, খুলীয়া ভাউৰীয়া, পুতলানাচ (ভাওনা) থিয়নাম, চেও-চাপৰি নাম, বিয়াপদ, আইনাম, দেহবিচাৰৰ গীত, খুঞ্জুৰী (ভকতীয়া) নাম, চেৰাঢেক, মহৌখুন্দা, বাম্বোল পিতা গীত, বহুৱাৰ গীত ইত্যাদি।

দৰঙত অতীজৰে পৰাই বিভিন্ন ধৰ্মৰ সমাহাৰ মন কৰিবলগীয়া। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৰৰ চৰণৰ চাপ দৰঙত পৰা নাছিল যদিও মহাপুৰুষ মাধৱদেৰ প্ৰেৰিত আতৈ সকলে দৰঙত কেইবাখনো সত্ৰ প্ৰতিষ্ঠা কৰে। হিন্দু ধৰ্মৰ বিভিন্ন ফৈদ বা পন্থৰ কথা সৰ্বজন বিদিত। প্ৰাচীন কালৰে পৰাই তেনে এবিধ ভক্তি ধাৰা এই অঞ্চলত প্ৰচলিত যাক 'পূৰ্ণধেৰীয়া' বা 'বৰশেলীয়া' পন্থা বুলি জনা যায়। এই পন্থা বা ভক্তি ধাৰাৰ সন্ত ভকত সকলৰ দ্বাৰা সৃষ্ট এবিধ আধ্যাত্মিক ভাৱ প্ৰকাশক গীত হল - চিয়াঁগীত। চিয়াঁগীত সমূহক হীনযান বৌদ্ধধৰ্মৰ 'চৰ্যাগীত' সমূহৰ লগত ৰিজাব পাৰি। ঠিক সেইদৰে ভাৱৰ গাঢ়তাআৰু প্ৰকাশৰ মাধুৰ্যলৈ লক্ষ্য কৰিলে কিছুপৰিমাণে মহাপুৰুষ দুজনাৰ অমৰ সৃষ্টি বৰগীত সমূহৰ লগতো ৰিজাব পাৰি।

'চিয়াঁ' শব্দৰ আভিধানিক অৰ্থ দুই প্ৰকাৰৰ-এক- "কীৰ্তি বা যশ" আৰু আন প্ৰকাৰৰ 'ঈশ্বৰক স্মৰণ'। প্ৰাপ্ত চিয়াঁগীতবোৰ বিশ্লেষণ কৰিলে দুয়োটা অৰ্থই বিচাৰি পোৱা যায়। সৎসঙ্গীয়া গুৰু ভকত বা সন্ত মহন্ত সকলৰ যশ-কীৰ্ত্তি প্ৰকাশক কেইবাটিও চিয়াঁগীত আছে। তেনেদৰে 'ভকত সেৱা'ৰ বিভিন্ন স্তৰৰ মনোৰম বৰ্ণনা ভালেমান চিয়াঁগীতত পোৱা যায় যেনে আদৰণি চিয়াঁ, তেল জলৰ চিয়াঁ, জনানীৰ চিয়াঁ, সঙ্গপাতা চিয়াঁ, প্ৰেমৰসৰ চিয়াঁ, মেৰুকৰণিৰ চিয়াঁ, বিদায়ৰ চিয়াঁ ইত্যাদি। বিভিন্ন স্তৰত গোৱা এই গীতবোৰে এই ভক্তি পন্থাৰ নিজস্ব নীতি আদৰ্শ প্ৰকাশ কৰাৰ লগতে ভক্ত সকলৰ মন ঈশ্বৰ মুখী কৰি তোলে। এই সম্প্ৰদায়ভূক্ত বুলি পৰিচয় দিয়ে আৰু ভক্তিধাৰাটিৰ নাম পূৰ্ণধাম বা পূৰ্ণধেৰীয়া বুলি অভিহিত কৰে। থাপনাৰ বন্তি গচিৰ শলিতা দাল বাৰ গুণ সূতাৰে প্ৰস্তুত কৰা হয়। ফলত শলিতা দাল যথেষ্ট ডাঙৰ হয় কাৰণে বৰশলীয়া তাৰ পৰা বৰশেলীয়া আৰু অপভ্ৰংশ ৰূপ হয় বৰখেলীয়া। উল্লেখনীয় কথা এই যে দৰঙী উপভাষাত কোনো গোষ্ঠী বা বংশৰ আদৰ্শগত পৰম্পৰাক বুজাবলৈয়ো 'চিয়াঁ' শব্দটি ব্যৱহাৰ হোৱা দেখা যায়।

এই ভক্তি সম্প্ৰদায়ৰ মাজত প্ৰচলিত প্ৰবাদমতে মহাপুৰুষ শঙ্কৰ দেৱৰ শিষ্য গোপাল আতাই নগা পাহাৰ আৰু দাঁতি-কাষৰীয়া অঞ্চলৰ জনজাতীয় লোকসকলৰ মাজত এই ভক্তি ধৰ্ম প্ৰচাৰ কৰে। কিন্তু চৰিত পুথি সমূহত এই সম্পৰ্কে কোনো উল্লেখ পোৱা নাযায়। তদুপৰি মহাপুৰুষ গুৰুজনাৰ প্ৰবৰ্ত্তিত নৱ বৈষ্ণৱ ধৰ্মৰ লগত এই ভক্তি পন্থাৰ যথেষ্ট প্ৰভেদ থকাটো মন কৰিব লগীয়া। প্ৰতিটো চিয়াঁ গীততে এই ভক্তি পন্থাৰ সন্ত মহন্ত সকলৰ গুণ-যশ, কৰ্মৰাজি, নীতি-আদৰ্শ, সেৱাধৰ্ম আদি সুন্দৰ অথচ অতি সহজ, সাৱলীল ভাৱে দাঙি ধৰা হৈছে। প্ৰমাণ স্বৰূপে কেইটিমান নিৰ্দশন দাঙি ধৰা হ'ল।

পৰ্বতীয়াপূৰ্ণ আজ্ঞাপৰ ভকতি সেৱাৰ কৰণি ঠাই।
আদ্যত বলন্বিৰ ডালিমচৈৰ পৰা ব্ৰহ্মানন্দ গুৰুই পায়।।
বলন্বিৰ পৰা আইলা গুৰুজন নিঞ্চিবে ধৰমৰ সাৰ।
সাপ কাটি ডুমৰু চিয়াই ভকত আনি শুকদেউ পাতে বেৰহাৰ।।

এই বলন্বি ঠাইখনৰ বিষয়ে জনা নাযায় যদিও উক্ত স্থানৰ 'ডালিমচৈ' নামে সন্ত জনৰ পৰা 'ব্ৰহ্মানন্দ' গুৰুৱে লাভ কৰিছিল বুলি কোৱা হৈছে। তেখেত মিকিৰ সম্প্ৰদায়ৰ লোক আছিল বুলি স্পষ্ট ভাবে জনা যায় নিম্নলিখিত চিয়াঁগীতটোৰ পৰাই -

মিকিৰ কুলৰ ব্ৰহ্মানন্দ গুৰু সন্তৰ বেৰহাৰ লয়।
ভক্ত আনি ঘৰে মদপান কৰে নামেকেনে শুদ্ধ হয়।।

পূৰ্ণধেৰীয়া বা বৰশেলীয়া ভক্তি পন্থত উচ্চ-নীচ, সৰু বৰ ভেদাভেদ যে সমূলি নাই সেই কথা প্ৰকাশ পাইছে আন এটি চিয়াঁত।

আগে কোণ নাম পাচেকোণ নাম গুৰুই কোন নাম লয়।
ভয়ৰা কুড়তে গুৰুই চিনাণ কৰে উভতি দৰিয়া বয়।।

এই ভয়ৰা কুড় দৰং জিলাৰ প্ৰসিদ্ধ ভৈৰৱকুণ্ড। এই চিয়াঁটিত উল্লেখিত "উভতি দৰিয়া" বয় কথাযাৰ দ্বি অৰ্থ বাচক। প্ৰচলিত সামাজিক ৰীতি-নীতি, সামাজিক বৈষম্য বিলোপ সাধন কৰা, বা সেই ধৰণৰ উদ্দেশ্য এটা এই ভক্তি পন্থাৰ অন্তৰ্নিৰ্হিত উদ্দেশ্য বুলি অনুমান কৰিব পাৰি। এই ভক্তি পন্থাত শুদ্ৰ বা নীচ কুলীয়া লোকেও সচং বা সৎ সঙ্গৰ মূল আসনত অধিস্থিত হৈ, দৰিয়া ওভটাই বোৱাব পাৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ নিয়ম, সংযম, আহাৰাদিৰ লগত এই ভক্তি পন্থাৰ অনেক খিনি পাৰ্থক্য দেখা যায়। মহাপুৰুষীয়া বা বৈষ্ণৱ পন্থাৰ সাত্বিক আহাৰৰ পৰিবৰ্ত্তে এই পূৰ্ণধেৰীয়া ধৰ্ম পন্থাৰ আনুষ্ঠানিক সেৱা কাৰ্য বোৰত মদ, গাহৰি, শাল, শিঙি আদি গ্ৰহণীয় বা বিধেয়।

সাল, শিঙি, শূৱাৰ ই তিনি ভক্তিৰ দুৱাৰ।
যি নাখায় কুকুৰাৰ ডিমা সি নাপাই ভক্তিৰ সীমা ।।

অনুমান কৰিব পাৰি তাহানিৰ বৰ অসমৰ বাসিন্দা বিভিন্ন জনজাতীয় লোক সকলক এই ভক্তি পন্থাৰ প্রতি আকৃষ্ট কৰিবলৈকে খাদ্যৰ ক্ষেত্রত যথেষ্ট শিথিল ব্যৱস্থা বা নমনিয়তা অৱলম্বন কৰা হৈছিল। তেনে ধৰণৰ উপচাৰৰ ওপৰত আধ্যাত্মিকতাৰ প্রলেপদি ৰূপক ধৰ্মী বৰ্ণনাৰে চিয়াঁ গীতত প্রকাশ কৰিছে এনেদৰে -

অজ্ঞানে গাহৰি মনে হ'ল কুকুৰা দেহাই হল কাকাৰাৰ খোলা।
লোভ হল পছলা মোহে হল কুমুৰা চিতে ফুটি খাৰ ভৈলা।।
দম্ভে ভৈলা সাল হিংসাই ভৈলা শিঙি কপটে ভৈলা কুচিয়া।
ক্রোধে যে জালুক আত্মাই বণ্টন কামে ভৈলা জলকীয়া।।

সন্ত মহন্ত সকলৰ গাত অলৌকিক শক্তি থকাৰ কথা প্রবাদ ৰূপত বৰ্তমানেও প্রচলিত। বিশেষকৈ 'ডালিমচৈ' নামৰ মহন্ত জনাৰ অলৌকিক মহিমাৰ কথা চিয়াঁ গীততেই প্রকাশ পাইছে —

যবনৰ মধ্যত কবীৰাভকত আছে অস্তগিৰিত ৰ'ই।
হীনৰে মধ্যত ডালিমচৈভকত উদয় গিৰি প্রকাশই।।
কবিৰা ভকতে বংশীত ফুক মাৰন্তে বিৰিখৰ পাত সৰি যায়।
ডালিমচৈ ভকতে ডম্বৰু বজাওতে দালে পত্রে যোৰা খায়।।

ধৰ্মীয় ৰীতি-নীতি, আদৰ্শ, আচৰণৰ ক্ষেত্রৰ ইমান পাৰ্থক্য । স্বত্বেও শঙ্কৰদেৱকেই তেৰা সবৰো গুৰু বুলি উল্লেখ কৰা কথাই এক ধৰণৰ ৰহস্যৰ উদ্ৰেক ঘটায়। যেনে -

সৰুতকৈয়ো সৰু অতি বৰ সৰুতে ভকতি বৈ লা।
তাতোকৈয়ো সৰু শ্রীশঙ্কৰ গুৰু ধুলাহৈ সৰকি গৈলা।।

আনক অনুসৰণ নকৰি মনৰ দৃঢ়তাৰে নিজ গুৰুৰ উপদেশ, আৰ্হি অনুসৰণ কৰি চলিবলৈ চিয়া গীতৰ মাধ্যমেৰে উপদেশ দিয়া হৈছে। এনেদৰে ——

লোকৰ ঘাঁই চাই ফুল নাগাঁথিবা মালিনী নোবালয় তাক।
মনৰ নিগ্রহে যিমালা গাঁথিবা ধৰমৰহি যাইবো তাত।।
শুক দেউ গোসাঞি যিমালা গাঁথিছে দেৱ ধৰমলে চাই।
প্রকৃতি পুৰুষ সবে আচৰিয়া সংসাৰ তৰিয়া যাই।।

এই জনা শুকদেৱ সন্ত ব্রহ্মানন্দৰ শিষ্য আছিল। এই ভক্তি পন্থাৰ সেৱা কাৰ্যক 'থেকেৰা ফুলীয়া' বুলিও জনা যায়। থেকেৰাৰ ফুল ৰাতিতে ফুলি ৰাতিতে সৰে বুলি কোৱা হয়। তেনেদৰে পূৰ্ণধেৰীয়া ভক্তি পন্থাৰ সেৱা সন্ধিয়া সময়ত আৰম্ভ হৈ ৰাতিতে শেষ হয়। আনুষ্ঠানিক সেৱা কাৰ্যত সেৱকীয়াক আশীষ প্রদান কৰোতে মহন্ত গৰাকীয়ে ডম্বৰু বজায়। সন্ত মহন্ত আৰু ভকতসকলে পৰিধান কৰা পোচাক আদি দেৱ প্রদও বুলি বিশ্বাস কৰা হয়। এই কথা চিয়াঁ গীতত প্রতিফলিত হৈছে এনেদৰে —

কোণে দিলা জাপি টোকণ কোনেদিলা চোলা।
কোণেদিলা ডাক ডম্বৰু কোনেদিলা মালা।।
ব্রহ্মাই দিলা জাপিটোকণ বিষ্ণুই দিলা চোলা।
হৰে দিলা ডাক ডম্বৰু ৰুদ্রে দিলা মালা।।

চিয়াঁগীতটিত উল্লেখিত সাজ পাৰ আৰু আচাৰ অনুষ্ঠান, খাদ্য আদি বিচাৰ কৰিলে এই ধৰ্মপন্থা শৈৱ আৰু তান্ত্রিক মিশ্রিত যেন অনুমান হয়। এই ধৰ্মত বিভিন্ন জনজাতীয় প্রভাৱ পৰিছিল বুলি ভবাৰো স্থল আছে। এই পূৰ্ণ ধেৰীয়া ভক্তি পন্থাৰ সেৱা কাৰ্য (আধ্যাত্মিক অনুষ্ঠান) বিশেষ ধৰণৰ। দীঘলে - পথালিয়ে চাৰিহতীয়া বেদীৰ ওপৰত মণ্ডল দি, চাৰিও কোণৰ চাৰিটা কল পুলি পোতা হয় আৰু তাৰ ওপৰত এখন চন্দ্ৰতাপ, বেদীৰ পিছফালে ধ্বজ বা মেৰু স্বৰূপে এডাল অলপ ডাঙৰ কলপুলি পুতি তাতে দ্বীপাৱলীৰ দৰে এশ গছি চাকি জ্বলায়। সমুখৰ ফালে চাৰিকোণত চাৰি গছি বন্তি

জ্বলাই ধূপ-ধূনা নৈবেদ্যাদি সজোৱা হয়। তাৰ পিছত সোমাজত সজোৱা আসনত মহন্ত গৰাকী বহে আৰু চাৰিজন সিদ্ধ, বাৰজন বৈষ্ণৱ যথাস্থানত বহি চিয়া গীত গাই মহন্ত গৰাকীৰ গালৈ ফুল চটিয়াই।

মন কৰিব লগীয়া কথা এই যে ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তত স্বকীয় নীতি-আদৰ্শ প্ৰৱৰ্তন কৰা বৈষ্ণৱ ধৰ্ম বা আদৰ্শৰ প্ৰসিদ্ধ গুৰু চাৰিগৰাকীৰো উল্লেখ চিয়াঁগীতত পোৱা যায়। যথা

পূৱ যে উত্তৰ কোনে আসি ৰৈলা শঙ্কৰ ভক্ত শিৰোমণি।
পশ্চিম দক্ষিণ কোণত অমিয়া চৈতন্য ৰৈলা আপুনি।
ৰামানন্দ আমি দক্ষিণ পূৱৰ কোণত লৈলন্ত ঠাই।
উত্তৰ পশ্চিম কোণে হৰিব্যাসে ৰৈলা কৰনিক চাই।

এসময়ত এই ভক্তি পন্থাৰ জৰিয়তে নগা সমাজৰ লগত আধ্যাত্মিক আৰু সাংস্কৃতিক সম্পৰ্ক গঢ়ি উঠিছিল বুলি অনুমান কৰিব পাৰি এটি চিয়াঁগীতৰ দ্বাৰা —

গোসাঁই ৰ'ল ইপাৰে নগা ৰ'ল সিপাৰে চৈৰাঙ্গৰ বালিতে মজি।
চৈৰাঙ্গৰ বালিতে নগাই সেৱা ধৰে বালিৰে মুৰুতি সাজি।।
লুটিয়াই মাৰিলে গোসাই পাটৰ ভুনি পাৰোৱা বুলণে বুলেই।
আঠু কাঢ়িবলে নগাই নাজানে মাটিত পেট পেলাই পৰেই।।

ঠিক সেইদৰে মণিপুৰলৈকে এই ভক্তি পন্থা প্ৰসাৰিত হৈছিল বুলি ভবাৰ স্থল আছে নিম্নলিখিত চিয়াঁ গীতৰ পৰা—

ৰৈমণি পুৰতে শুকুৰাই ডাকয় বাজে অষ্টমণি ধ্বনি।
সেই ধ্বনি শুনি জীউই তুতি কৰে আমাকো লৈ যাৰা বুলি।।

শুকুৰা - অৰ্থাৎ শুকুৰা নামৰ মহন্ত এগৰাকী আৰু ৰৈমণিপুৰ হল মনিপুৰ।

এই চিয়াঁ গীত সমূহৰ আন এটি উল্লেখনীয় দিশ হ'ল আজান ফকিৰ সৃষ্ট জিকিৰৰ লগতো কোনো কোনো ক্ষেত্ৰত সাদৃশ্য দেখা যায়। উদাহৰণ স্বৰূপে -

পচিশ কলহ জল দিলে আগবঢ়াই নগাই গা ধোৱকে বুলি।
পচিশ কলহ জল গাৰত ঢালিলা নিভিজিল মাথাৰে চুলি।।
আকৌ এই সংসাৰ এদিনৰ এই সংসাৰ দুদিনৰ এই সংসাৰ ফুলনিবাৰী।
আত্মা নিৰঞ্জন আত্মা সনাতন, আত্মা ধৰমৰ গুৰি।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে ৰূপক ধৰ্মীতা এই চিয়াঁগীত সমূহৰ অন্যতম বৈশিষ্ট্য। সাধাৰণ দৃষ্টিত ধৰা নপৰা একোটা তাত্বিক অৰ্থ ৰূপকৰ মাজত ডুবি থাকে। তাৰ লগতে যতুৰা ঠাচ, উপমা পটন্তৰ আদিৰ প্ৰয়োগে চিয়াঁ গীত সমূহক অধিক মনোগ্ৰাহী আৰু চিত্তাকৰ্ষক কৰি তুলিছে। এক বিশেষ ধৰ্ম পন্থাৰ অন্তৰ্গত গীত হোৱা স্বত্বেও এই চিয়াঁগীত সমূহ সাহিত্যিক গুণেৰে সমৃদ্ধ। স্বভাৱ কবি, ভক্ত সকলৰ দ্বাৰা ৰচিত এই চিয়াঁ গীত সমূহৰ ভাৱৰ প্ৰগাঢ়তা আৰু ব্যঞ্জনা ধৰ্মী শব্দৰ প্ৰয়োগে অন্তৰত প্ৰেম ভক্তিৰ উদ্ৰেক কৰে।

এই চিয়াঁগীত সমূহৰ ৰচনা কাল সম্পৰ্কে সঠিককৈ কব পৰা নাযায় যদিও এই গীত সমূহ যে যথেষ্ট প্ৰাচীন সেই কথা অনুমান কৰিব পাৰি সহজে। অসমীয়া সাহিত্যৰ অৰুণোদয় যুগৰ লেখক সাহিত্যিক সকলৰ লিখনীৰ লগত চিয়াঁগীত বোৰৰ লিখন পদ্ধতি, বাক্য গঠন, অক্ষৰ জোঁটনিৰ যথেষ্ট সাদৃশ্য দেখা যায়। তদুপৰি মান্য অসমীয়া ভাষাত ব্যৱহাৰ নোহোৱা দৰঙী উপভাষাৰ অনেক শব্দ চিয়াঁগীত বোৰত ব্যৱহাৰ কৰা কথাটোৱে চিয়াঁগীত বোৰ যে প্ৰাচীন দৰং ৰাজ্যত ৰচিত এই কথা প্ৰতিয়মান কৰে। যেনে - কুমুৰা (কোমোৰা), ধুলা (ধুলী), দিলা (দিলে), টোকন (টোকান), পাৰোৱা (পাৰ চৰাই), ভিজা (তিতা) ইত্যাদি।

সময়ৰ পৰিবৰ্তনৰ লগে লগে এই ধৰ্ম পন্থা অৱলম্বনকাৰী লোকৰ সংখ্যা যথেষ্ট কমি আহিল আৰু উপযুক্ত

সংৰক্ষণৰ অভাৱত এই অমূল্য সম্পদ চিয়াঁগীত বোৰৰ অনেক খিনি হেৰাই গ'ল। সময়ত কোনো বাদ্য অবিহনে সেৱা কাৰ্যত সভক্তিৰে পৰিবেশন কৰা চিয়াঁগীত সমূহ সেই আধ্যাত্মিক পৰিবেশৰ পৰা ওলাই আহি মুক্ত ভাৱে থলুৱা বাদ্য যন্ত্ৰ সহিতে পৰিবেশন কৰা এবিধ লোক সংগীত ৰূপে পৰিচিত হ'ল।

দৰং ৰাজ্যৰ এই আধ্যাত্মিক ভাৱ প্ৰকাশক চিয়াঁগীত সমূহৰ বিষয়ে অধিক আলোচনা আৰু অধ্যয়নৰ ক্ষেত্ৰ এখন পৰি আছে।

*****

- লেখক ঃ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চিয়াঁগীতৰ নিয়মীয়া শিল্পী।

# পশ্চিম অসমৰ দেশী মুছলমান সকলৰ নাওখেলৰ গীত

ড° মোঃ মোৰশেদুজ জামান

**আৰম্ভণি ঃ**

অবিভক্ত গোৱালপাৰা জিলাৰ লোক সংস্কৃতিৰ প্ৰাণ হ'ল লোকগীত। পশ্চিম অসমৰ অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা দেশী মুছলমানসকলৰ লোকমনৰ সম্পূৰ্ণ প্ৰতিচ্ছবি পোৱা যায় তেওঁলোকৰ লোকসাহিত্যত। এই লোক সাহিত্যই বিচিত্ৰ ৰং ব্যৱহাৰ কৰি দেশী সমাজ জীৱনক আৰু অধিক বৈচিত্ৰ্যময় কৰি তুলিছে। গাঁৱৰ অৰ্দ্ধশিক্ষিত আৰু অশিক্ষিত লোকসকল তেওঁলোকৰ আবেগ অনুভূতি প্ৰকাশ কৰিছে মৌখিক সাহিত্যত। শ্ৰুতি আৰু স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰি এই মৌখিক সাহিত্যবোৰ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰচলিত আৰু প্ৰসাৰিত হৈছে। দেশী মুছলমানসকলৰ লোক সমাজত লোকগীতৰ আধিপত্য লক্ষ্য কৰা দেখা যায়। সেয়ে লোকগীতক বাদ দি দেশীমুছলমানসকলৰ সাৰ্থক পৰিচয় লাভ কৰা নেযায়। এই লোকগীতসমূহ সংহত সমাজৰ দৃষ্টি আৰু ব্যক্তিৰ সলনি সমষ্টিৰ সৃষ্টি ৰূপেই পৰিচিত।

লোকগীতৰ গীতিকাৰ বা ৰচয়িতা কোন সেই সম্পৰ্কে নিশ্চিত কোনো তথ্যপাতি পোৱা নেযায়। সময়ৰ প্ৰভাৱত লোকসমাজত অভিজ্ঞতা প্ৰসাৰিত হয় আৰু ব্যক্তিৰ অনুভূতি সুন্দৰকৈ ফুটি উঠে লোকগীতত। অৱশ্যে এয়াও সত্য যে ব্যক্তিবিশেষৰ ৰচনা কোনো গীতত ব্যক্তিৰ অন্তৰৰ অনুভূতিই প্ৰকাশিত হয়, গোটেই সমাজৰ অভিজ্ঞতাসমূহ তাত প্ৰতিফলন নহয়।

লোকগীত হ'ল লোকজীৱনৰ গীত। যাৰ উৎস গাঁৱৰ মাটি, পানী, বায়ু, প্ৰভৃতি। ফলত ইয়াৰ মাজত উচ্চাৰিত হয় পৰম্পৰাগত শব্দ আৰু মাটিৰ গোন্ধ থকা নিভাঁজ সুৰৰ বৈচিত্ৰ্য। নাওঁখেলৰ গীত অবিভক্ত গোৱালপাৰা জিলাৰ দেশী মুছলমানসকলৰ মাজত অতি জনপ্ৰিয় লোকগীত। বাৰিষা কালত এই অঞ্চলৰ প্ৰায় প্ৰতিখন গাঁও নাওখেলৰ আনন্দত মতলীয়া হৈ পৰিছিল। আগৰ দৰে ইয়াৰ প্ৰতি থকা উছাহ বৰ্তমান নাই। তথাপি এতিয়াও বহুতো অঞ্চলত এইবোৰৰ প্ৰচলন আগৰ দৰেই আছে।

**বিষয়বস্তুৰ বিশ্লেষণ ঃ**

লোক সাহিত্যৰ এটি অন্যতম ভাগ হ'ল লোকগীত। লোকগীত সমূহৰ উৎস হ'ল গাঁৱৰ বায়ু, পানী আৰু মাটি। এই লোকগীতসমূহৰ সৃষ্টি কেনেকৈ হ'ল তাৰ কোনো নিৰ্ভৰযোগ্য তথ্য পাবলৈ নাই। হয়তোবা আদিম যুগৰ মানুহৰ জীৱন চৰ্চাত সুৰেই আছিল মানুহৰ ভাব প্ৰকাশৰ মাধ্যম। চৰাই চিৰিকতি, পশু, নৈ, জান জুৰিৰ মনোমুগ্ধ শব্দ বা মাতত মানুহে অনুকৰণ কৰিয়ে সুৰৰ সৃষ্টি কৰিছিল আৰু কালক্ৰমত সেয়াই হয়তো গীতৰ সৃষ্টি হৈছিল। লোকগীতসমূহ লোক সমাজৰ ভাব, ভাষা আৰু পৰিবেশ অনুযায়ী সুৰ আৰু ছন্দত প্ৰাচীন কালৰ পৰা এটি জনগোষ্ঠীৰ নিজস্ব ধাৰাত প্ৰতিনিধিত্ব কৰি আহিছে। লোকগীত সম্পৰ্কে ড° আশুতোষ ভট্টাচাৰ্যই তেখেতৰ "বাংলাৰ লোক সাহিত্য (২য় খণ্ড) গ্ৰন্থত কৈছে —

লোকগীতের প্রধান বিশেষত্ব এই যে ইহা মৌখিক রচিত হইয়া মৌখিক প্রসার লাভ করে। সমাজের মধ্যে শিক্ষা বিস্তার করিলেও কোনোদিনই ইহার লিখিয়া রাখিবার সংস্কার গড়িয়া উঠে নাই। লিখিত হইবা মাত্রই সাহিত্য একটি বিশেষ অনমনীয় (rigid) রূপ লাভ করে, কিন্তু যাহা কেবলমাত্র সমাজের স্মৃতিপথ অবলম্বন করিয়া মৌখিক প্রচার লাভ করে তাহার মধ্যে কখনও একটি সুনির্দিষ্ট রূপ গড়িয়া উঠিতে পারে না। প্রবাহমানতার মধ্যে দিয়াই লোকসংগীতের প্রাণশক্তি রক্ষা পায়। নূতন নূতন যুগে উত্তীর্ণ হইয়া ইহার মধ্যে নূতন নূতন উপকরণ সংগৃহীত হয় এবং তাহার ফলেই ইহার কোন অংশেই জীর্ণতা স্পর্শ করিতে পারে না।"[১]

দেশীমুছলমান সকলৰ লোকগীত বৈচিত্র্যময়। গাঁৱৰ শ্ৰমজীৱি কৃষকসকলৰ লোকমানসৰ সংস্কাৰগত চিন্তা-চৰ্চা, বিভিন্ন উৎসৱ অনুষ্ঠান, জগত আৰু জীৱন সম্পৰ্কে ঔৎসুক্য, প্ৰকৃতিৰ নৈসৰ্গিক দৃশ্য, নদী আৰু নাৱৰ ৰূপকাশ্ৰয়ী চেতনা, প্ৰেম প্ৰীতি, দৰিদ্ৰতা আদিক কেন্দ্ৰ কৰি এই গীতসমূহ ৰচিত হৈছে। লোকগীতৰ বিবিধ বিষয়ৰ গীতসমূহৰ ভিতৰত "নাওখেলৰ গীত" বোৰ পৰে। নাওখেলৰ গীতবোৰ অৱসৰ বিনোদনৰ বাবে গোৱা নহয়, এইবোৰ কৰ্ম সংগীত। কৰ্মৰ লগত এই গীতবোৰৰ নিকপকপীয়া সম্পৰ্ক। অবিভক্ত গোৱালপাৰা জিলা নদীমাতৃক জিলা। মহাবাহু ব্ৰহ্মপুত্ৰৰ উপৰিও এই অঞ্চলত বহুতো নৈ, উপনৈ আদি আছে। ব্ৰহ্মপুত্ৰৰ উপৰিও জিঞ্জিৰাম, টিপকাই, কালোনদী, কালিডাঙা, গদাধৰ, গঙ্গাধৰ আদি নৈবোৰ বাৰিষাকালত বাঢ়নী পানীৰে ওফন্দি উঠে। শাওনৰ পৰা ভাদ আহিন মাহত বাঢ়নী পানীৰে পৰিপূৰ্ণ এই নদীবোৰত নাওখেলৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰায় পোন্ধৰ বিশ বছৰ আগতে দশমীৰ দিনাখন এই নাওখেল অনুষ্ঠিত হৈছিল যদিও এতিয়া দশমীৰ দিনাখন নহৈ শাওনৰ পৰা আহিন মাহৰ যিকোনো দিনতে এই নাওখেল অনুষ্ঠিত হয়।

পশ্চিম অসমৰ বিভিন্ন অঞ্চলত নাওখেল দেখিবলৈ পোৱা যায়। এই নাওবোৰৰ বহল বা প্ৰস্থ কম থাকে যদিও দৈৰ্ঘ্য বহু বেছি থাকে। এডাল গছৰে পৰা তৈয়াৰী গোটা জোঙা আকৃতিৰ এই নাওবোৰৰ দৈৰ্ঘ্য প্ৰায় ১০০ ফুটৰ পৰা ১২০ ফুটলৈকে হয়। নাওখনৰ আগটিংটো (যাক আগামূৰ বুলি কয়) পানীৰ পৰা প্ৰায় ২ বা ৩ ফুট উচ্চতাত থাকে আৰু পিছটিংটো (পাছামূৰ) পানীৰ প্ৰায় ৪ বা ৫ ফুট উচ্চতাত থাকে। অকল খেলৰ বাবে ব্যৱহৃত এই নাওবোৰ সাধাৰণতে এজাৰ (জাৰুল), কৰৈ, কঁঠাল, শাল আদি গছৰ কাঠেৰে তৈয়াৰ কৰা হয়। নাওখন বিভিন্ন ৰঙেৰে ৰংচঙিয়াকৈ তৈয়াৰ কৰা হয়। নাৱৰ গাত বিভিন্ন গছ লতিকা, ফুল, চৰাই আদিৰ ছবি অংকন কৰা হয়। আনকি নাওখনৰ আগটিং (আগামূৰ) টো ৰাজহাঁহৰ মূৰ, মৰা চৰাইৰ মূৰ আকৃতিৰ বনাই লয় কোনোবা কোনোবাই। এই নাওবোৰৰ কিছুমান নাম দিয়া হয় - পঙ্খীৰাজ, কাজিৰঙা, চিলাৰায়, তুফানমেল, ধুম, গদাধৰ পাগলাবাবা, বাহাদুৰ, কিৰণমালা আদি।

নাওখেল অনুষ্ঠিত হোৱাৰ দিন বাৰৰ সময় আদি হাট বজাৰত ঢোল কোবাই বা মাইকযোগে জাননী দিয়া হয়। নিৰ্দিষ্ট দিনা প্ৰতিযোগীসকলে নাও লৈ পূৰ্বনিৰ্দ্ধাৰিত স্থানত গৈ উপস্থিত হয়। যি স্থানৰ পৰা নাও খেল প্ৰতিযোগিতা আৰম্ভ হ'ব সেই ঠাইডোখৰক কোৱা হয় 'মিনাৰ'। পশ্চিম অসমৰ চিৰাখাওয়া (কালোনদী), কুচনীমাৰা (কালোনদী), বোয়ালিয়া (জিঞ্জিৰাম), আসাম কাটা (আসাম কাটা বিল), পুৰাণ দিয়াৰা তেলীপাৰা, সুখচৰ টাকিমাৰী আদি অঞ্চলত এতিয়াও প্ৰতিবছৰে নাওখেল অনুষ্ঠিত হয়। নাওখেল চাবলৈ বিভিন্ন স্থানৰ পৰা মানুহে ঢাপলি মেলে।

নাওখেলৰ কিছুমান ৰীতি নীতি আছে। নাওখেলৰ উদ্দেশ্যে নাও যাত্ৰা কৰাৰ সময়ত নাওৰ আগটিংত মালা এডাল দিয়া হয়, লগতে নাওৰ দুয়োফালে (আগটিংৰ) ৰঙা ৰঙৰ (স্থানীয় ভাষা শালুক কাপোৰ বুলি কয়) কাপোৰ মেৰাই দিয়া হয়। ইয়াৰ পিছত এডাল মম বাতিৰ লগতে কেবাটাও ধূপকাঠি জ্বলাই দিয়া হয়। তাৰ পিছত গোটেই নাৱতে জৰাফুকা পানী ছটিয়াই দিয়াৰ পিছত এবাটি এঁৰা গাখীৰ ঢালি দিয়া হয় আগটিংত। ইয়াৰ পিছত নাৱৰ মালিকে বা গাঁৱৰ মুৰব্বীয়ে আগটিংত পানী ঢালি দিয়ে। লোকবিশ্বাস মতে এনেকৈ পানী ঢালি নাওখনক পানী খুৱাই দিয়া হয়, যাতে নাওখন ডুব নাযায়। পানী পিবলৈ নাওখন পানীৰ তললৈ গমন কৰে বুলি বিশ্বাস কৰা হয়। ইয়াৰ পিছতে নাওখনক সাতবিধ বস্তু দিয়া হয়। সেইবোৰ হ'ল — ধান, হালধি, আৰৈ চাউল, দুবৰি বন, ৰঙা ৰঙৰ কাপোৰ টুকুৰা, বগা ৰঙৰ কাপোৰৰ টুকুৰা আৰু যিকোনো তিনিটা ৰঙৰ কপাহী সূতা। এই নীতি নিয়মবোৰ কৰিলে জল দেৱতাই ৰুষ্ট নহয় বুলি দেশী মুছলমান সকলে

বিশ্বাস কৰে। জল দেৱতাক সন্তোষ কৰাৰ বাবেই নাও যাত্ৰাৰ আগত খেলুৱৈ (বাইছাল) হঁতক নিৰামিষ আহাৰ দিয়া হয়। নাওখন যেতিয়া খেলৰ বাবে যাত্ৰা আৰম্ভ কৰে তেতিয়া খেলৰ বাইছাল হঁতে স্ৰষ্টাক স্মৰণ কৰি সমবেত গীত গাই যাত্ৰা আৰম্ভ কৰে —

"আল্লা ৰছুল কন ৰে ভাই
কলেমা পৰি ৰওনা দেই
জিঞ্জিৰামত যামো আমৰা
আল্লাৰ নামে কৰলেম যাত্ৰা
আল্লা ৰছুল কন ৰে ভাই
নাও খেলাবেৰ আমৰা যাই
কলেমা পৰি ৰওনা দেই।"

ইয়াৰ পিছত তেওঁলোকে যাত্ৰা পথত নিজৰ সঙ্গীক উদ্দেশ্যিও গীত গাই যায় আৰু নিজৰ প্ৰেয়সীক যে কিমান ভলপায় সেয়া গীতৰ মাধ্যমেৰে প্ৰকাশ কৰে —

"আৰে ঝিলমিল ঝিলমিল কৰে
আমাৰ সুন্দৰীৰ গাও।
সুন্দৰীৰ কাৰণে কিনিয়া আনিলুং
নাকেৰ ফুলো ৰে
আৰে ঝিলমিল ঝিলমিল কৰে
আমাৰ সুন্দৰীৰ গাও
সুন্দৰীৰ কাৰণে কিনিয়া আনলুং
গলাৰ শোনাৰ হাৰ ৰে।"

কেতিয়াবা কেতিয়াবা কোনো যুৱতীৰ প্ৰশংসা কৰিও গীত গোৱা হয় —

"বাইড্ডাগে কদমেৰ গাছ ৰে
এ কদম ধছে ঝোপায় ঝোপায়
হাটিয়া যাইতে খশিয়া পৰে
সকিন চেংৰীৰ খোপাতে
বাইড্ডাগে কদমেৰ গাছ ৰে।"

এইদৰে গীত গাই গাই নাঁৱৰীয়া সকলে গৈ 'মিনাৰ'ত উপস্থিত হয়। সকলো প্ৰতিযোগী একগোট হোৱাৰ পিছত নাওখেল আৰম্ভ হয়। নাওখেলৰ নাওখনত দুয়োকাযে (যাক গোৰে বা বাহে বুলি কয়) নাৱৰীয়া (বাইছাল) হঁত নিৰ্দিষ্ট এক দূৰত্ব বজায় ৰাখি শাৰী পাতি বঠা লৈ বহে। বাইছালহঁতৰ বঠা মৰা যাতে সুষ্ঠভাৱে সম্পন্ন হয় তাৰ বাবে এজন পৰিচালক থাকে। যাক কোৱা হয় শাৰেইল বা গীদাল। তেওঁ নাৱৰ মধ্য অংশত থাকে। নাৱৰ পিছ অংশ (পাছামুৰ) ত পাছা মাঝি গুৰি বঠা ধৰে। পাছা মাঝিৰ আগত ১২ জনমান কুল মাঝি থাকে। প্ৰতিযোগিতা আৰম্ভ হোৱাৰ লগে লগে বাইছালহঁতে জয়ধ্বনি দি নাও মেলিয়ে এটি গীত সমবেত ভাবে গাবলৈ ধৰে। সেই গীতৰ তালে তালে একেই ছন্দত জোৰে জোৰে বঠা মাৰিবলৈ ধৰে। যাৰ ফলত কাৰো বঠা কাৰো লগত লগালগি নহয় আৰু পানীত লাগি অভিঘাতৰ সৃষ্টি নহয়। গীদালৰ লগতে এজন ব্যক্তিয়ে কাঁহ বজাই গীতৰ গতি বজাই ৰখাত সহায় কৰে। কাঁহ বজোৱা ব্যক্তিজনক "কাশিয়ে" বুলি কোৱা হয়। বেলেগ প্ৰতিযোগীৰ নাও পিছত পেলাই নিজৰ নাও সকলোৰে আগত লৈ যোৱাৰ চেষ্টা কৰে। প্ৰয়োজনত গীতৰ আৰু বাদ্যৰ গতি বঢ়াইয়ো দিয়া হয়। এই উত্তেজনাপূৰ্ণ সময়ত দেহমনৰ উত্তেজনাত গীতৰ মাজে মাজে হেইছা, হেইয়ো ৰে হেইয়ো, আদি শব্দও ব্যৱহাৰ কৰা হয়। নাওখেলৰ গীতৰ ইয়ো এটি বৈশিষ্ট্য। নাঁৱত থকা মূল পৰিচালক বা গীদালে

কেতিয়াবা নাঁৰৰ আগ অংশত, কেতিয়াবা মাজ অংশত থাকি বাইছালহঁতক উৎসাহিত কৰাৰ বাবে গীত গাই থাকে। গীদালৰ লগে লগে বাইছালহঁতো সমস্বৰে গীত গায় —

| | | |
|---|---|---|
| শাৰেইল / গীদাল | ঃ | ‘অ’ শাদেৰ কালা ৰে<br>পাৰ কৰি দে বিন্দাবনে যাই। |
| বাইছ্লা | ঃ | পাৰ কৰি দে বিন্দাবনে যাই। |
| শাৰেইল / গীদাল | ঃ | কালা যখন বাজায় বাশী<br>আমৰা কৰি ছাটি ফুটি<br>অ’ শাদেৰ কালা ৰে<br>পাৰ কৰি দে বিন্দাবনে যাই। |
| বাইছাল | ঃ | অ’ শাদেৰ কালা ৰে<br>পাৰ কৰি দে বিন্দাবনে যাই। |
| শাৰেইল / গীদাল | ঃ | কালা যখন বাজায় বাশী<br>আমৰা শেলা মুছকি হাসি। |
| বাইছাল | ঃ | কালা যখন বাজায় বাশী<br>আমাৰ শেলা মুছকি হাসি। |
| শাৰেইল / গীদাল | ঃ | অ’ শাদেৰ কালা ৰে<br>পাৰ কৰি দে বিন্দাবনে যাই। |
| বাইছাল | ঃ | পাৰ কৰি দে বিন্দাবনে যাই। |

উক্ত গীতটোত ৰাধা কৃষ্ণৰ প্ৰেমৰ কথা স্পষ্টভাবে ফুটি উঠিছে। কিছুমান গীতত দেওৰেকৰ লগত থকা প্ৰেমৰ ভাব ফুটি উঠিছে। উদাহৰণ স্বৰূপে —

| | | |
|---|---|---|
| শাৰেইল / গীদাল | ঃ | আস্তে ধীৰে মাৰো বৈঠা<br>লম্বা টানো দিও ৰে<br>হাতে লাগে শোনাৰ দেওৰা ৰে। |
| বাইছাল | ঃ | হাতে লাগে শোনাৰ দেওৰা ৰে। |
| শাৰেইল / গীদাল | ঃ | হাতে লাগে বেথা ৰে<br>হাত ছাৰি দেও শোনাৰ দেওৰা ৰে। |
| বাইছাল | ঃ | হাতে লাগে বেথা ৰে<br>হাত ছাৰি দেও শোনাৰ দেওৰা ৰে। |
| গীদাল | ঃ | বাপো কছিল যাবাৰ মোকে<br>যাবাৰ নাদে তোৰে শাতে<br>হাত ছাৰি দেও ভাবেৰ দেওৰা ৰে। |
| বাইছাল | ঃ | হাত ছাৰি দেও ভাবেৰ দেওৰা ৰে। |
| গীদাল | ঃ | হাতে লাগে বেথা ৰে<br>হাত ছাৰি দেও শোনাৰ দেওৰা ৰে। |
| বাইছাল | ঃ | হাতে লাগে বেথা ৰে<br>হাত ছাৰি দেও শোনাৰ দেওৰা ৰে।” |

দেশী লোক সমাজত দেওৰ আৰু নবৌৰ সম্পৰ্ক বেছ সুমধুৰ। তেওঁলোকৰ মাজত নিভাঁজ বন্ধুত্ব থাকিলেও

কেতিয়াবা কেতিয়াবা তেওঁলোকৰ মাজত অবৈধ সম্পৰ্কও গঢ়ি উঠে। তাৰে প্ৰতিফলন ঘটিছে উক্ত গীতটিত। ইজনে সিজনৰ মনোৰল বঢ়োৱাৰ বাবেও গীত গোৱা হয়।

| | | |
|---|---|---|
| শাৰেইল / গীদাল | ঃ | আমৰা নাও চলাইৰে কালো নদী দিয়া<br>বৈঠা টানত উটে ছল ছলাইয়া। |
| বাইছাল | ঃ | আমৰা নাও চলাইৰে কালো নদী দিয়া<br>বৈঠা টানত উটে ছল ছলাইয়া। |
| শাৰেইল / গীদাল | ঃ | শাইৰে শাইৰে বৈঠে উঠে শাইৰে শাইৰে পৰে<br>পাছাৰ মাঝি হাইল ধৰি চৰচৰাইয়া। |
| বাইছাল | ঃ | শাইৰে শাইৰে বৈঠে উঠে শাইৰে শাইৰে পৰে<br>পাছাৰ মাঝি হাইল ধৰি চৰচৰাইয়া। |
| শাৰেইল / গীদাল | ঃ | কুচনীমাৰাৰ নাও দৌৰানী আমৰা শগাই জানি<br>ঝকমকা নাওৰে ভাই কাটায়ে গাঙেৰ পানী। |
| বাইছাল | ঃ | কুচনীমাৰাৰ নাও দৌৰানী আমৰা শগাই জানি<br>ঝকমকা নাওৰে ভাই কাটায়ে গাঙেৰ পানী। |
| শাৰেইল / গীদাল | ঃ | বৈঠা মাৰো জোৰে মাৰো ফাটাইক গাঙেৰ পানী<br>শগাৰে আগত নাওখেল আমাৰ এটাও আমাৰ জানি। |
| বাইছাল | ঃ | বৈঠা মাৰো জোৰে মাৰো ফাটাইক গাঙেৰ পানী<br>শগাৰে আগত নাওখেল আমাৰ এটাও আমাৰ জানি। |

নাওখেল শেষ হোৱাৰ পিছতো নাৰৰীয়াহঁতে নদীতে বহুসময় গীত গাই নাও চলাই ফুৰে নদীতে। কিছুমান গীতত তেওঁলোকে নিজৰ বিষয়ে গীতৰ জৰিয়তে প্ৰকাশ কৰে —

"বাৰী আমাৰ চিৰাখাওয়া ৰে
আৰে জিলা ধুবৰী ৰে।
আলং মাছেৰ তেলং তেলং ৰে
বাইট্কে মাছেৰ পেটি ৰে।
আলং মাছেৰ তেলং তেলং ৰে
বাৰী আমাৰ চিৰা খাওয়া ৰে।
আৰে নাওৱালাৰ নাম আখিৰুল ভাই ৰে।
বাৰী আমাৰ চিৰা খাওয়া ৰে।

প্ৰতিযোগিতাৰ শেষত যেতিয়া ঘৰমুৱা হয় তেতিয়াও তেওঁলোকে গীত গাই গাই আনন্দ উল্লাস প্ৰকাশ কৰে। এই গীতবোৰত নাৰী পুৰুষৰ প্ৰেম প্ৰীতি, পৰকীয়া প্ৰেম আদি কথা গীতৰ মাজেৰে প্ৰকাশ কৰে —

"ঝৰি পৰে ইপো ৰে ঝিপো
আগিনা গেল মোৰ ভিজিয়া ৰে ৰশিয়া
সেই না আগিনায় নাচিতে নাচিতে
কোমৰ গেল মোৰ ভাঙিয়া ৰে ৰশিয়া
ঝৰি পৰে ইপো ৰে ঝিপো
আগিনা গেল মোৰ ভিজিয়া ৰে ৰশিয়া
সেই না আগিনায় নাচিতে নাচিতে

শাৰি গেল মোৰ ছিৰিয়া ৰে
আৰে দেওৰা নাই মোৰ ঘৰে ৰে ৰশিয়া
কৈ মাছতো ভাজিলেম ভাতো তো আন্দিলেম
দেওৰা নাই মোৰ ঘৰে ৰে
বিছনাওতো পাৰিলেম মুশ্‌ৰিও তো দিলেম
শুৱাইয়া নাই মোৰ ঘৰে ৰে ৰশিয়া
ঝৰি পৰে ইপো ৰে ঝিপো
আগিনা গেইল মোৰ ভিজিয়া ৰে।”

নাওখেলৰ কিছুমান গীতত আধ্যাত্মিকতাৰ সুৰো শুনা যায় —

“পাখি একবাৰ উৰেও দেখি ৰে
আৰে উৰিয়ো যায় ৰে ময়না পাখি
আৰে উৰেইতে উৰেইতে ময়না
আৰ বইশ্‌লোনা কদম জলতে
আৰে উৰিয়ে যায় ৰে ময়না পাখি
আইশ্‌পে না আৰ ফিৰিয়া ৰে।”

কিছুমান গীতৰ মানবিক আবেদন অত্যন্ত মৰ্মস্পৰ্শী আৰু শ্ৰদ্ধাযুক্ত। ঈপ্সিত পুৰুষক কাষত পাবলৈ নাৰীয়ে উৎকণ্ঠা আৰু লাজত অস্থিৰ হয়। পুৰুষক কেনেদৰে নিজৰ কৰি ল'ব তাৰে নানা ফন্দিও পাতে —

জগ বাজাৰেৰ বুগলে বুগলে
মাউতে চৰায় হাতী
আৰে হাতীৰ পিষ্ঠত চৰিবাৰ আশায়
চালাইলেম ৰে পীৰিতি
কালা ছাৰিয়া নাযান ৰে
কালা বুকতে শেলো দিয়া ৰে
ঐ হাটিয়া যাইতে কোমৰ ঢোলে
কামকন্নীৰ গুৱে খায়া ৰে।
একবাৰ আইশেন আমাৰ বাৰীত ৰে।”

এইবোৰ গীতত নাৰী হৃদয়ৰ বেদনাৰ গভীৰ অভিব্যক্তি প্ৰকাশ পালেও বৈচিত্ৰ্যহীনতাৰ নামগোন্ধ নাই। অকল যে নাৰী হৃদয়ৰ কথাই প্ৰকাশ পায় তেনে নহয়, নাওখেলৰ কিছুমান গীতত পুৰুষ হৃদয়ৰ কথাও সুন্দৰকৈ ফুটাই তোলা দেখা যায়।

“ময়না লো পীৰিত কৰি ছাৰি যাইস নে
পীৰিত কৰি ছাৰি গেলে
দেহত পৰাণ থাইপেৰ নয়
ময়না লো পীৰিত কৰি ছাৰি যাইস নে
ময়না তুইয়ে ৰতন তুইয়ে যতন
তুইয়ে গলাৰ হাৰ
ময়না লো তুই ছাৰা মোৰ জীৱন অন্ধিকাৰ।
পীৰিত কৰি ছাৰি যাইস নে।

তুই মোৰ ৰাধা তুই মোৰ কানু
এক সাতে আমৰা বাজাই বেনু
ময়না লো পীৰিত কৰি ছাৰি যাইস নে।

নাওখেলৰ গীতবোৰৰ কেবাটাও ভাগ আছে। বিভিন্ন মুহূৰ্তৰ বিভিন্ন ধৰণৰ গীত গোৱা হয়। নাও লৈ যেতিয়া নাৰৱীয়াহঁত নিজ গাঁৱৰ ঘাটৰ পৰা যাত্ৰা আৰম্ভ কৰে তেতিয়া যিবোৰ গীত গোৱা হয় সেইবোৰক কোৱা হয় 'বন্দনা গীত'। এই গীতবোৰ ধীৰ লয় আৰু তালৰ গীত। ইয়াৰ পিছতে যেতিয়া নাওখেলৰ প্ৰতিযোগিতা আৰম্ভ হয় তেতিয়া প্ৰথমৰ ফালে মধ্যম লয়ৰ গীত গোৱা হয় আৰু প্ৰতিযোগিতা যেতিয়া তীব্ৰ ৰূপ ধাৰণ কৰে বা তুঙ্গত উঠে তেতিয়া উত্তেজনাৰ বশত দ্ৰুত লয়ৰ উদ্দীপক গীত গোৱা হয়। এই উদ্দীপক গীতসমূহ বাইছালৰ শক্তি আৰু গতি বঢ়োৱাত মানসিকভাবে সহায় কৰে। প্ৰতিযোগিতাৰ চূড়ান্ত সময়ত অকল তাল আৰু বাদ্য বজোৱা হয়, ইয়াৰ লগে লগে বাইছালৰ মুখত অকল 'হেইয়ো ৰে হেইয়ো', 'হেইসা', 'জোৰে মাৰো বৈঠা' আদি শব্দ আৰু বাক্যবোৰ সমস্বৰে উচ্চাৰণ কৰে। প্ৰতিযোগিতাৰ শেষত বিজয়ী নাওখন নিজৰ গাঁওখন আৰু ওচৰৰ গাঁৱৰ নদীত নানা ধৰণৰ আবেগ সম্পন্ন গীতবোৰ গাই গাই ফুৰে। এইবোৰ গীত মধ্যম লয় আৰু ধীৰ লয় তালৰ হয়। নাওখেল শেষ হোৱাৰ পিছতো কেবাদিন বিজয়ী নাওখন গাঁৱে গাঁৱে গীত গাই ফুৰে ; কোনোবা কোনোবাই উপহাৰ দিয়ে। উপহাৰ পালে গৃহস্থক আশীৰ্বাদ দি গীত গায় —

(১) "তেলীপাৰাৰ মনিৰ ভাই
খুবেই ভাগ্যবান
চিনি পান খাওয়াইয়া দিলোৰে টেকা দান।
গোলা ভৰা ধান হউক
ডিগি ভৰা মাছ হউক
মনিৰ ভাইৰ ভালা হউক
তেলীপাৰাৰ মনিৰ ভাই
খুবেই ভাইগ্‌গোবান ৰে
কালা খুবেই ভাইগ্‌গোবান
মনিৰ ভাইৰ মান বাৰুক
শগাই আশি কোলাম কৰুক
মনে ৰাখমো মনিৰ ভাইৰ দান।"

(২) এই বাৰীটা বৰোই ভালা
চিনি পান দিছে মুখ ভৰা
আৰো দিছে হাজাৰ টেকা ৰে
ধানে বাৰীটা উছলি পৰুক
গোইল ভৰা গৰু হউক
বাৰীৰ মানুষটা বৰোই ভালা ৰে
পিয়াজবাৰী যামো আমৰা
তোমাৰ কথা কমো আমৰা
এই বাৰীটা বৰোই ভালা ৰে
গিৰোস্তেৰ মান বাৰুক
শগাই আশি শেলাম কৰুক
শগাকে কমো তোমাৰ কথা ৰে।

পশ্চিম অসমৰ দেশী মুছলমান সকলৰ মাজত প্ৰচলিত নাও খেলৰ গীতবোৰ বিশ্লেষণ কৰিলে দেখা যায় যে —

ক) নাওখেলৰ গীতবোৰৰ কথা সহজ সৰল।

খ) গীতবোৰত প্ৰয়োগ হোৱা সুৰবোৰ সৰল। অলংকাৰ বৰ্জিত যদিও দ্ৰুত আৰু ধীৰ লয়ত গীতবোৰ গোৱা হয়।

গ) স্থানীয় ভাষা আৰু সুৰৰ প্ৰাধান্য লক্ষণীয়।

ঘ) গীতবোৰৰ বিষয় বস্তু প্ৰশস্তিমূলক, প্ৰেমপ্ৰীতি, পৰকীয়া, হাস্যৰসাত্মক আৰু আক্ৰমণাত্মক।

ঙ) আঙ্গিকগত স্বতন্ত্ৰতা নাওখেলৰ গীতবোৰৰ অন্যতম বৈশিষ্ঠ্য।

চ) প্ৰাকৃতিক দৃশ্যতকৈ মানৱীয় প্ৰেমৰ ওপৰত গুৰুত্ব বেছি আৰু লগতে আধ্যাত্মিকতাৰ সুৰো শুনা যায়।

ছ) গীতবোৰ পুৰুষে গায়।

জ) নাওখেলৰ গীতবোৰত বাদ্য যন্ত্ৰৰ প্ৰয়োগ কম। কাঁহ আৰু ঢোলৰ ব্যৱহাৰ বেছিকৈ হয়।

**সামৰণি ঃ** নাওখেলৰ গীতবোৰ শ্ৰেণীবদ্ধ এদল কৰ্মৰত মানুহৰ সমবেত গীত। কৰ্মজনিত শ্ৰম লাঘৱ আৰু নাওখেলৰ সময়ত উৎসাহ আৰু উদ্দীপনাৰ বাবে সমবেত কণ্ঠত এই গীতবোৰ গোৱা হয়। গীতবোৰ প্ৰেমপ্ৰীতিমূলক, আধ্যাত্মিক, হাস্যৰসাত্মক আৰু আক্ৰমণাত্মক। গীতবোৰ চহা লোকৰ হৃদয়ৰ স্পৰ্শ থাকে। মুখে মুখে প্ৰচলিত এই গীতবোৰ সংৰক্ষণ নকৰিলে কালৰ গ্ৰাসত হেৰাই যে যাব ই ধুৰুপ। বিশ্বায়নৰ প্ৰভাৱ লোক সংস্কৃতিৰ ওপৰতো পৰিছে। বিজাতীয় সংস্কৃতিৰ প্ৰতাপত আমাৰ নিজা সংস্কৃতি সংকটৰ গ্ৰাসত। আমাৰ লোক সংস্কৃতিক আমিয়ে ৰক্ষা কৰিব লাগিব।

**প্ৰসংগ পুথি ঃ**

১। ভট্টাচাৰ্য, শ্ৰী আশুতোষ ঃ বাংলাৰ লোক-সাহিত্য, ক্যালকাটা বুক হাউস, কলিকাতা-১২, ১৯৫৪

২। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, গুৱাহাটী, ২০১৮

**সমল দাতা ঃ**

(১) মফিজুল হক, বিষখাওয়া, আগমনি (২) আবুল কালাম আজাদ, দক্ষিণ শালমাৰা (৩) ড° মজিবৰ ৰহমান, দক্ষিণ শালমাৰা, (৪) বিপুল ইছলাম, বাঘাপাৰা, মানকাচৰ (৫) শৰীফ আহমেদ শ্বাহ, ঝাউডাংগা, মানকাচৰ (৬) ৰফিক মণ্ডল, চিৰাখোৱা, মানকাচৰ (৭) আতোৱাৰ ৰহমান, চিৰাখোৱা, মানকাচৰ।

*****

● লেখক ঃ সহকাৰী অধ্যাপক, মানকাচৰ মহাবিদ্যালয়, মানকাচৰ।

# দুটিমান অনুষ্ঠানমূলক লোকগীত

ড° অনিল শইকীয়া

**কৃষিভিত্তিক অনুষ্ঠানমূলক গীতঃ**

**কাতি বিহুৰ তুলসীৰ গুৰিত গোৱা নাম**

যি সময়ৰ পৰা সমাজত কৃষিকাৰ্য নিয়াৰিকৈ সম্প্ৰদান হ'বলৈ ধৰিলে, সেইসময়ৰ পৰা কৃষিভিত্তিক নানান অনুষ্ঠানৰ জন্ম হ'ল। মানুহে অভিজ্ঞতাৰ পৰা দেখিলে আহিন আৰু কাতিৰ দোমাহী দিনৰ পৰা সজাল ধৰাৰোৱাৰ পৰা ধান ওলাই। পথাৰত ধান দেখি মানুহৰ মনলৈ আনন্দ উল্লাস আহে। মানুহৰ মন উৎসৱমুখী হয়। জন্ম হ'ল এটি অনুষ্ঠান।.নাম থলে কাতি বিহু। খোৱা বোৱাত উলহ-মালহ নাই ,সেইকাৰণে কোনোৱে ক'লে কঙালী বিহু। উৎসৱ মানেই বিবিধ আনুষ্ঠানিকতা। উৎসৱ মানেই গীত।তাৰে এটি আনুষ্ঠানিকতা হ'ল- চোতালৰ এচুকত এটি তুলসীৰ পুলি ৰোৱা। তাৰ কাষতে বহি সভক্তিৰে গীত পৰিবেশন। উজনি অসমৰ চহাকবিয়ে ৰচনা কৰা এটি অসাধাৰণ গীত। গীত ৰচকে মুখে মুখে শুনা আকাশৰ চন্দ্ৰৰ বুকুত কল্পনা কৰা মৃগপহু আৰু ধনুধাৰী ৰামচন্দ্ৰক গীতৰ মাজত ঠাই দিয়ে-

*তুলসীৰ তলে তলে মৃগপহু চৰে*
*তাকে দেখি ৰামচন্দ্ৰই শৰ ধেনু জোৰে।*

কামৰূপ অঞ্চলতো স্থানীয় শব্দৰে একেটি গীতকে তুলসীৰ গুৰিতগীত গায়। গীতটিৰ শব্দবিন্যাস কিছু পৃথক। কিন্তু তুলসীৰ গুৰিত গোৱা গীতটিৰ সাৰমৰ্ম একেই-

*তুলসীৰ গোৰে গোৰে মৃগপহু ঘূৰে*
*তাকে মাৰিবাক লাগি ৰামে যতন কৰে।*
*ৰাম গৈলা মৃগ মাৰিবা লক্ষ্মণ গৈলা লৰি*
*লঙ্কাৰ ৰাৱণে পাই সীতাক নিলা হৰি ।*
*মৰি গেল তুলসী সৰি গেল পাত*
*গুৰ্খা চলি নাম ধৰে উঠে জাত জাত।*

**লক্ষ্মীদেৱীৰ নাম**

কৃষিজীৱী সমাজে ধানমুঠিক লক্ষ্মীজ্ঞান কৰে। ধানমুঠি হ'লেই বছৰটোলৈ নিচিন্ত। ধানক লখিমী বোলা হয়। লখিমী শব্দটো লক্ষ্মী শব্দৰে অন্য এটি ৰূপ। ধান বা শস্যৰ অধিপতি দেৱীৰ নাম লক্ষ্মী বুলি কল্পনা কৰা হ'ল। ভবা হ'ল লক্ষ্মীদেৱীক অৰ্চনা কৰিলে পথাৰৰ ধানমুঠি ভাল হ'ব। কাতিমাহৰ পূৰ্ণিমা তিথিকে লক্ষ্মীদেৱীক পূজা-অৰ্চনা কৰাৰ দিন

নিৰ্বাচিত কৰা হ'ল। নাম থলে লক্ষ্মী পূৰ্ণিমা। সেইদিনা সন্ধিয়া লক্ষ্মীদেৱীক আনুস্থানিক আৰাধনা কৰাৰ নিয়ম কৰা হ'ল। লক্ষ্মীদেৱীক আৰাধনা কৰিবলৈ কিছুমান গীত ৰচনা কৰা হ'ল। সেইদিনা সময়ত সমগ্ৰ অসমতে আনুষ্ঠানিকভাৱে লক্ষ্মীদেৱীৰ নাম গোৱাৰ এটি পৰম্পৰা সৃষ্টি হ'ল। লক্ষ্মীপূজাৰ গীতসমূহৰ সাহিত্যও মনোৰম। য'ত বৈষ্ণৱ সাহিত্যৰ ৰচনা শৈলীৰো প্ৰভাৱ বিদ্যমান। লক্ষ্মী আইৰ জন্ম ৰহস্য ব্যাখাত কোৰা হৈছে- 'সাগৰ মথোঁতে লক্ষ্মী বাজ হৈলে দেৱগণে আছিলে, চাই' । লক্ষ্মী আই জন্ম হৈ কাকো কটাক্ষ নকৰি হাতত সূবৰ্ণৰ মালা লৈ ধীৰে ধীৰে শ্ৰীকৃষ্ণৰ ওচৰলৈ গ'ল। লক্ষ্মীক দেখি তিনিও ত্ৰৈলোক্যৰ নাথ শ্ৰীকৃষ্ণই চাৰিও হস্ত মেলি অতি আশ্বাসৰে আদৰণি জনালে। সুকোমল শব্দৰে লক্ষ্মী আইৰ গীতত কাহিনী বৰ্ণিত হৈছে। লক্ষ্মীআইৰ গীতসমূহত ৰচকৰ কল্পনা আৰু শব্দচয়ান অতি চমকপদ।

(1) *সাগৰ মথোঁতে লক্ষ্মী বাজ হৈলে*
*দেৱগণে আছিলে চাই।*
*কাকো কটাক্ষ নকৰে লক্ষ্মী আই*
*ধীৰে ধীৰে চলি যায়।*
*সূবৰ্ণৰে মালা কৃষ্ণৰ শিৰে দিলা*
*লাজে চপৰাইলা মাথ*
*চাৰিও হস্ত মেলি আশ্বাস কৰিলে*
*তিনিও ত্ৰৈলোক্যৰে নাথ।*

(2) *লক্ষ্মী আহিল মোৰ ঘৰে*
*কৃষ্ণ আহিল মোৰ ঘৰে*
*ধূপ-দীপে পূজা কৰো অৰুণ চৰণে।*

**লখিমী আদৰা নাম**

আঘোন মাহলৈকে লক্ষ্মীআই পথাৰৰ মাজৰ ধানগুটিৰ মাজত থাকে । আঘোন পুহ মাহত শস্য চপোৱাৰ পাচত লক্ষ্মীআই পথাৰৰ পৰা গুচি গৈ কোনোবা নিজান পাহাৰ বা জলাশয়ত আশ্ৰয় লৈ থাকে বুলি জনসাধাৰণে বিশ্বাস কৰে। বাৰিষা যেতিয়া কৃষকে পথাৰত হালজোৰে যেতিয়া বৰষুণৰ পানীৰে পথাৰ চপ-চপিয়া হয় তেতিয়া লক্ষ্মীআইক আদৰণি জনায় কিছুমান নাম গোৱা হয়, যাতে লক্ষ্মীআইয়ে পথাৰখনি শস্য শ্যামলা কৰি যায়। নিম্নোক্ত গীতটি উল্লেখ থকা *মৰাণৰ জীয়ৰী, খাওখাম দেৱতা,দেওধাই* প্ৰভৃতি শব্দৰ পৰা অনুমান হয় গীতটি উজনি অসমত ৰচিত। গীতৰ ভাষাত আছে গ্ৰাম্য সৰলতা। য'ত দলৰ কাণেমাৰি, বজালৰ লাখুটি, কল পিঠাগুৰি, ৰায়ত, থুৰিপোক,শনাহী, জোট জৰী, খকুৰা বামুন,উদুলি মুদুলি,কৰুলা কপিলা, আদি শব্দ প্ৰয়োগে গীতসমূহত এক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে।

*লক্ষ্মী আই সুন্দৰী মৰাণৰ জীয়ৰী*
*খোড়া হুচুঙৰে জী এ।*
*দলৰ কাণে মাৰি বজালৰ লাখুটি*
*আহা ভৈয়ামলৈ নামি এ।*
*থিয় পৰ্ৱেতত আছিলা লক্ষ্মী আই*
*কচলু কোমোৰা খাই এ।*
*মনিচৰ ৰাজ্যলৈ আহিলা লক্ষ্মী আই*
*কলে পিঠাগুৰি পাই এ।*
*থুৰি পোক মেলিলা শনাহী মেলিলা*
*ৰায়তৰ কি গতি হ'ব এ।*

*খাওখাম দেৱতাক দিব বলি পূজা*
*শনাহী ভটিয়াই যাব এ।....*

**লখিমী আদৰিবলৈ পানী তোলোতে গোৱা নাম-**

লখিমী আদৰাৰ নামৰ লগত ভালেখিনি আনুষ্ঠানিকতা জড়িত আছে। লখিমী আদৰাৰ নামৰ লগত- পানী তোলোতে গোৱা নাম, পানী তুলি ঘূৰি আহোতে গোৱা নাম, কুলা বুঢ়ী নাচৰ নাম (কুলা এখন মুৰত নাচি নাচি ধেমালি কৰা এগৰাকী তিৰোতা) ভঁড়ালত লখিমী ভৰোৱা নাম, লখিমী সবাহৰ নাম আদি নানান নামৰ সমাবেশ হোৱা দেখা যায়। গীতসমূহৰ ভাষা অতি প্ৰাঞ্জল। গীতত ব্যৱহৃত হোৱা -চিলাই পুঠি মাছ খালে, জাকৈ ঘন কৰি বাবা, খেপিয়াই খেপিয়াই লাহেকৈ ধৰিবা শব্দসমূহে এখনি নিটোল গ্ৰাম্য চিত্ৰ দাঙি ধৰিছে।

*চিলাই পুঠিমাছ নিলে এ।*
*খাওখাম দেৱতাক আজ্ঞা কৰিলোঁ*
*লক্ষ্মী আইক আমালৈ দিলে এ।।*
*জাকৈ ঘন কৰি বাবা ঐ দেও*
*ধাই খালৈ ঘনে কৰি বাবা এ।*
*খেপিয়াই খেপিয়াই লাহেকৈ ধৰিবা,*
*লক্ষ্মী আইক হাততে পাবা এ।।*

**পানী তুলি ঘূৰি আহোতে গোৱা নাম (কুলা বুঢ়ী নাচৰ নাম)-**

পানী তুলি ঘূৰি আহোত গোৱা গীতৰ ভাষাটো গ্ৰাম্য সৰলতা বিদ্যমান। গীতৰ ভাষাত-আকৌ কুলাবুঢ়ী কি কি আনিছা ,লক্ষ্মী আইৰ দীঘল চুলি,বাটৰে ঢেকিয়া আমাক বাটে দিয়া, আহুধানৰ পিঠা, কঠালৰ এফুটা ,পৰি আছে বগী ডুলি বৈ আছে নৈ প্ৰভৃতি শব্দ সম্ভাৰে গীতটিত ৰূপতৰহন চৰাইছে।

*নাচে কুলাবুঢ়ী নাচে-এ*
*পানীৰ ছেৰে ছেৰে নাচে এ।*
*আকৌ কুলাবুঢ়ী কি কি আনিছা*
*লক্ষ্মী আই কোঁচে পাতি আহে এ।।*
*লক্ষ্মী আইৰ দীঘল চুলি এ*
*আনিছো মাথাতে তুলি এ।*
*বাটৰে ঢেকিয়া আমাক বাটে দিয়া*
*লক্ষ্মী আই আহিছে নাচি এ।।*
*আহুধানৰ পিঠা কঠালৰ এফুটা*
*লক্ষ্মী আই লাহেকৈ উঠা এ।*
*পৰি আছে বগী ডুলি বৈ আছে নৈ।*
*লক্ষ্মী আই লাহেকৈ উঠা এ।।*
*মহাদেউৰ হাতৰে ত্ৰিশূল ঐ ডম্বৰু*
*পাৰ্বতীৰ হাতলৈ দিলে এ।*
*অকলে পাৰ্বতি কঁপে থৰে থৰি*
*মহাদেউ পালেহি বুলি এ।।*

**ভঁড়ালত লখিমী ভৰোৱা নাম**

পানী তুলি ঘূৰি আহোত গোৱা গীতটি সহজ-সৰল অথচ ব্যঞ্জনাযুক্ত উপমাৰে সমুজ্জ্বল। য'ত 'লৰায়ো কান্দিলে তৰায়ো কান্দিলে ,তই থাক মই যাওঁ কৰি অথবা 'ঢোলে গিৰিগিৰায় মৃদং চপৰিয়ায় , ম'হৰ শিঙৰ পেঁপা বজায় বা হাবিতে হৰিলে হাবিৰে হৰিণা নৈতে হৰিলে শিহু', বা 'আখৈ এখৰাহী ডাবহি ডুবহি পিঠায়ে খৰাহী সৰু' অথবা 'গছে সৰু সুৰা পাতে ভিৰে খালে মাণিকী মাধুৰী লাগে' আদি নিৰ্মল উপমাৰ সহায়ত গীত গাই লক্ষ্মীদেৱীক কৃষকে ভঁড়াললৈ স্বাগতম জনায়।

*লৰায়ো কান্দিলে তৰায়ো কান্দিলে*
*তই থাক মই যাওঁ কৰি এ*
*ভঁৰালৰ ধৰণী কৰোঁ থৰে থৰি*
*লক্ষ্মী আই পালেহি বুলি এ।*
*ঢোলে গিৰিগিৰায় মৃদং চপৰিয়ায়*
*ম'হৰ শিঙৰ পেঁপা বজায় এ।*
*আজি ভালে বাৰে লক্ষ্মী আইক আনিলোঁ*
*পৃথিৱী বকে বকাই এ।।*
*হাবিতে হৰিলে হাবিৰে হৰিণা*
*নৈতে হৰিলে শিহু এ।*
*আজি ভালেবাৰে লক্ষ্মী আই আহিছে*
*ভঁৰালতকৰিছে বিহু এ।।*
*আখৈ এখৰাহী ডাবহি ডুবহি*
*পিঠায়ে খৰাহী সৰু এ।*
*লখি মী আই এ ভঁৰালটি ভৰাব*
*ভৰাব গোহালীৰ গৰু এ।।*
*গছে সৰু সুৰা পাতে ভিৰে খালে*
*মানিকী মাধুৰী লাগে এ।*
*লোকৰে দেশলৈ নাযাবা লক্ষ্মী আই*
*ভঁৰালটি ভৰাব লাগে এ।।*

**লখিমী সবাহৰ নাম**

লক্ষ্মীআইক ভঁড়ালত ভৰাই এদিন লখিমী সবাহ পাতে। গীতটিত সৰল অথচ প্ৰতীকি উপমাৰ উপচাৰ। সদাশিৰই খেতি কৰে।কুবেৰৰ পৰা কঠিয়া আনে। য'ত শিৱ গোঁসায়ে হাল বায়, কাড়শলা সাপেৰে গৰু খেদায়, ডালৰ হনুমন্তই আলিৰ কাষ কাটে, ভালুকে গৰু খেদাই, আৰু তেনেকৈয়ে খেতি কৰে। সেই খেতিত মাণিকি মাধুৰী ধান থোকে থোকে লাগে। তাকে দেখি খকুৰা বামুণে চিঙি চিঙি খালে। তাতে লক্ষ্মী আয়ে বৰ লাজ পালে। সেইকাৰণে গাত বাকলি ল'লে। কি ৰসাত্মক সুন্দৰ কল্পনা। তাৰ পাচত -'ধান দালো ৰচক ৰচক হেঙুলীয়া কাচি / ভঁড়াল ভৰি উপচিলে বাগৰিলে পাচি' । আৰু একেবাৰে শেষত 'কি কৰিছা লক্ষ্মী আই সাগৰতে পৰি/ ভঁড়াললৈ যাব লাগে জাকৈ খালৈ তৰি' প্ৰাৰ্থনাৰে লক্ষ্মী আইক ভঁড়াললৈ নিমন্ত্ৰণ জনায়।

*কুবেৰক মাগিলা কঠীয়া মহাদেৱ*
*এটোম চাৰিটোমে কৰি,*
*আৰু টোমচেৰেক বান্ধিব খুজিলে*
*টমালে নাটিলে জৰি।*

*গোঁসাই হালে বালে পৰলা কপিল*
*কাড়শলা সাপেৰে লৰু,*
*ডালৰ হনুমন্তই আলিৰ কাষ কাটে*
*ভালুকে ডকালে গৰু।*
*গোঁসাই ধানে বলে মানিকি মাধুৰী*
*থোকে হালিজালি কৰে,*
*ব্ৰহ্মাণ্ডৰ ভোজ খাই খকুৰা বামুনে*
*চুচি গালে মাৰি থলে।*
*সেইনো অপমানে আই লখিমীয়ে*
*গাতে বাকলি ল'লে।*
*গুড়া তৰিবাক পাৰে কি নোৱাৰে*
*মাৰো সাগৰলৈ খেৱা,*
*য'তে আছাগৈ আই লখিমী এ*
*তাতে আমাৰে সেৱা।*
*কাতিত পকিলে কাতিৰে নেউৰী*
*আঘোনত পকিলে বৰা,*
*লক্ষ্মী আই সুন্দৰী আহিছে গুঁজৰি*
*প্ৰাণে তৰোঁগৈ বুলি।*
*ধান দালো ৰচক ৰচক হেঙুলীয়া কাচি*
*ভঁড়াল ভৰি উপচিলে বাগৰিলে পাচি।*
*কি কৰিছা লক্ষ্মী আই সাগৰতে পৰি*
*ভঁড়াললৈ যাব লাগে জাকৈ খালৈ তৰি।*

### ধৰ্মীয়চেতনাৰ গীত বা দেৱ-দেৱীলৈ প্ৰাৰ্থনা বা ভক্তিমূলক গীত

কৃষি কাৰ্যৰ সমান্তৰালভাবে সৃষ্টি হৈছিল ধৰ্মীয় চেতনাৰ গীত। এটা সময়ত মানুহে কেৱল খাদ্য আহৰণ আৰু খাদ্য অন্বেষণৰ বাবে নিৰন্তৰ ঘূৰি ফুৰিছিল। তাৰ মাজতে মানুহৰ জীৱনলৈ অনেক বিপদ বিঘিনী আহিছিল। অনেক অথন্তৰ ঘটিছিল। মানুহ ৰোগাগ্ৰস্ত হৈছিল। অকালতে বহুত মানুহৰ মৃত্যু হৈছিল। পৰিত্ৰাণৰ উপায় বিচাৰিছিল। মানুহে বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ বা ভৱিষ্যতে বিপদ বিঘিনি নঘটিবলৈ বিভিন্ন দেৱ-দেৱীৰ কল্পনা কৰিবলৈ ধৰিলে। কল্পিত দেৱ-দেৱীক বিভিন্ন ধৰণে প্ৰাৰ্থনা জনাবলৈ ধৰিলে। এটা সময়ত যেনেকৈ ভাবিছিল তেনেকৈ দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ বিভিন্ন উপায় উদ্ভাৱন কৰিছিল। পাচলৈ সিবোৰ শৃংখালাবদ্ধ হৈ পৰিল। পূজাসেৱাৰ নীতি নিয়ম হ'বলৈ ধৰিলে। তাৰবাবে হয়তো বহু শতিকাৰ প্ৰয়োজন হ'ল। নানান প্ৰাৰ্থনা, নানান বিধি-বিধান। নানান দেৱ-দেৱী। কাল বাগৰিল । তাৰে কিছুমান প্ৰাৰ্থনাই অতি নান্দনিক ভাবে কলাত্মক ৰূপ পৰিগ্ৰহ কৰিলে।

**আইনাম**

সাম্প্ৰতিক কালত, কলাত্মক ৰূপ পৰিগ্ৰহ কৰা প্ৰাৰ্থনাসমূহৰ ভিতৰত আইনামে জনজীৱনত এটি বিশিষ্ট স্থান অধিকাৰ কৰি আছে। মানুহ বসন্ত ৰোগত আক্ৰান্ত হ'লে সেই ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ এটা সময়ত মানুহে বিভিন্ন উপায় নিৰ্ণয় কৰিবলৈ গৈ যেতিয়া আৱিষ্কাৰ কৰিছিল যে এই ৰোগ হ'লে প্ৰাৰ্থনাৰ বাহিৰে গত্যন্তৰ নাই। এই ৰোগৰ

কল্পিত দেৱীক সন্তুষ্ট কৰিব নোৱাৰিলে, দেৱীয়ে অমঙ্গল ঘটাব পাৰে, ঘাটি লাগিব পাৰে (আই ঘাটি লগা বুলি কয়)। আইৰ ঘাটি লাগিলে, অনেক অমঙ্গল হ'ব পাৰে। ৰোগী অন্ধ হ'ব পাৰে, ৰোগীৰ মুখমণ্ডলত চিৰকাললৈ দাগ থাকি যাব পাৰে। ৰোগীৰ মৃত্যুও হ'ব পাৰে। সেই কাৰণে দেৱীক প্ৰাৰ্থনা জনায়। দয়াকৰি যাবলৈ আকুল আহ্বান জনায়। দোষ নধৰিবলৈ দেৱীৰ চৰণত ধৰি প্ৰাৰ্থনা জনায়। আই নামৰ গীতৰ ভাষাত ফুটি উঠে কাৰুণ্য আৰু আইৰ চৰণত ক্ষমা ভিক্ষা খোজাৰ আকুল আহ্বান। গীতৰ মাজেৰে মহামায়া আইক হাতে জোৰে কৰি মাতে, তুতি কৰি মাতে আৰু কাতৰ ভাবে অনুৰোধ কৰে কৰবাত যদি নাজানি অপৰাধ কৰিছে দয়া কৰি যাব লাগে।

*আই মোৰ-- উজাই আহিলে*
*আই মোৰ--আইৰে সাতে ভনী*
*আই মোৰ -- বসন্তে বা বলাই।*
*আই মোৰ --টেমাতে আনিছে*
*আই মোৰ --জাতি চন্দনে*
*আই মোৰ --- সবাকো পিন্ধাই এ।....*

*উজাই আহিলে আইৰে সাতে ভনী*
*বসন্তে বা বলাই।*
*বনৰ বন পশু নামে মাথা দোৱাঁই*
*সাগৰেও জলে যোগায়।।*
*উজাই আহিলে আইৰে সাতেভনী*
*বালিতে খপিলে ৰাতি।*
*নেজানি ঘাটৈয়ে পাৰ নকৰিলে*
*সুগন্ধৰ লগালে বাতি।।...*

*গধূলিতে আই আহে পদূলিলৈ চাই*
*মহামায়া আই আহে সোণৰ বাংশী বাই/.....*

*দুখীয়াৰ ঘৰলৈ আইলোক আহিছে*
*দিবলৈ নাইকিয়া একো।*
*মূৰৰে কেশেৰে পাৰ মলচিমে*
*দেহাৰ পাৰি দিমে সাকোঁ।।*
*দুখীয়াৰ ঘৰলৈ আইলোক আহিছে*
*কি দি কৰিমে সেৱা,*
*দিম চৰু ভৰি শুকুলা পিঠাগুৰি*
*দিম বটা বৰা গুৱা।*
*চাপৰি চাপৰি আমি যাওঁ বাগৰি*
*আচল দৰিয়লিৰ পৰা,*
*থাৱনিৰে পৰা অথাৱনিত পৰিছো*
*আয়ে পাওঁ মেলি ধৰা।*

*হাতে জোৰে কৰি মাতো তুতি কৰি*
*ভাগোক মহামায়াৰ ঘাটি।*
*নেজানি সোমালো আইৰে ফুলবাৰী*
*ফুলতে লগালে ঘাটি।।...*

বসন্তৰোগত আক্ৰান্ত হ'লে আইয়ে দোষ নধৰিবলৈ (ঘাটি নলগাবলৈ) আই মাতৃক বা দেৱী ভাগৱতীক আয়তিসকলে কাতৰভাৱে প্ৰাৰ্থনা কৰিবলৈ অনেক গীত ৰচনা কৰিছিল। আইনামৰ সুৰ এনেভাৱে আপোনা-আপুনি হৃদয়ৰ পৰা নিগৰি আহে যে ই হৈ পৰে আত্ম নিবেদনৰ এক গভীৰ আকুল আহ্বান। গীতসমূহৰ সুৰত এনে এক নিবেদন আছে যে এয়া গীত হৈয়ো যেন অন্তৰৰ পৰা নিগৰি অহা এক হুমুনিয়াহ। মিঠা অথচ কৰুণ। সুৰৰ কাৰুণ্যত গীতসমূহ হৈ পৰে একো একোটি স্তুতি। আয়তীসকলে অশ্ৰু বিগলিত নেত্ৰে প্ৰাৰ্থনা কৰি বসন্ত ৰোগত আক্ৰান্ত ৰোগীগৰাকীক অতি সভক্তিৰে পাদ্য অৰ্ঘ্যৰে সন্তুষ্ট কৰিবলৈ চেষ্টা কৰে। অসমত এটা সময়ত বসন্ত ৰোগ মহামাৰীৰূপে দেখা দিছিল। সেইকাৰণে হয়তো অসমত আইনাম ঘৰে ঘৰে চৰ্চা হৈছিল।

**দুৰ্গাপূজাৰ গীত (গোসাঁনীৰ নাম)**

শৰৎ কালৰ সময়খিনিত প্ৰকৃতিয়ে অপৰূপ শোভা ধাৰণ কৰে। বতৰ ফৰকাল হয়। আকাশত শুকুলা ডাৱৰ উৰে। নদীৰ পাৰত কহুৱা ফুল ফুলে। শেৱালী ফুলৰ সুবাসেৰে পদুলী মুখৰিত হয়। পুৱা গধুলি নিয়ৰৰ কণিকাই প্ৰকৃতিক সিক্ত কৰি তোলে। এই ঋতুত মানুহৰ মন আনন্দত এনেয়েও উৎফুল্লিত হৈ থাকে। এনে এটি ঋতুতে দুৰ্গাপূজা অনুষ্ঠিত হয়। দুৰ্গাদেৱীক শক্তিৰ আধাৰৰূপে মানুহে পূজা কৰি আহিছে, আৰাধনা কৰি আহিছে। প্ৰাচীন কালৰে পৰা সাম্প্ৰতিক কাললৈকে মানুহে বিশ্বাস কৰি আহিছে যে দুৰ্গাদেৱীয়ে- দুৰ্গতি নাশ কৰি, দুষ্টক দমন কৰি,মানুহক মান, যশ, খ্যাতি, ৰূপ, জ্ঞানৰ অধিকাৰী কৰে (ৰূপং দেহি, জয়ং দেহি ,যশং দেহি আই। তোমাৰ চৰণে ৰক্ষা কৰিছে সদায়)। অসমত অৱশ্যে দুৰ্গাপুজাৰ ইতিহাস বৰ প্ৰাচীন নহয়। গীতসমূহৰ সাহিত্যত ততসম আৰু তদ্ভৱ দুয়োবিধ শব্দৰে প্ৰয়োভৰ। সংস্কৃত ভাষাৰ পৰা আহৰিত শব্দ আৰু সংস্কৃত-সদৃশ শব্দই গীতসমূহত এক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। গীতসমূহত দুৰ্গাক দুৰ্গতি নাশিনী, ভৈৰৱ ভৱানী, শক্তি সনাতনী , দশভুজা, ভগৱতী আই আদি অভিধাৰে বিভূষিত কৰিছে। গীতসমূহৰ সুৰত আছে আত্মনিবেদনৰ আকুল আহ্বান আৰু দেৱীৰপৰা অনুগ্ৰহ লাভ কৰা প্ৰবল প্ৰত্যাশা। দুৰ্গাদেৱীক প্ৰথমে দুৰ্গতি নাশি জগতক ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা কৰে।

*এ দুৰ্গা তাৰিণী এ দুৰ্গতি নাশিনী*
*দুৰ্গতিক নাশ কৰা ভৈৰৱ ভৱানী।। (এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা তাৰিণী এ শক্তি সনাতনী ।*
*শৰণাগতকে ৰক্ষা কৰা নাৰায়ণী ।। (এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা তাৰিণী এ ছাগ পাৰ ম'হৰ বলি খায়*
*কৈলাসত আছিলা ত্ৰিভঙ্গে নাচিলা।*
*মহাদেৱে ডম্বৰু বজায়।(এ দুৰ্গা তাৰিণী এ..)*
*এ দুৰ্গা তাৰিণী এ অসুৰ বধিতে ।*
*অৱতাৰ হৈলা মাতা দেৱতাৰ হিতে।।(এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা তাৰিণী এ নামে দশভুজা ।*
*সিদ্ধ মুনি দেৱে চৰণত পূজা।। (এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা তাৰিণী এ ভুৱন ভুলায়।*
*তাপ গুচাই শান্ত কৰা ভগৱতী আই ।। (এ দুৰ্গা তাৰিণী এ.....)*

*এ দুৰ্গা তাৰিণী এ  এ  ত্ৰিনয়নী।*
*তোমাত পৰা সুন্দৰী ত্ৰিভুবনে নাই ।।(এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা তাৰিণী এ  এ  ত্ৰিনয়নী।*
*মহিষাসুৰক জিনি আছে গমনী।।(এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা তাৰিণী এ  এ  ত্ৰিনয়নী।*
*নাগে পাশে বান্ধি থৈছা আপুনা আপুনি।।(এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা তাৰিণী এ  এ  ত্ৰিনয়নী।*
*তোমাত পৰে সিদ্ধেশ্বৰী নাই ত্ৰিভুবনে।।(এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা তাৰিণী এ  এ  ত্ৰিনয়নী।*
*তোমাত পৰে  অন্নপূৰ্ণা  নাই ত্ৰিভুবনে।।(এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা আহিছে হিমালয় ছাৰি ।*
*কিবা পূজা দিব লাগে নাজানিলো আমি।।(এ দুৰ্গা তাৰিণী এ.....)*
*এ দুৰ্গা আহিছে হিমালয় ছাৰি ।*
*তোমাক পূজিব দ্ৰব্য নাপালো বিচাৰি।।(এ দুৰ্গা তাৰিণী এ.....)*

মানুহে হয়তো কল্পনা কৰিছিল। দুৰ্গা মহাদেৱৰ ভাৰ্যা। দুৰ্গা কৈলাসত আছিল। মহাদেৱে ডম্বৰু বজাইছিল। দুৰ্গাই ত্ৰিভঙ্গে নাচিছিল। দুৰ্গাই আহি পৃথিৱীত অৱতাৰ ল'লে। অসুৰ বধিলে। দুৰ্গা ত্ৰিনয়নী। তেওঁ পৃথিৱীলৈ আহিছে দুষ্টক দমন কৰিবলৈ।এনে কাহিনীৰে দুৰ্গাৰ নাম ৰচনা কৰা হৈছে। কল্পনা কৰা হৈছে দুৰ্গাই ছাগলী, পাৰ, ম'হৰ বলি খায়। গীতত সেই দৰ্শনৰো প্ৰতিফলন ঘটিছে । গীতৰ ভাষাত এফালে যেনেকৈ দুৰ্গাদেৱীৰ মহিমা আৰু ৰূপ ব্যাখা কৰিছে আনফালে তেনেকৈ তাপিত হৃদয়ৰ কৰুণ আবেদন দেৱীৰ আগত সকাতৰে নিবেদন কৰিছে।

**সুবচনী নাম**

সুবচনী দুৰ্গাদেৱীৰে আন এটি নাম। পৰিয়াল এটিৰ শ্ৰীবৃদ্ধি কামনা কৰি আৰু সতি-সন্ততিৰ কল্যাণ কামনা কৰি 'সুবচনী নাম'গোৱা হয় আৰু 'সুবচনীপূজা' পতা হয়। সুবচনী অনুষ্ঠান নাৰীৰ অনুষ্ঠান। বছৰৰ যিকোনো সময়তে এই অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উজনি অসমতো সুবচনী পূজা পতা হয়। গীতৰ ভাষাত সংস্কৃতমূলীয় শব্দৰ প্ৰয়োভৰ। সুবৰ্ণৰ পঞ্চঘাট, যিটো স্মৰে, সহস্ৰ আপদ, সমুদ্ৰ, আপদ কুম্ভীৰআদি শব্দসমূহে গীতসমূহত এক অনন্য মাত্ৰা প্ৰদান কৰিছে। গীতসমূহত দুৰ্গাদেৱীক বা সুৱচনীক  দুৰ্গতি নাশ কৰবিলৈ আকুল আহ্বান জনাইছে-*'দুৰ্গতি নাশিনি দুৰ্গা দুখ বিনাশিনি / দুৰ্গতিক নাশ কৰা ভৈৰব গোসানী।'*

সুবচনী নাম—

*ঘোষা-* *এ আই সুবচনী এ মণ্ডপে নামিলা*
*সুবৰ্ণৰ পঞ্চ ঘটে পূজা আৰম্ভিলা।*
*পদ-* *দুৰ্গা দুৰ্গা  বুলি যিটো স্মৰে একোবাৰ*
*সহস্ৰ আপদে তাক কি কৰিতে পাৰে।*
*দুৰ্গা নামে নৌকাখানি হৃদয়ত চৰে*
আপদ কুম্ভীৰ ভয়ে সমুদ্ৰত তৰে।

*ঘোষা-* *ভবানী পূজিলা গঙ্গাজলে নালো*
*ঐ আকি আগো মাই তাৰিণী পূজিলা শতফুলে।*
*পদ-* *দুৰ্গতি নাশিনি দুৰ্গা দুখ বিনাশিনি*

*দুৰ্গতিক নাশ কৰা ভৈৰব গোসানী।*
*দুৰ্গতি নাশিনি দুৰ্গা পদতলে লাগো*
*দুৰ্গতিক নাশ কৰা শুভবৰ মাগো।*

**উজনি অসমত**
হি-ই-ঔ-ঔ-ঔ
*জগতৰ ৰাজধৰণী, সংসাৰ ধৰণী*
*সৃষ্টিৰ মাতৃ জগতৰ ইশ্বৰী আই।*
*চাৰিয়ে পাতিলে চাৰিয়ে ভাঙিলে*
*চাৰিয়ে পাতিলে নাও,*
*আই বুঢ়ী হুবচনী (সুবচনী) নহওঁতে*
*হৈছিলে দিনেই ৰাতি।*
*সিবেলাত নামিলা কৈলাশৰ পৰা*
*কেচাইখাতি ভুৰুলি হৈ;*
*ল'লা নগৰত স্থান ল'লা পখি দান*
*এয়ে তোমাৰ মায়া তোমাৰ ছায়া,*
*তুমি নকৰিলে কোনে কৰিব দয়া?*

**অপেচৰা সবাহৰ নাম**

এটা সময়ত চকুৰ অসুখ, পিঠাখোৰা অসুখ (গাল দুখনৰ তলফালে ডিঙিৰ অংশ উখহা) , শুকাই খিনাই যোৰা অসুখ, সময়মতে পুষ্পিতা নোহোৱা ইত্যাদি অসুখ নিৰাময়ৰ বাবে আবেলি সময়ত তিনিগৰাকী বা পাঁচগৰাকী কুমাৰী ছোৱালীক অপেশ্বৰী ৰূপে সজাই অপেশ্বৰীসবাহ পতা হয়। এই সবাহত ৰোগত আক্ৰান্ত হোৱা মানুহ ঘৰৰ চোতালত পিঠাগুৰিৰে তিনিটা এককেন্দ্ৰিক বহল বৃত্ত আঁকি তাৰ মাজতে নান্দনিক ভাবে অনুষ্ঠান আয়োজন কৰা হয়। তেনে অনুষ্ঠানত গোৱা গীত-পদসমূহেই অপেশ্বৰী সবাহৰ গীত। গীতৰ ভাষাত বৈষ্ণবী বিনয় বিদ্যমান। দেৱ-দেৱীক সন্তুষ্টি কৰাই গীতসমূহ ৰ উদ্দেশ্য। গীতত 'ৰূপেৰে জখলা সোণৰে মেখেলা' 'জোনে বেলিয়ে লগে ভটিয়ালে লগত যায় তামুলী তৰা'ৰ দৰে উপমাও বিদ্যমান।

**উজনি অসমৰ**

*ওপৰৰ দেৱতাই ওলাই মেল কৰে*
*কুমাৰী কি পূজা কৰে।*
*আই অপেশ্বৰীক মাতিম কেনেকৰি*
*কৰিম কোনভাৱে সেৱা।।*
*ৰূপেৰে জখলা সোণৰে মেখেলা*
*আহে অপেশ্বৰী নামি।*
*দুপৰৰ বেলা মেল কৰে ছায়াঁত পৰে ভৰি*
*কাতৰ কৰি মাতো আই অপেশ্বৰী।।*
*ৰূপৰ এটি ধুপ সোণৰে এটি ধুপ,*
*আই অপেশ্বৰীক প্ৰাৰ্থনা কৰিছো এই নামে সন্তোষ হওক।।*

*জোনে বেলিয়ে লগে ভটিয়ালে*

*লগত যায় তামুলি তৰা;*

*ক্ষণেক ৰৈ যোৱা আই অপেশ্বৰী*

*লৈ যোৱা কুমাৰীৰ পুজা।।*

*নামে সেৱাকৈ গো পিনী পাঠে*

*তুষ্ট হোৱা ভগৱতী এ ।*

*এ হৰো সন্তোষে হৰিও সন্তোষে*

*দুৰ্গা আই সন্তোষে হ'বা এ।।*

*নামত নধৰিবা দোষ পদত নধৰিবা দোষ*

*আমি মূঢ়মতি নেজানো ভকতি/ এই নামে সন্তোষ হওক।*

*(দুই)*

*এ দেৱৰো দেৱতা ন-জনা দেৱতা*

*লাগিল কোনজনৰ ঘাটি এ*

*গোপিনীসকলে তুতিকৈ মাগিছোঁ*

*ভাগক মহামায়াৰ ঘাটি এ।....*

**নামনি অসমৰ**

*ঘোষা- ধুলি হৈয়া আইৰ চৰণে লাগো।*

*নুপূৰ হৈয়া আইৰ চৰণত বাজো ।।*

*পদ- আঞ্চল পাতিয়া আইক ধৰ্মদান মাগো।*

*ধুলি হৈয়া আইৰ চৰণে লাগো।।*

*আঞ্চল পাতিয়া আইক স্বামীদান মাগো।*

*আঞ্চল পাতিয়া আইক ধনজন পুত্ৰ কণ্যা মাগো।*

**চৰা ব্ৰতৰ গীত**

'চৰা' শব্দৰ অৰ্থ উছৰ্গা কৰা। চৰাব্ৰতৰ অনুষ্ঠান আঘোন মাহৰ পূৰ্ণিমাত কামাখ্যাধামৰ সধবা তিৰোতাসকলে অনুষ্ঠিত কৰে। কুমাৰীসকলেও অনুষ্ঠিত কৰে। চৰাব্ৰতৰ অনুষ্ঠান উদ্‌যাপন কৰাৰ উদ্দেশ্য প্ৰধানতঃ তিনিটা। এক- পত্নীসকলৰ স্বামীৰ মঙ্গল কামনা। দুই- কুমাৰীসকলৰ মনে বিচৰা গুণী আৰু স্বাস্থ্যবান স্বামী কামনা কৰা। তিনি- পৰিয়াল আৰু সমাজৰ কল্যাণ কামনা কৰা। আঘোন মাহৰ পূৰ্ণিমাৰ অনুষ্ঠানৰ দিনা অৰ্থাৎ ব্ৰতৰ দিনা বৰতীসকলে লঘোনে থাকি ৰাতি ঘটস্বৰূপে প্ৰতিষ্ঠা কৰা 'শোভেৰী' নামৰ এটি পাত্ৰত ফুল-তুলসী চটিয়াই আৰু বিবিধ টেঙা ফল অৰ্পণ কৰি কাত্যায়নী দেৱীক সুঁৱৰি পূজা কৰে। পূজাৰ অন্তত আটায়ে গোটেই নিশা উজাগৰে থাকি কিছুমান ভক্তিমূলক গীত গায়¼ (হেমন্ত কুমাৰ শৰ্মাঃ 'অসমীয়া লোকগীতি সঞ্চয়ন'ঃ'অন্নপূৰ্ণা নিলয়' লাচিত নগৰ গুৱাহাটী-7, 1974 Âপৃঃ-90] গীতসমূহত- কাচিজোন দেখি, সোণৰ নাও,মাণিকৰ চৈ আদি উপমাসমূহে ৰূপত ৰহন চৰাইছে, আৰু তাৰ লগত মিহলি হোৱা থলুৱা শব্দই যেনে- ঔৰ গোৰে গোৰে,কাৱেই মাছ, প্ৰথম গৰাহ, পনীয়া দৈ, হিলে ৰখা ফুল, বৰাত কৰ্‌বা,আস্কৰ (এন্ধাৰ?), বিস্কৰ(বিস্তৰ), ঝোকে ঝোক(ধুমধাম), দেউ-দুৱাৰে( দেৱদ্বাৰ) গীতসমূহক প্ৰাণৱন্ত কৰি তুলিছে। এটি উদাহৰণ চোৱা হওক-

*'ঔৰ গোৰে গোৰে জিৰ্ জিৰ্ পানী,*

*তাতে কাৱেই মাছটি ধৰে উজেনি।*

*কাৰেই মাছটি ভাল্‌কে কোছা,*
*শোভেৰী অটোৱাক ভাত খাব যাচাঁ।*
*যাচাওঁতে যাচাওঁতে বহিল পাতত,*
*প্ৰথম গৰাহতে বজিল কটা।*
*কাৰ ঘৰত আছেৰে পনীয়া দৈ*
*গলৰ কাটা যক বৈ।'*

*পূবৰে বট্ৰি পূবৰে নাও*
*বৰাত কৰ্‌বা মানচক যাওঁ।*
*কাত্যায়িনী মা হে ঘূৰি আইলা আপুনি*
*তোমাৰ চৰণত বৰ মাগোঁ আমি।*
*হিলে ৰখা ফুল পানীত যায়।*
*কাচিজোনক দেখি দৰাই চায়।*
*কাচিজোন তই আন্ধাৰৰে বাতি।*
*পানী তোলৰে আস্কৰ ৰাতি।*
*আস্কৰ ৰাতি বিস্কৰ লোক।*
*পানী তোলৰে ঝোকে ঝোক*
*পানী তুলিলে কি বৰ পায়?*
*কপালৰ চিৰি সিন্দূৰ স্বামী বৰ পায়।*

*সোণৰ নাওখানি মাণিকৰ চৈ,বঠাখানি পৰিল পানীত ঠাকুৰ কৈ।*
*তোখেৰ ঠাকুৰ ৰণে পৰিছি, । ভাল ভাল শোভেৰী দেউ-দুৱাৰে ৰছি।*
*কাত্যায়নি মাইহে ঘূৰি আইলা আপুনি/তোমাৰ চৰণে বৰ মাগো আমি।*
*কি বৰ মাগৰে আয়তীসকল? স্বামী বৰ মাগোৰে অজৰ অমৰ হ'ক।*

**মনসাপূজাৰ গীত**

প্ৰাচীন কালৰ পৰা মানুহে অগ্নি আৰু সৰ্পক বিভিন্নৰূপে পূজা কৰি আহিছে। কাৰণ,দুয়োটিৰে আক্ৰমণৰ পৰা পৰিত্ৰাণ পোৱা সহজ নহয়। অগ্নিয়ে এফালে যেনেকৈ মানুহৰ পৰম কল্যাণ সাধে আনফালে তেনেকৈ ধ্বংসও কৰে। ঠিক, সৰ্পইও তেনেকৈ এফালে প্ৰকৃতিৰ জীৱকূলৰ ভাৰসাম্য ৰক্ষা কৰে আনফালে তেনেকৈ মানুহৰ বাবে সন্ত্ৰাসৰ কাৰণ হ'ব পাৰে। সেইসময়ত সৰ্পৰ দংশনৰ পৰা মানুহে কাচিৎহে পৰিত্ৰাণ পাইছিল্ল। সেইকাৰণে সৰ্পক পূজা কৰা কৰিছিল। সৰ্পক দেৱীৰূপে মানিছিল। সৰ্পক অপায় অমঙ্গল, মাৰিক মৰক আদিৰ পৰা ত্ৰাণকৰ্ত্ৰী দেৱীৰূপে আৰাধনা কৰা কৰিছিল। অসমৰ কামৰূপ আৰু গোৱালপাৰা জিলাত আৰু দৰং জিলাৰ মঙ্গলদৈ অঞ্চলত মনসাপূজাৰ গীত বিদ্যমান। গীতটিত মনসাৰ জন্ম কাহিনী ব্যাখ্যাৰে সমুজ্জ্বল। মনসা জন্ম হোৱাৰ পাচত কেনেকৈ বিভিন্ন সামাজিক ৰীতি পালন কৰিলে, কেনেকৈ ভৰিৰ পাতাৰ পৰা ক্ৰমে ক্ৰমে আঠু, নাভি,বুকু,মুখ,চকু,কপাল, পখালি গাত সাতখন শাৰী পৰিধান কৰিলে আৰু কেনেকৈ পিতাকৰ আজ্ঞা লৈ অৱশেষত কেনেকৈ উত্তৰ পূব অঞ্চল বসতিৰ বাবে নিৰ্বাচন কৰিলে তাক শব্দৰ পুনৰাবৃত্তিৰে ব্যাখ্যা কৰিছে। শব্দৰ পুনৰাবৃত্তি লোকগীতৰ এক বিশিষ্ট বৈশিষ্ট্য। গীতটি চকু ফুৰালেই শব্দ পুনৰাবৃত্তিৰ আভাস পোৱা যায়।

*জগত জননী আই, মনসা আই এ।/ ফাগুনীৰ তিথিত আই, আই স্থিতি হৈলে।।*
*শুক্লপক্ষ তিথিত আই, আই জন্ম হৈলে।/ নও দিনৰ ন দণ্ডত আই জন্ম হৈলে।।*
*আই উপজিবৰ দিনা মৃদংগ বাজিলে।/ পাতালৰ নাগসকলে উৰুলি পাৰিলে।।*
*আই উপজিবৰ দিনা বাপেক ঘৰত নাছিলে।/ ঈশ্বৰৰ ডাক মাৰি আই উপজিলে।।*
*পাঁচ দিনৰ মূৰত আই পাঁচলি[1] কৰিলে।/ মাহ দিনৰ মূৰত আই মাহলি[2] কৰিলে।*
*মাহলি কৰি আই গঙ্গাই চলিলে। / গঙ্গাত চলি আই সাগৰত নামিলে।।*
*সাগৰত নামি আই উপভোগ ধুলে।।*
*পাতামান পালে পানী পাতা[3] আখ্‌লিলে।/ আঠুমান পালে পানী আঠু আখ্‌লিলে।।*
*ফেৰামান পালে পানী ফেৰা[4] আখ্‌লিলে।/ নাভিমান পালে পানী নাভি আখ্‌লিলে।*
*বুকুমান পালে পানী পিয়াহ আখ্‌লিলে। / গলমান পালে পানী গল আখ্‌লিলে।।*
*মুখমান পালে পানী মুক আখ্‌লিলে।/ চকুমান পালে পানী চকু আখ্‌লিলে।।*
*কপালমান পালে পানী ডুব মাৰি উঠিলে। / ডুব মাৰি উঠি আই ধ্যান কৰি চালে।।*
*উত্তৰে পূৱে আনন্দ দেখিলে। / দক্ষিণ পশ্চিমত অন্ধক দেখিলে।।*
*ডুব মাৰি উঠি আই ধ্যান কৰি চালে। / ধ্যান কৰি চাই আই বামে চলিলে।।*
*বামে চলি আই বস্ত্ৰ পিন্ধিলে। / সাতখন শাৰী আই গাত মেৰাই ল'লে।।*
*পিন্ধি উৰি চুঁচি মাজি আই গমন কৰিলে। / গমন কৰি আই পিতাকৰ শৰণ লৈলে।।*
*পিতাকে বোলে আই কোন নাভেৰ( ? ) কৈনা।/ কন্যা বুলি আনন্দ কৰিলা।।*
*ভাৰস্তক যাব খোজা আজ্ঞা কৰা দেও।/ উপৰক নাযাবি আই অশান্তিৰ গাঁও।।*
*দূৰ বাক্‌দূৰ বচন নুবুলিবি আই ।।*
মধ্যত থাকি আই পূজা সেৱা পাবি। / ৰাজ্যৰ বালকক আৰামে ৰাখিবি।

1)পাঁচলি-পঞ্চম দিনৰ জন্মকৰ্ম, মাহলি- মাহেকৰ জন্মকৰ্ম।
2)মাহিলি-জন্মৰ এমাহৰ দিনা মাহেকীয়া কৰ্ম।
3)পাতা- ভৰিৰ পাতা
4)ফেৰা- উৰু)

**জগন্নাথৰ নাম**

কামৰূপৰ অবিবাহিত যুৱতীয়ে ব'হাগ মাহত গোসাঁই-ঘৰত শৰাই দি জগন্নাথৰ নাম পৰিবেশন কৰে। কোনো কোনোৱে বাটৰ কাষত গছ পুলি বা তুলসী পুলি ৰুই তাৰ গুৰিত পৰিবেশন কৰে। লোকবিশ্বাস অনুযায়ী বহাগ মাহৰ আৰম্ভণিৰ পৰা প্ৰভু জগন্নাথ পুৰীৰ পৰা গাঁৱলৈ আহে। সেই সময়ত নাম কীৰ্ত্তন কৰিলে ৰাইজৰ অপায় অমঙ্গল মাৰি-মৰক দুৰ হয়। জগন্নাথৰ নামসমূহ প্ৰভূ জগন্নাথৰ গুণানুকীৰ্ত্তন আৰু পুৰী অঞ্চলৰ মানুহৰ বিশ্বাসৰ আভাস পোৱা হয়।( হেমন্ত কুমাৰ শৰ্মাঃ 'অসমীয়া লোকগীতি সঞ্চয়ন'ঃ'অন্নপূৰ্ণা নিলয়' লাচিত নগৰ গুৱাহাটী-7, 1974 Âপৃঃ-95] গীতসমূহৰ কোনো কোনো গীতৰ সাহিত্যত বৈষ্ণৱ পদাৱলীৰ ছন্দ সুস্পষ্ট। অৱশ্যে কিছুমান গীতত গ্ৰাম্য সৰলতা বিদ্যমান,য'ত জগন্নাথক সন্তুষ্ট কৰিবলৈ চাউল,আলু,কচু,আম,ডালি,নিমখ,আদা, তামোল-পান,তেল, চাতি, পাতি,শিহা ধুপ, ধূনা আদি নৈবদ্য আগবঢ়াইছে। আৰু প্ৰত্যেকটি নৈবদ্যৰ লগত জগন্নাথৰ গুণানুকীৰ্ত্তনমূলক কৰা হৈছে। যেনে- জগন্নাথৰ নামক লাগি কিনি আনিলু ধূনা,জগন্নাথৰ নাম ধৰো কাণ পাতি শুনা।ইয়াৰ বিপৰীতে তৎসম আৰু তৎভৱ শব্দ মিহলি ভালে সংখ্যক ভক্তি ৰসাত্মক জগন্নাথৰ গীত পোৱা যায়।

*1। ৰাখা ৰাখা জগন্নাথ  সঙ্কট সময়ে (ৰাম ৰাম)/সঙ্কট সময়ে।/তুমি নাৰাখিলে প্ৰভু  ৰাখোঁতা নাই (এ)/ ৰাখা ৰাখা জগন্নাথ এ।*

*2। জগন্নাথ প্ৰভু তোমাৰ নীলা চৰণ/ সেৱা কৰি থাকো আমি দুখনি চৰণ।*

জগন্নাথৰ গীতসমূহ বহুতো গীতৰ শাৰী কৃষ্ণ বন্দনাৰ গীতৰ শাৰীৰ লগত সাদৃশ্য দেখা যায়। যেনে-

*বলভদ্ৰ জগন্নাথ মাথাত ম'ৰাৰ পাখী/ গন্ধ পুষ্পৰ মালা লৈ ধেনু আছে ৰখি।*

বা *হাতে শিঙা মুখে বেনু মাথে ম'ৰাৰ পাখী / বনপুষ্পৰ মালা পিন্ধি ধেনু আছে ৰখি।/*

আনন্দত পৰিবেশন কৰা এটি জগন্নাথৰ গীত চোৱা হওক-

জগন্নাথৰ নামক লগি কিনি আনিলু চাউল। জগন্নাথৰ নাম ধইৰ্‌বা সক্‌লে কৰা হাউচ।

জগন্নাথৰ নামক লগি কিনি আনিলু ডালি। জগন্নাথৰ নাম ধৰিব নাপাৰিবা গালি।।

জগন্নাথৰ নামক লগি কিনি আনিলু কল। জগন্নাথৰ নাম ধৰিলে সকলে পাবা বল।।

জগন্নাথৰ নামক লগি কিনি আনিলু আম। জগন্নাথৰ নাম ধৰিলে সকলে বোলা ৰাম।।

জগন্নাথৰ নামক লগি কিনি আনিলু নুন। জগন্নাথৰ নাম ধৰিলে সকলে পাবা গুণ।।

জগন্নাথৰ নামক লগি কিনি মানিলু আদা। জগন্নাথৰ নাম ধৰিলেকেওঁ নকৰে বাধা।।

জগন্নাথৰ নামক লগি কিনি আনিলু তামুল। জগন্নাথৰ নাম ধৰিলে সকলে পাবা আমুল।।

জগন্নাথৰ নামক লগি কিনি আনিলু পান। জগন্নাথৰ নাম ধৰিলে সকলে পাবা মান।।

জগন্নাথৰ নামক লগি কিনি আনিলু তেল। জগন্নাথৰ নাম ধৰিলে সকলে কৰা মেল।।

জগন্নাথৰ নামক লগি কিনি আনিলু চাতি। জগন্নাথৰ নাম ধৰিবা বহা আসন পাতি।।

জগন্নাথৰ নামক লগি কিনি আনিলু শিহা। জগন্নাথৰ নাম ধৰিবা সকলে কৰা দিহা।।

জগন্নাথৰ নামক লগি কিনি আনিলু  ধুপ। জগন্নাথৰ নাম ধৰিলে সকলে  হোৱা থুপ।।

জগন্নাথৰ নামক লগি কিনি আনিলু ধূনা। জগন্নাথৰ নাম ধৰো কাণ পাতি শুনা।।

শব্দ অৰ্থ

নামক লগি- নামলৈ। হাউচ- আগ্ৰহ । আনিলু- আনিলো। নুন-লোণ। তামুল-তামোল,আমুল- আমোল। চাতি-চাকি।

অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত অগনন অনুষ্ঠানমূলক লোকগীত আছে। ইয়াৰে মাথো সামান্য আভাস প্ৰবন্ধটিত ডাঙি ধৰা হৈছে।

*****

- লেখক ঃ লোকসংস্কৃতিৰ গৱেষক-সাহিত্যিক তথা মৰাণ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ।

# আধুনিক অসমীয়া সংগীতৰ ধাৰা

বগেন গগৈ

সাহিত্যৰ আটাইকেইটা দিশৰ ভিতৰত কোনটো শ্ৰেষ্ঠ কলা সেই কথা একেষাৰতে কোৱাটো সম্ভৱ নহয়। তাহানি সংস্কৃত আলংকাৰিকসকলে নাটককে শ্ৰেষ্ঠ কলা বুলি স্বীকৃতি দি থৈ গৈছে। 'কাব্যেসু নাটকম ৰম্যম্ ততোঃ ৰম্যম শকুন্তলম'। কবিতা, সংগীত, চিত্ৰকলা আৰু নাটক এইকেইটা কলাৰ ভিতৰত কোনটো আটাইতকৈ ৰমণীয় কোনটো শ্ৰেষ্ঠ কলা সেই কথাত আলংকাৰিক পণ্ডিত আৰু সমালোচকসকলো একমত নহয়। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে কাব্য কলাকে শ্ৰেষ্ঠ কলা বুলি স্বীকৃতি প্ৰদান কৰি থৈ গৈছে।

বিশ্বৰ প্ৰতিটো শ্ৰেষ্ঠ ভাষা সাহিত্যৰ আদিম স্তৰটো হৈছে কাব্য সাহিত্য। দেশে দেশে সাহিত্য সৃষ্টিৰ প্ৰথম পৰ্যায়টোৱেই হৈছে কাব্য কলা বা কাব্য সাহিত্য। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ মতে পৃথিৱীৰ আদিম অৱস্থাত পৃথিৱীখন যেনেকৈ জুলীয়া পদাৰ্থৰে পৰিপূৰ্ণ আছিল ঠিক তেনেকৈ পৃথিৱীৰ সকলো ভাষাৰ আদিম অৱস্থাটো কবিতাৰে পৰিপূৰ্ণ আছিল। আগৰ কালত মানুহে কথা-বতৰা পাতোতেও ছন্দ মিলাই কবিতাৰেহে কথা পাতিছিল। সকলো ভাষাৰ আদিম স্তৰটো কবিতাৰে আৰম্ভ হৈছিল। প্ৰত্যেক ভাষাৰে আকৌ সাহিত্যৰ আগৰ স্তৰটো হ'ল গীতি সাহিত্য। পৃথিৱীৰ প্ৰতিটো ভাষাৰ সাহিত্যৰ আৰম্ভণি গীতৰ যোগেদিয়েই হৈছে বুলি সাহিত্যৰ বুৰঞ্জীকাৰসকলে উল্লেখ কৰিছে। পৃথিৱীৰ সকলো উন্নত ভাষা সাহিত্যৰ আদিম স্তৰটো যে গীতেৰে আৰু কাব্যৰে আৰম্ভ হৈছে সেই কথাত কাৰো দ্বিমত নাই।

অসমীয়া সাহিত্যও গীতি সাহিত্যৰ জৰিয়তে শুভাৰম্ভ হৈছিল। কাব্য সাহিত্য সৃষ্টিৰ বহু যুগৰ আগতেই গীতি সাহিত্যৰ যে সৃষ্টি হৈছিল তাত সন্দেহ নাই। এই গীতবিলাক ইচামৰ পৰা সিচামলৈ মুখে মুখে চলি আহিছিল। মুখ বাগৰি অহা এই গীতবিলাক মৌখিক গীত বা লোক পৰম্পৰা অনুসৰি চলি অহাৰ কাৰণে লৌকিক বা লোকগীত বুলিও কোৱা হৈছিল। এনে লোকগীতৰ ভিতৰত বিয়ানাম, আইনাম, বনগীত, বিহুগীত, টোকাৰী গীত, দেহ বিচাৰৰ গীত, ধাই নাম, নিচুকনি গীত আদি অন্তৰ্ভুক্ত হৈছে। আমাৰ সৰ্বসাধাৰণৰ প্ৰচলিত এটা ধাৰণা আছে যে লোকগীত বুলিলে এবিধ ভক্তিমূলক বিশেষ গীত আৰু আই নাম, বিয়ানাম, বিহুগীত, বনগীতবিলাকো এবিধ বেলেগ ধৰণৰ গীত। কিন্তু দৰাচলতে এই ধাৰণা শুদ্ধ নহয়। পৰম্পৰাগতভাৱে মুখে মুখে চলি অহা, গীতিকাৰৰ নাম অজ্ঞাত চহা কবিয়ে ৰচনা কৰা গীতবিলাকেই লৌকিক গীত বা লোকগীত। অখ্যাত চহা কবিৰ ৰচিত সেই উৎসৃষ্ট গীতবিলাক যুগ যুগ ধৰি মানুহৰ মুখ বাগৰি চলি আহিছে আৰু বহুতো গীত কালৰ বুকুত হেৰাই গৈছে।

গীত, কবিতা আৰু চিত্ৰকলা এই তিনিওবিধ কলাই আচলতে ইটো সিটোৰ পৰিপুৰক বুলি ক'ব পাৰি। প্ৰতিটো গীতেই একো একোটা সুন্দৰ কবিতা। কবিতাৰ আঙ্গিক, চিত্ৰকল্প, ধ্বনি, ব্যঞ্জনা এই আটাইবোৰ কলা কৌশলেই একোটা গীতত পোৱা যায়। সেই কাৰণে ক'ব পাৰি যে সকলোবোৰ গীতেই কবিতা, কিন্তু সকলোবোৰ কবিতা গীত নহয়। সাধাৰণতে গীতবিলাকৰ সম্বন্ধ থাকে সুৰৰ লগত। সুৰহীন গীত কেতিয়াও গীত হ'ব নোৱাৰে। গীতৰ মধুৰ সুৰৰ

ঝংকাৰহে গীতৰ অলংকাৰ। 'সদায় কাণেৰে শুনা সৰু কথাটিও গীত হ'লে মন টানি ধৰে।' সুমধুৰ গীতে মানুহৰ জীৱন মৰুত মৰুদ্যানৰ দৰে আশাৰ সঞ্চাৰ কৰে। পৃথিৱীত এনে কোনো মানুহ নাই যি গীত ভাল নাপায়। শিশু, ফুল আৰু গান এই তিনিটা বস্তু ভাল নোপোৱা মানুহ বোধকৰো পৃথিৱীত কোনো নোলাব। একোটা সুন্দৰ সুমধুৰ গানে সকলো মানুহকে মোহিনী শক্তিৰ দৰে আকৰ্ষণ কৰিব পাৰে।

আনহাতে কবিতা আৰু চিত্ৰকলাইও যুগ যুগ ধৰি মানুহক আকৰ্ষণ কৰি আহিছে। কবিতা আৰু চিত্ৰকলা একেটা মুদ্ৰাৰে যেন ইপিঠি আৰু সিপিঠি। এটা ভাল কবিতা এখন সুন্দৰ চিত্ৰ হ'ব পাৰে, এখন ধুনীয়া চিত্ৰ এটা ভাল কবিতা হ'ব পাৰে। এজন প্ৰতিভাৱান কবিয়ে এখন অৰ্থবহ চিত্ৰ চাই এটা সুন্দৰ কবিতা লিখিব পাৰে আৰু এজন প্ৰতিভাৱান চিত্ৰকৰে এটা কালজয়ী কবিতা পঢ়ি এখন সুন্দৰ চিত্ৰ অংকন কৰিব পাৰে। সেয়েহে কোৱা হয় যে কবিতা গীত, গীত কবিতা আৰু কবিতা চিত্ৰ আৰু চিত্ৰও কবিতা। সেই কাৰণে কবিতা, গীত আৰু চিত্ৰকলাই যুগে যুগে মানুহৰ মনত বিশ্বজনীন আবেদন লাভ কৰিব পাৰিছে। কিন্তু এই কথাও সত্য যে সাম্প্ৰতিক অসমীয়া নতুন কবিতা আৰু চিত্ৰকল্পৰ ৰসাস্বাদন কৰাটো সকলোৰে পক্ষে সম্ভৱ নহয়। মুক্তক ছন্দৰৰ নতুন কবিতা বা আধুনিক কবিতাৰ ৰসাস্বাদন কৰিব নোৱাৰি এতিয়াও বহু পাঠতে আধুনিক কবিতাৰ ফালে পিঠি দিয়া দেখা যায়। আনহাতে চিত্ৰকলাৰ ৰং ৰেখাৰ অৰ্থ উদ্ধাৰ কৰিব নোৱাৰি বিমোৰত পৰে। এক লোক কল্পদৃষ্টি, ইন্দ্ৰিয়ানুভূতি, কাব্যিক, অনুভূতি আৰু আবেগিক মননশীল দৃষ্টি নাথাকিলে আধুনিক কাব্যকলা আৰু চিত্ৰকলা বুজিবলৈ টান। এই দুবিধ কলাৰ তুলনাত সংগীত কলা মানুহে সহজে বুজিব পাৰে, আৰু সহজে ৰসাস্বাদন কৰিব পাৰে। সেই কাৰণে আধুনিক যুগৰ শক্তিশালী গণমাধ্যম হৈছে সংগীত কলা বা গীত।

অসমীয়া গীতি সাহিত্যৰ পুৰণি ভাগটো অৰ্থাৎ লৌকিক গীতৰ ধাৰাটো এৰি কেৱল আধুনিক অসমীয়া গীতি সাহিত্যৰ ধাৰাটোৰ সম্পৰ্কে এক চমু আলোচনা আগবঢ়াবলৈ এই প্ৰৱন্ধত প্ৰয়াস কৰা হৈছে। আধুনিক অসমীয়া গীতি সাহিত্যৰ স্বৰ্ণ যুগটো নিৰ্মাণ কৰি থৈ গৈছে তিনিগৰাকী ক্ষণজন্মা কলাকাৰ গীতি কবি শিল্পী ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, বিপ্লৱী গণ-শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা আৰু শাৰদীয় গীতি কবি পাৰ্বতীপ্ৰসাদ বৰুৱাই। তিনিওগৰাকী শিল্পীয়ে সংগীত আৰু কলা শিল্পক আহিলা হিচাপে লৈ ৰূপান্তৰৰ মাজেদি অসমীয়া সমাজখন সুন্দৰ কৰাৰ প্ৰয়াস কৰিছিল। এই তিনিগৰাকী গীতি কবি শিল্পীৰ আগতেও দ্বিতীয় আৰু তৃতীয় দশকতে আধুনিক অসমীয়া গীতি সাহিত্যৰ ভেটিটো সুদৃঢ় কৰি নিৰ্মাণ কৰি থৈ গৈছে কেইগৰাকীমান পূৰ্বসূৰী গীতি কবি আৰু শিল্পীয়ে। সেইসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মধৰ চলিহা, লক্ষীৰাম বৰুৱা কীৰ্তিনাথ শৰ্মা বৰদলৈ, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, প্ৰফুল্ল বৰুৱা অন্যতম। প্ৰাক্ স্বাধীনতা কালৰ পৰাই সংগীত ৰচনাৰ ক্ষেত্ৰত কেইগৰাকীমান প্ৰতিভাশালী শিল্পী গীতিকবিয়ে গতানুগতিকতাৰ বিপৰীতে অসমীয়া সংগীত জগতত এক নতুনত্ব আনিবলৈ প্ৰয়াস কৰিছিল। এই কথাৰ উমান পোৱা যায় কীৰ্তিনাথ শৰ্মা বৰদলৈ, আনন্দিৰাম দাস, জ্যোতি প্ৰসাদ আগৰৱালা আদি শিল্পীসকলৰ সৃষ্টিকৰ্মৰ মাজত। এইসকল বৰেণ্য প্ৰতিভাশালী শিল্পীয়ে এই কথা উপলব্ধি কৰিছিল যে অসমৰ প্ৰাচীন সাংগীতিক ঐতিহ্য আৰু পৰম্পৰা অৱহেলা কৰিলে আধুনিক অসমীয়া সংগীতক সমৃদ্ধ কৰিব পৰা নহ'ব। সেয়েহে তেওঁলোকে অসমৰ যাউতিযুগীয়া লোকসংগীত আৰু শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ সংগীতক আধাৰ স্বৰূপে লৈহে আধুনিক অসমীয়া সংগীতৰ বৰঘৰ সাজিবলৈ মানস কৰিছিল। প্ৰাচীন অসমৰ লুপ্ত প্ৰায় ৰাগ-ৰাগিনীসমূহ আৰু লোকগীতৰ সুৰ সমূহ উদ্ধাৰ কৰি পুনৰ প্ৰচলন কৰিবলৈও তেওঁলোকে হাতে কামে লাগিছিল। শিল্পী-গীতিকাৰ আনন্দিৰাম দাসে বিহুগীত আৰু বনঘোষাৰ কথা আৰু সুৰৰ আধাৰত বনগীত নামেৰে এবিধ নতুন গীতৰ সৃষ্টি কৰিছিল। এনেধৰণৰ আধুনিক বনগীত যথেষ্ট জনপ্ৰিয় হৈছিল। আনন্দিৰাম দাসে এনেধৰণৰ বহুতো গীত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধও কৰিছিল। আনন্দিৰাম দাসৰ বনগীতৰ ধাৰা এতিয়াও জনপ্ৰিয় হৈ আছে। পৰৱৰ্তী কালছোৱাত কেবাজনো গীতিকাৰ আৰু শিল্পীয়ে এনে ধৰণৰ গীত ৰচনা কৰিছে। আধুনিক অসমীয়া সংগীতত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই যুগান্তৰ ঘটালে বুলি নিঃসন্দেহে ক'ব পাৰি। অসমীয়া বিহুগীত, বনগীত, বিয়ানাম, আইনামৰ চিৰ পৰিচিত সুৰসমূহ বুটলি নতুন সুৰেৰে সজালে। নিভাঁজ অসমীয়া বিয়া নাম, আই নামৰ সুৰতো যে আধুনিক অসমীয়া গীত গাব পাৰি সেই কথা জ্যোতিপ্ৰসাদৰ আগলৈকে কোনেও বিশ্বাসকে কৰা নাছিল। শোণিতকুঁৱৰী নাটকত দিয়া গীতত জ্যোতিপ্ৰসাদে নিভাঁজ অসমীয়া বিয়ানামৰ সুৰত যেতিয়া গালে 'গছে গছে পাতি দিলে ফুলৰে শৰাই কি ৰাম

ৰাম', এই গীতটি শুনি সেই সময়ৰ অসমৰ আগশাৰীৰ শিল্পী সাহিত্যিসকলে জ্যোতিপ্ৰসাদক স্বাগতম জনালে আৰু এনে নিভাঁজ অসমীয়া সুৰক জনপ্ৰিয় কৰিবলৈ সকলো অসমীয়া শিল্পীকে আহ্বান জনালে। জ্যোতিপ্ৰসাদে অকলশৰীয়া প্ৰচেষ্টাৰে অসমীয়া সংগীতত এটা নতুন ধাৰা আনিবলৈ সক্ষম হয়। জ্যোতিপ্ৰসাদে ৰূপান্তৰৰ মাজেদি অসমীয়া সংগীত আৰু শিল্প সংস্কৃতিৰ মাধ্যমেৰে এখন সুন্দৰ সংস্কৃতিবান অসমীয়া সমাজ গঢ়িবলৈ প্ৰয়াস কৰিছিল। জ্যোতিপ্ৰসাদৰ মতে প্ৰতিটো কথা আৰু কামেই শিল্পী সুলভ, সুন্দৰ আৰু সংস্কৃতিবান হ'ব লাগিব। ৰূপান্তৰৰ মাজেদি পুৰণি ভেটিতে নতুন সংস্কৃতিবান এখন সুন্দৰ সমাজ গঢ়িবলৈ জ্যোতিপ্ৰসাদে সংকল্প কৰিছিল। জ্যোতিপ্ৰসাদৰ পূৰ্বসুৰী হিচাপে লক্ষীৰাম বৰুৱা, দুৰ্লভ দাস, আনন্দিৰাম দাসৰ দৰে প্ৰতিভাশালী সংগীতজ্ঞৰ আৰ্বিভাৱ হৈছিল যদিও তেওঁবিলাকে এটা নতুন ধাৰা সৃষ্টি কৰি এটা বৈপ্লৱিক পৰিৱৰ্তন আনিব পৰা নাছিল। জ্যোতিপ্ৰসাদে নিজৰ অনন্য মননশীলতা আৰু সৃজনী প্ৰতিভাৰে প্ৰথমতে থলুৱা গীত-মাতক আন্তৰিকতাৰে আদৰি আনি মৰ্যাদাৰ আসনত প্ৰতিষ্ঠা কৰাৰ লগে লগে জনমাসতো তেনে গীত-মাতৰ প্ৰতি আগ্ৰহ আৰু প্ৰীতি জগাই তুলিবলৈ এক সংগীতৰ বিপ্লৱৰ আৰম্ভ কৰিলে।

অসমীয়া আধুনিক সংগীতক সকলো ফালৰ পৰা মৰ্যাদাৰ আসনত প্ৰতিষ্ঠা কৰোতা আনগৰাকী শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা। বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতত শ্ৰেণী সংগ্ৰামৰ আৰু শ্ৰেণী চেতনাৰ প্ৰতিফলন ঘটিছে। প্ৰথম অৱস্থাত জাতীয়তাবাদী আৰু ৰোমাণ্টিক ভাৱধাৰাৰে গীত-কবিতা লিখিবলৈ আৰম্ভ কৰি শেষৰ কালছোৱাত বিষ্ণু ৰাভাই বিপ্লৱী ভাৱধাৰাৰে আৰু প্ৰগতিবাদৰ আদৰ্শৰে গীত লিখিবলৈ আৰম্ভ কৰে। অগ্নিযুগৰ ফিৰিঙতি হৈ নৰ কংকাল অস্ত্ৰ সাজি শোষণকাৰীক বধাৰ' প্ৰতিজ্ঞাৰে প্ৰতিজ্ঞাৱদ্ধ হৈ বিষ্ণু ৰাভাই তেওঁৰ গীতত নতুন তেজৰ সঞ্চাৰ কৰিলে। ৰঙা নিচান হাতত লৈ হালোৱা, হজুৱা, ৰণুৱা, বনুৱা, খাটি খোৱা, সৰ্বহাৰা জনতাক লগত লৈ উদাত্ত আহ্বান জনাই বিষ্ণুৰাভাই গণ চেতনাৰ বাৰ্তাবাহী গীত ৰচনা কৰিলে। বিপ্লৱী শিল্পী বিষ্ণু ৰাভাই ৰঙা নিচান হাতত লৈ জনতাক আহ্বান জনালে— 'কলকাৰখানা আমাৰ সৃজন পথাৰ সুবহল অ' বনুৱা সমনীয়া আগবাঢ়ি যাওঁ বল, ৰঙা তেজৰ নিচানটি লৈ আগবাঢ়ি যাওঁ ব'ল।' জ্যোতি প্ৰসাদ, বিষ্ণুপ্ৰসাদৰ সমসাময়িক আনগৰাকী মিঠা সুৰীয়া শিল্পী আৰু গীতি কবি হ'ল পাৰ্বতী প্ৰসাদ বৰুৱা। পাৰ্বতী প্ৰসাদ বৰুৱাক গীতি কবি বুলিহে অভিহিত কৰা হয়। শিল্পী পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত বিলাকত অসমৰ প্ৰাকৃতিক সৌন্দৰ্যৰ ছবি সুন্দৰভাৱে প্ৰতিফলিত হোৱা দেখা যায়। জ্যোতি প্ৰসাদৰ দৰে পাৰ্বতী প্ৰসাদেও অসমৰ থলুৱা লোকগীত, বনগীত, আইনাম, বিয়ানাম, বিহুগীত, টোকাৰী গীত, দেহবিচাৰ গীতসমূহৰ চিৰ পৰিচিত সুৰ সমূহ আধুনিক অসমীয়া সংগীতত সংযোজন কৰি এক ৰূপান্তৰ সাধন কৰিলে। অসমৰ হাবি-বন, লুইত, দিখৌ, বিভিন্ন ঋতুত মূৰ্তিমন্ত হোৱা প্ৰাকৃতিক সৌন্দৰ্যই পাৰ্বতী প্ৰসাদৰ গীতত সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে। পাৰ্বতী প্ৰসাদৰ বনগীত সুৰীয়া, 'হেৰ বলিয়া নয়ন, ভৰি ভৰি চা, আহিন মহীয়া শেৱালি সৰিলে নিঁয়ৰত তিতিলে বন, শাৰদী সন্ধিয়া জোনাকীৰ মেল, গৰখীয়া হেৰ গৰখীয়া কি সুৰ বজালি দুপৰীয়া, নোবোলো তোক সোণৰ অসম, জুৰণি বতাহত ধাননি কপিলে' আদি সুৰদী সুৰীয়া গীতসমূহ অসমীয়া গীতি সাহিত্যৰ অমূল্য সম্পদ। তেওঁৰ গীতি কবিতাসমূহৰ মাজত 'পোহৰৰ কাঁড়ে ডাৱৰ সৰকায়, শূন্যত পাখি ধপে ধপাই, বতাহত উৰি ফুৰে মন, মাটিত প্ৰেমৰ সুৰ জাগে, জোনাকত ওপঙে কিহবাৰ ৰাগি, বগা ডাৱৰে মূৰত মাৰে পাগুৰি, ওপঙি আহে' লেকলৌ পৰুৱা, সপোন ওপঙি আহে আদি অনেক শব্দ চিত্ৰই মচ নোখোৱা কোমল পানী ৰঙৰ চিত্ৰহে যেন অংকন কৰে। অসমত অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰ পাছত অসমীয়া গীতি সাহিত্যত এদল নতুন গীতিকাৰ আৰু সুৰকাৰ সৃষ্টি হয়। ১৯৪৮ চনত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ স্থাপন হয়। অনাতাঁৰ কেন্দ্ৰ, বোলছবি, দূৰদৰ্শন আৰু ব্যৱসায়িক দিশত প্ৰচলিত হোৱা কেছেটৰ জৰিয়তেই অসমত আধুনিক অসমীয়া সংগীতৰ জনপ্ৰিয়তা আৰু আকৰ্ষণ বাঢ়ি আহিল। অনাতাঁৰ কেন্দ্ৰই হ'ল দেশৰ সৰ্বসাধাৰণ লোকৰ আৰু বেছিভাগ মানুহৰ বাবে শক্তিশালী প্ৰচাৰ মাধ্যম। গুৱাহাটী আৰু ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰ আগতে অসমত অসমীয়া সংগীত শিল্পীসকলে কেতিয়াবা কোনো উপলক্ষ্যত আয়োজন কৰা সংগীতানুষ্ঠান বা নাট্যানুষ্ঠান বিলাকত আত্মপ্ৰকাশৰ বাবে চেষ্টা চলোৱাৰ বাহিৰে আন পথ বা মাধ্যম নাছিল। অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰ লগে লগে এই দুয়োটা কেন্দ্ৰৰ পৰা প্ৰচাৰৰ বাবে প্ৰচুৰ গীত আৰু শিল্পীৰ প্ৰয়োজন হ'ল। সেই প্ৰয়োজন পূৰণ কৰিবলৈ বহুতো গীতিকাৰ, সুৰকাৰ, গায়ক শিল্পী আৰু যন্ত্ৰশিল্পীৰ প্ৰয়োজন হ'ল। অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰ পাছত প্ৰায় এটা দশকৰ ভিতৰত কেইগৰাকীমান খ্যাতনামা কবি-সাহিত্যিকে কিছু সংখ্যক

কাব্যিক গুণসম্পন্ন গীত ৰচনা কৰি সমসাময়িত অভাৱ পূৰণ কৰিছিল। সেইসকলৰ ভিতৰত অতুল চন্দ্ৰ হাজৰিকা, নলিনীবালা দেৱী, আনন্দ চন্দ্ৰ দেৱগোস্বামী, চৈয়দ আব্দুল মালিক, ইব্ৰাহিম আলি, পদ্ম বৰকটকী, অম্বিকাগিৰী ৰায় চৌধুৰী, পুৰুষোত্তম দাস, তফজুল আলি, ভূপেন হাজৰিকা আদি উল্লেখযোগ্য। পুৰুষোত্তম দাস আৰু ভূপেন হাজৰিকাই নিজে অনাতাঁৰ কেন্দ্ৰৰ সংগীত নাট বিভাগৰ চাকৰিত যোগ দিয়ে আৰু অসমীয়া আধুনিক ধাৰাৰ সংগীতৰ ক্ষেত্ৰত এক নতুন জোঁৱাৰ আনিবলৈ সক্ষম হয়। সেই সময়ছোৱাৰ আন কেইগৰাকীমান গীতিকাৰ আৰু সুৰকাৰ হ'ল দৰ্পনাথ শৰ্মা, মুক্তিনাথ বৰদলৈ, কমল নাৰায়ণ চৌধুৰী, নৰ বৰুৱা, শিৱ ভট্টাচাৰ্য, পৰাগধৰ চলিহা, বীৰেণ ফুকন আদি। এই সকল গীতিকাৰ শিল্পীয়ে জ্যোতিপ্ৰসাদ, পাৰ্বতীপ্ৰসাদ, বিষ্ণুপ্ৰসাদ, আনন্দিৰাম দাস আদি শিল্পীসকলে নিৰ্মাণ কৰি যোৱা অসমীয়া সংগীতৰ ভেটিটো নতুন নতুন সাজ-সজ্জাৰে সজাই পৰাই তুলিবলৈ সক্ষম হয়। এইখিনিতে এষাৰ কথা উল্লেখ কৰিব পাৰি যে— প্ৰাক্ স্বাধীনতা কালৰ গীতিকাৰসকলৰ গীত ৰচনা আৰু প্ৰকাশভংগী সৰল-সহজ আৰু সাংগীতিক গুণসম্পন্ন আছিল যদিও প্ৰকাশভংগী আছিল দুৰ্বল আৰু গতানুগতিক। আনকি প্ৰতিভাশালী গীতিকাৰসকলেও গীত ৰচনাৰ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাই নতুনত্ব আনিব পৰা নাছিল আৰু যুগজয়ী প্ৰতিভাৰ স্বাক্ষৰ ৰাখি যাবলৈ সক্ষম হোৱা নাছিল। এইসকল গীতিকাৰে আধুনিক অসমীয়া গীতৰ ধাৰাটো অব্যাহত ৰাখি নতুন সৃষ্টি আৰু উৎকৰ্ষ সাধনত বিশেষ বৰঙণি যোগাব পৰা নাছিল বুলিয়েই ক'ব পাৰি।

স্বাধীনোত্তৰ কালৰ আৰম্ভণিতে গতানুগতিক ধাৰাৰ বিপৰীতে চকুত পৰা ব্যতিক্ৰম হ'ল বলিষ্ঠ আৰু সাহসী গীতিকাৰ, সুৰকাৰ, কলাৰত্ন ড° ভূপেন হাজৰিকা। ড° ভূপেন হাজৰিকা একাধাৰে সু-কণ্ঠি গায়ক, বিচক্ষণ সুৰকাৰ আৰু বলিষ্ঠ গীতিকাৰ। জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ আৰু পাৰ্বতীপ্ৰাদৰ যোগ্য উত্তৰাধিকাৰী আৰু প্ৰিয় শিষ্য মানৱতাবাদী শিল্পী ভূপেন হাজৰিকাই গুৰুৰ উপযুক্ত শিষ্য হিচাপে গোটেই বিশ্বতে এতিয়া খলকনি তুলিবলৈ সক্ষম হৈছিল। তাহানিতে জ্যোতি-বিষ্ণুৱে ভূপেন হাজৰিকাক মৰম কৰি আশীৰ্বাদ কৰিছিল আৰু দুয়োজন কলাগুৰুৱে ভৱিষ্যৎবাণী কৰিছিল বৰ ডাঙৰ শিল্পী হ'ব বুলি। ভূপেন হাজৰিকাই পূৰ্বসুৰীসকলৰ পৰা আৰু বিশেষকৈ জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ এই দুজনা গুৰু শিল্পীৰ পৰা মহৎ আৰু মানৱতাবাদী শিল্পী হোৱাৰ প্ৰেৰণা লাভ কৰিছিল। তাৰ উপৰি উচ্চ শিক্ষা লাভৰ বাবে প্ৰায় চাৰি বছৰ কাল ভূপেন হাজৰিকাই আমেৰিকাৰ নিউয়ৰ্কত কটাইছিল। সেই সময়ত আমেৰিকাৰ বৰ্ণ বৈষম্যৰ বিৰুদ্ধে সাহসী কণ্ঠেৰে গীত গাই ফুৰা বিখ্যাত মানৱতাবাদী শিল্পী পল ৰ'বচনক লগ পাইছিল ভূপেন হাজৰিকাই। বিশ্ববৰেণ্য শিল্পী পল ৰ'বচনৰ পৰা আৰু সেই সময়ত লগ পোৱা আমেৰিকাৰ বিখ্যাত শিল্পী সাহিত্যিকসকলৰ পৰা ভূপেন হাজৰিকাই মহৎ আৰু মানৱতাবাদী শিল্পী হোৱাৰ প্ৰেৰণা লাভ কৰিছিল। জ্যোতিপ্ৰসাদৰ প্ৰিয় শিষ্য আৰু উত্তৰ সাধক কলাৰত্ন ভূপেন হাজৰিকাই তেওঁৰ গুৰুৰ সংগীতক আৰু আদৰ্শক বাস্তৱলৈ ৰূপান্তৰিত কৰাত বহুখিনি সফলতা অৰ্জন কৰিছে। ডেকা বয়সৰ সময়ছোৱাত আমেৰিকা আৰু ইউৰোপ ভ্ৰমণ কৰি অহাৰ ফলত পশ্চিমীয়া সংগীতৰ স'তে পৰিচয় ঘটিছিল। তীক্ষ্ণ মেধা আৰু প্ৰখৰ স্মৰণ শক্তি সম্পন্ন সমাজ সচেতন এই প্ৰগতিবাদী শিল্পীগৰাকীয়ে য'তে যি ভাল সংগীত শুনিছিল তাৰে কিছু কম সময়ৰ ভিতৰতে আয়ত্ত কৰি ল'ব পাৰিছিল। এনে বিচিত্ৰ সম্ভাৰ আৰু অভিজ্ঞতাৰ সমন্বয়ে ভূপেন হাজৰিকাৰ অসাধাৰণ সংগীত প্ৰতিভাক সজাগ, সক্ৰিয় আৰু সৃষ্টিশীল কৰি তুলিছিল। পঞ্চাশৰ দশকৰ আগভাগতে বিদেশৰ পৰা ঘূৰি আহি ভূপেন হাজৰিকাই এলানি নতুন গীত ৰচনা কৰি সুৰ দি অসম তথা ভাৰতৰ চুকে কোণেও এগৰাকী প্ৰতিভাশালী আৰু অপ্ৰতিদ্বন্দ্বী গীতিকাৰ আৰু সুৰকাৰ হিচাপে পৰিচয় দিবলৈ সক্ষম হ'ল। শৈশৱ কালৰ পৰাই ভূপেন হাজৰিকাই গীত ৰচনা কৰিছিল যদিও মধুৰ কণ্ঠৰ গায়ক হিচাপেহে অধিক জনপ্ৰিয় আৰু বিখ্যাত আছিল। পাছৰ কাললৈ তেওঁৰ প্ৰতিভাৰ মাজত গীত ৰচনা, সুৰ সংযোজন আৰু গায়কৰ ত্ৰিবেণী সংগমত পৰিপূৰ্ণ ৰূপত বিকাশ লাভ কৰে আৰু তেওঁৰ নতুন নতুন সংগীতে আধুনিক অসমীয়া সংগীত জগতলৈ এটি যুগান্তৰ আনিলে। গতানুগতিক ধাৰাৰ পৰা ফালৰি কাটি গৈ তেওঁ এটা বৈশিষ্ট্যপূৰ্ণ সংগীতৰ ধাৰা সৃষ্টি কৰিলে, যিটোৱে সমসাময়িক অসমীয়া সংগীত শিল্পীসকলৰ অলস মানসিকতাক তীব্ৰ জোকাৰণি দি যাবলৈ সক্ষম হ'ল। সেই কালছোৱাত ভূপেন হাজৰিকাই দোলা হে' দোলা, শিল ভাঙ ভাঙ ভাঙোতা, মানুহে মানুহৰ বাবে, পাণেই পোনাকণ, সাগৰ সঙ্গমত, জোনাকৰে ৰাতি আদি গীতৰ মাজেদি শিল্পীৰ মানৱ প্ৰেম আৰু স্বদেশ প্ৰেমৰ ভাৱ জগাই তুলিবলৈ সক্ষম হয়।

জাতীয় আৰু সামাজিক জীৱনত যেতিয়াই যি ধৰণৰ ভাৱনা চিন্তাৰ আলোড়ন উঠিছে, তেতিয়াই ভূপেন হাজৰিকাৰ গীতত তাৰ প্ৰতিফলন ঘটা দেখিবলৈ পোৱা যায়। কামেং সীমান্তত দেখিলো, কত জোৱানৰ মৃত্যু হ'ল, বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে, আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান, নতুন নিমাতি নিয়ৰে নিশা, এন্ধাৰ কাতিৰ নিশাতে, আমি অসমীয়া নহওঁ দুখীয়া, মদাৰৰে ফুল হেনু, স্নেহেই আমাৰ শত শ্ৰাৱণৰ, তুমি কাল ৰাগিনী, অ'ট ৰিক্সা চাওঁ আদি বিচিত্ৰ ধৰণৰ গীত প্ৰাঞ্জল বাংময় আৰু নিজস্ব শক্তিশালী প্ৰকাশভংগীৰে চিৰ উজ্জ্বল। ভূপেন হাজৰিকাৰ কেবাখনো গীতৰ পুথি এতিয়ালৈকে প্ৰকাশ হৈছে। তাৰ ভিতৰত সংগ্ৰাম লগ্নে আজি, বহ্নিমান ব্ৰহ্মপুত্ৰ, আগলি বাহঁৰে লাহৰি গগনা আৰু ড° দিলীপ কুমাৰ দত্তৰ সম্পাদনাত প্ৰকাশ পোৱা ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, বিশেষভাৱে উল্লেখযোগ্য। শেহতীয়াকৈ 'গীতাৱলী' নামেৰে ভূপেন হাজৰিকাৰ সমগ্ৰ গীত প্ৰকাশ হৈছে।

স্বাধীনোত্তৰ কালছোৱাত ভূপেন হাজৰিকাৰ সমান্তৰালভাৱে এদল অসমীয়া গীতিকাৰ আৰু সুৰকাৰ অসমীয়া সংগীত জগতৰ আকাশলৈ যেন জাকি মাৰি ওলাই আহিল। সেইসকলৰ ভিতৰত ৰুদ্ৰ বৰুৱা, লক্ষ্যহীৰা দাস, হোমেন হাজৰিকা, মুকুল বৰুৱা, বীৰেন্দ্ৰ নাথ দত্ত, জয়ন্ত হাজৰিকা আদি গীতিকাৰ আৰু সুৰকাৰ সকলে অসমীয়া সংগীতৰ ফুলনিখন জাতিষ্কাৰ কৰি তুলিছে। এই সময়ছোৱাৰ চাৰিজন প্ৰখ্যাত গীতিকাৰ আৰু গীতিকবিৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। মানৱ প্ৰেমীক আৰু স্বদেশপ্ৰেমীক সেই প্ৰতিভাৱান গীতিকবি কেইগৰাকী হ'ল কেশৱ মহন্ত, নৱকান্ত বৰুৱা, হীৰেণ ভট্টাচাৰ্য আৰু নিৰ্মল প্ৰভা বৰদলৈ। এই গীতিকাৰ কেইগৰাকীৰ অপূৰ্ব গীতসমূহ দৰদী সুৰকাৰ শিল্পী খগেন মহন্ত, জয়ন্ত হাজৰিকা, বীৰেন্দ্ৰ নাথ দত্ত, ৰমেন বৰুৱা আদি কণ্ঠশিল্পীসকলে সুৰেৰে সজাই-পৰাই জনপ্ৰিয় কৰি তুলিলে। সমকালীন সময়ছোৱাৰ আন কেইবাজনো গীতিকবিয়ে গীত ৰচনা কৰি অসমীয়া গীতি সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। ষাঠি আৰু সত্তৰ দশকৰ কালছোৱাত বহুতো গীতিকাৰে গীত ৰচনা কৰি অসমীয়া গীতি সাহিত্য সমৃদ্ধ কৰি তুলিছে। সেইসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল— অনুৰাধা দাস, লীলা গগৈ, ৰত্ন ওজা, সূৰ্য বৰা, ইউচুফ হাজৰিকা, নুৰুল হক, মহেন্দ্ৰ বৰা, আলিমুন্নিচা পিয়াৰ, ভৱগিৰী ৰায়চৌধুৰী, নীলিমা দত্ত, যতীন বৰা, তফজ্জুল আলি, নিহাৰেন্দু ভট্টাচাৰ্য, নিত্যা দত্ত, ঘনকান্ত চেতিয়া ফুকন, ইন্দ্ৰ প্ৰসাদ শইকীয়া, অম্বেশ্বৰ চেতিয়া ফুকন, নগেন বৰা, দ্বিজেন্দ্ৰ মোহন শৰ্মা আদি গীতিকাৰসকলৰ গীত জনপ্ৰিয় হৈ উঠিছে। আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰ যোগে এই গীতিকাৰসকলৰ গীতসমূহ নিয়মীয়াকৈ শুনিবলৈ পোৱা যায়। সত্তৰ আৰু আশীৰ দশকৰ কেইগৰাকীমান উল্লেখযোগ্য গীতিকাৰ হ'ল বিৰিঞ্চি কুমাৰ মেধি, প্ৰশান্ত কুমাৰ বৰদলৈ, হেমন্ত গোহাঁই, তৰুণ শৰ্মা, গুনমণি বৰা, গুণীন ৰাজখোৱা, নবীন চন্দ্ৰ কাঠ হাজৰিকা, দীনেশ বৈশ্য, কীৰ্তিকমল ভূঞা, হীৰেণ গোস্বামী, তপন নাথ, সূৰ্য কুমাৰ ৰাজা, মুনীন দত্ত, অপূৰ্ব বেজবৰুৱা, কৰবী ডেকা হাজৰিকা, মহানন্দ গগৈ, হেম বুঢ়াগোহাঁঞি, অনিল কুমাৰ ফুকন আদি গীতিকাৰৰ গীত শুনিবলৈ পোৱা গৈছে। এইসকল গীতিকাৰ আৰু সমান্তৰালভাৱে এচাম সুৰকাৰ তথা কণ্ঠশিল্পীয়ে অসমীয়া সংগীত জগতক বৰ্তমানে ন ন সৃষ্টিৰে সুমধুৰ সুৰৰ ঝংকাৰেৰে আলোকিত কৰি ৰাখিছে।

আকাশবাণীৰ দ্বাৰা স্বীকৃত এইসকল প্ৰতিষ্ঠিত গীতিকাৰৰ বাহিৰেও আমাৰ গাঁৱে-ভূঞে, চুকে-কোণে থকা বহুতো গীতিকাৰ আৰু শিল্পীৰ প্ৰতিভা পোহৰলৈ আহিবলৈ সুযোগ পোৱা নাই। প্ৰতিষ্ঠা আৰু আত্মপ্ৰকাশৰ সুযোগ নোপোৱা গাঁৱৰ চহা দুখীয়া সংগীত শিল্পী গীতিকাৰেও অসমীয়া সংগীত জগতখনক নতুন নতুন সৃষ্টিৰ আৰু সুৰেৰে মুখৰিত কৰি ৰাখিছে তাত সন্দেহ নাই। গাঁৱে-ভূঞে লুকাই থকা আত্মপ্ৰকাশৰ সুযোগ নোপোৱা এই প্ৰতিভাসমূহক পোহৰলৈ আনিব পাৰিলে অসমীয়া সংগীত জগতখন আৰু সমৃদ্ধিশালী আৰু জাতিষ্কাৰ হৈ পৰিব বুলি আশা কৰিব পাৰি। নতুন নতুন শিল্পী আৰু গীতিকাৰসকলে অসমীয়া সংগীত জগতলৈ এক নতুন আশাৰ বাণী বহন কৰি আনিছে। তেওঁলোকৰ গীতবিলাকক ন-পুৰণি শিল্পীসকলে সজাই-পৰাই সুন্দৰ ৰূপত তুলি ধৰিছে।

*****

● লেখক ঃ ধেমাজি নিৱাসী এগৰাকী বিশিষ্ট সাহিত্যিক।

# অসমীয়া আধুনিক গীত আৰু গীতি-সাহিত্য ঃ জন্ম ক্ৰন্দনৰ পৰা জাতীয় স্পন্দনলৈ

**লোকনাথ গোস্বামী**

অসমীয়া আধুনিক গীতৰ ইতিহাসে ইতিমধ্যে শতাধিক বছৰ অতিক্ৰম কৰিলে। স্বকীয় আৰু সুসমৃদ্ধ এই ধাৰাটোৰ ওপৰত ছেগা-চোৰাকাকৈ বিভিন্ন সময়ত বিভিন্নজনে আলাপ-আলোচনা আগবঢ়াইছে যদিও, শতাধিক বছৰ গৰকা সম্পূৰ্ণ ধাৰাটোৰ ওপৰত কালানুক্ৰমিক তথা ঐতিহাসিক, সামাজিক দৃষ্টিকোণৰপৰা বস্তুনিষ্ঠ বিচাৰ-বিশ্লেষণ, মূল্যায়ন সঠিকভাৱে হৈছে বুলি বুকুডাঠি ক'ব নোৱাৰি। এই সমস্ত ধাৰাটোৰ সৈতে বহুকেইটা গুৰুত্বপূৰ্ণ দিশো সংপৃক্ত হৈ আছে, যি দিশসমূহক নিলগাই থৈ তাৰ যথাৰ্থ মূল্যায়ন বা বিচাৰ-বিশ্লেষণ সম্পূৰ্ণ হ'ব নোৱাৰে। অসমীয়া আধুনিক গীতৰ জন্মক্ষণো বৰ সুখদায়ক নাছিল। ভাবি আচৰিত হ'ব লাগে যে— তাহানি কলিকতাৰ মুষ্টিমেয় এমুঠি প্ৰবাসী অসমীয়াই অসমীয়া ভাষা সাহিত্যৰ স্বকীয় ভেটিটো প্ৰতিষ্ঠা কৰিবৰ বাবে যি আহোপুৰুষাৰ্থ কৰিছিল, সেই সকলৰ মাজতো অসমীয়া গীতৰ সৃষ্টি আৰু একতাৰ বিষয়টো যথেষ্ট ধুঁৱলী-কুঁৱলী আছিল। সমসাময়িকভাৱে যিসকল মধ্যবিত্ত অসমীয়াই কলিকতাত থাকি 'অঃ ভাঃ উঃ সাঃ সঃ' অথবা 'জোনাকী' যুগৰ সূচনা কৰিছিল, সেইসকলৰ মাজৰেই একাংশই ভাবিছিল যে আধুনিক গীতৰ বাবে যি সাৱলীল, ৰোমাণ্টিক আবেদনময়ী মিঠা শব্দচয়ন গা-মন জোকাৰি যোৱা সুৰ-সঞ্চাৰ, তাল-মানৰ প্ৰয়োজন, সেইবিলাক অসমীয়া গীতৰ সৃষ্টিৰ বাবে দুৰ্লভ বা দুষ্প্ৰাপ্য। অসমীয়া মানুহে অসমীয়া গীত-মাত বুলিলে থলুৱাত পৰম্পৰাকে বৰগীত, লোকগীত, আইনাম, দিহানাম, ওজাপালি, অঙ্কীয়া নাট-ভাওনাৰ গীত-মাতকে বুজিছিল। যিবিলাকৰ ভাব-ভাষাত মুঠেও আধুনিকতাৰ পৰশ নাছিল। তদুপৰি সেই সময়ৰ কলিকতাৰ প্ৰবাসী মধ্যবিত্ত অসমীয়াসকলৰ মাজত সততে ......... ডি এল ৰায়, ৰবীন্দ্ৰ নাথৰ গীত-মাতৰ প্ৰভাৱ বেছি আছিল। সহস্ৰ অসমীয়া মানুহৰ মাজত ৰবীন্দ্ৰ সঙ্গীতৰ ..... এক আভিজাত্যৰ পৰিচয় স্বৰূপ আছিল। এই সম্পৰ্কত তাহানি বেণুধৰ ৰাজখোৱাই ১৯৪৪ চনত সত্যনাথ বৰাই প্ৰথম প্ৰণয়ন কৰা গীতৰ পুথি 'গীতাৱলী'ৰ প্ৰসঙ্গ টানি আনি কৈছিল '১৪৪৪ চনৰ আগলৈকে অসমীয়া গানৰ অস্তিত্ব নাছিল বুলিয়েই ধৰিব লাগে। অসমীয়া গানৰ ৰচনাৰ কথা ওলালেই অনেক কৃতবিদ্য ভদ্ৰলোকে ইতিকিং কৰি কৈছিল— চিপ্ৰাং, থাস্তাং, টুক্ৰুং, লাৱৰিং ইত্যাদি শব্দৰ দ্বাৰা যি ভাষা গঠিত, সেই ভাষাৰে গান নহয়। সেই দেখি সেই সময়ত বঙলুৱা খেম্‌টা গান হাটে-বাটে-ঘাটে সাধাৰণ মানুহৰ মুখতো শুনিবলৈ পোৱা গৈছিল। কিন্তু অমঙ্গলীয়া ৰাহুৰ গ্ৰাস সৰহ দিন নেথাকিল।' আমোদজনক কথা যে সত্যনাথ বৰাই 'গীতাৱলী'ৰ প্ৰণেতা হিচাপে নিজৰ নাম দিয়াৰ পৰিৱৰ্তে এজন 'অসমীয়াৰ দ্বাৰা প্ৰণীত' বুলিহে উল্লেখ কৰিছিল।

সত্যনাথ বৰাৰ গীতৰ নমুনা আছিল এনেধৰণৰ—

আজি মজাসে পেটুৰা পেট ভৰিবা
পেট ভৰি পেট ভৰি পেট ভৰি খা

ঔ ঠেকেৰা টেঙা
ৰহৰ কি ভাল

আলুভজা খাব মজা পকা খৰিচা ৰঙ্গমঞ্চৰ নাটৰ বিৰতিৰ সময়ছোৱাত নানান অঙ্গী-ভঙ্গীৰে গাই দৰ্শকক হাঁহিৰ খোৰাক যোগোৱা হৈছিল এনে ধাৰণৰ গীত-মাতেৰে¼ আপাত দৃষ্টিত গীতটোৰ ... কোনো সাহিত্যিক মূল্য নাই। কিন্তু গীতটোৰ ঐতিহাসিক মূল্য সাংঘাতিক।

ইতিহাসৰ পাত লুটিয়াই চালে অপ্ৰিয় হ'লেও এটা কথা স্পষ্ট হৈ পৰে যে তাহানিৰ পৰাই যেন অসমীয়া ভাষা-সাহিত্যৰ লোক, গৱেষক, পণ্ডিত সকলো গীতি-সাহিত্যৰ ওপৰত যথোচিত গুৰুত্ব আৰোপ কৰা নাছিল। অসমীয়া সাহিত্য মানেই সেই সকলৰ বাবে যেন কেৱল গল্প, উপন্যাস, কবিতা, প্ৰবন্ধ, ব্যঙ্গ ৰচনা ইত্যাদিহে। গীতি-সাহিত্যৰ প্ৰাধান্য তাত মুঠেও নাই।

আনকি সেই সিদিনা অৰ্থাৎ 1983 চনত বঙাইগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিবলৈ বুলি মঞ্চত উঠিয়েই ড0 ভূপেন হাজৰিকাই এক আৱেগিক মুহূৰ্তত কৈয়ে পেলালে— 'গীতি-সাহিত্য কৰা মানুহখিনি সাহিত্যিক বুলি গণ্য কৰা নহয়। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ জ্যোতি প্ৰসাদ, বিষ্ণু ৰাভাৰ নাম নাই। কিন্তু তেওঁলোক হাৰি যাব। ৰবীন্দ্ৰনাথে গীত লেখিয়েই নোবেল বঁটা পালে। শংকৰদেৱে অঙ্কীয়া গীত, মাত, বৰগীতৰ জৰিয়তে অসমীয়া সমাজখন গঢ়িলে। ..... টুকাৰাম, চৈতন্য আদি বৈষ্ণৱ গুৰুসকলে গীত গাই সমাজ সংস্কাৰ কৰিছিল। গতিকে গীত লিখা মানুহখিনিক সাহিত্যিক নহয় বুলি অহংকাৰ কৰিব নেপায়।'

লক্ষ্মীনাথ বেজবৰুৱাৰ অনবদ্য অবদানৰ ক্ষেত্ৰতো একেই দৃষ্টিভঙ্গী পৰিলক্ষিত হয়। বেজবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তীৰ সময়তো আমি দেখিলোঁ, অসমীয়া ভাষা-সাহিত্যৰ গৱেষক, পণ্ডিত, সমালোচকসকলৰ মাজত পুৰোধা ব্যক্তিগৰাকীৰ ৰচনা সম্ভাৰ, যেনে ব্যঙ্গ সাহিত্য, কবিতা, নাট, প্ৰবন্ধপাতিকে ধৰি এনেবোৰ বিষয়ৰ ওপৰত যিমান লেখা-মেলা, আলাপ-আলোচনা আদি দেখা গ'ল, তদ্ৰূপ তেখেতৰ গীতসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত নহ'ল। কিন্তু আমি পাহৰিলে নহ'ব যে আমাৰ জাতীয় সঙ্গীত— 'অ' মোৰ আপোনাৰ দেশ' বেজবৰুৱাৰ যাউতিযুগমীয়া অৱদান। অসমীয়া আধুনিক গীতৰ ৰচনাৰ ক্ষেত্ৰত মধ্যবিত্ত সমাজৰ মাজত থকা দ্বন্দ্ব বেজবৰুৱাৰ এই গীতেই বহুখিনি দূৰ কৰিছিল। 1910 চনতে তেওঁ এই গীত ৰচনা কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ গীতৰ যি সাহিত্যিক মূল্য, সেয়া একমাত্ৰ জ্যোতিপ্ৰসাদেই সঠিক অনুধাৱন কৰিব পাৰিছিল। জ্যোতিপ্ৰসাদে তেওঁৰ 'বেজবৰুৱাৰ সাহিত্য প্ৰতিভা' শীৰ্ষক গুৰুত্বপূৰ্ণ প্ৰবন্ধটোৰ মাজত বেজবৰুৱাৰ গীতৰ ওপৰত এক সুদীৰ্ঘ বিশ্লেষণ আগবঢ়াইহে। 'গুণীয়েহে গুণীৰ গুণৰ মোল বুজে' কথাষাৰ জ্যোতি প্ৰসাদৰ ক্ষেত্ৰত পূৰামাত্ৰাই যেন প্ৰযোজ্য হয়। জ্যোতি প্ৰসাদক অসমীয়া আধুনিক গানৰ খনিকৰ বুলি কোৱা যায়। কিন্তু সেইজন জ্যোতি প্ৰসাদে বেজবৰুৱাৰ গীতৰ প্ৰসঙ্গত যিমান উচ্চ স্থান দিছে সেয়া ভাবি আচৰিত হ'ব লাগে। জ্যোতি প্ৰসাদৰ মতে '— অসমীয়া জতুৱা গীতৰ আদৰ্শ যে বেজবৰুৱাৰ গীতবোৰেই তাক আৰু নকলেও হ'ব। তেখেতৰ গীতবোৰ এনেকুৱা ভাব আৰু ভাষাৰে জাতীয় ঠাঁৰত লিখি থৈ গৈছে যে যি অসমীয়া গীতৰ ৰচকৰ পৰা আপুনি টানি তাৰ উপযোগী সুৰ উলিয়াই আনিব পৰাৰ ক্ষমতা আছে। ... সঁচাকৈয়ে বেজবৰুৱাই কোন কাহানিৱাই আমাক অসমীয়া গীতৰ আদৰ্শ দি গৈছে।' এই প্ৰসঙ্গতে জ্যোতি প্ৰসাদে বেজবৰুৱাৰ দুটিমান গীতৰ কলি উৎকৃষ্ট উদাহৰণ স্বৰূপে আগবঢ়াইছে, সেয়া হ'ল—

সোণ বৰণীয়া কেতেকী ধুনীয়া...
ফুলৰে মদিৰা পিনে ..... ভৰা...
পৰ্বতৰ ঢেঁকীয়া লিহিৰি পতীয়া
ইত্যাদি।

অসমীয়া আধুনিক গানৰ প্ৰণালীবদ্ধ চৰ্চাৰ বাট মুকলি কৰিছিল সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাই। তেজপুৰৰ

ঐতিহাসিক বাণ থিয়েটাৰৰ ‘মিউজিক গান মাষ্টাৰ’ হৈ থকাৰ সময়তেই লক্ষ্মীৰাম বৰুৱাই তেওঁৰ অনবদ্য অৱদান ‘সঙ্গীতাকাৰ’ (1909] আৰু ‘সঙ্গীত সাধনা’ (1910]ৰ কাম সম্পন্ন কৰে। লক্ষ্মীৰাম বৰুৱাই ‘সেইকালৰ অনেক সঙ্গীতৰ অ আ ক খ নজনা বন্ধু-বান্ধৱৰ হতুৱাই গীত ৰচনা কৰাই সুৰ-তাল সংযোজন কৰি ‘সঙ্গীত কোষ’ত ঠাই দিছিল আৰু ঊষা কাকততো প্ৰকাশ কৰিছিল।’ (মঞ্চলেখা— পৃ. 175]

লক্ষ্মীৰাম বৰুৱাৰ ‘আজি শুভদিন কিনো বিতোপন, কীৰ্তিনাথ বৰদলৈৰ নামে মন্দাকিনী সৰগৰে পৰা’; অম্বিকাগিৰি ৰায়চৌধুৰীৰ ‘আজি পালো কি ফুলেৰে’; পদ্মধৰ চলিহাৰ ‘আজি ভকতি অঞ্জলি’ আদি গীতৰ মৰ্মবস্তু মূলতঃ দেশ-জাতি, প্ৰেমৰপৰা ভকতি ৰসেৰে জীপাল যদিও সিবিলাকৰ ভাষা সংস্কৃতিয়া বা ভকতীয়া আছিল। অসমীয়া ভাষাৰ যি কালিকা, সৌন্দৰ্য-সুষমা সিবিলাকত যিমান প্ৰতিফলিত হোৱা নাছিল। বহু সময়ত “গন্ধমাৰ্দন পৰ্বতৰ দৰে বঙলা গানৰ ভাষা আৰু ভাবো সোঁশৰীৰে আমদানি হৈছিল। ‘তুমি বাদেৰ কুলেৰ বৌ’ প্ৰভৃতি গান বঙালী সাজপাৰ পিন্ধি ‘তুমি কৰনো জীয়াৰী হৈ অসমীয়া গানৰ মাজলৈ..... থিয় হ’লাহি’ (মঞ্চলেখা— পৃ. 183)

এক কথাত ক’বলৈ গ’লে জ্যোতিপ্ৰসাদেই অসমীয়া আধুনিক গানত যথাৰ্থ আধুনিক ৰূপ আৰু থলুৱা ভাষাৰে হেঙুল-হাইতাল বোলাই অসমীয়াত্ব আৰোপ কৰিবলৈ সক্ষম হয়। যিটো কাৰণে জ্যোতিপ্ৰসাদক অসমীয়া আধুনিক গানৰ খনিকৰ বোলা হয়। যথাৰ্থ অসমীয়া আধুনিক গীত-মাত ৰচনাৰ বাবে অসমীয়া ভাষাত পৰ্যাপ্ত সাৱলীল, আবেদনময়ী, দেহ-মন সাঁত কৰা শব্দচয়নৰ যে লেখমাত্ৰও অভাৱ নাই, সেয়া জ্যোতিপ্ৰসাদে প্ৰমাণ কৰি দেখুৱাই গ’ল। অসমীয়া মধ্যবিত্ত সমাজৰ এচাম লোকৰ মাজত অসমীয়া গানৰ সৃষ্টি সন্দৰ্ভত ঘনীভূত সন্দেহ জ্যোতিপ্ৰসাদে তেওঁৰ গীতৰ মাজেৰেই দূৰ কৰিলে। জ্যোতিপ্ৰসাদেই অসমীয়া আধুনিক গানলৈ যথাৰ্থ আধুনিক সাঙ্গীতিক সৌন্দৰ্য-সুষমা আৰু লগতে গানৰ ভাষাটোলৈও যেন ‘সেউজীয়া জাগৃতি ছন্দ’ আনিলে।

জ্যোতি প্ৰসাদে বাট বুলিলে বেজবৰুৱাই দেখুৱাই যোৱা কাৰ্যৰে। আকৌ জ্যোতিপ্ৰসাদৰ নামেৰেই যেন বাট বুলিলে তেওঁৰ সমসাময়িক তথা অনুজসকলে। বিষ্ণুপ্ৰসাদ ৰাভাৰ গানত বিচাৰি পাওঁ অসমীয়া ভাষাৰ আচল সত্তা। ‘মোৰ কবিতাৰ ছন্দ লাগি স্পন্দন তোৰ জাগেনে’, ‘নীল আকাশৰ পুৱতি তৰা টিমিকি-টিমিকি জ্বলে’, মহাসাগৰ সিঁচি আনিম সগৰমাণিকৰ ধন’ৰ দৰে গান তুলনা বিহীন। পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত ‘জাতে পাতে ঘৰুৱা অসমীয়া’। সাংবাদিক-সাহিত্যিক লক্ষীনাথ ফুকনে সেয়েহে কৈছিল— ‘পাৰ্বতি প্ৰসাদৰ ৰচনাত শৰৎ কালৰ স্নিগ্ধতা আছে। বিজুলীৰ চকু ছাট মৰা চমকনি নাই তাত, আছে ৰামধেনুৰ চকু সাঁতপৰা ৰহন। সমুদ্ৰৰ গৰ্জন নাই, আছে লুইত আৰু দিখৌৰ জক্‌মকনি। কেতেকীৰ উগ্ৰ গোন্ধ নাই, আছে শেৱালিৰ মৃদু সুবাস। বিদেশী বেণু-বাদ্যৰ ঝংকাৰ তান নাই, আছে অসমীয়া টোকাৰীৰ গুণ-গুণনি।

জ্যোতি-বিষ্ণু আৰু পাৰ্বতি প্ৰসাদৰ প্ৰসাদ শিৰত লৈ ড$^{0}$ ভূপেন হাজৰিকাই অসমীয়া আধুনিক গানক ভাবৰপৰা ভাষালৈ লগতে ....... সুষমাৰে বিশ্ব....... শিখৰত তুলিলে। সঁচাকৈয়ে ভূপেন হাজৰিকাৰ গানত ‘জোনাকৰে ৰাতি অসমীৰে মাটি জিলিকি জিলিকি পৰে।’ তাৰ উদাহৰণ দি অন্ত পেলাব নোৱাৰি।

আনন্দৰাম দাস, কমলানন্দ ভট্টাচাৰ্য, শিৱ প্ৰসাদ ভট্টাচাৰ্য, মুক্তিনাথ শৰ্মা বৰদলৈ, মলিন বৰা, পুৰুষোত্তম দাস, অমিত চৰকাৰ, অজিৎ বৰুৱা, নৱকান্ত বৰুৱা, ৰুদ্ৰ বৰুৱা ড$^{0}$ লক্ষহীৰা দাস, অনুৰাধা দাস, কেশৱ মহন্ত, ড$^{0}$ নিৰ্মল প্ৰভা বৰদলৈ, আব্দুল আলী, জয়ন্ত বৰুৱা, ফণী তালুকদাৰ, নৱ বৰুৱা, সতীশ দাস, হেমেন হাজৰিকা, হীৰেন ভট্টাচাৰ্য, ইদ্ৰিছ আলী, ৰত্ন ওজা, কমল হাজৰিকা, হেমন্ত দত্ত, হেমন্ত গোস্বামী, হীৰেন গোহাঁই প্ৰমুখ্য কৰি শতাধিক লোকে তেওঁলোকৰ গীতৰ মাজেৰে অসমীয়া ভাষাৰ লগতে গীতি-সাহিত্যৰ ভেটি ভাবিব নোৱৰাকৈ সমৃদ্ধ কৰিছে। তালিকাত আটাইৰে নাম সন্নিৱিষ্ট কৰিব নোৱাৰি দুঃখিত।

**বিশেষ সংযোজন ঃ** অসমীয়া আধুনিক গানৰ জগতখনত নগাঞা শিল্পীৰ ভূমিকাও কম নহয়। গীতিকাৰ হিচাপে কমলানন্দ ভট্টাচাৰ্যৰপৰা আৰম্ভ কৰি মহেশ চন্দ্ৰ দেৱগোস্বামী, মলিন বৰা, সূৰ্য বৰা, যতীন বৰা, ইউচুফ হাজৰিকা, ডাঃ নিহাৰেন্দু ভট্টাচাৰ্য, ৰুদ্ৰ বৰুৱা, নৱকান্ত বৰুৱা, মনোৰঞ্জন বৰুৱাকে ধৰি বৰ্তমানৰ সূৰ্যকুমাৰ ৰাভা, ৰজনী হাজৰিকা,

হিৰণ্য কুমাৰ গায়ন, সূৰ্য দাসলৈকে অলেখ নবীন-প্ৰবীণ গীতিকাৰে তেওঁলোকৰ ৰচনা সম্ভাৰৰ মাজেৰে অসমীয়া আধুনিক গীতি-সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে বহু সুৰকাৰ, সঙ্গীতকাৰ, কণ্ঠ শিল্পীৰ উত্থানত অপৰিসীম বৰঙণি আগবঢ়াইছে। উদাহৰণ স্বৰূপে মলিন বৰাৰ এক কালজয়ী ৰচনা 'ইমান ধুনীয়া মুকুতাৰ মালা' শীৰ্ষক গীতৰ জৰিয়তে সুৰকাৰ দুৰ্গা প্ৰসাদ ভূএগ্ৰা আৰু গায়ক তাৰিমুদ্দিন আহমেদৰ যি ত্ৰিবেণী সংগম ঘটিছে; তাৰ তুলনা পাবলৈ নাই। 'ইমান ধুনীয়া মুকুতাৰ মালা' সঁচাকৈয়ে অসমীয়া আধুনিক গানৰ জগতৰ এক উজ্জ্বল মুকুতা সদৃশ্‌ৃএকেদৰে সূৰ্য কুমাৰ ৰাজাৰ ...... অহাৰ দৰে ভকতি আঁতৰি গ'লা' গীতৰ মাজেদিও সুৰকাৰ চৈয়দ বাদুল্লা , কণ্ঠশিল্পী মন্দিৰা শৰ্মা লাহিৰীৰ যি সংযোগ ঘটিছে সেয়াও অসমীয়া আধুনিক গানৰ ক্ষেত্ৰখনত এক যাউতিযুগীয়া স্বাক্ষৰ।

কমলানন্দ ভট্টাচাৰ্যৰ 'বিলত তিৰেবিৰাই পদুমৰ পাহি ঐ'ৰ পৰা আৰম্ভ কৰি ড০ নিহাৰেন্দু ভট্টাচাৰ্যৰ 'অৰুন্ধতী অপৰূপা তুমি'; ইউচুফ হাজৰিকাৰ 'সখী মাধৱী তোৰ হেনো বিয়া', ৰুদ্ৰ বৰুৱাৰ 'হয়েৰা জেতুকী বাঈ', নৰকান্ত বৰুৱাৰ 'নিয়ৰে ফুল এপাহ ফুলিল এপাহ সৰিল, মনোৰঞ্জন বৰুৱাৰ 'অ' শৰতৰ শেৱালি' আদি অনেকজন গীতিকাৰৰ ভাস্কৰ্য সৃষ্টিয়ে অসমীয়া আধুনিক গীতৰ লগতে গীতি-সাহিত্যৰ ভেটি জীপাল আৰু চহকী কৰিছে। এইয়া মাত্ৰ কিছু উদাহৰণহে।

**পুনশ্চ ঃ** ঊনবিংশ শতিকাৰপৰাই প্ৰৱাহমান অসমীয়া আধুনিক গীতি-সাহিত্যৰ ধাৰালৈয়ে ইয়াৰ ওখোৰা-মোখোৰা যাত্ৰা পথত বহু ঘাত-প্ৰতিঘাত অতিক্ৰম কৰিবলগীয়া হৈছে যদিও প্ৰতিটো আঘাতে যেন 'জুয়ে পোৰা সোণ'ৰ দৰে তাত উজ্জ্বলৰপৰা উজ্জ্বলতৰ কৰি আহিছে। কিন্তু সাম্প্ৰতিক সময়ত এই ধাৰাটো ক্ৰমশঃ দুৰ্বলৰপৰা দুৰ্বলতৰ দিশে গতি কৰা বুলি ...... মহলত শংকা-সংশয় জাগিছে। ভাবৰপৰা ভাষালৈ, বিষয়বস্তুৰ বিচিত্ৰতালৈ সমাজ তথা জনজীৱনৰ প্ৰতি দায়বদ্ধতাৰ যি গৌৰৱময় সমৃদ্ধ ঐতিহ্য পৰম্পৰা পূৰ্বৰ ধাৰাটোৱে বুকুত আজি লৈ আহিছে, তাত যেন ক'ৰবাত যতি পৰিবলৈ ধৰিছে। মুষ্টিমেয় এমুঠিমান গীতিকাৰৰ এমুঠিমান গীতৰ ব্যতিৰেকে বৰ্তমানৰ সমস্ত ধাৰাটোৱেই অত্যধিক বেপেৰুৱা¼ (Commercia) আৰহাৱাৰ মাজত সোমাই পৰিছে। ক্ৰমশঃ যেন মানুহৰ সমাজ জীৱনৰ বাস্তৱতাৰ পৰা এই ধাৰাটো ফালৰি কাটি যোৱাৰ উপক্ৰম হৈছে। পূৰ্বৰ গীতিধাৰাৰ গীতি-সাহিত্যৰ যি গভীৰতা, বিচিত্ৰতা, মাধুৰ্য সেয়া ম্লান পৰিছে। ...... আৰু সস্তীয়া মনোৰঞ্জনৰ অশুভ প্ৰতিযোগিতাই গীতি-সাহিত্যৰ লগতে সমাজত শিল্প আৰু শিল্পীৰ প্ৰকৃত ভূমিকা ধূসৰ কৰি তুলিছে। ঐতিহ্যৰ সমৃদ্ধি, পৰম্পৰাৰ সুস্থ আঙুলিত খামুচি ধৰিয়েই নতুন দিনৰ ধাৰাটো জীপাল আৰু গতিশীল কৰি তুলিব নোৱাৰিলে অনাগত দিনত পস্তাব লাগিব। তাৰ বাবে মডেল অনুৰাগী শিল্পী, কলা কুশলী, গীতিকাৰ, সুৰকাৰ লগতে শ্ৰোতা-দৰ্শক, পঢুৱৈ সমাজ, সমালোচক আদিয়ে মাৰবান্ধি কাম কৰিব লাগিব। বিশেষকৈ ছাত্ৰসমাজৰ ..... এক আশাব্যঞ্জক, সৃষ্টিশীল পৰিৱেশ বৰ্তাই ৰখাত আমি আটায়ে মনোনিৱেশ কৰিব লাগিব। ড০ নিৰ্মল প্ৰভা বৰদলৈৰ গীতৰ কথাৰেই আমি আশা কৰিম— আকৌ নতুন প্ৰভাত হ'ল

কাল ৰাত্ৰিও নেথাকিব...।'

*****

● লেখক ঃ এগৰাকী বিশিষ্ট সংগীত শিল্পী তথা গীতিকাৰ-সুৰকাৰ আৰু সাহিত্যিক।

# হীৰেন ভট্টাচাৰ্যৰ গীতত প্ৰকৃতি আৰু স্বদেশ প্ৰেম

ড° বনলতা দাস

**সংক্ষিপ্তসাৰ ঃ**

অসমীয়া গীতি-সাহিত্যৰ এক সুদীৰ্ঘ আৰু বৰ্ণিল ইতিহাস আছে। চৰ্যাপদ, মন্ত্ৰসাহিত্য, বিভিন্ন লোকগীত আদিৰ মাধ্যমেদি আহি অসমীয়া গীতি-সাহিত্যই সাম্প্ৰতিক সময়ত এক শক্তিশালী পটভূমি লাভ কৰিছেহি। অসমীয়া গীতি-সাহিত্যৰ এই সুদীৰ্ঘ ইতিহাসত বিভিন্নজন গীতিকাৰে স্বকীয়তাৰে পৰিচয় দাঙি ধৰিছে। 'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচাৰ্য আধুনিক অসমীয়া গীতি-সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা গীতিকাৰসকলৰ ভিতৰত অন্যতম। সাহিত্যিক আৰু সাঙ্গীতিক উভয় দিশতেই স্বকীয় সৃজনী প্ৰতিভাৰ চিনাকি দিবলৈ সক্ষম হোৱা হীৰেন ভট্টাচাৰ্যই বিভিন্ন ভাব, বিষয় আৰু পৰিস্থিতিক কেন্দ্ৰ কৰি গীত ৰচনা কৰিছিল। তেওঁ পুৰুষ আৰু নাৰী কণ্ঠৰ উপযোগীকৈ এক বিশেষ গীত ৰচনা কৰি অসমীয়া সংগীত জগত চহকী কৰি থৈ গৈছে।

অসমীয়া সঙ্গীতক বিষয়বস্তু, ভাব ৰস আদিৰে সমৃদ্ধ কৰাৰ ক্ষেত্ৰত হীৰেন ভট্টাচাৰ্যৰ ভূমিকা অনস্বীকাৰ্য। ভট্টাচাৰ্যই আংগিক আৰু কলা-কৌশলৰ ক্ষেত্ৰতো সুকীয়াত্ব প্ৰদৰ্শন কৰিছে। ভাষাৰ ক্ষেত্ৰত অত্যন্ত পৰিমিতিবোধ, চুটি চুটি সৰল বাক্য, ঘৰুৱা ভাষা, বচা বচা শব্দৰ প্ৰয়োগ, বিন্যাস আদিয়ে তেওঁৰ গীতত ভাবৰ গভীৰতা প্ৰদান কৰিছে। লোক সমাজত প্ৰচলিত বিভিন্ন শব্দৰ প্ৰয়োগে তেওঁৰ গীতৰ মাধুৰ্য বৃদ্ধি কৰিছে। অসমীয়া গ্ৰাম্য সমাজৰ চিত্ৰণ আৰু প্ৰকৃতিৰ চিত্ৰণৰ লগতে স্বদেশপ্ৰেম, জাতীয় চেতনাই বিশেষ ভূমিকা গ্ৰহণ কৰিছে। এই গৱেষণা পত্ৰখনিত 'হীৰেন ভট্টাচাৰ্যৰ গীতত প্ৰকৃতি আৰু স্বদেশ প্ৰেম' শীৰ্ষক বিষয়টি বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰে আলোচনা কৰিবলৈ বিচৰা হৈছে।

**১.০০ বিষয়বস্তু অধ্যয়নৰ উদ্দেশ্য ঃ**

'হীৰেন ভট্টাচাৰ্যৰ গীতত প্ৰকৃতি আৰু স্বদেশপ্ৰেম' শীৰ্ষক গৱেষণা পত্ৰৰ জৰিয়তে তেওঁৰ গীতত প্ৰকৃতিৰ বৰ্ণনা আৰু স্বদেশ প্ৰেম তথা জাতীয়তাৰ বিষয়ে সম্যক ধাৰণা এটি দিবলৈ প্ৰয়াস কৰা হৈছে। 'ৰূপালী নদী সোণালী সাঁকো', 'তোমাৰ বাঁহী', 'তোমাৰ গান', 'নিৰ্বাচিত কেইটিমান গীত', 'কেইটিমান গান' প্ৰভৃতি গীতৰ সংকলনৰ জৰিয়তে ভট্টাচাৰ্যই অসমীয়া গীতি সাহিত্যক এক বিশেষ মৰ্যাদাত প্ৰতিষ্ঠিত কৰিছিল। ভাবনা, ঐশ্বৰ্য আৰু ৰূপ বৈচিত্ৰ্যৰ দিশত হীৰেন ভট্টাচাৰ্যৰ গীতৰ ব্যাপ্তি অতি ব্যাপক আৰু গভীৰ। হীৰেন ভট্টাচাৰ্যৰ কবিতা সম্পৰ্কে গৱেষণা হৈছে যদিও তেওঁৰ গীতৰ বিষয়ে বিস্তৃত আলোচনা নোহোৱাৰ বাবে ইয়াৰ গভীৰতা উপলব্ধিত কিছু অন্তৰায়ৰ সৃষ্টি হৈছে। আমাৰ গৱেষণা পত্ৰখনিৰ জৰিয়তে এইবিষয়ে কিছু আভাস দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

**১.০১ পৰিসৰ আৰু পৰিসীমা ঃ**

আমাৰ গৱেষণা পত্ৰত হীৰেন ভট্টাচাৰ্যৰ পাঁচখন গীতৰ সংকলনৰ অন্তৰ্গত কিছুসংখ্যক নিৰ্বাচিত গীতৰ আধাৰত

আলোচনা প্ৰস্তুত কৰা হৈছে যদিও আলোচনাৰ মাজলৈ সকলো গীত আনিব পৰা নাই। গৱেষণা পত্ৰৰ সংক্ষিপ্ত পৰিসৰৰ বাবে তেনে কৰা হৈছে।

**১.০২ গৱেষণা পদ্ধতি ঃ**

আলোচ্য গৱেষণা পত্ৰ প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**১.০৩ পূৰ্বকৃত সাহিত্যৰ অধ্যয়ন ঃ**

হীৰেন ভট্টাচাৰ্যই বয়সতে কবিতাৰ পলসুৱা পথাৰত শব্দৰ কঠিয়া ৰুৱলৈ আৰম্ভ কৰিছিল। মৃত্যুকো শিল্পলৈ ৰূপান্তৰিত কৰা কবি তেওঁ অপ্ৰমাদী। সেয়ে, হীৰেন ভট্টাচাৰ্যৰ 'মোৰ দেশ মোৰ প্ৰেমৰ কবিতা' সংকলনখনৰ পাতনিত হীৰেন গোঁহায়ে কৈছে — "হীৰেন ভট্টাচাৰ্য যৌৱনৰ কবি, যৌৱন কেৱল এটা কাল নহয়, এটা ঋতু নহয়, জীৱনৰ আপোন-বিভোল পৰিপূৰ্ণতা। সেয়ে, হীৰেন ভট্টাচাৰ্য ফাগুনৰ বতাহ আৰু ব'হাগৰ কপৌফুলৰ কবি, লেখ-জোখ নোহোৱা সপোন আৰু অচিন আকাংক্ষাৰ বিদ্ৰোহ আৰু উন্মাদনাৰ প্ৰেম আৰু প্ৰেমৰ ব্যৰ্থতাৰ কবি। টানকৈ ধৰা তাঁৰৰ দৰে সচেতন এটা মন আৰু বহু গভীৰলৈ জোকাৰ খাব পৰা এখন হৃদয়ৰ তেওঁ অধিকাৰী, তেওঁৰ প্ৰেম পাত্ৰীৰ প্ৰতি, তেওঁৰ দেশৰ প্ৰতি তেওঁৰ ভালপোৱা অকুণ্ঠ আৰু সতেজ তাৰ অসীম আত্মনিবেদন আৰু নম্ৰতাত পাঠক মুগ্ধ হয় আৰু তাৰ আশাভংগৰ বাতৰিত পাঠকে নিজেই অভিভূত হৈ পৰে। তথাপি অক্ষয় যৌৱনৰ ভঁড়াল।" তেওঁ আকৌ কৈছে যে — 'একনিষ্ঠ আন্তৰিকতা আৰু ব্যক্তিগত আবেগৰ সততাই কবি জীৱনৰ স্থায়ী আশ্ৰয় হ'ব নোৱাৰে। আধুনিক বুৰ্জোৱা জীৱনৰ আত্মকেন্দ্ৰিকতাৰপৰা বহু আঁতৰি আহিলেও তেওঁ তাৰ বান্ধোন ছিঙিব পৰা নাই।' (হীৰেন গোঁহাই, আগকথা)। ভট্টাচাৰ্যৰ কবিতা সম্পৰ্কত হীৰেন্দ্ৰ নাথ দত্ত, অৰিন্দম বৰকটকী, আনন্দ বৰমুদৈ আদিয়ে বিভিন্ন আলোচনা, সমালোচনা দাঙি দৰিছে। আকৌ হীৰামণি হালৈৰ 'হীৰেন ভট্টাচাৰ্যৰ কবিতাত সমাজ বাস্তৱতা' (২০১৭) আৰু ৰুণজুন শইকীয়াৰ 'হীৰেন ভট্টাচাৰ্যৰ কবিতা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' (২০১৭) শীৰ্ষক গৱেষণা গ্ৰন্থখনত তেওঁৰ জীৱন, কৃতি, ব্যক্তিত্ব তথা বিশেষকৈ কবিতা সন্দৰ্ভত গভীৰ বিশ্লেষণ গৱেষণা গ্ৰন্থদুখনত দেখা যায়। লোকনাথ গোস্বামীৰ 'অসমীয়া আধুনিক সংগীতৰ ইতিহাস' (২০১৬) আৰু 'অসমীয়া আধুনিক সংগীতৰ ৰূপকাৰসকল (২০১৭) গ্ৰন্থদুখনত হীৰেন ভট্টাচাৰ্যৰ গীতৰ চমু আভাস পোৱা যায় যদিও তেওঁৰ গীতৰ বিষয়ে সম্যক আলোচনা এতিয়ালৈকে হৈ উঠা নাই।

হীৰেন ভট্টাচাৰ্য (১৯৩২-২০১২) বিশেষকৈ কবি হিচাপে পৰিচিত যদিও তেওঁ এগৰাকী সংবেদনশীল গীতিকাৰ। ভট্টাচাৰ্য একেধাৰে কবি, গীতিকাৰ, চিত্ৰশিল্পী আৰু শিশু সাহিত্যিক। তেওঁৰ প্ৰথম গীতি-সংকলন 'ৰূপালী নদী সোণালী সাঁকো' যুটীয়াভাৱে প্ৰখ্যাত গীতিকাৰ জয়ন্ত বৰুৱাৰ সৈতে ১৯৬০ চনত প্ৰকাশ পাইছিল। বিহলজ্যোতি শইকীয়াৰ দ্বাৰা সম্পাদিত ২০২০ চনত প্ৰকাশিত 'হীৰেন ভট্টাচাৰ্য ৰচনাৱলী' গ্ৰন্থখনত উল্লেখ থকা অনুসৰি 'তোমাৰ বাঁহী' (১৯৬৯), 'তোমাৰ গান' (১৯৭৬), 'নিৰ্বাচিত কেইটিমান গীত' (১৯৯৩), 'কেইটিমান গান' (২০০৭) — পাঁচখন গীতৰ সংকলন পোৱা যায়। এই গীতসমূহৰ উপৰিও ভালেমান গীত অ'ত-ত'ত (বিশেষকৈ আকাশবাণী কেন্দ্ৰত) থাকিব পাৰে বুলি শইকীয়াই উল্লেখ কৰিছে। তলত হীৰেন ভট্টাচাৰ্যৰ গীতত প্ৰকৃতি আৰু স্বদেশপ্ৰেমৰ বিষয়ে আলোচনা কৰা হ'ল।

**১.০৪ বিষয়বস্তুৰ আলোচনা ঃ**

অসমীয়া হৃদয়ৰ স্পন্দনত স্পন্দিত হৈ থকা এটি সুৰৰ নাম হীৰেন ভট্টাচাৰ্য (১৯৩২-২০১২)। তেওঁ আছিল এজন শইচৰ পথাৰৰ মানুহ, এজন সুগন্ধি পখিলা বিচাৰি ফুৰা তৰুণ। কেবা দশক যুৰি অসমীয়া সাহিত্য আৰু সংগীত জগত এইগৰাকী জ্যোতিষ্কই আৱৰি ৰাখে। ভট্টাচাৰ্যই ডেকা বয়সতে ভাৰতীয় কমিউনিষ্ট পাৰ্টি, ভাৰতীয় নাট্য সংঘ, প্ৰগতিশীল ৰাজনৈতিক সাংস্কৃতিক সংগঠনৰ সৈতে জড়িত হোৱাৰ সুযোগ পায়। এনেবোৰ অনুষ্ঠানৰ জৰিয়তে তেওঁ অসমৰ সাহিত্য-সংস্কৃতি জগতখনৰ বহু বিশিষ্ট লোকৰ সংস্পৰ্শলৈ আহে আৰু তেওঁৰ চিন্তা-চেতনাৰ নতুন দিশৰ উন্মেষ হোৱাৰ লগতে সমৃদ্ধি আৰু নিজৰ সংগীতৰ প্ৰতিভা বিকশিত কৰাৰ কাৰণে যথেষ্ট সুযোগ লাভ কৰে।

হীৰেন ভট্টাচাৰ্যৰ গীতৰ প্ৰথম সংকলন 'ৰূপালী নদী সোণালী সাঁকো' তেজপুৰৰ প্ৰসিদ্ধ গীতিকাৰ প্ৰয়াত জয়ন্ত বৰুৱা আৰু ভট্টাচাৰ্যৰ যুটীয়া প্ৰচেষ্টাত প্ৰকাশ পায়। তাৰপাছৰপৰাই আৰম্ভ হ'ল তেওঁৰ গানৰ অবিৰত যাত্ৰা। গীতৰ

সংকলনখনিৰ পাতনিত 'একান্ত ব্যক্তিগত' বুলি তেওঁ লিখিছে ঃ "গণনাট্য সংঘৰ কৃতী শিল্পী ৰমেন বৰুৱা আৰু উদীয়মান ৰাণা (জয়ন্ত হাজৰিকাৰ নাম এইছেগতে উল্লেখ কৰিলোঁ) মোৰ প্ৰায়ভাগ গীতৰ সুৰ সংযোজক এওঁলোক দুজনেই আৰু বহুতো সময়ত এওঁলোকৰপৰা উৎসাহো পাইছোঁ যথেষ্ট।"

বহুকেইগৰাকী প্ৰসিদ্ধ সুৰকাৰে হীৰেন ভট্টাচাৰ্যৰ গানবোৰ যিধৰণে সজাইছে, তেনেধৰণে বহু কণ্ঠশিল্পীয়ে নিজৰ সুৰদি কণ্ঠেৰে তাক শ্ৰোতাৰ মাজলৈ নি অসমীয়া সঙ্গীতক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জনপ্ৰিয় অনুষ্ঠান 'গীতিমালিকা'ত এনেবোৰ গীত জিলিকি উঠিল। ভট্টাচাৰ্যৰ গীতত সুৰ আৰু কণ্ঠদান কৰা শিল্পীসকলৰ ভিতৰত — খগেন মহন্ত, বীৰেন্দ্ৰ নাথ দত্ত, লোকনাথ গোস্বামী, অতুল মেধি, মধুমতী গোস্বামী, ৰুবী সিংহ, যুগব্ৰতা দত্ত, বীণা ভাগৱতী, মৃদুলা দাস, মিনু শইকীয়া (বৰুৱা), কুল বৰুৱা, মিহিৰ বৰদলৈ, মিতালী দে, বিউতী শৰ্মা বৰুৱা, চাৰু গোঁহাই, পুলক বেনাৰ্জী, দ্বিতীমণি ভট্টাচাৰ্য, অপূৰ্ব দাস, হীৰেন গোঁহাই, হেমেন দাস, জে. পি. দাস, কণিকা ভট্টাচাৰ্য, মুকুল বৰুৱা আদিকে প্ৰমুখ্য কৰি বহুকেইগৰাকী সুৰকাৰ কণ্ঠশিল্পী। পৰৱৰ্তী সময়ত জুবিন গাৰ্গ, উৎপল শৰ্মা, পাপৰি দাস, অজিত ফুকন, অনিন্দিতা পাল, বিজয় দত্ত, পৱন গগৈ, শ্ৰেয়া ঘোষাল, জয়ন্ত দাস আদি অনুজ সুৰকাৰ, কণ্ঠশিল্পীৰ নাম উল্লেখ কৰিব পাৰি। (আধুনিক সংগীতৰ ইতিহাস, পৃ. ২২৫)।

হীৰেন ভট্টাচাৰ্যই কবিতাৰ যাদুৰে সকলো মানুহকে মুগ্ধ কৰি গৈছে। ধ্বংসস্তূপৰ মাজত তেঁৱেই এক ৰৌদ্ৰ কামনা। শব্দব্ৰহ্ম আহৰণ কৰে তেওঁ হৃদয়ৰ অভিধানৰপৰা, অভিজ্ঞতাৰপৰা, শব্দৰ কোলাতেই ডাঙৰ-দীঘল হৈ ঘৰ সাজে নতুন নতুন সৃষ্টিৰ। অসমীয়া বোকা মাটি সেউজীয়া জনজীৱনৰ শব্দবোৰক বলম-হাতুৰীৰে ভাঙি-পিটি গঢ়ি লৈছিল তেওঁ একোটি চিৰসেউজ শব্দ। তেওঁৰ হৃদয়খন যেন গান-কবিতাৰ সহোচৰ। সেই সৃষ্টিৰ অনুপ্ৰেৰণাতেই অনেক লেখকৰ কলিজাত নতুন ভাবনাৰ থোৰ মেলে।

ভট্টাচাৰ্যৰ গীতসমূহৰ ভাব, বিষয়বস্তু ৰচনাৰ উপলক্ষ্য আৰু বিষয়ৰ আধাৰত এনেদৰে বিভক্ত কৰিব পাৰি ঃ

| | |
|---|---|
| ১। প্ৰকৃতিৰ গীত | ২। প্ৰেম আৰু বিৰহৰ গীত |
| ৩। আধ্যাত্মিক গীত | ৪। বনগীত |
| ৫। শিশুগীত | ৬। স্বদেশপ্ৰেমৰ গীত |
| ৭। লোকজীৱন আধাৰিত গীত | ৮। সম্প্ৰীতিৰ গীত |
| ৯। ৰেডিঅ' আৰু বোলছবিৰ গীত | ১০। অন্যান্য গীত। |

হীৰেন ভট্টাচাৰ্যৰ অধিকাংশ গীততেই প্ৰকৃতিৰ শোভা-সৌন্দৰ্যই প্ৰকাশ লাভ কৰিছে। ঋতু পৰিৱৰ্তনৰ লগে লগে প্ৰকৃতিজগতলৈ অহা পৰিৱৰ্তনৰ চিত্ৰৰে তেওঁৰ গীতসমূহ সঞ্জীৱত হৈ উঠিছে। নৈ, নিজৰা, বিহঙ্গ, সাজৰ তৰা, জোনাক, কুঁৱলী, ধুমুহা আদি সকলো বিষয়ে তেওঁৰ গীতত ঠাই পাইছে। অসমৰ সকলো গছ-লতা, চৰাই-চিৰিকটি চিনি পোৱা হীৰেন ভট্টাচাৰ্যক বীৰেন্দ্ৰ নাথ দত্তই অসমৰ 'জহুৰী' আখ্যা দিছে। এই সম্পৰ্কত বাংলা কবি অৰুণ সেনৰ সন্মুখত ভট্টাচাৰ্যই নিজেই কৈছিল ঃ

"প্ৰকৃতিকে খুব ভালবাসি আসামেৰ সব গছকে আমি চিনি। আসামেৰ নদী, পাখি, ফুল এবং সবচেয়ে বড় কথা মানুষ, সব ৰকমেৰ মানুষ ও নিয়েই আমি আছি মোটামোটি, এৰকম একটা জীৱন নিয়েই।" (ভট্টাচাৰ্য, বৰুৱা, দীপালী ঃ ৰ'দে বৰষুণে, পৃ. ৫৯)।

ভট্টাচাৰ্যই তেওঁৰ প্ৰকৃতি বিষয়ক গীতসমূহত বিভিন্ন ঋতু তথা প্ৰকৃতিক ভিন্ন ৰং সম্বলিত দৃশ্য অংকিত কৰিছে উপযুক্ত শব্দ প্ৰয়োগৰ মাধ্যমেৰে। তেওঁৰ এই শ্ৰেণীৰ গীতলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁ নিজকে প্ৰকৃতিৰ লগতে বিলীন কৰি দিয়াৰ মানস কৰিছে। প্ৰকৃতিৰ লগত তেওঁ একাত্ম। প্ৰকৃতিৰ ৰূপ, ৰস, ৰং, গোন্ধ, স্পৰ্শই তেওঁক বহুতৰপীয়া মগ্নতা দিছে। 'এটি তৰা আপোন পাহৰা', 'সুমথিৰা ৰঙৰ জাৰৰ কোমল ৰ'দ', 'শুকান বতাহজাকে', 'এন্ধাৰে এন্ধাৰে' আদি গীতৰ জৰিয়তে ৰমণীয় প্ৰকৃতিৰ নিবিড় সৌন্দৰ্য-সুষমাৰ অনাবিল প্ৰশংসা তেওঁৰ গীতত বৰ্ণিত হৈছে।

ঋতু পৰিৱৰ্তনৰ লগে লগে প্ৰকৃতি জগতলৈ অহা বিবিধ পৰিৱৰ্তনৰ চিত্ৰৰে ভট্টাচাৰ্যৰ গীতবোৰ জিলিকি উঠিছে।

তেওঁৰ বেছিভাগ গীততেই ফুলে প্ৰাণ পাই উঠিছে। ফুল বিষয়ক গীতবোৰত কাঞ্চন, গোলাপ, শেৱালি, চম্পা, নাহৰ, এজাৰ, মৌচুমী, খৰিকাজাই ফুলৰ যোগেদি গীতিকাৰৰ জীৱনবোধ প্ৰকাশিত হৈছে। 'ফুলে লাহেকৈ ক'লে', 'ফুলে পেলালে ক'লি', 'ফুলৰ ইমান গোন্ধ', 'ফুল নুফুলিলেই বা কি হ'ল তাতে', 'বকুল ফুলৰ দৰে' আদি গীতৰ জৰিয়তে গীতিকাৰৰ ফুলৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম আৰু আন্তৰিকতাৰ স্বৰূপ প্ৰকাশ পাইছে। উদাহৰণস্বৰূপে ঃ

"বকুল ফুলৰ দৰে জোনাকৰ পখী উৰে
এন্ধাৰে এন্ধাৰে।
নীলিমাৰ আঁচলেৰে টোপে টোপে
চকুপানী সৰে
বকুল ফুল দৰে
মনৰ নিজানত
অকলশৰে।" (পৃ. ৪৫৭)

প্ৰকৃতিৰ বিবিধ গছ — শাল, শিমলু, শিৰিষ, বকুল আদি থলুৱা গছৰ উল্লেখেৰে তেওঁৰ গীতবোৰক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। 'চৰাই'ক লৈ ভট্টাচাৰ্যই ভালেমান গীত ৰচনা কৰিছে। যেনে —

সোণ সুৰদী চৰাই উৰে আকাশেৰে
কোমল মাটিত পেলাই সোণৰ ছাঁ।
(পৃ. ৪৯২)

'নীলা চৰাই, নীলা চৰাই', 'চৰাই উৰণীয়া', 'সৌ শিৰিষডালত এজনী চৰাই, আছেহি লুকায়', 'যদি চৰাই হ'লোহেঁতেন', 'অ' মোৰ মিঠা মৌ', 'সাৰেং চৰাই', — গীতৰ প্ৰসংগ এইক্ষেত্ৰত উল্লেখযোগ্য।

ঋতু পৰিৱৰ্তনে প্ৰকৃতি জগতলৈ কঢ়িয়াই অনা অনন্য-সুন্দৰ মাদকতাই বিস্ময়-বিমুগ্ধ কৰি তোলা গীতিকাৰৰ প্ৰায়বোৰ গীতত বিভিন্ন ঋতুৰ মনোমোহা চিত্ৰ অংকিত হৈছে। প্ৰকৃতিৰ প্ৰতিটো সৃষ্টিৰ লগত নিজকে বিলীন কৰি গীতিকাৰে ব্যক্তিগত প্ৰেমক বহল পৰিসৰলৈ লৈ গৈছে। ইয়াৰপৰা অনুমান কৰিব পাৰি গীতিকাৰৰ প্ৰকৃতিৰ প্ৰতি পৰ্যবেক্ষণ কিমান নিবিড়। সৃষ্টিশীল বৰ্ষা ঋতুৱে তেওঁৰ মনলৈ কঢ়িয়াই অনা অজান পুলকৰ পৰিণতিস্বৰূপে সৃষ্টি হৈছে কেইবাটাও মোহনীয় আৰু সাৰ্থক গীত। বৰ্ষাৰ বিচিত্ৰ ৰূপৰ বৰ্ণনা তেওঁৰ গীতত দেখা যায় এনেদৰে ঃ

"যা যা বাৰিষা যা
ধনশিৰি পাৰ হৈ
সোৱণশিৰিৰ সিপাৰলৈ
যা গুচি যা যা।
মোৰ ৰ'দ কাঁচলিলৈ
ৰ'দালি আহিছে
কিনো নাচোনেৰে চা।"
(পৃ. ৪৭৯)

— এই গীতৰ জৰিয়তে বাৰিষা অহাৰ লগে লগে কৃষক সমাজৰ দুৰাৱস্থাৰ চিত্ৰ অংকিত হোৱাৰ লগতে ভৱিষ্যতৰ সোণোৱালী ৰচিছে। 'মেঘ কিয় আহিলি', 'চপৰা চপৰা ডাৱৰে', 'মেঘৰ সিপাৰে মেঘ অধীৰ' আদি গানতো তেনে সুৰ দেখা যায়।

বৰ্ষাৰ দৰেই শৰৎ ঋতুৱেও ভট্টাচাৰ্যৰ গীতত প্ৰাধান্য লাভ কৰিছে। শৰৎ মানেই শুকুলা ডাৱৰ, কহুৱা ফুল আৰু শেৱালিৰ সুৱাসিত ঋতু। শৰৎ, শেৱালি, শিল্পী — এই তিনিওটাৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। এই তিনিওটাই যেতিয়া যুগলবন্দী হয় তেতিয়া সৃষ্টিৰ সুৱাস বিয়পি পৰে। শৰৎ ঋতুৰ আবেদনেই সুকীয়া। 'মোৰ চোতালৰে আহিন', 'আহিন তই

আহিলি’, ‘ফুলি শেৱালি পৰিছে সৰি, যেতিয়াই চালি ধৰে শেৱালিজোপাই’ আদিত আহিন আৰু শেৱালিয়ে প্ৰাধান্য লাভ কৰিছে। হীৰেন ভট্টাচাৰ্যই জনপ্ৰিয়তাৰ শীৰ্ষস্থান লাভ কৰা আৰু লোকনাথ গোস্বামীয়ে সুৰ আৰু কণ্ঠদান কৰা অন্যতম গীতটো হৈছে — ‘আমোল মোল শেৱালিৰ গোন্ধ’। এই গীতটোৱে মানুহৰ শিৰা-উপশিৰা চুই যায়, মন-মগজু চুই যায়। এই গীতটি যথেষ্ট আবেগিক আৰু সৌন্দৰ্যবোধৰ পৰিচায়ক ঃ

“আমোল মোল শেৱালিৰ গোন্ধ
যাওঁ বুলি যাবই নোখোজেচোন।
চকুৰে চকুৰে পৰা হ’লে চাব
দেখিলোহেঁতেন
বেলিৰ মুখৰ ৰং তোমাৰ শিৰৰ সেন্দুৰকণহুঁ
পুৱতি নিয়ৰে ফুলালে শেৱালি
দুৱৰি দলিচাত থ’লেহি দাপোনখন,
আহিন আহি বজালে বাঁহী
ভৰিল শেৱালি বন।
পাহিলৈ কি চাবা পাবলি পাবলি
হাঁহিটি ৰজনজন।”

(পৃ. ৪০১)

— ইয়াত প্ৰেম গীতিকাৰজনাৰ অন্তৰৰ উপলব্ধি। শুভ্ৰতাৰ প্ৰতীকৰূপী শেৱালি ফুলৰ ৰঙা ঠাৰিৰ লগত এগৰাকী লাহী-পাহি ন কইনাৰ শিৰৰ সেন্দূৰকণৰ লগত তুলনা কৰিছে। আকৌ, শেৱালিৰ বগা পাহিবোৰক ন কইনাজনীৰ আঙুলিৰ লগত ৰিজাইছে। লাহী লাহী খোজেৰে গৈ থকা ন কইনাজনীৰ প্ৰতি কিবা এটা মৰম, শ্ৰদ্ধা এক অনাবিল আনন্দ প্ৰদান কৰিছে শব্দৰ ব্যঞ্জনাই। শব্দৰ আয়তন আৰু অৰ্থেৰে গানক এক নতুন মাত্ৰা প্ৰদান কৰা হীৰেন ভট্টাচাৰ্য এক চিৰন্তন সাধক। আমোল মোল শেৱালিৰ গোন্ধত ব্যাকুল গীতিকাৰজনাই সুগন্ধি পখিলা বিচাৰি বিচাৰিয়েই সৃষ্টি কৰি গ’ল ভালেকেইটা হৃদয়ৰ হৃদয়ৰ তাঁৰবোৰ জোঁকাৰি যোৱা গীত।

বৰ্ষা আৰু শৰতৰ দৰেই সমস্ত ঋতুকে তেওঁ অৰ্থপূৰ্ণৰূপত চিত্ৰিত কৰিছে। ব’হাগ বিহু আনন্দ, প্ৰেম আৰু সৌন্দৰ্যৰ উৎসৱ। এই সময়ত প্ৰকৃতি সৌন্দৰ্যময় হৈ পৰে। গীতিকাৰৰ দৃষ্টিত গাভৰু আৰু প্ৰকৃতি এক হৈ পৰে। ব’হাগৰ আনন্দ উশাহ তেওঁৰ গীতত অংকিত হৈছে এনেদৰে ঃ

“ইটি সিটি কৰি নাহৰ ফুল ফুলিলে
কেতেকী ফুলিলে ঢাপৰ।
গাঁৱৰ সৌ সিমূৰে কোনেনো মাৰিলে
ঢোলত লাহেকৈ চাপৰ।
ঢোলৰ মাত ইফালে, ঢোলৰ মাত সিফালে
মাজতে ৰংপুৰ নগৰ।
ঢোলৰ মাতে শুনি, নাচে নাজিতৰা
থেকেচি ভাঙি থৈ হাতৰে যঁতৰ।

(পৃ. ৪০৩)

হেমন্ত ঋতুৰে কৃষিজীৱি অসমীয়া মানুহৰ অন্তৰত কেনেধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, আঘোনৰ সোণালী ধাননিয়ে কৃষকৰ জীৱনলৈ কেনেধৰণৰ প্ৰেৰণা কঢ়িয়াই আনে, সেইবিষয়ে অনুভৱসিক্ত গীতৰ মাজেৰে প্ৰকাশৰ প্ৰয়াস কৰিছে গীতিকাৰে —

"মোৰ আঘোণ থোৰ মেলা ধানৰ মাজেৰে
মোৰ ফাগুণ ফুল ফুলা গছৰ তলেৰে
মোৰ ব'হাগৰ ৰ'দ তোমাৰ সুৱদী মাতত।"

(পৃ. ৪৩৪)

একেদৰে 'ফাগুণ'ক লৈ ভট্টাচাৰ্যই ভালেমান গীত ৰচনা কৰিছে। ফাগুণ হৈছে যৌৱন, অনুৰাগৰ প্ৰতীক। পলাশ, শিমলু ফুলাৰ বতৰত চঞ্চলা ফাগুণীয়ে মানুহৰ মন উন্মনা কৰি তোলে। 'ফাগুণৰ এই গধূলি', 'তুমি আহিবা আঘোণ বা ফাগুণত' আদি গীতিকাৰৰ মন উতলা কৰা গীত।

হীৰেন ভট্টাচাৰ্যই ৰচনা কৰা বনগীত, নিচুকনি গীত আদিতো প্ৰকৃতি বন্দনা ওপচি আছে। যেনে —

"ইকৰাৰে নাও সাজি
খাগৰিৰে ব'ঠা লৈ
সোণে মোৰ জোনৰ দেশলৈ যায়।"

(পৃ. ৪৯১)

জীৱনৰ সাৰ্থকতা বিচৰাৰ বাবে 'মা-মাটি-মানুহ'ৰ উপলব্ধিৰে সংপৃক্ত ভট্টাচাৰ্য আছিল চহা মনৰ এগৰাকী গীতিকাৰ। তেওঁ শব্দৰ জন্ম দিয়ে, সিহঁতক মনৰ মাজত নিৰলে পোহপাল দিয়ে আৰু বুজন হ'লেই শইচৰ পথাৰলৈ মেলি দিয়ে। সেই শব্দ-বীজেৰেই সেউজ ভট্টাচাৰ্যৰ শস্যৰ পথাৰ। তেওঁৰ গীত আৰু কবিতাৰ মাজত পাৰ্থক্য খুব কম। তেওঁৰ প্ৰতিটো কবিতাই যেন একোটা গীত আৰু প্ৰতিটো গীতেই যেন একোটা কবিতা। তেওঁৰ গীত আৰু কবিতাৰ উমৈহতীয়া বৈশিষ্ট্যৰ ভিতৰত ব্যক্তিগত অনুভূতিক প্ৰেম, স্বদেশপ্ৰেম তথা জাতীয়তা আৰু আত্মমগ্নতা। গীতিকাৰজনাৰ আত্মমগ্নতাৰ চিত্ৰণ 'হেৰ' বাহী তোক বৰ ভালপাওঁ দেহী' গীতৰ সাংঘাতিকভাৱে নিমজ্জিত হৈ আছে।

গীতিকাৰজনাই প্ৰেম বিৰহৰ চিত্ৰ অংকিত কৰোঁতেও প্ৰকৃতিৰ উপস্থাপন কৰা দেখা যায় —

(ক) "জোনাক নাছিল বনত
জোনাক নাছিল মনত
তৰাই তৰাই কথা পাতিছিল
মনৰ গহন কোণত।" (পৃ. ৪২৮)

(খ) "সুৰৰ পাখি মেলি
গানৰ পখীয়ে আজি ভাঙি গুচি গ'ল সোণৰ সজা
দুৰ আকাশখনি
উকা হৈ ৰ'ল পৰি
নজ্বলিল মোৰ সাজৰ তৰা।" (পৃ. ৪৪১)

গীতিকাৰৰ প্ৰেম সহজ আৰু সৰল। তেওঁৰ প্ৰেম ব্যক্তি বিশেষৰ পৰা সমষ্টিলৈ গতি কৰা দেখা যায়। গীতিকাৰৰ হৃদয়ৰ কলমত সাৰ পাই উঠে সমাজ জীৱন, মানুহৰ প্ৰতি ভালপোৱাৰ সোপান। দেশপ্ৰেম আৰু জাতীয় চেতনা তেওঁৰ দেহে-প্ৰাণে অন্তৰ্নিহিত হৈ আছে। অসম মাতৃৰ সোণবৰণীয়া ৰূপত মুগ্ধ গীতিকাৰ ভট্টাচাৰ্যই দেশৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম আৰু ভক্তিৰ স্বৰূপ চিত্ৰিত কৰিছে — 'মোৰ আই', 'সাতোখন সুৱদী নৈ যেন এধাৰি সাতসৰী হৈ', 'আই তোৰ মাত শুনি আহিছো ওলাই', 'আই তোৰ থাপনাত দিবলৈ' আদি।

'আই' — যেন গীতিকাৰৰ এক প্ৰাৰ্থনা, পূণ্য শ্লোক। কিমান নিবিড় হ'লে এজন গীতিকাৰে দেশক 'আই' বুলি সম্বোধন কৰিব পাৰে, সেয়া কেৱল দেশপ্ৰেমিকজনেহে জানে। ইয়াৰ বাবে প্ৰয়োজন সেই নদী, মাটিৰ গোন্ধত মিলিব পৰা গুণ। যেনে —

"আই, চকুলো মোহাৰি
মোৰ হাতৰ শিকলি
দে মোকলাই।"

(পৃ. ৩৯৩)

দেশমাতৃৰ মহিমামণ্ডিত ৰূপে গীতিকাৰ ভট্টাচাৰ্যক নিত্য-নতুন প্ৰেৰণাৰে উদ্ভাষিত কৰিছে আৰু মাতৃভূমিৰ মমতাময়ী, স্নেহসিক্ত ৰূপটি তেওঁৰ গীতৰ মাজেদি জীৱন্তৰূপত আত্মপ্ৰকাশ কৰিছে। 'দেশ বুলিলে আদেশ নালাগে' বোলা পংক্তিৰ জৰিয়তে নিজৰ দেশৰ প্ৰতি থকা দায়বদ্ধতা আৰু কৰ্তব্যপৰায়ণতাৰ কথাকে সূচায়। জাতীয় জীৱন সুন্দৰ কৰাৰ আকুলতা দেশানুৰাগৰ অনুভূতি ৰঞ্জিত হৈ থাকে। এনে সুৰীয়া দেশপ্ৰেমৰ এটি জনপ্ৰিয় গীত হ'ল —

"মোৰ জীৱনেৰে
মোৰ মৰণেৰে
সজাই তুলিব খোজোঁ ঃ মোৰ মৰমৰ দেশ
মোৰ প্ৰথম প্ৰেমৰ উন্মেষ।"

(পৃ. ৪৭৩)

গীতিকাৰ ভট্টাচাৰ্যই দেশখনক নিজৰ সৰ্বস্ব প্ৰেমেৰে সুন্দৰ কৰিব বিচাৰিছে। গীতটিৰ প্ৰতিটো স্তৱকেই জনতাৰ প্ৰাণত জাতীয় চেতনাৰ সঞ্চাৰ কৰে। দেশৰ প্ৰতি তেওঁৰ গভীৰ স্বদেশপ্ৰেম আৰু ঐকান্তিকতা মূৰ্ত হৈ উঠিছে।

গীতিকাৰজনাৰ গীতৰ মূল বিষয় হৈ পৰিছে প্ৰেম। প্ৰকৃতি প্ৰেম, দেশ প্ৰেম আৰু মানৱ প্ৰেম — এই চিৰন্তন আকৰ্ষণ, আৱাহন গীতত নাথাকিলে ই ভুক্তভোগী জনতাক চুই যাব নোৱাৰে। বিশালতাই তেওঁক প্ৰভাৱিত কৰে। তেওঁৰ নিজৰ জীৱনকো বিশালতাৰে পৰিচালিত কৰিব খোজে। শিল্পীৰ সাধাৰণতে নিজা ঘৰ নাই। যিগৰাকী শিল্পীয়ে এয়াই মাথোঁ ঘৰ বুলিছে, তেওঁ বঞ্চিত হৈছে জীৱনৰ মহানুভৱতাক উপলব্ধি কৰাৰ পৰা। শিল্পীয়ে যিমান ইঠাইৰপৰা সিঠাইলৈ গৈছে দেখা পাইছে মানুহক, সোমাই পৰিছে মানুহৰ মাজত আৰু বুকুত লৈ ফুৰিছে — আকুতি, চেনেহ আৰু জীৱনৰ ৰং। তেওঁৰ গীতত আন্তৰ্জাতিক প্ৰেমো লক্ষণীয়। বিশেষকৈ এই গীতসমূহত নিজৰ জন্মভূমি দেশৰ প্ৰতি গীতিকাৰৰ প্ৰেমভাৱ স্বতঃস্ফূৰ্তভাৱে নিগৰি ওলোৱা পৰিলক্ষিত হয়। কিন্তু জন্মভূমি দেশখনৰ নাম গীতবোৰৰ ক'তো উল্লেখ পোৱা নাযায়। সেয়ে এনেধৰণৰ গীতবোৰ সকলো দেশৰ সকলো মানুহৰ কাৰণে প্ৰযোজ্য হয়। এনে সাৰ্বজনীন দেশপ্ৰেমৰ নিদৰ্শন থকা উল্লেখনীয় গীত হ'ল ঃ

"আই তোৰ মাত শুনি
আহিছো ওলাই।
মোৰ দেহাত জ্বলা জুই
নিদিবি নিদিবি
চকুলোৰে নুমাই।"

(পৃ. ৩৯৩)

লোকজীৱনৰ ঐতিহ্যৰ লগত ভট্টাচাৰ্যৰ এক নিবিড় সম্পৰ্ক বিৰাজমান। গ্ৰাম্য জীৱনৰ বিভিন্ন চিত্ৰ আৰু থলুৱা উপাদানৰাজিৰ প্ৰয়োগে লোকজীৱনৰ ঐতিহ্যৰ বাৰ্তা বহন কৰিছে। গীতিকাৰে নিজেই কৈছে এনেদৰে —

"সকলো সৃষ্টিৰেই উৎস হৈছে লোকজীৱন। লোকজীৱনৰ অভিজ্ঞতাই কবিতাক প্ৰাণৱন্ত কৰে। ঐতিহ্য আমাৰ কেৱল অতীতেই নহয়, বৰ্তমানৰো আধাৰ। ঐতিহ্যৰ ৰূপ আৰু ৰূপান্তৰেই হৈছে সাহিত্যৰ জীৱন। আনকি সাম্প্ৰতিক জীৱনৰ জটিলতাও সাধাৰণ মানুহৰ জীৱনবোধৰ সহজাত ছন্দৰেই আমাৰ ঐতিহ্যৰ সৈতে মিলি গৈছে।" (ভট্টাচাৰ্য, হীৰেন ঃ হীৰেন ভট্টাচাৰ্যৰ কবিতা, পৃ. ৩৩৬)

আকৌ, কৃষক, শ্ৰমিকৰ জয়গান গোৱা ভট্টাচাৰ্যই শোষিত, নিষ্পেষিতৰ হকে সদায় মাত মাতি আহিছে। সামন্তীয়

আৰু পুঁজিবাদী শোষণৰ অৱসান ঘটাই গীতিকাৰে নতুন দিশৰ সপোন দেখা চিত্ৰও তেওঁৰ গীতত লক্ষণীয়। চুম্বকীয়ত্ব আৰু শব্দৰ পৰিমিতিবোধে এই গীতবোৰক সোণত সুৱগা চৰাইছে। যেনে —

"আমোল মোল ধানৰ গোন্ধ
তোৰ দেহা ভৰপূৰ
জুৰিম গানৰ সুৰ।"

(পৃঃ ৪৪৭)

**উপসংহাৰঃ**

অসমৰ গীতিকাৰসকলৰ ভিতৰত সাহিত্যিক আৰু সাঙ্গীতিক দিশৰপৰা হীৰেন ভট্টাচাৰ্যই গীতিকাৰ হিচাপে বিশেষ মৰ্যাদা আৰু জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। অজুহাত পালেই যাব খোজা ভট্টাচাৰ্য গ'লগৈ যদিও দি থৈ গ'ল শব্দ, বৰ্ণ, ৰ'দ, প্ৰেম আৰু দুখেৰে নিৰ্মাণ কৰা সৃষ্টিৰাজি। যাৰ ভাজে ভাজে বিয়পি আছে এটি শিল্প, সুৰ আৰু বিয়পি আছে প্ৰকৃতি সুৱাস আৰু স্বদেশপ্ৰেম। পৰৱৰ্তী পৰ্যায়ত উত্তৰ প্ৰজন্মৰ গৱেষকসকলে ইয়াক নতুনকৈ চিন্তা-চৰ্চা কৰাৰ যথেষ্ট থল আছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। গোস্বামী, লোকনাথ ঃ অসমীয়া আধুনিক সংগীতৰ ৰূপকাৰসকল, ৰেখা প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৭।
২। — ঃ অসমীয়া আধুনিক সংগীতৰ ইতিহাস, ৰেখা প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৬।
৩। নাথ, প্ৰফুল্ল কুমাৰ ঃ অসমীয়া সাহিত্যৰ বৰ্ণিল প্ৰেক্ষাপট, অশোক পাব্লিকেশ্বন, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৯।
৪। ভট্টাচাৰ্য, বৰুৱা দিপালী ঃ ৰ'দে বৰষুণে, শৰাইঘাট প্ৰকাশনে, গুৱাহাটী-২১, প্ৰথম প্ৰকাশ, ১৯৯৮।

*****

● লেখক ঃ সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, তুলঙীয়া, বঙাইগাঁও।

# নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু-বিষয়ক গীত ঃ এক চমু অৱলোকন

ড° কল্পনা তালুকদাৰ

**১.০. প্ৰস্তাৱনা ঃ**

অসমীয়া সাহিত্য জগতত একেধাৰে কবি, গীতিকাৰ, শিশু-সাহিত্যিক, ঔপন্যাসিক, লোক-সংস্কৃতিবিদ্‌ৰূপে পৰিচিত নিৰ্মলপ্ৰভা বৰদলৈ (1933–2004) আধুনিক কাব্য জগতৰ এগৰাকী পথিকৃত কবি। অসমীয়া গীতি-সাহিত্যলৈ এক নতুন প্ৰৱাহ বোঁৱাই আনিছিল সৰ্বজন সমাদৃত গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈয়ে। মৌলিক বচনভংগী, বিষয়বস্তু আৰু আংগিকৰ অভিনৱত্ব, ভাববস্তু আৰু ৰূপৰ অপূৰ্ব সমন্বয় আদি ভালেমান বৈশিষ্ট্যৰে নিজৰ কাব্য জগতখন সমৃদ্ধ কৰা নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমীয়া গীতি-সাহিত্যৰ জগতখনলৈও অনবদ্য বৰঙণি আগবঢ়াই গৈছে। আধুনিক অসমীয়া গীতি-সাহিত্যলৈ তেওঁৰ যি অৱদান সি একক আৰু অনন্য।

অসমীয়া গীতি-সাহিত্যলৈ বহুমূলীয়া অৱদান আগবঢ়োৱা নিৰ্মলপ্ৰভা বৰদলৈৰ গীতি-সংকলন কেইখন হ'ল—

(ক) সোণবৰণী আই (দেশপ্ৰেমমূলক গীতৰ সংকলন)

(খ) সূৰুযমুখী (গীতৰ সংকলন)

(গ) ফুলৰ এই মেলাতে (বিভিন্ন সময়ত ৰচনা কৰা 500 গীতৰ সংকলন)

'নীলা বাইদেউ' ছদ্মনামেৰে নিৰ্মলপ্ৰভা বৰদলৈয়ে শিশুসকলৰ বাবে অসমীয়া ভাষাত কুৰিৰো অধিক শিশু-সাহিত্য ৰচনা কৰিছে। শিশুসকলৰ বাবে ৰচনা কৰা তেওঁৰ গীতৰ পুথিসমূহ এনেধৰণৰ—

(ক) অসমীয়া ওমলা গীত

(খ) সুৰীয়া মাত

(গ) শালিকী ৰটো টৌ

(ঘ) নতুন ওমলা গীত

ওপৰোক্ত সংকলনবোৰৰ উপৰি নিৰ্মলপ্ৰভা বৰদলৈৰ আকাশবাণী, ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে লিখা ৰচনাসমূহ তথা বিভিন্ন উপলক্ষ্যত লিখা নাট, গীতি-নাট্যৰ মাজতো ভালেসংখ্যক গীত সন্নিবিষ্ট হৈ আছে। শিশুমনৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ শিশু-বিষয়ক ভালেমান গীত লিখিছিল। এই গীতসমূহে শিশুক আনন্দ তথা বিবিধ জ্ঞান দিয়াৰ লগতে পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ ধৰা খেল-ধেমালিৰ প্ৰতিও আকৃষ্ট কৰাইছে। সম্প্ৰতি যান্ত্ৰিক যুগত আমাৰ অতীতৰ ধুনীয়া পৃথিৱীখন পুনৰাই তেওঁৰ এই গীতখিনিৰ মাজতেই বিচাৰি পাব পাৰি। সেয়ে তেওঁৰ শিশু-বিষয়ক গীতসমূহ শিশুৰ মাজতে আবদ্ধ হৈ নাথাকি সকলো সহৃদয় শ্ৰোতাৰে অন্তৰ স্পৰ্শ কৰিবলৈ সক্ষম হৈছে।

আমাৰ আলোচনাত নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু-বিষয়ক গীতৰ সন্দৰ্ভত এক বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে। সাহিত্যিক তথা নান্দনিক সৌন্দৰ্যৰে মহিমামণ্ডিত নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু-বিষয়ক গীতবোৰৰ এক সম্যক আলোচনা কৰাটো অসমীয়া গীতি-সাহিত্যৰ ক্ষেত্ৰখনলৈ এক উল্লেখনীয় দিশ বুলি গণ্য কৰি আমাৰ এই আলোচনাৰ পাতনি মেলা হৈছে।

**২.০. বিষয় বিশ্লেষণ ঃ**

নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ পৰিধি যথেষ্ট বিশাল। তেওঁ মানুহৰ বাবেই গীত লিখিছে যদিও সেই গীতৰ মাজেৰে মূৰ্ত্ত হৈছে ব্যক্তিগত হৃদয়ৰ বতৰা। তেওঁৰ গীতত অন্তঃসলিলা ফল্গুধাৰাৰ দৰে প্ৰৱাহমান হৈ থকা কালজয়ী আবেদনৰ বাবেই গীতবোৰ প্ৰাণস্পৰ্শী। জীৱনৰ বিভিন্ন সময়ৰ বিচিত্ৰ উপলব্ধি আৰু অভিজ্ঞতা, মানৱপ্ৰীতি, স্বদেশপ্ৰীতি, প্ৰকৃতিপ্ৰীতি আদিৰ ছন্দিল তথা গীতিধৰ্মী প্ৰকাশ ঘটিছে তেওঁৰ গীতসমূহৰ মাজত।

শিশুসকলৰ মাজত 'নীলা বাইদেউ' নামেৰে পৰিচিত নিৰ্মলপ্ৰভা বৰদলৈ এগৰাকী সফল আৰু জনপ্ৰিয় শিশু সাহিত্যিক। তেওঁৰ শিশু-বিষয়ক গীতখিনি অসমীয়া সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। দিলীপ কুমাৰ দত্তই তেওঁৰ শিশু-বিষয়ক গীতখিনিক তিনিটা ভাগত ভগাইছে—

প্ৰথমবিধ হৈছে ডাঙৰে অলপ বিস্ময় আৰু বহুত চেনেহেৰে প্ৰকাশ কৰা বাৎসল্য প্ৰেমৰ গীত। দ্বিতীয়বিধ হৈছে নিচুকনি গীত আৰু তৃতীয়বিধ হৈছে ওমলা গীত। ইয়াৰে প্ৰথমবিধ আত্মতৃপ্তিৰ গীত যিবিলাকে সমাজক চৰিত্ৰ দিব পাৰে। দ্বিতীয়বিধ কেঁচুৱাক নিচুকাবৰ কাৰণে—জ্যোতিপ্ৰসাদৰ চৰিত্ৰ গঢ় দিয়াৰ দৰে নিচুকনি গীতৰ সহায়ত মাক বা ডাঙৰে শিশুৰ জীৱন গঢ় দিব পাৰে। শেষৰবিধ অকণিয়ে গাই গাই ওমলাৰ লগতে আনন্দত আত্মহাৰা হ'ব পাৰে।[1]

নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু মনস্তত্ত্ব সম্পৰ্কে গভীৰ জ্ঞান আছিল। শিশুৰ মনোজগত সম্পৰ্কে তেওঁ নিজেই কৈছে—

এযোৰ চকু—নিতৌ ওলোৱা সূৰ্য্যৰ পোহৰ লৈ যি অকণ অকণ কৰি মেল খায়। অভিজ্ঞতাৰ ৰ'দ-বতাহে স্পৰ্শ নকৰা মনৰ এধানি কলি—চাৰিওপিনে দেখা অজস্ৰ বিস্ময় আৰু কৌতূহলৰ ৰ'দ-বতাহেৰে যি লাহে লাহে বিকশিত হয়। এখন আলফুল জগত য'ত কোনো ব্যাকৰণ নাই, য'ত কোনো যুক্তি নাই, য'ত অভিজ্ঞতাৰ আঘাত আৰু বোজা নাই, য'ত অসংলগ্ন কল্পনাই কেৱল জিলমিলাই নাচে। য'ত ৰ'দ বৰষুণ দেখিলেই হঠাতে খঁৰা শিয়ালে বিয়া পাতে, ঘনচিৰিকাজনী কৰবাৰ পৰা উৰি আহি তামোল কাটি কাটি যাচে, য'ত জোনবাইক দেখি তৰা খুজি থাকোতেই হালধীয়া চৰায়ে বাওধান খোৱাৰ কথা মনত পৰে আৰু বাওধান খোৱাৰ কথা কওঁতে নকওঁতেই শহুৰৰ পুতেকে কৰবাৰ পৰা নাওমেলি কৰবালৈ যায়গৈ। এইখন জগততে শিয়ালীৰ মূৰত "মৰুৱা ফুল" ফুলে, শিয়ালীয়ে চকুৰ পচাৰতে কোনোবা এখন ৰতনপুৰ সদায় পায়গৈ। বগলীয়ে সবাহ গাবলৈ যাওঁতে বৰষুণত তিতে। কপৌ চৰায়ে বোকাত ভৰি পৰে বুলি দেও দি ফুৰে। এয়াই শিশু আৰু শিশুৰ চিৰন্তন অবাক জগতখন—"A big blooming, buzzing confussion."[2]

সেয়ে তেওঁৰ গীতৰ মাজত শিশুমনৰ ছবি বিভিন্ন ধৰণেৰে বিচিত্ৰ ৰূপত উজ্জ্বলি উঠিছে। তেওঁৰ বাৎসল্য প্ৰেমৰ গীতৰ মাজেৰে শিশুসুলভ আবেগ-অনুভূতিৰ সুপ্ৰকাশ ঘটিছে এইদৰে—

পুতলা, পুতলা কাঠৰে পুতলা
শুই থাকা দেই এতিয়া নেখেলা
ফুল শুলে পখী শুলে
নাই মাত বোল।।
অ' পাৰ' শুন
নিদিবি তই ৰুণ

সাৰ পাই যাব সোণ
হ'লে গুণ গুণ
পিৰালিত বহি থাক
নুতুলিবি ৰোল।।

(নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, পৃষ্ঠা-160)

তেনেদৰে শিশুৰ মৰমলগা মুখখনিৰ মাজত গীতিকাৰে বিচাৰি পাইছে সপোনৰ সৰগী কন্যাৰ ৰূপ-লাৱণ্য—

সোণটি শুৱনি মোৰ লাৱণী মুখখনি
আকাশী কাঁচিজোন এটি
চম্পাৰ পাপৰি যেন হাতৰে আঙুলি
তৰা যেন চকু দুটি

(নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, পৃষ্ঠা-160)

শিশুমন বৰ কোমল। সেয়ে শিশুৰ ফুল কুমলীয়া মন বুজি ৰচনা কৰা গীতবোৰত চন্দ্ৰ-তৰা, ৰ'দ-মেঘ আদিয়েও প্ৰাণ পাই উঠে এইদৰে—

জোনৰে লগতে তৰাৰে লগতে
নিশাটো খেলিয়েই থাকি
পুৱা সূৰুযৰ জিলমিল ৰেঙনি
দুয়োটি চকুত আঁকি
মিচিকি হাঁহিৰে সোণটি উঠিব
বেলি নৌ উঠাৰে আগে।।

(নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, পৃষ্ঠা-160)

অসমীয়া লোকগীতৰ ভঁৰাল শুৱনি কৰা নিচকুনি গীতবোৰ অসমীয়া লোকসাহিত্যৰ এক অনুপম সঁফুৰা। এই গীতেৰে সৰু ল'ৰা-ছোৱালীৰ কান্দোন বন্ধ কৰিবলৈ নিচুকোৱা হয়। কেঁচুৱা নিচুকাবলৈ স্বতঃস্ফূৰ্তভাবে মাকৰ মুখৰ পৰা নিগৰি আহে—

আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰি যাব
আমাৰে মইনাই বুটলি খাব।

(অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, পৃষ্ঠা-56)

সেই আদৰ্শত নিৰ্মলপ্ৰভা বৰদলৈয়ে ৰচিলে—

টোপনি টোপনি হাৰলি টোপনি
তোৰে কলে তলত ঘৰ
সকলো ৰাইজৰ টোপনি আহি যে
মইনাৰ চকুতে ধৰ।।

(নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, পৃষ্ঠা-161)

নিচুকনি গীত ধাইনাম বুলি জনাজাত। আগৰ দিনত ধাই মাতৃয়ে কণ-কণ ল'ৰা-ছোৱালীক গীত গাই নিচুকুৱাবলৈ যত্ন কৰিছিল বাবেই এনে নাম। মাতৃৰ মৌ-সনা মধুৰ গীতৰ সুৰে শিশুৰ চিত্তকো জয় কৰিব পাৰিছিল। সন্তানৰ প্ৰতি থকা গভীৰ স্নেহেই এই গীতৰ প্ৰধান বিশেষত্ব। নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ফুটি উঠিছে এইৰূপ এনেকৈ—

সোণৰে আমনি শুবৰে পৰতে
তিৰ্‌বিৰ্ চকু জ্বলিছে, জ্বলে
টোপনি নধৰে ৰাতি এপৰলে
কিনো বাৰু হ'ব নামকে গালে

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-225)

শিশুৰ মন বাস্তৱ-অবাস্তৱ, লৌকিক-অলৌকিক হাজাৰ-হাজাৰ প্ৰশ্নৰে ভৰা। যদিও শিশু-বিষয়ক কিছুমান গীতৰ পংক্তি অৰ্থহীন তথাপিও তাৰ মাজত অন্তৰ্নিহিত হৈ আছে শিশুৰ কৌতূহল, বিস্ময়, সাঁথৰ আদি। সেয়েই শিশুমনৰ লগত একাত্ম হৈ কেতিয়াবা মাতৃ হৃদয়েও জোনবাইৰ ওচৰত বেজি বিচাৰি হাত পাতে। নিচুকনি গীতৰ আৰ্হিত নিৰ্মলপ্ৰভা বৰদলৈয়ে ভালেমান গীত ৰচনা কৰিছিল। তেনে এটি গীত হ'ল—

জোন বাই এ
বেজী এটি দে
সোণে মোৰ গায়নে
নেগায়
ধুনীয়া ঘোঁৰাতে
পৰীৰে দেশলে
সোণে মোৰ যায় নে
নেযায়?

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-287)

কেতিয়াবা আকৌ শিশুমনে গাইছে এইদৰে—

কপৌ কু কু কু কু
লৰে চৰে পাত
ক'ত আছে বাঁহ তোৰ
কেনি আছে বাট?
কপৌ কু কু কু কু
কপৌ নে কুলি?
পাটমাদৈ, সখীয়তী
ক'ত আছ খেলি?

শিশুসকলৰ মনোজগতখন অতিশয় কল্পনাপ্ৰিয়। অলৌকিক ৰহস্যময় জগতৰ প্ৰতি শিশুসকলৰ থাকে অত্যধিক আকৰ্ষণ। নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত শিশু-বিষয়ক গীতবোৰৰ মাজেদি ভূত-প্ৰেত, দেৱতা-ৰাক্ষস, চৰাই-চিৰিকতি, জীৱ-জন্তু আদিৰ কাল্পনিক কাহিনী মনোৰমভাৱে বৰ্ণিত হৈছে—

ক'লা কিচ্ কিচ্ বেঙামেলা দ'ত,
দতুৰা পিছল ভূত নে বিৰা?
দীঘল নখৰ টেলেকা চকুৰ
যখিনী আৰু ঢেৰ লৰাধৰা।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-225)

আন এটি গীতত আছে—

শিয়ালৰ গজিল শিং
মাৰিল এশ ৰিং

লাজ পাই সিংহই
খালে এসেৰ হিং।।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-233)

শিশুসকলে খেলি থাকোঁতে জঁপিয়াই দেউ দি নাচি-বাগি কিছুমান গীত গায়। সেইবোৰ ল'ৰা -ধেমালিৰ গীত বুলি পৰিচিত। এই গীতবোৰত নিৰ্দিষ্ট কোনো বিষয়বস্তু নাই, কিন্তু গীতবোৰ ছন্দত ৰচিত। সেই আৰ্হিত নিৰ্মলপ্ৰভা বৰদলৈয়ে ৰচিলে—

বগলী এ সবাহলে নগলি কিয়?
গৈছিলো গৈছিলো বাটত বৰষুণে পালে
এঘৰৰ ঘৰতে সোমাব খুজিলো
পখৰা কুকুৰে খালে।
ছেই কুকুৰ ছেই, নাহিবি জপনা দেই।
বাঁহৰ মূৰা বগৰীৰ গুড়া
ক'ৰ পৰা আহিছ চকু চেলোৱা বুঢ়া?

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-275)

তেওঁৰেই আন এটি গীতত "শিশুমনৰ প্ৰাণ চঞ্চল গতি আৰু ফুলাম কল্পনা জিলিকি আছে"[3] এইদৰে—

নীলা আকাশৰে ৰূপোৱালী পৰী
জিঞাৰে দুখনি পাখী
আলফুলে উৰি আহে
লগতে তৰাৰে জাকি।।
আমাৰে পাখীতে উৰাৰে বতৰা
ৰ'দ জোনাকৰে সতে
জিকেমিকে ফুলে ফুল
আমাৰ নাচোনতে।।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা–289)

নিৰ্মলপ্ৰভা বৰদলৈয়ে লোকগীতৰ ঠাঁচত লিখা তলৰ গীতটিৰ মাজেৰে শিশুমনৰ কল্পনাৰ ছবি প্ৰকাশ পাইছে এইৰূপে—

ৰ'দালি এ ৰ'দ দে
আৰিকাঠী জ্বালি দিম
চামৰ পীৰা পাৰি দিম
তাতে বহি ৰ'দ দে
ৰ'দালিৰ মাকৰ তিনিডাল চুলি
গৈ গৈ পালেগৈ যমুনাৰ বালি।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশুৰ সাহিত্য সম্ভাৰ, পৃষ্ঠা-276)

নিৰ্মলপ্ৰভা বৰদলৈয়ে প্ৰতিগৰাকী শিশু সেউজ মনৰ অধিকাৰী হোৱাৰ আশা কৰিছিল। প্ৰকৃতিৰ প্ৰতি মৰম জগাই তুলিবলৈ শিশুসকলক উদ্দেশ্যি তেওঁ লিখিছে—

গছ নহ'লে মানুহ
থাকিব নোৱাৰে

শুদ্ধ বায়ু বিয়পায়
কেৰল গছেহে।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশুৰ সাহিত্য সম্ভাৰ, পৃষ্ঠা-304)

আকৌ এটি গীতত কৈছে —

আয়ে দেহি, ধুনীয়া।
সেউজীয়া ধান
বতাহৰ জিৰ্ জিৰ্
শুনিছানে গান?

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশুৰ সাহিত্য সম্ভাৰ, পৃষ্ঠা-179)

আন এটি ওমলা গীতৰ আৰ্হিত ৰচিত "অ' ফুল অ' ফুল" শীৰ্ষক গীতটোৰ মাজেৰে প্ৰকৃতিও জীৱন্ত ৰূপত প্ৰতিভাত হৈছে —

অ' ফুল অ' ফুল নুফুল কিয়?
বগলী এ সবাহলে নগ'লি কিয়?
অ' মা
দিন ৰাতি ধৰি গছবোৰে বাৰু
কিয় হৈ থাকে থিয়?
নবহে নোশোৱে একোকে নকৰে
কথাকে নেপাতে কিয়?

(নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, পৃষ্ঠা-165)

শিশুমনৰ আনন্দৰো সীমা নাই। উলাহতে নাচি বাগি গীত গাই ফুৰে। তাৰেই সুন্দৰ প্ৰকাশ ঘটিছে নিৰ্মলপ্ৰভা বৰদলৈৰ এই গীতটোৰ জৰিয়তে—

উকুলি মুকুলি কুকুলিকে খেলা
মন যদি ডাৱৰীয়া
মুকলিলে ব'লা
কুক-ভা খেলোঁ অ'।

(নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, পৃষ্ঠা-166)

নিৰ্মলপ্ৰভা বৰদলৈয়ে শিশু-বিষয়ক গীতবোৰক এখোপ ওপৰলৈ তুলি ধৰি এক বিশেষ মৰ্যাদা দিবলৈ চেষ্টা কৰিছিল। "সুৰৰ কাৰণে নিৰ্মলপ্ৰভাই আনৰ ওপৰত নিৰ্ভৰ কৰিব লাগিছিল কাৰণে নিৰ্মলপ্ৰভাৰ গীতবিলাকে প্ৰাণ পাবলৈ অপেক্ষা কৰিব লাগিছিল যদিও নিৰ্মলপ্ৰভাই ওমলা গীতৰ বিষয়বস্তুবোৰত শিশুমনৰ অদ্ভুত কল্পনা, স্বতঃস্ফূৰ্ত আনন্দ উলাহ, হাঁহি উঠা কথা আদি প্ৰতিফলিত কৰি সেইবিলাক মনোগ্ৰাহী কৰিছে। নিৰ্মলপ্ৰভাৰ ভাষা আৰু প্ৰকাশভংগী অতুলনীয়। 'অ' ফুল, অ' ফুল নুফুল কিয়' আৰু 'উকুলি মুকুলিকে খেলা' আদিৰ দৰে ৰচনাই যেতিয়া সুৰ পায় সজীৱ হৈ উঠে সি আমাৰ জাতীয় সম্পদ হৈ পৰে।"[4]

"ওমলা গীতৰ ক্ষেত্ৰতো আজিকালি ইংৰাজী তথাকথিত 'নাৰ্ছাৰী ৰাইম'-ৰহে আদৰ বেছি। এইটো এক প্ৰকাৰ আচৰিত কথা যে মিছনেৰীসকলে অসমত ফলি লোৱা ঘৰ পাতি ইংৰাজী নাৰ্ছাৰী ৰাইম ব্যৱহাৰ কৰা নাছিল। তেওঁলোকে ইংৰাজী নাৰ্ছাৰী ৰাইমৰ আৰ্হিতে ধুনীয়া ধুনীয়া অকণিৰ উপযোগী গীত ৰচি পঢ়াশালি বিলাকত ব্যৱহাৰ কৰিছিল। তাৰ কিছুমান আজিও ব্যৱহাৰ হৈ আছে। উদাহৰণ স্বৰূপে এশ বছৰতকৈ অধিক কাল পুৰণা 'মাত চেনেহৰ মাত' গীতটোলৈকে আঙুলিয়াব পাৰি।"[5] সম্প্ৰতি আমাৰ সমাজত এনেধৰণৰ গীতৰ অভাৱ নাই

যদিও সেই গীতবোৰ আধুনিক ৰূপত সহজলব্ধ নহয়। প্ৰচাৰ নোহোৱা বাবে এনেধৰণৰ গীত-মাত একোখন পঢ়াশালিয়ে পৰম্পৰা ৰূপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা নকৰে। নিৰ্মলপ্ৰভা বৰদলৈয়ে ইংৰাজী Nursery Rhymes ৰ আৰ্হিত কিছুমান গীত ৰচনা কৰিছিল। এই গীতবোৰত বৰ্ণিত বিষয়ে শিশুক আনন্দ দিয়াৰ লগতে জ্ঞানৰ পৰিসৰো বৃদ্ধি কৰাব। শিশুসকলক উদ্দেশ্যি তেওঁ ৰচিছে—

ব নামৰ বগলী
মাছ খায় গধূলি।
ভীম কলৰ গছত ভ
লাখুটিডাল তাতে থ।
ম লাগিল মকৰা জালত
নুফুৰিবা ৰ'দৰ তাপত।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-260–261)

শিশুক ভৌগোলিক আৰু ৰাজনৈতিক জ্ঞান দিয়াৰ উদ্দেশ্যেৰেও তেওঁ কিছুমান গীত লিখিছিল। যেনে—

অৰুণাচলত
কপৌফুল
দৰঙত দলং।
চিয়াঙত
গালং আছে
নগাঁৱত কলং।।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-207)

..............................................

অ' মেকুৰী, অ' মেকুৰী
ক'ত আছিলা তুমি?
দিল্লীলৈ গৈছিলো
মিটিং আছে শুনি।
বক্তৃতা পাহৰি
গালো এটা গান
ইন্দিৰা পেহীদেৱে
মুচৰিলে কাণ।।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-175)

শিশু-বিষয়ক গীত ৰচনাত নিৰ্মলপ্ৰভা বৰদলৈ সিদ্ধহস্ত আছিল। তেওঁৰ গীতৰ পংক্তিবোৰ সৰহভাগ শিশুৱে কণ্ঠস্থ কিয়নো নিৰ্মলপ্ৰভা বৰদলৈ শব্দৰ শিল্পী, সেই শব্দই মন-গহ্বৰত ছবি আকেঁ, গান গায়। শিশুৰ ভালপোৱা-বেয়াপোৱা, ভয় কৰা কথাবোৰ তেওঁ সূক্ষ্মভাবে নিৰীক্ষণ কৰিছিল। সেই ভাববোৰ তেওঁ ৰসাল কৈ লিখিছে এনেকৈ—

শামুক অ' শামুক
খাবা নেকি জালুক?
জালুক যদি নোখোৱা
ওলাবহি ভালুক।।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-169)

শিশুৰ জগতখন বৈচিত্ৰ্যময়। শিশুৰ মান-অভিমান, ঠেহ-পেচ, আনন্দ-স্ফূৰ্তিয়ো কম নহয়। নিৰ্মলপ্ৰভা বৰদলৈয়ে শিশুৰ এনে মানসিক অৱস্থাৰ চিত্ৰ সুন্দৰকৈ অংকন কৰিছে—

নাচপতি লাগিব
বৰ বৰ ডাঙৰ
ৰঙা লাও যেন এটা
আমাৰে পামৰ
বৰ এটা বৰ এটা
তিঁয়হবোৰ হ'ব
ঢোল বুলি ভাবি
মানুহে কিনিব।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-282)

সামাজিক জীৱনৰ লগতে মানসিক জীৱনৰো আভাস পাব পাৰি। নিৰ্মলপ্ৰভা বৰদলৈৰ কিছুমান গীত সাঁথৰৰ লেখীয়া। যেনে—

শদিয়ালে নেযাবা সটফুল নেখাবা
কেঁচাপাতত নাবান্ধিবা লোণ
উপজিয়েই বুঢ়া হয় কোন?

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-274)

শিশুৰ মন বৰ সৰল। সেয়েহে শিশু অন্তৰত যুক্তিতকৈ আবেগৰ প্ৰাধান্য বেছি। শিশুমন বিপথে যাতে পৰিচালিত নহয় তাৰ বাবে সঠিক পথৰ সন্ধান দেখুৱাইছে নিৰ্মলপ্ৰভা বৰদলৈয়ে গীতৰ মাজেৰে এনেকৈ—

এদিন এটা বগলীয়ে
মিছা কথা ক'লে,
ঠেং এটা চুটি হ'ল
মিছা মাছে খালে।।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-179)

গীতৰ মাধ্যমেদি নিৰ্মলপ্ৰভা বৰদলৈয়ে শিশুক সামাজিকভাৱে সচেতন কৰি তোলাৰ লগতে স্বদেশপ্ৰেমৰ বীজ অন্তৰত সিঁচিছে এইৰূপে —

গিৰিপ্ গাৰাপ্
গিৰিপ্ গাৰাপ্
বাওঁ সোঁ
বাওঁ সোঁ
লেফট্ ৰাইট্
লেফট্ ৰাইট্
কোন সেয়া যায়?
কান্ধত বন্দুক লৈ
জিক্‌মিক্ যায়
দেশ ৰাখিব লাগে

“জয়হিন্দ” “জয়হিন্দ”
ৰজন্‌জনাই।।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-181)

নিৰ্মলপ্ৰভা বৰদলৈ এগৰাকী লোকসংস্কৃতিবিদ্। অসমৰ লোকসংস্কৃতিৰ বিভিন্ন উৎসৱ, খেল-ধেমালি, অংগৰাগ, বেশভূষা, খাদ্য আদিৰ সৈতে যাতে শিশুয়ে সহজতে চিনাকি হ'ব পাৰে সেয়াও গীতৰ মাজেৰে প্ৰকাশ পাইছে এনেদৰে—

বিহু থাকে গামোচাত
বিহু থাকে জেতুকাত
বিহু থাকে সেৰাটি কৰাত
মাহ আৰু হালধিৰে
গাটো ঐ ধোৱাত
জলপানৰ কাঁহী লৈ
সকলোটি মিল হৈ
বিধে বিধে চিৰা-পিঠা খোৱাত
পিঠা পনা
লাডু মিঠৈ খোৱাত।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-298)

শিশুয়ে অসমীয়া সমাজৰ বিহু, ফাকুৱা, ভাওনা আদিৰ বিষয়ে যাতে জানিব পাৰে সেয়াও তেওঁ গীতৰ মাজেৰে বৰ্ণনা কৰিছে। উদাহৰণ স্বৰূপে ফাকুৱাৰ সুন্দৰ চিত্ৰণ ফুটি উঠিছে তেওঁৰ ‘সোণমণিৰ ফাকুৱা’ শীৰ্ষক গীতটিৰ মাজেৰে। কিছুমান গীতৰ মাজেৰে অসমীয়া গ্ৰাম্য সমাজৰ ৰন্ধন কলাৰ পৰিচয়ো দাঙি ধৰিছে—

কণী দি বাবৰি ভাজা
ধনীয়া দি পালেং।
পোৱা যদি তাতে দিবা
ভাঙোন আৰু এলেং।।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-216)

পৰম্পৰাগত খেল-ধেমালিৰ বৰ্ণনাও তেওঁৰ গীতৰ মাজত পোৱা যায়। এফালেদি শিশুক আনন্দিত কৰি তোলাৰ লগতে আনফালেদি অসমৰ খেল-ধেমালিৰ সৈতেও পৰিচয় কৰাই দিছে। উদাহৰণ স্বৰূপে—

কণীখেল বৰ ভাল
বাঘ-গৰু খেল।
ফুৰ্ ফুৰ্ গোন্ধ থকা
খাম পকা বেল।।

(নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, পৃষ্ঠা-212)

**৩.০. সামৰণি ঃ**

নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু-বিষয়ক গীতবোৰৰ মাজেৰে শিশু মনস্বত্ত্বৰ সুন্দৰ প্ৰতিফলন ঘটিছে। শিশুৱে এই গীতবোৰ গালে বা শুনিলে মানসিক আনন্দ পোৱাৰ লগতে শিশুসকলে বিভিন্ন বিষয়ৰ জ্ঞান আৰু অভিজ্ঞতাও লাভ কৰিব পাৰে। কবিয়ে কিছুমান গীতৰ জৰিয়তে শিশুসকলক চৌপাশৰ পৃথিৱীখনৰ জ্ঞান প্ৰদান কৰাৰ লগতে

তেওঁলোকক ভৌগোলিক আৰু ৰাজনৈতিক জ্ঞানৰ সন্ধান দিয়া, সামাজিকভাবে সচেতন কৰি তোলাৰ প্ৰৱণতাও দেখা যায়। কবিগৰাকীৰ শিশুৰ বাবে লিখা ভালেমান গীতত লোকজীৱনৰ হেৰাই যাব খোজা সম্পদবোৰৰ বিষয়ে শিশুসকলক অৱগত কৰোৱাৰ প্ৰচেষ্টা লক্ষ্য কৰা যায়। তেওঁৰ কিছুমান গীতত আকৌ অসমীয়া সমাজ সংস্কৃতিৰ অন্তৰ্গত বিভিন্ন উৎসৱ-পাৰ্ব্বণ, তথা অসমীয়া খাদ্য সম্ভাৰৰ বিষয়ে যথা-যথ বৰ্ণনা পোৱা যায়। কবিৰ শিশুসকলৰ খেল-ধেমালিৰ বাবে ৰচনা কৰা গীতবোৰ পৰিৱেশন কৰিলে শিশুসকলে বিমল হাস্যৰসত আপ্লুত হব পাৰে। অসমীয়া সমাজত শিশু-বিষয়ক গীতৰ অভাৱ নাই। অভাৱ হ'ল এই সম্পদবোৰৰ সংকলন আৰু সংৰক্ষণৰ। সম্প্ৰতি অসমৰ নগৰীয়া জীৱনতেই নহয় গ্ৰাম্যাঞ্চলতো এনে ধৰণৰ গীত-মাত ক'মকৈ শুনিবলৈ পোৱা যায়। চৰকাৰী বা বেচৰকাৰী পঢ়াশালিবিলাকত ইংৰাজী ত্ত্বত্তজ্বদঙ্গজ্ঞম্ভ ত্মন্ধ্ৰম্ভপ্পঙ্গব্দ ৰ দৰে উপদেশ বা শিক্ষামূলক ওমলা গীতবোৰৰ অনুৰূপ নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু-বিষয়ক গীতবিলাক নতুন ৰূপত সংযোজন কৰিলে অসমৰ শিক্ষা জগতত এটা নতুন দিশৰ উন্মেষ হ'ব বুলি আশা কৰিব পাৰি।

**প্ৰসংগ টীকা ঃ**

1. দিলীপ কুমাৰ দত্ত, নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, 2016, পৃষ্ঠা-157।
2 নিৰ্মলপ্ৰভা বৰদলৈ, সাহিত্য আৰু সংস্কৃতি, 1987, পৃষ্ঠা-40।
3 উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-41।
4 দিলীপ কুমাৰ দত্ত, নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, 2016, পৃষ্ঠা-158–159।
5 উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-158।

**প্ৰসংগ পুথি ঃ**


বৰকটকী, উপেন্দ্ৰ ঃ অসমীয়া শিশু সাহিত্যৰ সংক্ষিপ্ত ইতিহাস, ষ্টুডেণ্টচ্ ষ্ট'ৰচ, কলেজ হোষ্টেল ৰোড, গুৱাহাটী-1, প্ৰথম প্ৰকাশ, 2002।

বৰা, ৰক্তাভ জ্যোতি (সংকলন আৰু সম্পাদনা) ঃ সৰস্বতী বাইদেউ নিৰ্মলপ্ৰভা, ষ্টুডেণ্টচ্ ষ্ট'ৰচ, কলেজ হোষ্টেল ৰোড, গুৱাহাটী-1, প্ৰথম সংস্কৰণ, 2004।

দত্ত, দিলীপ কুমাৰ ঃ নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-1, দ্বিতীয়, তাঙৰন, 2016।

বৰদলৈ, নিৰ্মলপ্ৰভা ঃ সাহিত্য আৰু সংস্কৃতি, ডেকো পাবলিকেছন্, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী-1, প্ৰথম প্ৰকাশ, 1987।

ঐ ঃ নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰ, অসম শিশু সাহিত্য ন্যাস, গুৱাহাটী-21, তৃতীয় প্ৰকাশ, 2012।

শৰ্মা, মনোৰমা (সম্পাদক) ঃ ড$^{0}$ নিৰ্মলপ্ৰভা বৰদলৈৰ গীত আৰু কবিতা সমগ্ৰ, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ হৈ সাহিত্য প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, 2008।


*****


● লেখক ঃ সহযোগী অধ্যাপক, অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী-9।

# অসমীয়া গীতি কবিতাৰ শিৰোমণি পাৰ্বতি প্ৰসাদ বৰুৱা

ডাঃ গিৰীশ সন্দিকৈ

প্ৰথম অসমীয়া অভিধান প্ৰণেতা যাদুৰাম বৰুৱাৰ পৰিনাতি পাৰ্বতি প্ৰসাদৰ জন্ম হৈছিল 1904 চনৰ 19 আগষ্ট তাৰিখে শিৱসাগৰত। দেউতাক ৰাধিকা প্ৰসাদ কেইবাখনো পুথি ৰচনা কৰোঁতা সাহিত্যিক, মাক প্ৰৱল সাহিত্যানুৰাগী হিমলা দেৱী।

অসমীয়া সংস্কৃতিৰ প্ৰতি বিশেষ শ্ৰদ্ধা থকা সুৰুচিসম্পন্ন পৰিয়ালত জন্মগ্ৰহণ কৰি ডাঙৰ-দীঘল হোৱা পাৰ্বতি প্ৰসাদৰ মন সৰুৰে পৰা কাব্য-সাহিত্য-সংগীতৰ প্ৰতি ঢাল খাইছিল। পাৰ্বতি প্ৰসাদৰ জ্যেষ্ঠ ভাতৃ ভাগৱতী প্ৰসাদো আছিল সাহিত্য-সংগীতৰ এগৰাকী অত্যন্ত অনুৰাগী ব্যক্তি। দুয়ো বাল্যকালতে বিভিন্ন অনুষ্ঠান, সভা-সমিতিত গীত পৰিৱেশন কৰি সমাদৰ লাভ কৰিছিল। প্ৰসিদ্ধ গীতিকাৰ পদ্মধৰ চলিহাদেৱেও পাৰ্বতি প্ৰসাদক কিছুদিন গান গাবলৈ শিকাইছিল। বিদ্যালয়ত পঢ়ি থাকোঁতে তেওঁ নিজা ঘৰৰ পৰাই "থুপিতৰা" নামেৰে এখন হাতে লিখা আলোচনী প্ৰকাশ কৰিছিল।

1921 চনত বিদ্যালয়ৰ জীৱন সমাপ্ত কৰি পাৰ্বতি প্ৰসাদে কটন কলেজত বিজ্ঞান শাখাত নামভৰ্তি কৰে। বৈজ্ঞানিক হোৱাৰ আশা পুহি ৰখা পাৰ্বতি প্ৰসাদে সাহিত্য আৰু সংগীত চৰ্চাত বেছি মনোনিৱেশ কৰাত বৈজ্ঞানিক হোৱা আশা পূৰ্ণ নহ'ল। আই. এছ. চি. পাছ কৰাৰ পাছত 1925 চনত কলিকতাৰ স্কটিছ চাৰ্চ কলেজত কলা শাখাৰ স্নাতক মহলাত নাম লগায়। তাত তেওঁ ধ্বনি কবি বিনন্দ বৰুৱাক লগ পাই, দুয়ো লগ লাগি কাব্য চৰ্চাত মনোনিৱেশ কৰে। তেওঁলোক দুয়ো প্ৰায়ে যতীন্দ্ৰ নাথ দুৱৰাৰ ওচৰলৈ গৈ কাব্য সাহিত্যৰ আলোচনাত বহিছিল। সেই সময়তে তেওঁ কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ সান্নিধ্য লাভ কৰিছিল।

বি. এ. পাছ কৰাৰ পাছত 1929 চনত মোমায়েকৰ চাহ বাগিচা সৰু চৰাইত কাম শিকিবলৈ লয়। তাতেই তেওঁ "সোণৰ সোলেং" আৰু "লখিমী" লিখি উলিয়াই। সৰু চৰাই বাগানত কাম শিকাৰ পাছত তেওঁ শিৱসাগৰৰ ৰজাবাৰী বাগিচাৰ মেনেজাৰ হৈ আহে। 1933 চনত 14 আগষ্টৰ নিশা তেওঁৰ মৰমৰ ককায়েক ভাগৱতী প্ৰসাদৰ পৰিয়ালৰ সৈতে নিজে গাড়ী চলাই শিৱসাগৰৰ নাট্য মঞ্চত কনৌজ কুঁৱৰী নাটকৰ অভিনয় চাবলৈ আহোতে দুৰ্ভাগ্যবশতঃ দিচাং নদীত দূৰ্ঘটনাত পতিত হ'ল। সেই দূৰ্ঘটনাত তেওঁৰ ভাতৃ ভাগৱতী প্ৰসাদ, বৌয়েক সত্যৱতী, ভতিজা দীপ, ভনীয়েক প্ৰতিমা আৰু লিগিৰী সৰুদৈৰ কৰুণ মৃত্যু ঘটে। পাৰ্বতি প্ৰসাদে মৰ্মান্তিক আঘাত পালে ইয়াৰ পাছত তেওঁৰ জীৱনৰ সোঁত যেন বদলি গ'ল। দুবছৰমান নীৰৱে থাকি তেওঁ দুগুণ উৎসাহেৰে কৰ্মত লাগিল আৰু সোণাৰি বাগিচাখন কিনিলে, জীৱনৰ বাকী সময়খিনি তেওঁ তাতে অতিবাহিত কৰিলে।

1953 চনত পাৰ্বতি প্ৰসাদ ৰক্তচাপ ৰোগত আক্ৰান্ত হৈ শয্যাশায়ী হয়। দুবছৰৰ পাছত তেওঁ পুনৰ অসুখত পৰে আৰু শৰীৰৰ বাওঁ অংশ প্ৰায় অৱশ হয়। অসুখীয়া অৱস্থাতো তেওঁ গীত মাত ৰচনা কৰি থাকে, তেওঁৰ কৰ্মশক্তিয়ে

অসুখীয়া শৰীৰৰ কথা সকলোকে পাহৰাই ৰাখিছিল। অসুখীয়া শৰীৰেৰে তেওঁ বিভিন্ন উল্লেখযোগ্য অনুষ্ঠানত ভাগ লৈছিল। 1964 চনৰ 7 জুন তাৰিখে তেখেতে নিয়তিৰ ওচৰত হাৰ মানিলে, অসংখ্য অনুৰাগীক শোক সাগৰত পেলাই তেওঁ ইহলীলা সম্বৰণ কৰিলে তেখেতৰ কৰ্মস্থান সোণাৰীৰ সোণালী পামত।

পাৰ্বতি প্ৰসাদে প্ৰায়বোৰ গীতি কবিতা ৰচনা কৰিছিল। 1933 চনৰ মটৰ দুৰ্ঘটনাৰ আগতে 1923–1933 চনৰ কালছোৱাত। সৰুৰে পৰা ৰবীন্দ্ৰ কাব্য আৰু সংগীত চৰ্চা কৰাৰ বাবে বিশ্ব কবিক গুৰু হিচাপে গ্ৰহণ কৰিলেও তেওঁৰ ৰচনাত এটি সুকীয়া বৈশিষ্ট্য আছিল, য'ত আছিল অসমৰ মাটিৰ গোন্ধ। অসমৰ সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্যই তেওঁৰ মন প্ৰাণ উতলা কৰিছিল। এই আনন্দ উচ্ছাসতেই তেওঁ গীত ৰচনা কৰিবলৈ লৈছিল নিভাঁজ নিখুঁত অসমীয়া ভাষাত। সেইবোৰত অসমৰ লোকগীত, বনগীত, আইনাম, ধাইনাম, টোকাৰীগীত, বিয়া নাম আৰু বিহু গীতৰ সুৰ দি ৰচনা কৰিছিল; এনেদৰে ৰচনা কৰি অসমীয়া সংগীতলৈ আগবঢ়োৱা প্ৰথম দুটি গীত বৰ জনপ্ৰিয় হৈছিল।

পাৰ্বতি প্ৰসাদে অসমীয়া সুৰ দি ৰচনা কৰা প্ৰথম গীতি দুটি হৈছে—

1) "হে'ৰ বলিয়া নয়ন ভৰি ভৰি চা
বলিয়া নয়ন ভৰি ভৰি চা।
সন্মুখত সৌ উঠিছে নামিছে
ধলৰে বুকুতে পোহৰ জ্বলেমলাই
ঢউৰে কৰে টল মল।
বলিয়া নয়ন ভৰি ভৰি চা।

ঢৌ দেখি তোৰ হালে জানে গা
ইকৰা পাতেৰে নাওখনি বা
পখিলা পাখিৰে পাল তৰি দি
পাৰি দি মাজলৈ যা
কলমৌ ঠাৰিৰে পেঁপাটি বজাই
বনগীত এফাকি গা বলিয়া
নয়ন ভৰি ভৰি চা বলিয়া
নয়ন ভৰি ভৰি চা।"

2) "আহিন মহীয়া শেৱালী সৰিলে
নিয়ৰত তিতিলে বন
জোনাকত ওপঙিল কিহবাৰ ৰাগী
কেনেবা কৰিলে মন
বুকুৰে বান্ধে অ'ই কেনেবা কৰিলে মন
বান্ধে অ'ই কেনেবা কৰিলে মন।

বগা ডাৱৰৰে মূৰত পাগুৰী
কোননো কোঁৱৰ আহিল
দোকমোকালিতে মোৰে দুৱাৰতে
কিয় ভুমুকীয়ালেহি
বান্ধে অ'ই কেনেবা কৰিলে মন।

বুকুৰ বান্ধে চিনো কি নিচিনো লাগে
সৰা শেৱালীৰ বাটে কাহানিবা
দেখিছিলো যেন লাগে
চিনো কি নিচিনো একো নুশুনিলো
অচিনা দৰতে মজি
বুকুৰে মাজৰে অজলা বৈৰাগী
ৰংতে নাচিলো আজি
বান্ধে অ'ই কেনেবা কৰিলে মন।

এই গীত দুটিয়ে জনসাধাৰণৰ মাজত প্ৰভাৱ পেলোৱাৰ উৎসাহতে তেওঁ অসমীয়া সুৰ দি গীত লিখিবলৈ ল'লে।

পাৰ্বতি প্ৰসাধৰ ৰচনাত কবিতাতকৈ গীতৰ লেখ বেছি। গীতবোৰত কবিতাৰ সৌন্দৰ্য বিৰাজমান। সাহিত্যিক লক্ষ্মীনাথ ফুকনদেৱে পাৰ্বতি প্ৰসাদৰ গীতৰ সন্দৰ্ভত লিখিছে— "পাৰ্বতি প্ৰসাদৰ কবিতাবিলাকত শৰৎ কালৰ স্নিগ্ধতা এটি আছে, বিজুলিৰ চকু চাঁত মাৰি যোৱা চমকনি তাত নাই, আছে ৰামধেনুৰ চকু শাঁত কৰা ৰহণ। সমুদ্ৰৰ গৰ্জন তাত নাই, আছে লুইতৰ আৰু দিখৌৰ কলকলনি। কেতেকীৰ উগ্ৰ গোন্ধ নাই, আছে শেৱালীৰ মৃদু সুৱাস। বিদেশী বেণ্ড বাদ্যৰ ঝংকাৰ তাত নাই, আছে অসমীয়া টোকাৰীৰ গুণগুণনি। পাৰ্বতি প্ৰসাদৰ কবিতাৰ মাজেদি সুৰৰ ৰাগীত বলে পোহৰ, সুৰৰ ভৰত কঁপে তৰা আকাশ ভৰা, কালিন্দী ভোমোৰা জাকি মাৰি উৰে, শেৱালি চোপাকলি আপোনি উঠে ফুলি আৰু লুইতৰ সিপাৰৰ কহুঁৱা বনত নাচনি জাগি উঠে।" ফুকন দেৱৰ এই কথা কেইটাৰ পৰাই পাৰ্বতি প্ৰসাদৰ গীতি কবিতাৰ মান নিৰ্ধাৰণ কৰিব পাৰি।

পাৰ্বতি প্ৰসাদৰ আছিল অগাধ দেশ প্ৰেম তেওঁৰ কবিতাত এই প্ৰেম ফুটি উঠিছিল। পাৰ্বতি প্ৰসাদৰ দুটি উল্লেখযোগ্য দেশ প্ৰেমমূলক কবিতা—

1) নোবোলো তোক সোণৰ অসম
মাটিৰ অসম আই,
সোণতকৈয়ো যে চৰা এই মাটি
এয়ে মোৰ ওপজা ঠাই।
অতীতত তোৰ কি ধন আছিলে
কেলেই লাগিছে মোক,
এতিয়া যে তই নিচেই নিছলা
দুবেলা নুগুচে ভোক।
দুখিয়া হ'লেও নিচলা হ'লেও
আই মোৰ মৰমৰ,
আইতকৈনো বাৰু আছেনে আপোন
আছেনে কোনোবা বৰ।

2) পূজো আহাঁ মাতৃৰ চৰণকমল
উঠক বাজি জয়ধ্বনি পৰম মঙ্গল।
পূজাৰ দ'লৰ চন্দন চ'ৰা
বন্তি জ্বলাই উজ্বল কৰা,
সুপৱিত্ৰ কৰা ঢালি শান্তিয়নী জল।

কি আছে কি দিন আমি দুখিত আতুৰ,
আই-মাতৃৰ চৰণে সেৱি হৃদয় কৰোঁ জুৰ।
সমল মাথোঁ চকুৰ পানী
চৰণ ধুৱাওঁ তাকেই আনি,
বুকুৰ তেজৰ অৰ্ঘ্য ঢালি বুৰাওঁ পদতল।

পাৰ্বতি প্ৰসাদে এক আঢ্যৱন্ত পৰিয়ালত জন্মগ্ৰহণ কৰি ডাঙৰ হ'লেও তেওঁ সদায় সাধাৰণ লোকৰ কথা চিন্তা কৰিছিল, সেয়ে সাধাৰণ নাৱৰীয়াৰ বাবে লিখিছে—

লুইতৰে চাপৰিত ক'ৰে নাৱৰীয়া
বালিত ভাতে ৰান্ধি খায়,
সাউদৰ ডিঙৰ বগা পালে তৰা
উজনি দেশলৈ যায়।
হেৰ' নাৱৰীয়া মেলি দে ডিঙৰা
তৰি দে শুকুলা পাল,
পশ্চিমৰ দিশৰে পছোৱা আহিছে
বতাহ বলিছে ভাল।
পালতে লাগিব পশ্চিমৰ পছোৱা
তুলবুল কৰিব নাও,
ঢউৰ চেৰে চেৰে নামে লগাই দিবি
হালিব-জালিব গাৱ।

পাৰ্বতি প্ৰসাদৰ গীতি কবিতাত কৰুণ ৰস বিদ্যমান, তেওঁৰ এনে এটি গীতি কবিতা হৈছে—

জীৱন যদি হেৰালে তোৰ
মৰণ যদি নাই হে
মৰণ যগি নাই
ঘৰটি যদি ভাগিলে তোৰ
বাটত নহ'ল ঠাই হে
বাটল নহ'ল ঠাই,
তৰাং পানীত বুৰালি তোৰে
মাণিক ভৰা তৰী,
অথাই সাগৰ পাৰ হ'ব তই
কি ভৰসা কৰি।
দুৰকপলীয়া।
অতল জলত তল নগলি
নেপালি তই কুল
জীৱন মৰণ হৰণ কৰা
ঘটিল মহা ভুল।
কলিজাত তোৰ আপোন হাতেই

হান যদি হুল
কি গতি হ'ব হায়
দুৰকপলীয়া।

পাৰ্বতি প্ৰসাদে লিখা দুখন উল্লেখযোগ্য নৃত্য নাটিকা “লখিমি” আৰু ‘সোণৰ সোলেং”। তেওঁৰ উল্লেখযোগ্য কবিতা সংকলন “গুণগুণনি”, “লুইতী”, “ভঙা টোকাৰীৰ সুৰ”, “শুকুলা ডাৰৰ ঐ কহুঁৱা ফুল”।

পাৰ্বতি প্ৰসাদৰ ৰচনাত বিদেশী শব্দ নাই, ভাষা জাতে পাতে ঘৰুৱা। এনে জতুৱা ভাষাটো যে উচ্চ গীত কবিতা লিখিব পাৰি তেওঁৰ ৰচনাই এটা ডাঙৰ উদাহৰণ। এই গীতবোৰত অসমৰ গাঁও-ভূই, হাবি-বন, পথাৰ-সমাৰৰ চিনাকি ছবিখন আমাৰ চকুৰ আগত ভাহি আহে।

পাৰ্বতি প্ৰসাদ বৰুৱাদেৱে অসমীয়া জাতিৰ সাংস্কৃতিক অৱক্ষৰ কথা অনুধাৱন কৰিছিল। সেয়েহে ৰজ্মাছৰ চনত অসম সাহিত্য সভাৰ ঊনত্ৰিংস অধিৱেশনৰ সংগীত সন্মিলনৰ সভাপতিৰ অভিভাষণত উল্লেখ কৰিছিল “আমাৰ শিল্পৰ অৱস্থা আজি বৰ শোচনী, তাৰ সোত বন্ধ হৈ আজি সি মৰি দিখৌ। আমাৰ সকলোবিলাক দেশী মানুহৰ হাতৰ শিল্প দিনে দিনে লোপ পাবলৈ ধৰিছে। তিতাবৰীয়া, সৰ্থেবৰীয়া কহাৰৰ আদৰ আজিকালি কমি আহিছে। অসমীয়া কুমাৰ, কমাৰৰ ঠাইত বঙালী কমাৰ, কুমাৰ সোমাইছেগৈ। ছিলেটীয়া মিস্ত্ৰীয়ে আমাৰ ঘৰৰ চাল, বেৰৰ কাৰুকাৰ্য কৰিছে। মুঠতে সকলো ৰকমৰ কামৰ বাবে বঙলুৱা আহিলা পাতিৰে অসমৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন যোগাইছে। এইবোৰ দেখি শুনি স্পষ্টকৈ বুজা যায় যে এই জাতি মৰণাপন্ন আৰু ঘৰতে থাকিও শিল্পৰ অধিষ্ঠাত্ৰী গোসাঁনী আজি সিংহাসনচ্যুতা” এই কথাখিনিত পাৰ্বতি প্ৰসাদ বৰুৱাৰ প্ৰকৃত জাতীয়তাদী চিন্তাৰ প্ৰকাশ পাইছে।

পাৰ্বতি প্ৰসাদ বৰুৱা দেৱ এজন বিশাল ব্যক্তিত্বৰ অধিকাৰী জাতীয়তাবাদী চিন্তাৰ দেশপ্ৰেমিক আছিল। তেওঁৰ ৰচনাৱলী এক আপুৰুগীয়া সম্পদ ইয়াৰ উপযুক্ত সংৰক্ষণ আৰু সংবৰ্ধনৰ ব্যৱস্থা কৰিলে অসমীয়া সাহিত্য সংস্কৃতিৰ যথেষ্ট উপকাৰ হ'ব। এই ক্ষেত্ৰতঅসম সাহিত্য সভাই অগ্ৰণী ভূমিকা লোৱাৰ থল আছে।

*****

● লেখক ঃ তিনিচুকীয়া নিৱাসী সাহিত্যিক, অসম সাহিত্য সভাৰ বিষয়ববীয়া তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি।

# অসমৰ সংগীতৰ আকাশত এপাহ ৰ'দৰে ফুল; গীতিকাৰ-সুৰকাৰ দ্বিজেন্দ্ৰ মোহন শৰ্মা

জ্যোতি কুমাৰী শৰ্মা (বৰঠাকুৰ)

কথাৰ ছন্দ আৰু সুৰৰ মূৰ্চ্ছনাৰে জীৱনৰ ছবি আঁকে তেওঁ। নাম তেওঁৰ দ্বিজেন্দ্ৰ মোহন শৰ্মা - যাৰ গীত শুনি শুনি এখন মনোৰম ছবি চাই থকাৰ বা নিজৰ জীৱনৰে সুখ -দুখৰ কাহিনী শুনি থকাৰ পূৰ্ণতা প্ৰাপ্তিৰে মুগ্ধ হ'ব পাৰিব। সেয়ে চাগে' তেওঁৰ গীত শ্ৰোতাই হৃদয়ত লৈ ফুৰে।

দ্বিজেন্দ্ৰ মোহন শৰ্মা অসমীয়া সংগীত জগতৰ এনে এটি নাম, যাৰ প্ৰাণৰ ভাষাই শ্ৰোতাক প্ৰেমৰ সনাতন উপলব্ধিৰে আচ্ছন্ন কৰি আহিছে। অসমীয়া আধুনিক গীতৰ কেইগৰাকীমান সংবেদনশীল গীতিকাৰৰ ভিতৰত অন্যতম হৈছে দ্বিজেন্দ্ৰ মোহন শৰ্মা।

কপালত জিলমিল জোন আৰু দুচকুত অযুত তৰাৰ প্ৰতিশ্ৰুতি লৈ অহা কাৰোবাৰ নিবিড় মৰমত তিৰবিৰাই জ্বলি উঠে তেওঁৰ মনৰ নিজম বন, জোনাক উপচা উজাগৰী নিশা সেই মৰমী হিয়াৰ আকুল সান্নিধ্যৰ সপোনত বিভোৰ হৈ পৰে তেওঁৰ মন। তেওঁ জোনাকৰ কবি, তেওঁ সপোনৰ কবি।

পুৱাৰ নিঁয়ৰৰ সৈতে দীঘল ওৰণিয়ে ঢাকিব নোৱাৰা আইজনীৰ দুচকুৰ টোপ টোপ চকুলোৰে যাৰ মন ব্যথিত কৰি বিগলিত সুৰৰ নিজৰা বোৱায়, সেইগৰাকী মমতা বিহ্বল কবি গীতিকাৰৰ নাম দ্বিজেন্দ্ৰ মোহন শৰ্মা।

জনপ্ৰিয়তাৰ শীৰ্ষস্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা গীতিকাৰ গৰাকীৰ কেইটিমান আধুনিক গীত হৈছে - "মাহ-হালধিৰে নোৱালে-ধোৱালে", "জিলমিল জোন জ্বলে কপালত", "বেছিদিন লগতে নাথাকো", "ফুল ফুলক ৰ'দৰে ফুল", "অ' সৰু ভনীটি", "পৰিচয়বিহীন যাযাবৰ নগৰী", "দীঘলকৈ ওৰণি নল'বা মাজনী", "ৰহদৈ অ', এয়া নিৰ্মল নদীৰে ঘাট", "ৰিমঝিম বৰষুণ পৰিলে", "ব'হাগ আহিল ঢোলৰ মাতত", "টোপ টোপ ৰভাতলিত", "দুনীয়া আমাৰ আস্তানা", "বন পলাশৰ ছাঁত", "ৰিঙা পথাৰতে অ' শিঙা, পেঁপা বাজিছে", "দেৰী বুলি মাতিছিলো", "উজনিমুৰা ৰে'লগাড়ীখন সাঁজ গধূলি আহে যে", "মধু জোন জ্বলিছে" ইত্যাদি। উল্লেখযোগ্য যে, অসমৰ প্ৰায় প্ৰত্যেকগৰাকী জনপ্ৰিয় শিল্পীয়ে গীতিকাৰগৰাকীৰ গীতত কণ্ঠদান কৰিছে। আনহাতে তেখেতৰ কেইটিমান সংবেদনশীল গীত তেখেতৰ সুযোগ্যা সহধৰ্মিনী তথা জনপ্ৰিয় শিল্পী বিউটি শৰ্মা বৰুৱাৰ মৌ মিঠা কণ্ঠেৰে নিগৰি এক নজহা-নপমা ৰূপত অসমৰ শ্ৰোতাৰ প্ৰাণত ৰৈ গ'ল। ক'বলৈ গ'লে অসমৰ সংগীত জগতৰ এক অন্যতম শ্ৰেষ্ঠ যুটি হিচাপে ৰৈ গ'ল দ্বিজেন্দ্ৰ মোহন শৰ্মা আৰু বিউটি শৰ্মা বৰুৱাৰ নাম।

জনপ্ৰিয়তাৰ পাৰ ভাঙি যোৱা অন্য গীতিকাৰগৰাকীৰ অন্য এটি গীত হৈছে- "অ' সৰু ভনীটি, মুগাৰ ৰিহা পিন্ধিলি...।" বয়স নিৰ্বিশেষে প্ৰতিগৰাকী অসমীয়া শ্ৰোতাৰে হৃদয় মুগ্ধ কৰিব পৰাকৈ উলাহপূৰ্ণ অথচ কোমল শব্দ চয়নেৰে আকৰ্ষণীয় এই গীতটিত কণ্ঠদান কৰিছে শিল্পী ৰিদীপ দত্তই।

আনহাতে নাৰী কণ্ঠত প্ৰচুৰ পৰিমাণে চৰ্চিত দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ অন্য এটি গীত হৈছে “মাহ-হালধিৰে নোৱালে-ধোৱালে...”। গীতটি গীতিকাৰগৰাকীৰ পত্নী বিউটি শৰ্মা বৰুৱাৰ কণ্ঠত কালজয়ী হৈ ৰ’ল।

বোধহয় সত্তৰৰ দশকতে শিল্পী বৈকুণ্ঠ গগৈৰ কণ্ঠত ৰেডিঅ’ যোগে জনপ্ৰিয় হৈ পৰা আৰু নৱ প্ৰজন্মৰ আপোন শিল্পী জুবিন গাৰ্গৰ কণ্ঠত পুনৰ প্ৰতিষ্ঠা লাভ কৰা অন্য এটি গীত হৈছে - “ফুল ফুলক ৰ’দৰে ফুল...”

দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ প্ৰতিটো গীততে মূৰ্তমান হৈ উঠিছে মানুহৰ হৃদয়ৰ খবৰ - মানুহৰ সুখ-দুখ, স্বাৰ্থ-ত্যাগৰ অলেখ ইতিহাসেৰে ভৰা এখন সমাজৰ ছবি- যি মানুহে গঢ়ে মানুহেই পাতে। বিশেষকৈ আমাৰ সমাজৰ অলেখ নীতি-নিয়মেৰে শৃংখলিত নাৰীৰ হৃদয়ৰ চিৰন্তন আকুতি অতি মৰ্মস্পৰ্শী ৰূপত প্ৰকাশ পাইছে এই দৰদী গীতি কবিজনাৰ কাপেৰে।

“বেছিদিন লগতে নাথাকে
দেউতা মনত নিদিবি দুখ
এই ঘৰ এৰিবতো লাগিবই
মা মৰম কৰিবি মোক
....................
সদায় মনত পৰিম উচুপিম অকলে
সদায় কৰিম পূজা
থাক যেন কুশলে
তহঁতৰ জীৱনৰ সুখ-দুখ চকুলোত
মনত পেলাবি মোক ...”

পিতৃ-মাতৃৰ পাৰাপাৰহীন চেনেহেৰে পালিত এজনী জীয়ৰী যেতিয়া সেই আজন্ম অংগাগী সম্পৰ্ক ছেদ কৰি নতুন ঘৰ এখনলৈ চিৰদিনলৈ গুচি যাবলৈ বাধ্য হয়, সেই মৰ্মভেদী বেদনাৰ ক্ষণ ইয়াতকৈ নিভাঁজ ৰূপত প্ৰকাশ পোৱাৰ উদাহৰণ অসমীয়া গীতি সাহিত্যত বোধহয় আৰু নাই। একেদৰে, আয়তী -উৰুলিৰে উদুলি-মুদুলি ৰভাতলীৰ টোপ টোপ নিয়ৰ গচকি দেউতাৰ বাটচ’ৰাৰ মুখলৈ ওলাই অহা দাপোণমতীজনীৰ ওৰণিৰ আঁৰৰ চকুলো দুধাৰি যেন তেওঁৰ অন্তৰৰহে অটল গহ্বৰৰ পৰা নিগৰি বৈ অহা দুটি বিষাদ গভীৰ সুঁতি, যিয়ে দি যায় প্ৰতিগৰাকী শ্ৰোতাৰ হৃদয়তো এটি অসহনীয় বিষাদৰ চাপ।

“ওৰণিৰ আঁৰেৰে নেচাবা
দাপোণমতী
চল পাই চকুলো বব
আজি যে বোৱাৰী সাজিছা
দাপোণমতী
সেওঁতাৰ সেন্দুৰে ক’ব...”।

প্ৰকৃততে কইনাৰ সাজত এজনী জীয়ৰীৰ মনৰ অস্থিৰতা তথা আকুলতা এইদৰে শব্দ-বৰ্ণ-সুৰেৰে ধৰি ৰখাত এক অতুলনীয় সফলতা লাভ কৰিছে এই দৰদী কবিগৰাকীয়ে।

দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ গীতত অসমীয়া লোকসাহিত্য তথা লোক-সংস্কৃতিৰ বৰ্ণাঢ্য উপাদানৰ সুষম প্ৰভাৱ পৰিলক্ষিত হয়। অসমীয়া থলুৱা বচা বচা শব্দৰ প্ৰয়োগেৰে প্ৰায় প্ৰতিটো গীতকে এক জাতীয় দ্যোতনাৰে মন মুহি নিব পৰাকৈ সজাই তুলিছে। সুৰৰ ক্ষেত্ৰতো গ্ৰাম্যাঞ্চলত প্ৰচলিত গীতৰ সুৰবোৰ বুটলি আনি এনেদৰে সজাই তুলিছে যে, সকলোৰে হৃদয়ত হেন্দোলনি তুলি যায়। আইনাম, ধাইনাম, বিয়ানাম, বনগীত আদি তাহানি অনাখৰী লোকৰে সৃষ্টি। পুৰণি দিনৰেপৰা মুখে মুখে প্ৰচলিত এই গীতবিলাকৰ সহজাত সুৰে মানুহৰ মনত আপোন আপোন ভাৱ এটা

জগাই তোলে। দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ গীতৰ সুৰত সংপৃক্ত হৈ থকা এই ধৰণৰ মাটিৰ গোন্ধে প্ৰতিজন অসমীয়াক মোহাচ্ছন্ন কৰি তোলে।

তাৎপৰ্যপূৰ্ণভাৱে অসমীয়া সমাজত বিভিন্ন নীতি-নিয়মেৰে অনুষ্ঠিত কিছুমান ব্যৱস্থা ঘাইকৈ একোখন বিবাহৰ বিভিন্ন অংশ ইমান সাৱলীলভাৱে একোটি গীতত বৰ্ণনা কৰিছে যে গীতটি শুনিলে সমগ্ৰ অনুষ্ঠানটোৱেই চকুৰ আগত ভাঁহি উঠে। বেইৰ তলত মাহ-হালধি সানি কইনা নোৱাই-ধুৱাই দৰাই দি পঠিওৱা সোণ-ৰূপৰ অলংকাৰ পিন্ধোৱা, হোমৰ গুৰিত আখৈ দিয়া, আয়তী যঁচা, পাছলৈ চাউল চটিয়াই কইনাই নতুন ঘৰলৈ যাত্ৰা কৰালৈকে একোখন বিয়াৰ সৈতে জড়িত পৰম্পৰাগত নিয়মৰ এখন নিভাঁজ ছবি আঁকি গৈছে। সেইদৰে বিয়ানামত ব্যৱহাৰ কাৰ পৌৰাণিক আখ্যানৰ চৰিত্ৰবোৰ যেনে 'হৰি', 'ৰাম', 'দৈৱকী, 'শিৱ', 'পাৰ্বতী' (পাৰেবতী) আদিৰ ব্যৱহাৰেৰে বিবাহৰ সৈতে জড়িত আধ্যাত্মিক ভাৱ মনত জগাই তোলে। আনহাতে শিল্পীগৰাকীৰ গীতত ভুমুকি কৰা মৰমবাচক সম্বন্ধবোৰ যেনে 'সৰু ভনীটি', 'আইজনী', 'দাপোণমতী', 'সুৱাগমণি', 'লখিমী গোঁসানী', 'চেনেহী', 'চেনাই', 'মনৰে মানুহজন' আদিয়ে মানুহৰ পৰস্পৰৰ সম্পৰ্কৰ নিৰ্মল অনুভৱ এটা মনত প্ৰোথিত কৰে। এইদৰে অসমীয়া জনজীৱনৰ লোকাচাৰভিত্তিক গীতবোৰে মাটিৰ শিল্পীজনক শ্ৰোতাৰ ওচৰ চপাই নিছিল।

স্বাভাৱিকতে বিয়াৰ অবিচ্ছেদ্য মাংগলিক ধ্বনি উৰুলিৰে আৰু লগতে বিয়ানামেও কেৱল ৰভাতলিত সংগীতৰ এক বেদনাসিক্ত সুৰীয়া পৰিৱেশৰে সৃষ্টি নকৰে, মনত শুভ বিবাহৰ প্ৰতি এক বিশ্বাসো গঢ়ি তোলে, সেয়া আধুনিক গীত একোটাৰ মাজেৰেই প্ৰকাশ কৰাটো গীতিকাৰ গৰাকীৰ কৃতিত্ব।

ঘাইকৈ গীতিকাৰ গৰাকীয়ে অসমীয়া সমাজৰ লৌকিকতাৰ প্ৰতি সন্মান জনাইহে একোগৰাকী কইনাৰ মনৰ অনুভৱ প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। প্ৰগাঢ় আৱেগজড়িত তেনে এটা আধ্যাত্মিক ভাৱসমৃদ্ধ গীতত 'ওৰণিয়ে চকুৰ চকুলো নাঢাকে' বুলি কৈও কইনাজনীক জীৱনপথত অগ্ৰসৰ হ'বলৈ এনেদৰে আশ্বাস দিছে -

'ক্ষণিক পাছতে যাবাগৈ আঁতৰি
জীৱন লগৰীৰ সতে
লখিমী গোঁসানী ঘৰ এৰি যাবা
ন জীৱনৰে বাটে ঔ ৰাম
শুভাশিস শিৰতে লোৱা'

গীতিকাৰ হিচাপে দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ মহত্ব প্ৰকাশ পাইছে নাৰীক সমাজত এক উপযুক্ত মৰ্যাদা প্ৰদান কৰাৰো ব্যতিক্ৰমী ধ্যান-ধাৰণাত। আমাৰ এতিয়া সমাজ ব্যৱস্থাতো বৃহৎ সংখ্যক পুৰুষৰ যি সুপ্ত সামন্তবাদী মনোবৃত্তি দেখা যায় তাৰ বিপৰীতে গীতিকাৰগৰাকীয়ে নাৰীক সজাই তুলিছে মমতাৰ জীৱন্ত প্ৰতীক হিচাপে, উদ্ভাসিত কৰিছে এগৰাকী মহীয়সী মাতৃৰ ৰূপতো - "দেৱী বুলি মাতিছিলো, আই তুমি ভগৱতী... ।" সেই মমতাময়ী মাতৃৰে অন্য এক ৰূপো অসাধাৰণভাৱে জিলিকি উঠিছে শৰ্মাৰ ভাৱ সাগৰত - সেয়া হৈছে জীৱন-মৰনৰ সংগী প্ৰেয়সী, যিয়ে জীৱনৰ প্ৰতিটো ঘাত-প্ৰতিঘাত দুৰ্দম্য সাহসেৰে অতিক্ৰম কৰাত প্ৰেৰণা যোগায়। সেয়েহে জীৱন যুঁজত এক সংগীবিহীন হতাশ পথিক বুলি অনুভৱ হ'লেও বোধহয় 'পৰিচয়বিহীন যাযাবৰ নগৰী, অকলশৰীয়া মই বিচাৰিছোঁ লগৰী' বুলি শূন্য দুহাত মেলি দিয়ে জীৱনৰ প্ৰকৃত লগৰী বিচাৰি। উল্লেখযোগ্য যে 'পৰিচয়বিহীন' গীতটি অসমৰ অন্য এগৰাকী জনপ্ৰিয় শিল্পী জে. পি. দাসৰ কণ্ঠত প্ৰাণৱন্ত হৈ উঠিছে। অসমৰ চহা ৰাইজৰ জীৱনশৈলী আৰু পৰম্পৰাগত ৰীতি-নীতি তথা সহজ-সৰল আচৰণৰ প্ৰতি শ্ৰদ্ধাশীল কবিয়ে 'ৰহেদৈ অ', এয়া নিৰ্মলা নদীৰে ঘাট' বুলি কৃষ্ণচূড়াৰ পাহিৰে সেন্দূৰীয়া পথৰ ছবিখনি আঁকিও নাৰীৰ মনক প্ৰত্যয় দান কৰি কৈছে যে, "সমাজৰ লাইখুঁটা পোনাব যে লাগিব, পাতি চেনেহৰে হাট।"

কিন্তু প্ৰেমৰ স্বৰ্গীয় জগতখনতে জীৱনৰ সুখ আহৰণ কৰা কবিয়ে সমস্যা জৰ্জৰিত প্ৰতি চকু মুদি ৰোৱা নাছিল। স্পষ্টবাদী, একনিষ্ঠ, মানৱপ্ৰেমী গীতিকাৰগৰাকীৰ ভালেমান গীতত সমাজৰ আৰ্থ-সামাজিক দুৰাৱস্থাৰ প্ৰসংগই তেখেতৰ

বৌদ্ধিক চিন্তন-মননৰ নিৰ্যাস কঢ়িয়াই ফুৰিছে। সেইদৰে সন্ত্ৰাসপীড়িত নিৰ্মম পৰিস্থিতিৰ বৰ্ণনাও কাৰুণ্যৰ উপলব্ধিৰে শ্ৰোতাৰ অন্তৰত খোদিত হৈ ৰৈছে। ড০ অনিমা চৌধুৰীৰ কণ্ঠৰ তেনে এটি গীত হৈছে -

"বুৰিল বেলি গধূলি / আহ উভতি আই
পদূলিত ৰৈ মিছাকৈ / কি হ'ব বাট চাই..."

খগেন মহন্তৰ কণ্ঠেৰে সকলোৰে প্ৰাণ স্পৰ্শ কৰা দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ এক ব্যতিক্ৰমী সৃষ্টি হ'ল দুনীয়া আমাৰ আস্তানা / দিল মছগুল মস্তানা / জীৱন বাটত কিমান যে বেগানা ...." (বোলছবি- বিভ্ৰাট)

আধ্যাত্মিক ভাৱসম্পন্ন বিশেষকৈ দেৱী দুৰ্গা আৰু শিৱৰ বন্দনাৰে প্ৰৌজ্বল গীতবোৰে সাত্ত্বিক গীতিকাৰগৰাকীৰ ভগৱৎ প্ৰেমৰ পৰিচয় দিয়ে, যেনে - "দুৰ্গা বুলি মাতিছিলো আই তুমি দয়াৱতী", "হৰ হৰ শিৱ জঁটাধাৰী", "কৃষ্ণ গোঁসাই গকুলত হৰি আছা"। আকৌ সেইগৰাকী ভক্ত শিল্পীয়েই গাইছে - "দেৱতা থাকে কোন মন্দিৰ-মছজিদ-গুৰুদ্বাৰ-গীৰ্জাঘৰত / দেৱতা থাকে আমাৰ হৃদয়ত / সনাতন অমৰ প্ৰেমত"।

তেওঁ সপোনৰ কবি। দিঠকত বিচাৰি নোপোৱা মানুহৰ মৰম বিচাৰি তেওঁ আশাৰ ডিঙৰা মেলি দিয়ে সপোনৰ মায়াময় সমুদ্ৰত। তেওঁৰ দৃষ্টি যে সদায় প্ৰেমৰ মিলনভূমিলৈহে - য'ত আশাৰ চাকি জ্বলে মানুহৰ হৃদয়ৰ শলিতা গছিৰে। লাগিলে সেয়া দিঠকত নহয়, সপোনত হওক বা মনে সজা আটোলটোল এখন নিজা পৃথিৱীতে হওক। সেয়ে চাগে' বিষাদৰ ধুমুহা-বতাহেও দি যাব পাৰে কবিক আশাৰ অফুৰন্ত জোনাক -

"এতিয়া জোনাক মোৰ দুখভৰা আকাশৰ
লক্ষতৰাৰ শিখাত
এতিয়া জোনাক মোৰ পাখিলগা সপোনৰ
সোণ-সোণাৰু শাখাত
জোনাক আছে আশা-নিৰাশাৰ
সাগৰ তীৰত জোনাক...।'

দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ নিখুঁত কাব্যিক দক্ষতা ফুটি উঠিছে ৰিক্ত হৃদয়তো জোনাকৰ তিৰবিৰণি তুলি সৃষ্টিৰ আকুলতা জগাই তুলিব পৰাৰ বিৰল অনুভৱী প্ৰকাশত। সেয়ে "কথাতো নাছিল দুয়ো/ দূৰে দূৰে ৰৈ যোৱাৰ /কথা যে আছিল বাট/ দুয়ো একেলগে যোৱাৰ..." বুলি অন্তৰৰ নিভৃত কোণত অভিমানৰ গধুৰ পৰশ অনুভৱ কৰিলেও তেওঁ গীত গায় তৰা ফুলাৰ, গীত গায় পলাশ ফুলাৰ। সেই গীত শুনি সৰাপাত গচকি আহে মন উতলোৱা ফাগুনৰ পচোৱা, আহে কুঁৱলীৰে ঢকা বিষণ্ণ নিশা শৰতৰ বতৰা লৈ শেৱালিৰ স্নিগ্ধ সুবাস।

সেই গৰাকী চেনেহ আকুল সৌন্দৰ্য সাধকৰ চকুৰে চকুৰে চালে অনিৰুদ্ধ প্ৰেমৰ দুৰন্ত হেঁপাহতকৈ অন্য কিবা পাৰ্থিৱ লোভ-মোহৰ ছায়া জানো দেখা পোৱা যাব! "কিয় চকুৰে চকুৰে চালা, চাই কিবা জানো বুজি পালা" বুলি অনুভৱৰ গভীৰতা জুখিব খুজি তেওঁ যে নিজেই নিজৰ প্ৰশ্নৰ উত্তৰ দি যায় - 'ছায়া নাই মোৰ চকুৰ মণিত / নয়নত মাথো জোনাক/ তুমি আজি মোৰ নিচেই কাষত / জীৱনত মাথো জোনাক।'

ৰিম্‌ঝিমকৈ বৰষুণ পৰাৰ সময়ত তেওঁক যে আমনি কৰে মৌচুমীজনীয়ে - যিয়ে মেঘৰ গাজনি আৰু বিজুলীৰ চমকনিৰে বিলাই যায় সৃষ্টিৰ সনাতন বতৰা। সেয়েহে তেওঁৰ বাবে ব'হাগ আহে ভালপোৱাৰ কহুঁৱা বননিৰে, ব'হাগ আহে দূৰ-দূৰণিৰ পথৰুৱা ৰাতিৰ বাঁহীৰ সুৰেৰে।

তথাপি হয়তো কেতিয়াবা কবিৰ অলক্ষিতে সৰি পৰে স্বপ্নভংগৰো এটি-দুটি হুমুনিয়াহ - অসহায় কবিয়ে সমাধান বিচাৰে কি গীত গালে আহিব মিলনৰ মধুৰ লগন -

'কোনো দূৰণিৰ নেদেখা মোহনাত
আমাৰ প্ৰণয়ৰ দুখন নৈ মিলিব

কোন সপোনৰ মধু লগনতে

আমাৰ মিলনৰ হোম জুই জ্বলিব... ।’

কিন্তু সাৰ্থক কবি হ’ল সেইগৰাকী, যিগৰাকীয়ে নোপোৱাৰ বেদনাৰে কৰিব পাৰে জীৱন সুন্দৰ। আমাৰ স্নেহাকুল কবিৰ বাবেও হেৰুৱাৰ বেদনাই পূৰ্ণ কৰিব পাৰিছে যেন সুখৰ আতুৰ হেঁপাহ - যিদৰে ধুমুহা জৰ্জৰিত এটি পুৱতি নিশাই কঢ়িয়াই আনে ফৰকাল ৰ’দৰ পুৱা।

‘মন আকাশত ডাৱৰৰে ফুল ফুলক আজি....’

বিষণ্ণ অতীত যেন কবিৰ বাবে এখিলা শুকান সৰাপাত - সেই সৰাপাতৰ মৰ্মৰ ধ্বনি খোদিত হৈ ৰয় সময়ৰ শিলাময় বুকুত - য’ত সোঁৱৰণিয়ে বোলাই যায় কলিজাৰ তেজাল ৰং। সেয়েহে কবিয়ে দৃষ্টি মেলি দিয়ে গতিশীল সময়ৰ স’তেহে - তেতিয়াহে যে ফুলি উঠিব জীৱনৰ সূৰ্যমুখী ফুল।

এইগৰাকী বিৰল অনুভৱী কবিয়ে প্ৰতিক্ষণতে বিচাৰে কেৱল মানুহৰ মৰম, সঁচা আন্তৰিকতা। সেয়ে হয়তো উজাগৰি নিশা সান্নিধ্যৰ মিঠা আমেজৰ মাজতো লুকাই থাকে প্ৰেয়সীৰ এখনি সুনিৰ্মল ছবি - যিয়ে সন্ধিয়াৰ পবিত্ৰ ক্ষণত তেওঁৰ পদূলিৰ তুলসীৰ তলত জ্বলায় নিতৌ এগচি মাটিৰ চাকি -

“মোৰ তুলসীৰ তলত জ্বলাবা এগচি চাকি।”

গীতিকাৰগৰাকীয়ে শিশুৰ কাৰণেও ভালেমান গীত ৰচি, সেইবোৰে আটোলটোলকৈ সুৰেৰে সজাই অসমীয়া শিশু গীতৰ জগতখন সমৃদ্ধ কৰি থৈ গ’ল।

‘অ আ ক খ নালাগে নপঢ়ো

সেইবোৰ কিমাননো চাবা

এক দুই তিনি চাৰি নালাগে নিলিখো

লুকাভাকু খেলোগে আহা’।

আনহাতে এইডছ ৰোগৰ ভয়াবহতা সম্পৰ্কে বিজ্ঞানসন্মত ধাৰণা একোটা সমাজত গীতৰ মাধ্যমেৰে প্ৰচাৰ কৰাৰ প্ৰচেষ্টাই শিল্পীগৰাকীৰ মহানুভৱতাকে প্ৰমাণ কৰে।

মানুহৰ মনৰ সম্পৰ্কবোৰ সামাজিক নীতি-নিয়মৰ মাজেৰেই জীয়াই ৰখাৰ প্ৰতি শ্ৰদ্ধাশীল কৰি গীতিকাৰগৰাকী ভালেমান গীতত প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ মোহময় প্ৰকাশ দেখা যায়। “ৰিমঝিম বৰষুণ পৰিছিল”, “বন পলাশৰ ছাঁত দুপৰ বাঁহী বাজে” আদি তেনে নৈসৰ্গিক সৌন্দৰ্যৰ বৰ্ণনাৰে মনোমুগ্ধকৰ গীত।

এইটো অনস্বীকাৰ্য যে নাৰীমনৰ বিশেষ অভিব্যক্তি প্ৰকাশক গীতবোৰে, বিশেষভাৱে দ্বিজেন্দ্ৰ মোহন শৰ্মাক অসমীয়া গীতৰ ফুলনিখনত এক চিৰসুৰভিত, চিৰসুশোভিত স্থানৰ অধিকাৰী কৰি তুলিছে। সমাজৰ ৰীতি-পৰম্পৰা সুৰক্ষিত কৰি ৰাখিবলৈ কেৱল নাৰী সমাজে অকাতৰে যি গভীৰ যন্ত্ৰণা বুকুত সাৱতি জীৱনপাত কৰিবলগীয়া হয় সেই গভীৰ যাতনা এইখন সমাজৰে পুৰুষ হৈও নিজৰ হৃদয়ত থাপি ল’ব পৰা তেওঁ এগৰাকী নিভাঁজ শিল্পী - এজন সঁচা মানুহ। সেয়ে তেওঁৰ স্মৃতিয়ে আজি কঢ়িয়াই আনে যেন দূৰণিৰ ৰাতিৰ সেই অজানা-অচিনা বাঁহীটিৰ সুৰ, য’ত ৰিণি ৰিণি বাজি থাকে প্ৰতি মানুহৰ অন্তৰত গোপনে উচুপি থকা মানৱতাৰ অস্ফূট অনুভূতি।

“বন্ধু, এতিয়া ৰাতি নিৰিবিলি জোনাকতে

তোমালে’ মনত পৰে.... ।”

সমাজৰ পক্ষপাতদুষ্ট ৰীতি-নীতিৰ পৰম্পৰাৰ দ্বিধাহীনভাৱে বিৰোধিতা কৰা এইগৰাকী মহান শিল্পীয়েই আকৌ আমাৰ জাতীয় জীৱনৰ পৰিচয় অক্ষুন্ন ৰাখিবলৈ নিৰ্লোভ উদ্যমেৰে ওলাই আহে ঢোল-পেঁপা-গগনাৰে উখল-মাখল বিহুতলীলৈকো। সেয়ে জাতীয় উন্মাদনাৰে থৌকি-বাথৌ প্ৰেমিক কবিয়ে গড়গঞা নাচনীক বিচাৰি কেতিয়াবা দিখৌ নৈ সাঁতুৰি-নাদুৰি বা ভোগদৈ নৈত ডিঙৰা মেলি গড়গঞা নাচনীজনীক বিচাৰি ল’ৰি ফুৰে দিহিঙে-দিপাঙে - ‘অ’ ভনী অ .. তথাপিতো নাপালো তোক’ বুলি।

সমাজৰ নিষ্ঠুৰ কদৰ্য দিশটোৰ স'তে শিল্পীগৰাকীয়ে কোনোদিন আপোচ কৰা নাই। এই শোষণ-তোষণ, দুৰ্নীতি-ভ্ৰষ্টাচাৰত নিমজ্জিত কলংকিত পৃথিৱীৰ বিপৰীতে তেওঁ দৃষ্টি প্ৰসাৰিত কৰিছে, এই পৃথিৱীৰে বিনন্দীয়া সৌন্দৰ্যৰ প্ৰতি - য'ত মানুহৰ স'তে তেওঁ বিনিময় কৰে আস্থাৰ সপোন। ঘনঘোৰ যাতনাৰ অন্ধকাৰতো অৱগাহন কৰি তেওঁ দুহাত ভৰাই তুলি আনিব পাৰে জিলমিল হেঁপাহৰ মুকুতা - অনুভৱ কৰিব পাৰে অনাগত ৰৌদ্ৰোজ্জ্বল পুৱাৰ স্নিগ্ধতা। তাৰেই উমান পোৱা যায় তেওঁৰ এনে প্ৰত্যয়দীপ্ত প্ৰকাশত।

"ফুল ফুলক ৰ'দৰে ফুল
হৃদয় সেউজী ধৰা...।"

**গীতিকাৰগৰাকীৰ জীৱনপঞ্জীৰ এক ৰেঙণি ঃ**

১৯৪৮ চনৰ ১০ অক্টোবৰত ৰঙিয়াত জন্ম গ্ৰহণ কৰা দ্বিজেন্দ্ৰ মোহন শৰ্মাই গুৱাহাটীৰ কামৰূপ একাডেমীত অধ্যয়ন কৰি কটন কলেজত পদাৰ্থবিজ্ঞান বিষয়ত স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল। প্ৰচুৰ কলাসুলভ গুণৰ অধিকাৰী এইগৰাকী বিজ্ঞান শাখাৰ মেধাৱী ছাত্ৰই কৈশোৰ কালৰ পৰাই সকলোৰে অন্তৰ জয় কৰিবলৈ সক্ষম হৈছিল। তেখেতে হিন্দুস্থান ফাৰ্টিলাইজাৰ কৰ্পোৰেশ্যন অৱ ইণ্ডিয়াত উচ্চ পদস্থ বিষয়া হিচাপে কাম কৰিও স্বেচ্ছাই অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰৰ পাছত কেইবছৰমান আৰ্য আইন মহাবিদ্যালয়তো প্ৰবক্তা হিচাপে কৰ্মৰত আছিল। শেষলৈ কেৱল সংগীত চৰ্চাকে একমাত্ৰ পণ হিচাপে লৈ এক কষ্টকৰ জীৱন অতিবাহিত কৰাৰ স্বাভাৱিক ছবি এখন এইগৰাকী শব্দ -সুৰৰ একাত্ম শিল্পীৰ ক্ষেত্ৰতো পৰিস্ফুট হৈছিল। "পৰিচয়বিহীন যাযাবৰ নগৰী", "অকলশৰীয়া মই বিচাৰিছোঁ সঁহাৰি" বুলি নিজকে আকিঞ্চনৰ দৰে প্ৰকাশ কৰিলেও তেওঁৰ পৰিচয় কিন্তু ছাত্ৰাৱস্থাতেই অসমীয়া সংগীত জগতত উদ্ভাসিত হৈ উঠিছিল।

পাঁচশৰো অধিক গীত ৰচনা কৰা আৰু ইয়াৰে বেছিভাগতে নিজেই সুৰ প্ৰদান কৰা (আনকি আনে দিয়া সুৰতো গীত ৰচনা কৰা) এই প্ৰচুৰ প্ৰতিভাসম্পন্ন গীতিকাৰ -সুৰকাৰগৰাকী অধ্যয়নৰত অৱস্থাতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ গীতিকাৰ হিচাপে স্বীকৃতি লাভ কৰি আকাশবাণীৰ কনিষ্ঠ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ বুলি এটি স্থায়ী পৰিচয় গঢ়ি যোৱাৰ বিষয়েও জনা যায়।

দ্বিজেন্দ্ৰ মোহন শৰ্মাই বাংলা ভাষাতো ভালেমান গীত ৰচনা কৰিছিল আৰু 'আমাৰ হাৰানো শিউলি' নামৰ কাব্যপুথিখনৰ কাৰণে ৰাষ্ট্ৰপতিৰ পদকো লাভ কৰিছিল।

প্ৰায় চাৰি দশকৰো অধিককাল নিৰলসভাৱে শব্দ-সুৰৰ সাধনা কৰি এক বৈভৱী হৃদয়ৰ প্ৰাণোচ্ছল প্ৰকাশেৰে দ্বিজেন্দ্ৰ মোহন শৰ্মা নিজেই অসমীয়া আধুনিক গীতৰ জগতত এক যুগমীয়া সত্তা হৈ ৰৈ গ'ল। এইগৰাকী মননশীল গীতিকাৰৰ বহু গীত এতিয়াও প্ৰচাৰ হ'বলৈ বাকী আছে। অসমৰ নৈসৰ্গিক সৌন্দৰ্য আৰু গ্ৰাম্য সমাজক প্ৰতিনিধিত্ব কৰা পৰিৱেশ তথা হৃদয়ৰঞ্জিত কৰা শব্দ চয়নেৰে প্ৰাণৱন্ত হৈ উঠা এই গীতবোৰ পৰিৱেশন কৰিবলৈ নতুন প্ৰজন্মৰো হাবিয়াস গঢ়ি উঠক, তাৰেই কামনাৰে তেখেতৰ গীতৰ ওপৰত সামান্য আলোকপাত কৰাৰ প্ৰয়াসহে এয়া। কিন্তু শিল্পীগৰাকীৰ প্ৰগাঢ় অৰ্থপূৰ্ণ গীতবোৰত ছন্দৰ মালিতাই যিদৰে এক মান্যতা প্ৰদান কৰিছে, সেয়া বিশ্লেষণ কৰাটো প্ৰকৃততে দুৰূহ কাম। এক অন্তৰ্লীন বৈভৱী অনুভৱ আৰু তাৰ ৰহণীয় প্ৰকাশে দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ গীতবোৰ কালোত্তীৰ্ণ কৰি তুলিছে।

গীতেৰে- সুৰেৰে জীৱনৰ সৰু সৰু ডুখৰীয়া ছবি আঁকি আলফুলে পোহৰৰ যিখন খিৰিকী খুলি দিলে তেওঁ সেই খিৰিকীৰ মুখতে ৰৈ আমিও শুনি ৰ'ম প্ৰেম আৰু সপোনৰ সুহুৰি- হাজাৰ তৰাই আদৰণি জনাব আকাংক্ষিত এটি পুৱাক, ফুলি ৰ'ব ৰ'দৰে ফুল।

*****

- লেখক ঃ দেৰগাঁও নিৱাসী এগৰাকী নতুন প্ৰজন্মৰ সাহিত্যিক।

# অসমীয়া গীতি-সাহিত্য আৰু
# কেশৱ মহন্তৰ গীতত জাতীয় চেতনাৰ ঝংকাৰ

**বিৰজা দেৱী**

অতি প্ৰাচীন কালৰে পৰা পৃথিৱীৰ প্ৰায় সকলো দেশতে গীতি-সাহিত্যৰ প্ৰচলন আছে। ভাষাই লিখিত ৰূপ পোৱাৰ আগৰে পৰা চলি থকা গীতি-সাহিত্যৰ লগত স্মৃতিশক্তিৰ সম্বন্ধ মন কৰিবলগীয়া। কিয়নো যুগ যুগ ধৰি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ মুখে মুখে চলি আহিছে। এই গীতবোৰে লিখিত ৰূপ পোৱাৰ পিছতো ইয়াৰ ৰচনাকাল সম্বন্ধে পণ্ডিত সকলৰ মাজত মতানৈক্য আছে। এই গীতবোৰৰ কিছুমান পৌৰাণিক আখ্যানমূলক আৰু কিছুমান বুৰঞ্জীমূলক। শ্ৰীকৃষ্ণ-ৰুক্মিণী, অৰ্জুন-সুভদ্ৰা, উষা-অনিৰুদ্ধ, হৰ-গৌৰীৰ বিয়া আদি আখ্যানক লৈ সৃষ্টি হোৱা গীতসমূহ বহু পুৰণি, গীতিকাৰৰ বিষয়েও স্পষ্টভাৱে জনা নাযায়। তেনেকৈ মণিকোঁৱৰ, ফুলকোঁৱৰৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত আদি বুৰঞ্জীমূলক গীত।

এই গীতবোৰৰ বিভিন্ন ভাগ আছে— বিহুগীত, বনগীত, বিয়াগীত, ধাইনাম, আইনাম, লখিমী সবাহৰ গীত, অপেচৰাৰ গীত, সদাশিৱৰ গীত, টোকাৰী গীত, বাৰমাহী গীত, নাওখেলৰ গীত, হাইদাং গীত, জিকিৰ ইত্যাদি। এইবোৰ মুখে মুখে চলি অহা বাবে অঞ্চলভেদে উচ্চাৰণৰ তাৰতম্য দেখা যায়। গাঁৱলীয়া চহা জীৱনৰ ছায়া প্ৰচ্ছায়া আৰু ওপজা মাটিৰ গোন্ধ থকা এই গীতবোৰে মানুহৰ হৃদয়ত সংগীতৰ এক অনন্য মূৰ্চ্ছনা তোলে আৰু মন মগজুত সাঁচ বহুৱায়। সেইবাবে এইবোৰ মানুহৰ বুকুৰ আপোন। এইবোৰ আমাৰ লোক-সাহিত্যৰ অমূল্য সম্পদ। লোকগীতবোৰৰ ভাষা আৰু সুৰ দুয়োটাতে আঞ্চলিক প্ৰভাৱ সুস্পষ্ট, মানুহে তেনে ধৰণে গ্ৰহণ কৰিও আহিছে। জ্যোতিপ্ৰসাদ আৰু পাৰ্বতী প্ৰসাদে আইনাম, বিয়ানাম, বনগীতৰ সুৰ আধুনিক গীতত ব্যৱহাৰ কৰিছিল যদিও শুদ্ধ ৰূপত লোকগীত চৰ্চাত বিশেষ জোৰ দিয়া নাছিল। ভাৰতীয় গণনাট্য সংঘই নিৰক্ষৰ আৰু দৰিদ্ৰ জনগণৰ লগত মিলি আমাৰ লোক-সংস্কৃতিৰ মণি-মুকুতা উদ্ধাৰ কৰিবলৈ যত্ন কৰিলে আৰু লোকগীতক এক বিচিত্ৰ ৰূপ দান কৰি দিলীপ শৰ্মা আৰু সুদক্ষিণা শৰ্মাই 'ময়ো বনে যাওঁ স্বামীহে', 'কুৰুৱাই পাৰে ৰাও' আদি গীত জনপ্ৰিয় কৰি তুলিলে। তেনেদৰে পুৰুষোত্তম দাসে বৰপেটা অঞ্চলৰ লোকগীতৰ মাধুৰ্য জনসমাজৰ দৃষ্টিগোচৰ কৰিলে— ৰেডিঅ'ৰ জৰিয়তে।

লোকগীতক উৎকৃষ্ট মৰ্যাদা দি মানুহৰ হৃদয়লৈ বোঁৱাই দিয়া গায়কজন ৰামেশ্বৰ পাঠক। পাঠকে অঞ্চল বিশেষৰ ঠাঁচ, বাক্‌ভঙ্গী, উচ্চাৰণ আদি হুবহু ৰক্ষা কৰি লোকগীতক সুকীয়া মৰ্যাদা দান কৰি গাইছিল। যেনে— 'অ' পখী ৰৈয়া যা ৰে, ... আমাৰ চিতৰ কথা কৈয়া যা ৰে' এইদৰে গাওঁতে কথাফাঁকি যিমান মুকলি হৈছে, 'অ' পখী ৰৈ যা অ' বুলি গালে নিশ্চয় তেনে নহয়, বৰং বেসুৰা হ'লহেঁতেন। লগতে লোকগীতৰ বৈশিষ্ট্যই বিনষ্ট হ'লহেঁতেন। ৰামেশ্বৰ পাঠকে অশেষ কষ্ট কৰি লোকগীতবোৰ সংগ্ৰহ কৰি আঞ্চলিক বৈশিষ্ট্য ৰক্ষা কৰি পৰিশীলিত ৰূপত গাই

শ্ৰোতাক মুগ্ধ কৰিছিল। হোজা-গএগ্ৰা লোকৰ মুখৰ গীত মাৰ্জিত ৰূপত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ আদৰৰ গীতৰূপে প্ৰতিষ্ঠা কৰিছে ৰামেশ্বৰ পাঠকে।

আধুনিক গান বা সঙ্গীতকো গীত বুলিয়ে ধৰা হয়। ৰচয়িতাসকলক গীতিকাৰ, সুৰ আৰোপ কৰা সকল সুৰকাৰ। সুৰ শুনি গীত ৰচোতা প্ৰখ্যাত গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈ আছিল অনন্যা। তেখেতে অসংখ্য গীত ৰচনা কৰি থৈ গৈছে। তাৰ ভিতৰত জয়ন্ত হাজৰিকাই গুণগুনাই সুৰ শুনাই দিয়াৰ পিছতে নিৰ্মলপ্ৰভাই গীত ৰচনা কৰে আৰু সেই গীত জয়ন্তৰ কণ্ঠত মুক্তি লাভ কৰি আজিও যুগমীয়া হৈ আছে। সকলো গীতিকাৰৰ ৰচনাত সময় আৰু সমাজৰ প্ৰভাৱ পৰে। গীতৰ পৰিৱেশন শৈলী নিৰ্মাণ কৰে গায়ক আৰু সুৰকাৰে।

কবি, গীতিকাৰ কেশৱ মহন্ত এগৰাকী কাল আৰু সমাজ সচেতন গীতিকাৰ। সমগ্ৰ মানৱ জাতিৰ প্ৰগতিয়ে তেওঁৰ কাম্য। আপোন মানুহ, আপোন দেশৰ চিত্ৰ আঁকিবলৈ যাওঁতে তেওঁৰ গীতবোৰ হৈ পৰিছিল সৰ্বজনগ্ৰাহ্য। তেওঁৰ দৃষ্টিত কংগো, ভিয়েটনামৰ কৃষক আৰু সৈনিকৰ চকুপানী আৰু পথৰুঘাটৰ কৃষকৰ চকুৰ পানীৰ মাজত পাৰ্থক্য নাছিল। শোষণমুক্ত সমাজ গঢ়াৰ বাবে এক হবলৈ তেওঁ গীতেৰে আহ্বান জনাইছিল—

""ঘৰ সাঁজোহি আঁহা, আঁহা ঘৰ পাতিব লাগে
নতুন ঘৰৰ সপোন আজি আমাৰ মনত জাগে।
..................................................
বাধা বিঘিনি একো নগনি লাগে উজাব লাগে
বাট এৰি দি কুঁৱলীয়ে চোৱা, ক্ষমা মাগে।"

মানুহৰ মনত সাহস আৰু প্ৰেৰণাৰ বীজ চটিয়াই জীৱন যুঁজত জয়ী হবলৈ আহ্বান জনোৱা গীতটি খগেন মহন্তৰ কণ্ঠত প্ৰাণ পাই উঠিছে—

"অ' শহুৰৰ ল'ৰা Û কথালৈ কাণ কৰা Û শাল গছৰ টঙী বান্ধি ৰাখা পথাৰ ডৰা। ...অ' শহুৰৰ ল'ৰা Û কলিজা ডাঠ কৰা শাল গছৰ টঙীত উঠি ৰখা পথাৰডৰা।"

এই গীতটিত গাঁৱলীয়া জীৱনৰ ছৱি, পথাৰৰ ধান কাকতি ফৰিং, হাতী আদিৰ পৰা ৰক্ষা কৰা আদি চিত্ৰকল্প ফুটাই তোলাৰ লগতে শত্ৰুৰ পৰা নিজৰ জীৱন সম্পত্তি ৰক্ষা কৰাৰ প্ৰতীক হিচাপেও প্ৰকাশ কৰিছে। এনে সৰল প্ৰতীক আৰু চিত্ৰকল্পৰে ৰচনা কৰা গীতটিয়ে খগেন মহন্তৰ কণ্ঠেৰে নিগৰি শ্ৰোতাক মুগ্ধ কৰাৰ লগতে সাহস যোগায়।

ৰাষ্ট্ৰসন্ত্ৰাস, সামৰিক সন্ত্ৰাসে জৰ্জৰিত কৰা মানৱ জাতিক মুক্তিৰ পথৰ ইঙ্গিত দিছে পুৰাণকল্পিত চৰিত্ৰ সৃষ্টিৰে— "ঘন কলা কয়লাৰে ৰাতি Û এই কংসৰ কাৰাগাৰ হিংসাৰ অনাচাৰ Û লাঞ্চিতা দৈৱকী মাতৃ....... সাজু হোৱা অ' মহাধাত্ৰী।"

তেওঁৰ গীতত বিশ্বজনীন ভাতৃত্ববোধ জগাই তোলাৰ প্ৰয়াস মন কৰিবলগীয়া—

"বিশ্ব আমাৰ ঘৰ, দেশ বাটচ'ৰা মানুহ আমাৰ ভাই
জাতিৰে আৱৰা হৃদয় আমাৰ এয়া Û সীমা নাইকীয়া।"

সমাজবাদী আদৰ্শৰে শোষিত নিষ্পেষিত মানুহৰ মুক্তিৰ সপোন দেখা কেশৱ মহন্তই হিংসাৰ আশ্ৰয় লোৱাৰ পোষকতা কৰা নাছিল। সেয়ে তেওঁ গীতেৰে প্ৰকাশ কৰিছিল— "হিংসাৰ চিক্‌মিক চোকা তৰোৱাল Û তাক পিটি পিটি গঢ়ো নাঙলৰ ফাল Û ...।" তেওঁ প্ৰেম আৰু মৈত্ৰীৰে সমাজ গঢ়াৰ কথা কৈছিল— "আমাৰ সপোন দেশপ্ৰেমেৰে গঢ়াৰÛ আমাৰ সপোন বিশ্বÛ আপোন কৰাৰÛ বনাগ্নি নুমাই আমিÛ হোমাগ্নি জ্বলাও...।" এই শান্তি বিচৰা গীত কেইটাতো গাঁৱলীয়া জীৱনৰ চিত্ৰকল্প আৰু শব্দৰ ঝংকাৰ কিমান যে মোহনীয়।

বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ থলী অসম দেশৰ সংস্কৃতি হৈছে অনৈক্যত ঐক্যৰ চানেকি। কেশৱ মহন্তৰ গীতত প্ৰকাশ কৰিছে একেই ঐক্য সংহতিৰ ছৱি— "বান'কেবাঙত বৰ মেল পাতিছে Û খেৰাই বাগৰুম্বাৰ লাহত হালিছেÛ গাই ঐনিতম মই বিহুতলিত হালিছো জালিছোঁ— একেটা মনৰ মৰম।" অসমীয়া জাতীয় জীৱনত কিংবদন্তীৰ প্ৰভাৱ

অপৰিসীম। সাধুকথাৰ তেজীমলাজনীৰ লগতে এটা বিশেষ পৰিৱেশ গীতৰ মাজেৰে সৃষ্টি কৰি জনতাৰ প্ৰাণত অনুকম্পাৰ সৃষ্টি কৰিছে, লগত যেন এটা সকিয়নীও আছে— এন্ধাৰ ৰাতি ভয়াবহতাৰ ছৰিখন সুন্দৰকৈ প্ৰতিফলিত কৰিছে— "তেজীমলা, তেজীমলা Û ৰাতিচোন নুপুৱায়Û ইমান চকুলোÛ জয়াল ৰাতি যম্ ডাকিনী Û ঘৰত সোমাল কোন শাকিনী Û ঘৰ জেউতি।"

তেওঁৰ সন্ধানী দৃষ্টিত নিঃস্ব, পীড়িত লোকসকলৰ সৰলতা, সততাৰ সুযোগ লৈ সুযোগ সন্ধানী সকলে তেওঁলোকক নতুন নতুন দুৰ্যোগলৈ ঠেলি দি নিজৰ স্বাৰ্থ সিদ্ধি কৰে, তেনে লোকৰ দুৰ্দশা প্ৰতিফলিত হৈছে কেশৱ মহন্তৰ গীতত—

"নাচ বাই গুলচী নাচ Û লঘোনীয়া পেটটো...Û ঘূৰ বাই গুলচী ঘূৰÛ ধনৰে ৰখীয়াই ধন লৈ পলাইছে Û ধৰোতাক পাতিছে চোৰ...Û" এইগীতত তিৰ্যক ব্যঙ্গ প্ৰকাশ পাইছে।

সৰ্বসাধাৰণৰ দুখত দুখী হোৱা আৰু দুখৰ সমভাগী হোৱা তেওঁৰ স্বভাৱজাত ধৰ্ম। তেওঁৰ অন্তৰ্জগতৰ বহিঃপ্ৰকাশৰ এটি গীত— "সুমলাৰ জীয়েকক চাওঁ বুলি সোমালো Û সোণাপুৰত কিহবাৰ জুইÛ...।"

আকৌ আন এটি গীতত ধনী দুখীয়াৰ পাৰ্থক্য প্ৰকাশ কৰিছে— "সোণৰে গঢ়ালোঁ সচৰুৱা খাৰুÛ বৰলোকে পিতলৰ বোলেÛ ... দায় লাগে সমাজক ক'লে...।"

"কিনো মৰমৰ জৰীÛ কেনেকৈ ৰাখিবি ধৰি...।"

চিনেমাৰ বাবে লিখিলেও গীতবোৰ মহন্তই নিজৰ কৰি লৈহে লিখে— "কাক বুলিলো কোনে নিজে ... Û ভৰি পিছলি পৰ জানো খোপনি নৰয়...।"

সাম্যবাদৰ ধ্বজাবাহক গীতিকাৰ কেশৱ মহন্ত 1926 চনৰ 20 জানুৱাৰীত শোণিতপুৰ জিলাৰ মিজিকাজান চাহবাগিছাত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ কৰ্মজীৱনো আছিল বৰ্ণাঢ্য।

কবি সাহিতিক হৰেকৃষ্ণ ডেকাই লিখিছিল— "গীতিময়তা কেশৱ মহন্তৰ শব্দৰ বিশেষ গুণ আৰু গীতিময়তাত লোকজীৱনৰ প্ৰাণস্পন্দন স্পন্দিত হৈ আছে।" তেখেতৰ গানৰ শুৱলা শব্দত মাটিৰ গোন্ধ, ঘাঁহনিৰ সেউজ ৰং, বোঁৱতী পানীৰ ধাৰ নিছিগা সোঁত অনুভৱ কৰা যায়। তেখেত সেয়ে জনজীৱনৰ গীতিকাৰ আৰু মাটিৰ মানুহৰ কবি।"

"সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ পৰা সাম্প্ৰতিকলৈকে অসমীয়া গীতি-সাহিত্যই আৰু অসমীয়া সঙ্গীতে বহু দূৰ অতিক্ৰম কৰিলে। এই সুদীৰ্ঘ কক্ষপথত কেশৱ মহন্ত আন এটা কীৰ্তিস্তম্ভ।" —প্ৰদীপজ্যোতি মহন্ত।

ড0 হীৰেণ গোহাঁয়ে কৈছিল— "কবি কেশৱ মহন্তক ৰাইজে গীতিকাৰ ৰূপেই বেছিকৈ জানে। তেওঁৰ গীত পুৱাৰ ৰ'দত জিলিকা নিয়ৰৰ টোপালৰ দৰে।"

এনেদৰে বিদ্বত সমাজে কেশৱ মহন্তৰ গীতক প্ৰাণেৰে আকোঁৱালি লৈছিল। এইগৰাকী গীতিকবিয়ে মাটিৰ স্পৰ্শত মানুহৰ বুকুৰ বতৰা বুটলি সৃষ্টি কৰিছিল সুন্দৰ আৰু চিৰ যুগমীয়া গীত। তেওঁ উপলব্ধি কৰিছিল ভূমি এৰি ভূমা স্পৰ্শ কৰিবলৈ যোৱাটো সৃষ্টিশীল লেখকৰ বাবে ডাঙৰ স্খলন। সেয়ে তেওঁ লিখিছিল— মানুহৰ গান আৰু জীৱনৰ গান। সহজ সৰল থলুৱা ভাষাৰে পুষ্ট কেশৱ মহন্তৰ নিজস্ব শৈলীৰ গীতবোৰ খগেন মহন্তৰ কণ্ঠত অধিক জনপ্ৰিয় হৈ উঠিছিল। কেশৱ মহন্তৰ সোণত খগেন মহন্তই সুৱগা চৰাইছে। শ্ৰোতাৰ প্ৰাণত এই গীতে লহৰ তোলে— "কাউৰী পৰেÛ কলৰে পাততে কাউৰী পৰে...।" অসমৰ গীতি-সাহিত্যৰ উজ্জ্বল নক্ষত্ৰ অপ্ৰতিদ্বন্দ্বী গীতিকাৰ কেশৱ মহন্তৰ গীতত ঝংকাৰিত হয় অসমৰ জাতীয় জীৱনৰ চেতনাৰ অতি সুক্ষ্মতাৰ ডাল।

*****

- লেখক ঃ গুৱাহাটী নিৱাসী এগৰাকী কবি-সাহিত্যিক।

# নগেন বৰাৰ গীতত অসমীয়া লোকজীৱনৰ চিত্ৰণ

ড° ৰাজশ্ৰী হাজৰিকা

অসমৰ মাটিৰ গোন্ধে যিকেইগৰাকী গীতিকাৰৰ গীতৰ ছন্দে আমোলমোলাই শ্ৰোতাৰ হৃদয়ো সুবাসিত কৰি তোলে, সেইসকলৰ ভিতৰত নগেন বৰা অন্যতম। হাজাৰৰো অধিক গীত ৰচনাৰে অসমীয়া গীতি-সাহিত্যক সমৃদ্ধিশালী কৰি থৈ যোৱা এইগৰাকী স্বনামধন্য গীতিকাৰে 1967 চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ গীতিকাৰ হিচাপে স্বীকৃতি লাভ কৰিছিল। ড$^0$ ভূপেন হাজৰিকা, খগেন মহন্ত, অৰ্চনা মহন্ত, লোকনাথ গোস্বামী আদি জনতাৰ শিল্পীসকলৰ কণ্ঠৰ পৰশত প্ৰাণৱন্ত হৈ পৰা তেওঁৰ গীতসমূহে অসমীয়া জনজীৱনৰ একোখন ছবি আঁকি দিয়া যেন লাগে। তেখেতৰ গীতসমূহৰ ভাষা আছিল সৰল, সাৱলীল আৰু জনমানসৰ নিচেই ওচৰচপা। অসমীয়া গ্ৰাম্য সমাজত সততে ব্যৱহৃত শব্দৰাজি, জঁতুৱা-ঠাঁচ, অনুকাৰ-অনুৰূপ শব্দ আদিৰ ব্যৱহাৰে নগেন বৰাদেৱৰ গীতসমূহক জনপ্ৰিয় কৰি তোলাত অৰিহণা যোগাইছিল।

নগেন বৰা গাঁৱৰ সন্তান। নিজৰ গাঁৱৰ মাটি-পানী তেওঁৰ বৰ প্ৰিয়। গাঁৱৰ দৰেই বৰ মৰমৰ তেওঁৰ মাতৃগৰাকীও। নিজৰ গাঁও, নিজৰ আইৰ প্ৰতি থকা তেওঁৰ হৃদয়ৰ টান গীতৰ ভাষাৰে প্ৰকাশিত হৈছে এনেদৰে —

'দিখৌ নদীৰ সিটো পাৰে এখন আপোন ঘৰ
হ'ল এতিয়া এৰি অহা দুকুৰি বছৰ।।
চেনেহী আইজনী মোৰ ঐহাড়ত গজিল বন
ভাবিলেই ৰিঙা ৰিঙা লাগে বুকুখন
হেৰালে বাটৰে আঁত আকুল মৰমৰ।।'

অসমৰ গাঁৱৰ সহজ-সুন্দৰ আৰু পৰিচিত ছবি - অংকন এইগৰাকী গীতিকাৰৰ গীতৰ বিশেষত্বস্বৰূপ। উদাহৰণ স্বৰূপে, এইফাকি গীতত গাঁৱৰ ঘৰ এখনৰ মনপৰশা চিত্ৰ এখনি অংকিত হৈছে এনেদৰে —

'আয়ে ভাত ৰান্ধিলে   সুৱাগমণি চাউলৰ
পিতায়ে আনিলে মাছ,
পাৰ হৈ গ'ল        পদূলিমুখেদি
চাৰে বাৰ বজাৰ বাছ।'

কিন্তু গ্ৰাম্য সমাজ - জীৱনকো পৰিৱৰ্তনে চুই যোৱাত মানৱীয় মূল্যবোধ হ্ৰাস পোৱা যেন লাগে। গীতিকাৰ বৰাৰ গীতত এই দিশটোও প্ৰতিফলিত হৈছে —

'গাঁও বুলিলে জগৰ লাগে
মোৰ ওপজা ঠাই

শুনিছোঁ মৰম-চেনেহ আগৰ দৰে নাই
হাই-কাজিয়া লাগি থাকে
আপোনবোৰেই পৰ।'

অসমৰ জনজীৱনৰ প্ৰাণস্পন্দন হ'ল বিহু। ৰঙালী বিহুৰ বতৰত উগুল-থুগুল হৈ পৰা গাভৰু মনৰ ছবি এখন তেওঁ গীতেৰে অংকন কৰিছে এনেদৰে —

'গামোচা ৰাখিছোঁ বৈ
সৰুদৈয়া জাপি বাছি
মৰমেৰে থৈছোঁ সাঁচি
বিহুতে আহিবি মোৰে চেনাই ঐ।'

নদীৰ সৈতে অসমৰ লোকজীৱনৰ সম্পৰ্ক অতি নিবিড়। গীতিকাৰ নগেন বৰাই তেওঁৰ জীৱনত গভীৰ প্ৰভাৱ পেলোৱা চাৰিখন নদীৰ বিষয়ে লিখিছে —

'চাৰিখন নদীয়ে মোক
বৰ ভালকৈ চিনি পায়
ধনশিৰি কলং আৰু
ভোগদৈ দিখৌ নামৰ
চাৰিজনী আই।'

এখন সেউজী গাঁৱৰ এজনী সৰল মনৰ সাধাৰণ গাভৰুৰ জীৱনৰ নিটোল ছবি তেওঁৰ এটি গীতত উজলি উঠে, যিজনী গাভৰুৰ হাঁহিৰ আঁৰত দুখ লুকাই থাকে —

'পদুমনি গাঁৱৰ মূৰত চম্পাইঁতৰ ঘৰ
পদূলিমুখতে আছে এজোপা নাহৰ।।
ৰোৱা-তোলা বোৱা-কটা সকলোতে কাজী
বিহুতলীত হাঁহি বিলায় বিহু নাচি নাচি
খাৰু মণি নাচনী সাজ সকলো পৰৰ।।' ...

গ্ৰাম্য জীৱনৰ আদৰৰ পিৰালিচুকৰ মানিমুনি, টেঙেচি শাকে পূৰ্বৰ আদৰ হেৰুৱাই পেলোৱাৰ কথাৰে সৰল চহা জীৱনৰ সৰলতা হেৰাই যোৱাৰ কথাকে তেওঁ গীতেৰে কৈ গৈছে —

'বাৰীৰ ঢাপৰ পিৰালি দাঁতিৰ
মানিমুনি অ' টেঙেচি শাক
তহঁতে আগৰ নেপাৰ আদৰ
মৰি মৰিয়েই জীয়াই থাক।।'

সেইদৰে অসমৰ সমাজ - জীৱনক ৰঘুমলা হৈ ছানি ধৰা সমস্যাবোৰৰ সমাধান বিচাৰিছিল এইজন গীতিকাৰে লোকজীৱনৰ খণ্ডচিত্ৰ প্ৰয়োগেৰে —

'গোঁজ পুতি নেবেৰো শাকনি বাৰীখন
গজালি ওলাব পাৰে
ৰঘুমলাবোৰে আগুৰি ধৰিছে
উপায় বিচাৰিছোঁ তাৰে
সেমেকি পৰিছে চিন্তা-চেতনা
সকলোৰে জীৱনৰ।।'

অতি সুন্দৰভাৱে নতুন প্ৰজন্মক লোকজীৱনৰ উদাহৰণেৰে তেওঁ জীৱনৰ গুৰুত্বপূৰ্ণ উপদেশ দি গৈছে —

‘গোহালিত গৰু হাল বান্ধিলিনে
পদূলিৰ জপনাখন মাৰিলিনে
উদণ্ডীয়া গৰুবোৰ
ঘূৰি-পকি ফুৰিছে
পিছফালে বাৰীখন চালিনে।।’

অসমৰ লোকজীৱন স্ব-নিৰ্ভৰশীল। ‘ভঁৰালত ধান, পুখুৰীত মাছ, বাৰীত তামোল-পাণ’ ভৰি থকা অসমৰ গৃহস্থী ঘৰ এখনে অসমীয়া লোকৰ স্ব-নিৰ্ভৰশীলতাৰ পৰিচয় দাঙি ধৰে। কিন্তু যুগৰ পৰিৱৰ্তনৰ লগে লগে আধুনিক চিন্তাৰ প্ৰভাৱত নতুন প্ৰজন্মই হাতে ঢুকি পোৱাতে থকা জীৱনৰ সহজ আধাৰবিলাকক অৱহেলা কৰি মৰীচিকা খেদি ফুৰাৰ কথা নগেন বৰাৰ গীতত সুন্দৰভাৱে প্ৰকাশ পাইছে।

‘তামোলনী বাৰীখন আছিলেই যেতিয়া
তই ৰুব লাগিছিল পাণ।
খেতিৰ মাটিখিনি ছন পৰি থাকিলে,
তই কিনি ফুৰিছ ধান।।
নিশাটোৰ ভিতৰতে কোটিপতি হ’বলৈ
সদায় কৰি থাক মন,
ৰাতি হ’লে সাত হাল বাৰ যদিওৱা
পুৱা হ’লে নকৰ বন।
পৰৰ ঘৰে ঘৰে মেল মাৰি ফুৰগৈ,
সমাজত বিচাৰ মান।।’

অসমৰ জনজীৱন ভিন ভিন জনগোষ্ঠীৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিক অনাদৰ-অৱহেলা কৰি আপোনক পৰ কৰাটো জাতিৰ বাবে শুভ লক্ষণ নহয়। সচেতন গীতিকাৰ নগেন বৰাৰ গীতত সেই দিশটোও প্ৰতিফলিত হৈছেঃ

‘শংকৰ আজানৰ চাওলুং চুকাফাৰ
সমন্বয়ৰ সেতু ভাঙি যোৱা নাই
ঢোল পেঁপা মাদলৰ, খোল-তাল চিফুঙৰ
সুৰদি সুৰীয়া মাতে হৃদয় কঁপায়
নিজক পাহৰি যোৱা, আপোনক পৰ কৰা
নহয় নহয় কোনো শুভ লক্ষণ।।’

অসমৰ লোকজীৱনৰ বিভিন্ন দিশ, খুটি-নাটি আদি নিজৰ গীতত সুন্দৰ ৰূপত প্ৰতিফলিত কৰা নগেন বৰাদেৱৰ গীতৰ সম্পৰ্কত ড০ ভূপেন হাজৰিকাদেৱে তেওঁলৈ এনেদৰে লিখিছিল — ‘... তোমাৰ ৰচনাত অসমীয়া গোন্ধে আমোল মোলায়।’

এইগৰাকী গীতিকাৰে 2013 বৰ্ষৰ 11 জুনৰ দিনাখন ইহলীলা সম্বৰণ কৰে। কায়িকভাৱে তেওঁ আমাৰ মাজত নাথাকিলেও তেওঁৰ চিৰসেউজ গীতসমূহে তেওঁক শ্ৰোতাৰ হৃদয়ত জীয়াই ৰাখিব।

*****

● লেখক ঃ সমন্বয়ক প্ৰাচ্যবিদ্যাৰ্ণৱ ড০ মহেশ্বৰ নেওগঅসমতত্ত্ব গৱেষণা সংস্থান, অসম সাহিত্য সভা।

# ডঃ ভূপেন হাজৰিকাৰ গীতত বিজ্ঞান প্ৰযুক্তিৰ প্ৰতিচ্ছবি

**ডঃ যতীন্দ্ৰ নাথ ডেকা**

বিশ্বৰত্ন, বিশ্ববৰেণ্য, বিশ্বপ্ৰসিদ্ধ, বিশ্ববন্দিত, ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাই ৰচিত গীতসমূহৰ স্বকীয়তা আৰু মৌলিকতা সদায় বিশেষভাৱে প্ৰভাৱিত আৰু পৃথকভাৱে পৰ্যবেক্ষিত তথা আলোচিত। তেখেত এগৰাকী গীতস্ৰষ্টা, সুৰস্ৰষ্টা, কবি, সুগায়ক তথা সংগীত পৰিচালক। ডঃ ভূপেন হাজৰিকাৰ সংগীতবোৰ প্ৰধানকৈ মন্ময় (subjective) আৰু তন্ময় (objective) ভাগত বিভক্ত কৰিব পাৰি। তেখেতে ৰচিত গীতবোৰত চয়ন কৰা শব্দবোৰ যোগাত্মক আৰু ধনাত্মক, দ্বিউক্তিবাচক আদিৰে ভৰপূৰ হোৱা বাবে তেখেতে পৰিৱেশন কৰা গীতবোৰৰ সুৰ আৰু লয়ে মানুহৰ মনত এক বিশেষ সাঁচ বহুৱাই ৰাখে, যাৰ বাবে শ্ৰোতাৰ কাণত মাধুৰ্য সৃষ্টি কৰি বহুদিন, বহু মাহ, বহু বছৰলৈ প্ৰাণত স্পন্দিত আৰু গুণান্বিত হৈ থাকে।

সাহিত্যিক, গীতিকাৰ, সুৰকাৰ, সু-গায়ক বিশ্বসেতুৰে সম্প্ৰীতি গঢ়োতা ডাঃ হাজৰিকাৰ গীতবোৰক সুকীয়াকৈ বুজাবলৈ বিভিন্ন ব্যক্তিয়ে বিভিন্ন পৰিৱেশত 'ভূপেন- সংগীত', 'ভূপেন্দ্ৰ সংগীত', 'ভূপেন হাজৰিকাৰ সংগীত' আখ্যা দিয়া দেখা যায়, যদিও আমাৰ মাজত তেখেতৰ গীতবোৰক এতিয়া 'ভূপেন্দ্ৰ সংগীত' হিচাপেই সকলোৱে আদৰি লোৱা দেখা গৈছে। তেখেতৰ ৰচিত বহুতো গীতত বিজ্ঞান-প্ৰযুক্তিৰ প্ৰতিচ্ছবিও সুন্দৰৰূপে প্ৰতিফলিত হৈছে। ধাৰণা কৰা হৈছে যে তেখেতে মানুহৰ মাজত বিজ্ঞান-প্ৰযুক্তিৰ প্ৰতি ধাউটি যোগোৱাৰ বাবেই মূলতে বহুতো সংগীত ৰচনা কৰা হৈছিল বুলি অনেক সংগীতজ্ঞই মত প্ৰকাশ কৰিছে।

ডঃ ভূপেন হাজৰিকাৰ গীতত বিজ্ঞান-প্ৰযুক্তিৰ সমাহাৰৰ কথা ক'বলৈ যাওঁতে আমি উল্লেখ কৰা উচিত হ'ব যে মৌলিক আৰু প্ৰায়োগিক বিষয়ৰ বিভিন্ন গৱেষণাই বিজ্ঞানক জন্ম দিয়ে, আনহাতে, প্ৰযুক্তি হ'ল কাৰিকৰী কৰ্ম-কুশলতা, দক্ষতা, প্ৰণালীগত বিকাশ তথা উদ্ভাৱন আৰু প্ৰায়োগিক বা সংযোজনৰ দ্বাৰা কোনো এক নতুন সত্যনিষ্ঠ উৎপাদন সামগ্ৰী তৈয়াৰ কৰি মানুহৰ বা জীৱকূলৰ সেৱা কৰা কাৰ্য। এখন দেশৰ বিজ্ঞান-প্ৰযুক্তিৰ প্ৰাদুৰ্ভাৱ আৰু ইয়াৰ ক্ৰমবিকাশে মানৱ জাতি সৃষ্টি হোৱাৰ আদিম কালৰ পৰাই ক্ৰমাগতভাৱে বিৰাজমান। বিজ্ঞান-প্ৰযুক্তিৰ কাৰিকৰী ক্ৰম বিকাশ আৰু ইয়াৰ দ্বাৰা মানৱ জাতিৰ উন্নয়ন সাধনেই এখন দেশৰ সামাজিক উন্নয়নৰো সূচকৰূপে পৰিগণিত হয়। প্ৰতি দেশৰ অসামৰিক আৰু সামৰিক শক্তি প্ৰদৰ্শন, বিকাশ, উৎকৰ্ষ সাধন, উন্নয়ন, উদ্ভাৱন আদিয়ে সমাজলৈ আৰ্থিক, ৰাজনৈতিক, ভৌগোলিক, জৈৱিক, বৈজ্ঞানিক আদি উন্নয়ন সাধন কৰাৰ লগতে কেতিয়াবা বক্ৰপথে দুৰ্যোগ, সন্ত্ৰাস, ধ্বংস আদিৰো উৎস হৈ পৰাও দেখা যায়। পৃথিৱীত এনে ধৰণৰ ঘটনা ৰাশি হৈ থকাৰ সংবাদ দিনে-নিশাই বিভিন্ন মাধ্যমত বিভিন্ন সময়ত প্ৰকাশ হৈ থকা দেখা যায়। উদাহৰণ স্বৰূপে কাগজ প্ৰযুক্তি বিদ্যাৰ বিকাশ তথা উন্নয়নে দেশখনৰ জনগণৰ উন্নয়নৰ সূচকৰূপে প্ৰকাশ কৰে, আন হাতে সেই কাগজ উৎপাদন কৰা উদ্যোগটো যদি নানা কাৰণবশতঃ বন্ধ হৈ পৰে, তেতিয়া আগতে বিজ্ঞান-

প্ৰযুক্তিৰ আধাৰত স্থাপিত হোৱা উদ্যোগটোত নিয়োগ হোৱা ব্যক্তিসকললৈ দুৰ্যোগৰ লগতে নানা ধৰণৰ সন্ত্ৰাস আহি পৰে। বিজ্ঞান প্ৰযুক্তিৰ আধাৰত প্ৰতিদিনে নানা ধৰণৰ নতুন নতুন সা-সামগ্ৰী তৈয়াৰ হৈ আছে মানুহৰ হিত সাধনৰ কাৰণে, কিন্তু তাকে নকৰি , আক্ৰমণকাৰীয়ে বিজ্ঞান-প্ৰযুক্তিক ব্যৱহাৰ কৰি নিজৰ স্বাৰ্থ সিদ্ধিৰ অৰ্থে অসামাজিক কামত লিপ্ত হৈ বা আনক আক্ৰমণ কৰি নিজৰ সিদ্ধি লাভ কৰিও ভুক্তভুগী সকলৰ জীৱনলৈ ভাবিব নোৱৰা দুৰ্যোগ আনি দিয়া বহুতো উদাহৰণ বুৰঞ্জীয়ে আমাক আঙুলিয়াই দিছে।

বিজ্ঞানী আৰু প্ৰযুক্তিবিদসকলৰ মূল ধৰ্ম হ'ল মানুহৰ সেৱা, সমাজৰ শাৰীৰিক বা মানসিকভাৱে, দিব্যাংগ সকলৰ দৈহিক-মানসিক আৰ্থিক সেৱাকৰণ, স্বদেশৰ মানুহৰ আৰ্থ-সামাজিক উন্নতি সাধন, মানুহৰ মাজত শান্তি, প্ৰগতি, সংহতি স্থাপন, উদ্ভাৱনী চৰিত্ৰৰ ক্ৰম বিকাশকৰণ, নতুনত্বৰ প্ৰতি সংসাধন, বিধিসন্মত সামগ্ৰীৰ উৎপাদন সাধন ইত্যাদি। তথাপিও বিজ্ঞানী আৰু প্ৰযুক্তিবিদে কেতিয়াবা ৰাজনৈতিক বা সামাজিক বা পাৰিবাৰিক বা পৰিৱেশিক হেঁচাত পৰি লঘু-লাঞ্চনা, শাৰীৰিক যাতনা, আনকি মৃত্যু যাতনাও ভোগ কৰাও দেখা যায়। জীৱ-জন্তু, গছ-গছনিৰে ভৰপুৰ বিশাল পৃথিৱীত জীৱ শ্ৰেষ্ঠ মানৱেই যে কেৱল বিজ্ঞান-প্ৰযুক্তিৰেই সৃষ্ট সামগ্ৰীৰ আৱেষ্টনীত আবৃত হৈ থাকে তেনে নহয়, আন আন জীৱ-জন্তুয়ো প্ৰাকৃতিকভাৱে প্ৰাপ্ত বিজ্ঞান-প্ৰযুক্তিৰ নিয়মৰ মাজত আবৃত হৈ থকা বুলি প্ৰাণীবিদ, ভূ-বিজ্ঞানী, নৃতত্ত্ববিদ, দুৰ্যোগবিদসকলে মত পোষণ কৰিছে। প্ৰযুক্তি এনে এটা প্ৰণালী বা তাত্ত্বিক পদ্ধতি বা ব্যৱস্থা বা সা-সঁজুলি, যিয়ে বৈজ্ঞানিক জ্ঞানৰ দ্বাৰাই প্ৰযুক্তিবিদক উদ্দেশ্য সাধনত সহায় আৰু সমল যোগায়। ঔদ্যোগিক উৎপাদন, দুৰ্যোগ প্ৰশমন, মানৱ সেৱা, বাণিজ্য-ব্যৱসায়, বাধাগ্ৰস্ততা বা ৰোগ নিৰাময় আৰু দূৰীকৰণ, চিকিৎসাৰ নৱীকৰণ, তথা প্ৰয়োগ আদি কৰিবলৈ যাওঁতে সদায়ে প্ৰযুক্তিবিদসকলে বিশেষ বিশেষ প্ৰণালী, তত্ত্ব-সূত্ৰ, ব্যৱহাৰ্য নিয়মাৱলী আদি পালন কৰিবলগীয়া হৈ পৰে, যিয়ে তেওঁলোকক এটাৰ পাছত আন এটা বেলেগ গৱেষণাৰ আলম ল'বলগীয়া কৰায়। বিজ্ঞানী আৰু প্ৰযুক্তিবিদ সদায় ধৈৰ্যশীল, কষ্ট সহিষ্ণু, বিপদৰ সন্মুখীন হ'ব পৰা কৌশলী, মনোবল থকা দক্ষ ব্যক্তি হোৱা দেখা যায়।

গুৱাহাটীৰ জালুকবাৰীত 1954 চনত গুৱাহাটী বিশ্ববিদ্যালয় মুকলি কৰা দিনত ডঃ হাজৰিকাই ৰচনা কৰা 'জিলিকাব লুইতৰে পাৰ' নামৰ গীতটোত বিশ্ববিদ্যালয়খনত বিজ্ঞানৰ জোঁৱাৰ অনা সংক্ৰান্তত তেখেতে গাইছে—

'জিলিকাব লুইতৰে পাৰ

এন্ধাৰৰ ভেটা ভাঙি— প্ৰাগজ্যোতিষত বয়— জেউতি নিজৰাৰে ধাৰ,... সমাজে সাবটিব মহান মানৱতা— বিজ্ঞানে আনিব জোঁৱাৰ... জিলিকাব লুইতৰে পাৰ। *(গীতাৱলী 224–25 পৃঃ)*

বিশেষ প্ৰযুক্তিৰ সহায়ত কপিলী জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰিবলৈ যোৱা কাৰখানাটোৰ আধাৰত ৰচনা কৰা 'কপিলী কপিলী' গীতটোত কপিলী নদীক ৰাংঢালী গাভৰু ছোৱালীৰ লগত তুলনা কৰি বিদ্যুৎ চালিত শক্তি আৰু বৈদ্যুতিক পোহৰ সূৰ্যৰ পোহৰৰ লগত ৰিজাই বিজ্ঞানীক ডেকা-যুৱকৰ লগত তুলনা কৰি ডঃ হাজৰিকাই বিজ্ঞান-প্ৰযুক্তিক সুন্দৰৰূপে প্ৰকাশ কৰিছে। '... কপিলী কপিলী— তইতো নেজান— তোৰ গাত কিমান শকতি; তইতো নেজান— তোতেই লুকাই আছে হেজাৰ সুৰুযৰে জ্যোতি। বিজ্ঞানী ডেকাটি— সাজি কাচি ওলালে... মৃত্যুক নেওচি... মানুহক কৰিবি ত্ৰাণ।'*(গীতাৱলী 137পৃঃ)*

ডঃ ভূপেন হাজৰিকাই ৰচিত 'ছাগৰ ছাল ছেলাবৰ ডবুৱা কটাৰী' *(গীতাৱলী 239–40পৃঃ)* নামৰ গীতটোত আন আন ভাবৰ প্ৰতিফলনৰ লগতে বিজ্ঞান-প্ৰযুক্তিৰো বিশেষভাৱে প্ৰতিচ্ছবি প্ৰকাশ কৰিছে। এই সংগীতটোত ডঃ হাজৰিকাই নতুন প্ৰযুক্তিৰে লুইতত সাঁকো সজা, কলঘৰত থানে থানে কাপোৰ তৈয়াৰ কৰা, উৰণীয়া জাহাজৰ ব্যৱহাৰ, নতুন প্ৰযুক্তিৰে সজা উদযান বোমা, ৰণত ব্যৱহাৰ কৰা বন্দুক-বাৰুদৰ ৰণ চালিৰ কৌশল আদিৰ উাল্লখ কৰি বিজ্ঞান প্ৰযুক্তিৰ প্ৰসাৰতা উল্লেখ কৰিছে।

বিশ্বকবি ডঃ হাজৰিকাই ৰচনা কৰা 'ঝক ঝক ৰেল চলে' নামৰ গীতটোত বিজ্ঞান-প্ৰযুক্তিৰে তৈয়াৰ কৰা ৰেলগাড়ী, ইয়াত থকা জলীয় ভাপ বনোৱা 'বয়লাৰ', ড্ৰাইভাৰ, ছিগনেলমেন, কেৰাণী আদিৰ প্ৰযুক্তিগত কৌশল তথা মানৱ সেৱা আৰু বৈজ্ঞানিক যন্ত্ৰযুগৰ সুমহান কৃষ্টি কথা আদি উল্লেখ কৰি ৰে'ল গাড়ী আৰু কৰ্মকৰ্তা সকলক বিজ্ঞান-প্ৰযুক্তিৰ

আলমেৰে সাম্য-শান্তি-মুক্তিৰ বাহক বুলি অভিহিত কৰিছে। ‘ৰেল চলে মোৰ ৰে’ল চলে।। ছিগনেল মেন মই— ক’লা ক’লা কয়লাৰ ধূলি লাগি ক’লা পৰা... ড্ৰাইভাৰ লাইনছমেন... বনুৱা কেৰাণী মই... যন্ত্ৰযুগৰ সুমহান কৃষ্টিৰে— মানুহৰ মুক্তিৰ গৰিম সপোন...।’ আদি শব্দৰ যথাৰ্থ চয়নে গীতটোক চিৰ যুগমীয়া কৰা দেখা যায়।

যিকোনো উৰাজাহাজ বিজ্ঞান-প্ৰযুক্তিৰ সমাহাৰ ঘটাই নিৰ্মাণকাৰীসকলে বৈজ্ঞানিক আৰু প্ৰযুক্তি প্ৰক্ৰিয়াৰে নিৰ্মাণ কৰে বিমান বনোৱা কাৰখানা গৃহত। ডঃ হাজৰিকাই টিহুত অনুষ্ঠিত অসম সাহিত্য সভাত তেতিয়াৰ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি অৱতৰণ কৰোতে গাইছিল—‘টিহু হ’ল তোমাৰ নাম... অসমৰ যোগ্য পুত্ৰ এ ফকৰুদ্দিনে টিহু নগৰ নামিলহি একচক্ৰ বিমানে।... ৰাষ্ট্ৰপতি হৈয়ো কৰে টিহুকে প্ৰণাম।। *(গীতাৱলী 243–45 পৃঃ)*

ডঃ হাজৰিকাৰ ৰচিত ‘বন জুই বনতহে জ্বলে’ গীতটো বনজুই কথাছবিৰ এটা মৰ্মস্পৰ্শী গীত। ইয়াত যুদ্ধ-বিগ্ৰহৰ কথা বৰ্ণনা কৰাৰ লগতে বিজ্ঞান-প্ৰযুক্তিৰো সুফল-কুফলৰ প্ৰতিচ্ছবি প্ৰদৰ্শন কৰিছে বুলি ভাবিব পাৰি। বিশ্বযুদ্ধৰ কথা উল্লেখ কৰি তেখেতে গাইছে ‘বিশ্বযুদ্ধৰ অশান্ত বায়ু আমাৰ অসমতো বয়, নেতাজীৰ মুক্তিযোদ্ধা কহিমাতে ৰয় হে...

জাপান দেশৰ যুদ্ধৰ বিমান হে’ অসমত উৰিছে চহৰ-নগৰ মহাকাশ এন্ধাৰত বুৰিছে হে’... *(গীতাৱলী 333–34 পৃঃ)*

ডঃ ভূপেন হাজৰিকাই ‘আকাশী যান’ শব্দটো বহুতো গীতত ব্যৱহাৰ কৰি বিজ্ঞান প্ৰযুক্তি প্ৰয়োগক অগ্ৰাধিকাৰ দিয়া অৱধাৰা প্ৰকাশ কৰিছে। এৰ’প্লেন, হেলিকপ্টাৰ আদিৰ কাৰ্যক্ৰমণিকা বিমান প্ৰযুক্তিৰ আধাৰত নিৰ্মিত। তেখেতে ‘আকাশী যানেৰে উৰণীয়া মনেৰে— মোৰ মন বগ আজি দেখো বিমান হ’ল, মোৰ বিমানখনি দেখো কল্পনা হ’ল... মায়াবিনী বিমানখনি হ’ল চিত্ৰলেখা জনী... পালোহি মোৰ মৰমৰ তেজপুৰ’। *(গীতাৱলী 65–67 পৃঃ)*। তেখেতে গীতটিত বিজ্ঞান প্ৰযুক্তিৰ লগত প্ৰাকৃতিক দৃশ্যৰ প্ৰতিচ্ছবিও অংকন কৰিছে।

আণৱিক যুগ, আণৱিক শক্তি, মহাশূন্যত বিচৰণ কৰা উপগ্ৰহ, মহাকাশ যান আদি বিজ্ঞান প্ৰযুক্তিৰে ভৰা বিশ্বত আন এক বৈজ্ঞানিক অৱদান। বিজ্ঞান প্ৰযুক্তিগত শব্দবোৰ তেখেতে ৰচিত গীতত উপযুক্ত ঠাইত ব্যৱহাৰ কৰি বিজ্ঞান প্ৰযুক্তিৰ পয়োভৰ আৰু সাৰ্থকতা গীতৰ জৰিয়তে মানুহৰ মাজত বিলাইছে। এই ক্ষেত্ৰত ‘যুৱতী অনামিকা গোস্বামী’ *(গীতাৱলী 418–19 পৃঃ)* গীতটোৰ ‘মহাশূন্যত উপগ্ৰহ ৰাখি... আণৱিক শক্তিক দানৱৰ পৰা আনি ... এয়া জেট যুগ— আণৱিক যুগ— এয়া সীমাৰ পৰিধি ভঙাৰ যুগ... এয়া মানৱতা... কঠীয়া সিঁচাৰ যুগ’ বিশেষ তাৎপৰ্য আছে।

বিজ্ঞান-প্ৰযুক্তিৰ আলমত সজোৱা বাঁহী, পেঁপা, গগনা, চিফুং, শ্বৰটি আদি যন্ত্ৰবোৰ ঘৰুৱা প্ৰযুক্তিৰে সজা আৰু এইবোৰ ব্যৱহাৰৰ সীমা সংখ্যাও নাই। ডঃ হাজৰিকাই এই শব্দবোৰ গীতৰ যথা স্থানত ব্যৱহাৰ কৰি ঘৰুৱা প্ৰযুক্তিৰ ব্যৱহাৰিক আদৰণি জনোৱা বুলি ক’ব পাৰি। সেইদৰে প্ৰাকৃতিকভাৱে প্ৰাপ্ত ৰং আৰু বিজ্ঞান প্ৰযুক্তি প্ৰয়োগ কৰি বিভিন্ন কৃত্ৰিম প্ৰণালীৰে প্ৰাপ্ত ৰং শব্দটো ডঃ হাজৰিকাই কেইবাটাও গীতত যথাস্থানত ব্যৱহাৰ কৰি বৈজ্ঞানিক স্বকীয়তাৰ ভাব প্ৰকাশ কৰিছে। ডঃ হাজৰিকাই ঘড়ী শব্দ, নাওঁ শব্দ, জাহাজ শব্দ, সোণ শব্দ আদি নানা ধৰণৰ অনেক বৈজ্ঞানিক আৰু প্ৰযুক্তিগত শব্দ বিভিন্ন অৰ্থত বিভিন্ন ভাৱত বহুতো গীতত ব্যৱহাৰ কৰি প্ৰকাৰান্তৰে বিজ্ঞান-প্ৰযুক্তিৰে কথা উল্লেখ কৰিছে বুলি আমাৰ অনুভূতি প্ৰকাশ পোৱাৰ ওপৰত সংক্ষিপ্ত আলোচনা কৰা হ’ল। সি যিয়েই নহওক, তেখেতে লিখা বিজ্ঞান প্ৰযুক্তিৰ সম্পূৰ্ণ ভাব থকা গীতবোৰো আমাৰ বাবে অতি আদৰণীয় আৰু প্ৰশংসনীয়। এই গীতবোৰ আমাৰ মানস পটত বহুদিনলৈ ৰৈ থাকিব বুলি আমি আশা কৰিছো আৰু আজি ডঃ ভূপেন হাজৰিকাৰ পঞ্চভূতি পাৰ্থিৱ শৰীৰ আমাৰ মাজত নাথাকিলেও তেখেতে ৰচনা কৰা কালজয়ী গীতবোৰেই তেখেতক চিৰ দিনলৈ আমাৰ মাজত অমৰ কৰি ৰাখিব বুলি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

*****

● লেখক ঃ গুৱাহাটীৰ হাতীগাঁও নিৱাসী এগৰাকী সাহিত্যিক।

# চৰ চাপৰিৰ লোক-উৎসৱ পুযুৰা মাগুন

**মনোজ কুমাৰ শৰ্মা**

লোকসংস্কৃতিৰ অন্যতম উপাদান উৎসৱ-অনুষ্ঠানসমূহ। উৎসৱ-অনুষ্ঠান মানেই আনন্দ। উৎসৱ-অনুষ্ঠানে মনলৈ সজীৱতা আনে, উদ্বুদ্ধ কৰি তোলে আৰু মানুহক মানুহৰ প্ৰতি দয়া, প্ৰেম, সম্প্ৰীতিৰ ভাৱনাৰে একাত্ম কৰি ৰাখে। উৎসৱ অনুষ্ঠানৰ লগত ৰীতি-নীতি, পূজা-পাৰ্বন, গীত-মাত, নৃত্য-নাট্য, বাদ্য, খেলা-ধূলা আদি জড়িত থকাৰ লগতে জনবিশ্বাস আৰু পৰম্পৰা ওতপ্ৰোতভাৱে সংযুক্ত হৈ থাকে। পৰম্পৰাশ্ৰয়ী লোকসমাজে এনেবোৰ ক্ৰিয়া-কলাপৰ অন্তৰালত কোনোপ্ৰকাৰে যাদুকৰী শক্তিৰ অস্তিত্ব অনুভৱ কৰে। সেয়ে উৎসৱ-অনুষ্ঠানত লোক-জনসাধাৰণে আনন্দ-বিনোদনৰ লগতে কুশল-মঙ্গল কামনা কৰি ধৰ্মীয় দিশৰ ওপৰতো গুৰুত্ব আৰোপ কৰা দেখা যায়।

অসমৰ চৰ-চাপৰিসমূহত বসবাস কৰা বিশেষকৈ পশ্চিম অসমৰ অবিভক্ত কামৰূপ আৰু গোৱালপাৰা জিলাৰ চৰ-চাপৰিসমূহৰ সৰহখিনি বাসিন্দা পূৰ্ববংগীয়মূলৰ মুছলমান লোক। অত্যন্ত কষ্টসহিষ্ণু আৰু শ্ৰমনিৰ্ভৰ এই লোকসকলৰ ৭০ শতাংশই কৃষিজীৱী। কৃষিকেন্দ্ৰিক হোৱাৰ বাবে এওঁলোকৰ সমাজত প্ৰচলিত উৎসৱ-অনুষ্ঠানসমূহো মূলতঃ কৃষিভিত্তিক। লোক উৎসৱ-অনুষ্ঠানৰ ক্ষেত্ৰত চৰ-চাপৰিবাসী অতি চহকী। চৰ-চাপৰিত পুহ মাহত গৰখীয়াৰ প্ৰাণ মতলীয়া কৰা গীত-নৃত্য আৰু অভিনয়ৰ উৎসৱ-অনুষ্ঠান হ'ল 'পুযুৰা মাগুন'।

চৰ-চাপৰিত প্ৰচলিত কৃষিভিত্তিক আনন্দমুখৰ উৎসৱ 'পুযুৰা'। 'পুযুৰা'ৰ অনুষংগত পৰিৱেশন কৰা অৰ্ধ নাটকীয় লোক-পৰিৱেশ্য কলা হ'ল 'মাগুন' বা 'মাগন' গীত। মহো-হো, অ'ৰি মাগা, থুৱী মাগাৰ সমধৰ্মী 'মাগুন' আনন্দ উলাহেৰে পালন কৰি অহা এটি গৰখীয়া মাগন পৰম্পৰা। ব'হাগ বিহুৰ সময়ত গৃহস্থৰ ঘৰে ঘৰে হুচৰি গাই গৃহস্থৰ মংগল কামনাৰে আশীৰ্বাদ দি মাননি সংগ্ৰহ কৰাৰ অনুৰূপে মুছলমান চেমনীয়াসকলে ভোগালীৰ বতৰত 'পুযুৰা' উৎসৱ আয়োজনৰ বাবে গৃহস্থৰ চোতালে চোতালে গধূলিৰপৰা মাগুন গীত পৰিৱেশন কৰি ধান-চাউল, কণী-দাইল, টকা-পইচা আদি মাগন সংগ্ৰহ কৰে।

'মাগুন' গীত, নৃত্য আৰু অভিনয়ৰ সমষ্টি। পুষ (পুহ)মাহৰ আৰম্ভনিৰে পৰা প্ৰায় গোটেই মাহটো চেমনীয়াসকলে মাগুন গাই সংগ্ৰহ কৰা মাগনৰ ধন বা দ্ৰব্যৰে মাঘবিহুৰ প্ৰথম দিনটোত উলহ-মালহেৰে 'পুযুৰা' উৎসৱ পালন কৰে। চৰ-চাপৰিত মাঘ বিহুক 'পুযুৰা' বোলে। লক্ষ্য কৰিলে দেখা যায় 'পুযুৰা' মাঘ বিহুৰ কায়িক ৰূপান্তৰহে মাথোন।

'পুযুৰা' আৰু মাগুনৰ লগত চৰ-চাপৰিৰ বাসিন্দাসকলৰ এক নিবিড় সম্পৰ্ক আছে। আঘোণ-পুহ মাহত চৰ-চাপৰিবাসী কৃষকে আমোন ধান (শালি ধান) আৰু বাওধান চপায়। এই সময়ছোৱাত গঞাৰ অভাৱ-অনাটন কমে। অঞ্চলে অঞ্চলে 'পুযুৰা'ৰ আখৰা 'মাগুন' আৰম্ভ হয়। চেমনীয়াসকলে দলপাতি হাতত একোডাল বাঁহৰ টোকন বা এছাৰি লৈ গৃহস্থৰ চোতালে চোতালে প্ৰৱেশ কৰে। টোকনৰ আগভাগত 'চাট্লি' (জুনুকাজাতীয় বাদ্য) আৰু ৰুমাল নতুবা

গামোচা বান্ধি লয়। হাৰমণিয়াম, ঢোল আদি বাদ্যও সংগত কৰা দেখা যায়। দুই-এজনে ভৰিত জুনুকা বা ঘুগুৰা পিন্ধে। এজন সদস্যক চক্ৰা আৰু এজনক চুক্ৰি সাজে। অনুষ্ঠানৰ মনোৰঞ্জন বঢ়াবলৈ ৰং-বিৰঙৰ সাজোন-কাচোনেৰে চক্ৰা-চুক্ৰিৰ সংযোজন কৰে। দলটোত এজন দলপতি থাকে। দলপতিয়ে "চতৰ চতৰ, আইলাম বাড়ীৰ ভিতৰ" বুলি চিঞৰি গৃহস্থক মাগুন দল অহাৰ বতৰা দি গীত আৰম্ভ কৰে আৰু বাকী সদস্যসকলে বাদ্যৰ লগতে টোকনেৰে মাটিত খুন্দিয়াই তালে তালে গীত-নৃত্য পৰিবেশন কৰে—

(ক) আইলামৰে ভাই এইবাড়ী
পয়সা পাইলাম আনা-চাৰি
পয়সা দেয়না দেয় কড়ি
তাৰে লৈয়া লৰি-চৰি
লৰি-চৰি শ্যামৰে
সোণা বান্ধা খামৰে
সোণা কি ৰূপাৰ বয়লা (সৌন্দৰ্য)
এইঘৰ দেখতে ভালা
ঘৰে বৰ ছাটনি
গিন্নী বড় খাটনি (গৃহিনী)
এসো গিন্নী বিলাস মন
আমাক দিবি কতেক মোন
মোন চাৰি মোন দিবিৰে
ফুলেৰ মাগন মাগিৰে
ফুলেৰ মাগন কুলে খায়
ডেনহীৰে বাঘে খায় (চকু চৰহা)
দুই দাঁত তাৰ কৰমৰায়
দেইখা তাৰে মূচ্ছা যায়
দুই দাঁত না দুই মুলা
বাঘেৰ নামাট ধান ফুলা
বাঘেৰ নামে দিয়া ধান
কোলেৰ পোলা টাইনা আন (ল'ৰা)
কোলেৰ পোলা নৰে-চৰে
বুইঢ়া থুইয়া চাও ধৰে। (বাপেক, মায়েক, শিশু)[১]

(খ) আইলামৰে ভাই উৰিয়া
হস্তীৰ কান্ধে চৰিয়া
হস্তীৰ কান নলবল কৰে
লফাবাগুণ গাছে ধৰে (বৰ বেঙেনা)
লফাবাগুণেৰ চিৰল পাত
ৰাখালে খায় কৰকৰা ভাত
কৰকৰা ভাত খাইয়াৰে

গৰু ৰাখবাৰ যাইয়াৰে
ওৰে ৰাখাল ভাই
ত'ৰ গৃহস্থেৰ / ফালে কয় গাই
বাৰ আবাল তেৰ গাই (হালোৱা গৰু)
ৰাখতে বৰ কষ্ট পাই
শুইতেৰে খেতা ভাসে (শুই থাকোতে, খেতি)
সৰ্বলোকে দেইখা হাঁসে
হাঁসি-খুশি কুসুম ফুল
পায়ৰা পাইলাম বত্রিশ মোন (গোমধানৰ প্ৰজাতি বিশেষ)
বত্রিশমোন পাইয়াৰে
পূব পাৰা যাইয়াৰে
পূব পাৰাৰ খায় গুইয়া
. . . . . . . . . . .
গুইয়া খাইতে কেমুন গুণ
পান্তাভাতে ছটাক নুন
ছটাক নুন না ছলবলা
বিছকলা দিয়া গিলা ফেলা। (ভীমকল)[২]

গীত-নৃত্য পৰিবেশনৰ শেষত "দিওৰে ভাই দিও, এক কুলা ধান দিও"— এইদৰে সমস্বৰে মাগন মাগে। একালত মাগন ল'বলৈ বস্তা লৈ যাব লাগিছিল। সমাজৰ মুখীয়াল আৰু ধনৱন্তসকলে দোণ-দোণ, মোন-মোন ধান মাগনৰূপে আগবঢ়াইছিল। দলটিয়ে সোনকালে মাগন দিবলৈ গায়—

ছিকানাৰে ভাই ছিকানাৰে
জুপ জুপাইয়া টাকা পৰে
এক টাকা পামৰে
বাইনা বাৰী যামৰে
ওৰে ভাই অল্‌দী
মাগুন দেও জল্‌দী
0 0 0
এবাড়ী বুঢ়ীড়া ওবাড়ী যায়
পথে পাইল মৰা এন্দুৰ
দুহাততে কিলায়।
কিলাইতে কিলাইতে
মলে দুইটি কাণ
ধান দিবিনা কড়ি দিবি
তাৰা-তাৰি আন।
0 0 0
আম ফলৰে জাম ফল
আমৰা হইলাম ছাৰা ছইল

ছাৰা ছইল জাৰে মইল
মাগুন দেওগো ঐ বাইত যাই।[৩]

কোনো কোনো ক্ষেত্ৰত গৃহস্থই মাগন দিয়াত কাৰ্পন্য কৰিলে নতুবা আশা কৰামতে ধান-চাউল নাপালে গৃহস্থক ভয় খুৱাই গায়—

আইলামৰে ভাই এইবাড়ী
পাছ দুৱাৰে কলাগাছ গাৰি
কলাগাছে ধলা ফুল
নাৰীৰ মাথায় নাইকা চুল
সেই যে নাৰী চুল বান্ধে
খাইজলেৰ কাঁটা মাথায় গুঞ্জে (খেজুৰৰ)
খাইজলেৰ কাঁটাৰ বড় বিষ
ধান দেউগো ডিস ডিস
যে দিব' খালি ছালা (থৈলা বা বস্তা)
তাৰ হ'বে মেয়েৰ পালা (ছোৱালী)
যে দিবো কুলাৰ আগে
তাৰে খাইবে বনেৰ বাঘে
যে দিবো মুঠ মুঠ
তাৰ হ'বে নোম ফুট (ফোঁহা)
যে দিবো চিটা ধান (পতান)
তাৰ হ'বেনো প'লা-পান (ল'ৰা-ছোৱালী)[৪]

আৰু গৃহস্থই যেতিয়া সসন্মানে আশা পূৰণ কৰি মাগন আগবঢ়ায় তেতিয়া আশীৰ্বাদ দি গায়—

যে দিব' ভাল ধান
তাৰ হ'বে সোণাৰ চান্দ
যে দিব' কাটা কাটা
তাৰ কপালে পঞ্চবেটা
যে দিব' গোটা গোটা
তাৰ হ'ব সোণাৰ বেটা।[৫]

এইদৰে ভিন্ন বিষয় সামৰি পৰিবেশন সামৰে আৰু ৰং-ৰহইচ কৰি দলটিয়ে ইঘৰৰ পিছত সিঘৰলৈ গমন কৰে।

'পুযুৰা মাগুন'ৰ মাজেৰে চৰ-চাপৰিবাসীৰ আনন্দমুখৰ জীৱন-প্ৰণালী আৰু জাতীয় জীৱনৰ সৌন্দৰ্য সুন্দৰৰূপত প্ৰতিফলিত হোৱা দেখা যায়। 'মাগুন'ত অংশগ্ৰহণ কৰা ৰাহাল (গৰখীয়া) দলে নিজকে 'সোণাহাৰ' নামৰ গুৰু এজনৰ শিষ্যৰূপে জ্ঞান কৰে। এই গুৰুজনাক অমান্য কৰি 'মাগুন' নাগালে গৃহস্থক আশীৰ্বাদ দিয়াৰ পৰা আঁতৰি থাকিলে নিজৰ লগতে গৃহস্থৰো অপায়-অমংগল হ'ব পাৰে বুলি বিশ্বাস কৰে। গৃহস্থইয়ো ৰাহাল দলৰ আশীৰ্বাদে বিপদ-বিঘিনি নাশ কৰে বুলি আশ্বস্ত হয়। চেমনীয়াসকলে ডেকাসকলৰ লগত লগ লাগি মকৰ সংক্ৰান্তিৰ দিনটোত উলহ-মালহেৰে 'পুযুৰা' উৎসৱৰ আয়োজন কৰে। 'পুযুৰা'ৰ দিনাখন পথাৰ বা মুকলি ঠাইত খেৰ বা নৰাৰে এটি চালিঘৰ সাজে আৰু গাঁৱৰ বয়োজ্যেষ্ঠ মুখীয়ালসকলক ভোজভাত খাবলৈ নিমন্ত্ৰণ জনায়। ভোজ-ভাতৰ আগেয়ে আল্লাৰ ৰস্তে (আল্লাৰ সন্তুষ্টিৰ লক্ষ্যৰে) 'সিন্নি' বা 'ছিন্নি' (পায়স) আগবঢ়াই দোৱা মাগে। ভোজভাতৰ পিছত চালিঘৰটো পুৰি পেলায়। এই

কাৰ্যই শস্যৰ শ্ৰীবৃদ্ধি কৰে বুলি বিশ্বাস কৰে। উল্লেখ্য যে 'পুযুৰা'ত মেজি নজ্বলায়। সিদিনাখন ৰাতিপুৱাতে গৰুক গা-পা ধুৱাই নানা ৰঙেৰে ৰঞ্জিত কৰি শিঙত সৰিয়হ তেল সানে আৰু তিতা খুৱায়। ধুবুৰী জিলাৰ কৃষক ৰাইজে 'পুযুৰা'ক 'পুষণা' নামেৰেও অভিহিত কৰে। "আজ হুইছ্না, কাইল পুষণা, আমাৰ গৰুটাক বাঘে খাইছ্না" বুলি কৈ ন-পঘা পিন্ধায়। গৰখীয়াই কাঁচি গৰম কৰি দৌৰি দৌৰি গৰুৰ গাত দাগ দিয়ে। এয়া 'দাগি দেওৱা' পৰম্পৰা। এই কাৰ্যই গৰুক ৰোগমুক্ত আৰু কাম-কাজত চোকা কৰে বুলি বিশ্বাস কৰে। ইয়াৰ উপৰিও বাৰীখনৰ ফলধৰা গছ-গছনিত খেৰেৰে ৰছী বান্ধে।

'মাগুন' গীতক কোনো কোনো চাপৰিত 'হাঁচি গীত' বোলে। 'হাঁচি গীত'ত 'কালাগান'ৰ প্ৰভাৱ মন কৰিবলগীয়া। 'কালা' কৃষ্ণ বা শ্যাম। 'হাঁচি গীত'ত গায়—

পাখী হয় যাবে তুমি
তীৰ দিয়া মাৰ্মু আমি
শ্যামৰে, চিকন গলাৰ বাঁশীৰে।

কোনো কোনো চাপৰিত 'কুলা মাগন গীত' নামেৰেও প্ৰচলিত। নগৰবেৰা অঞ্চলৰ পাহালাট্টাৰী, আলোপতি মাজৰ চৰ, মৈৰামাৰা চৰ অঞ্চলত মাগুন পৰম্পৰাৰ লগত 'মাণিক পীৰ'ৰ নামো সাঙোৰ খাই আছে। যেনে ঃ—

আগে দিব' দুধ কলা
পিছে দিব' খীৰ
হায় অৰে মাণিকপীৰ
হায় অৰে জংলিৰে পীৰ।
0 0 0
আহ দেৱান গো
নাবোলৰ জিন্দা মাণিক হে
মাণিক পীৰ যে জন্ম নিলো
মিৰ হামিজাৰ ঘৰে
কোৰাণ পঢ়িতে গেলো গো
মোল্লায়েতাৰ ঘৰে।[৬]

ইয়াৰ উপৰিও 'মাগুন গীত'সমূহৰ মাজেৰে ৰং-ৰহইচেৰে পৰিপূৰ্ণ আনন্দমুখৰ জীৱন ধাৰণৰ প্ৰতিচ্ছবি ফুটি উঠা দেখা যায়। বৰপেটা জিলাৰ কাৰৈমাৰি 12 নং ব্লকৰ বালাপাৰা অঞ্চলত প্ৰচলিত সমাজ জীৱনৰ মনোৰম ছবি প্ৰকাশ পোৱা তেনে এটি গীত হ'ল—

উপাৰ যে ধম্চি গাছ (এবিধ ওখ তৃণ)
বৰই ধম্চি ধৰে
এক্টা ধম্চিৰ মাতা চিৰ্ণে (মূৰ, ছিঙিলে)
পৰাণ কেমুন কৰে
পৰাণ কৰে উলুদ বুলুদ
গলাই উঠে কাস্
কাস্তে কাস্তে গেলামৰে ভাই
শ্যামপুৰৰ হাতে
শ্যামপুৰৰ হাতে দেখি
পাকা পাকা পাণ

পাণ কিন্‌লাম চূণ কিন্‌লাম
পথে বসি খায়
খাইতে খাইতে ৰে ভাই
গলায় উঠে কাস্
কাস্‌তে কাস্‌তে গেলামৰে ভাই
সৰ্বনদীৰ হাট।[৭]

অবিভক্ত কামৰূপ জিলাৰ বৰপেটাৰ কলগাছিয়া, জনিয়া, কাদং, মন্দিয়া, বাঘবৰ, মেধিৰহাট, কুজাৰ পীঠ, বালাপাৰা, কান্দাপাৰা অঞ্চল, দক্ষিণ কামৰূপৰ নগৰবেৰা, চমৰীয়া, সোণতলী, আলোপতি মাজৰ চৰ, মাহতলী, কালাতলী, ফুলনি চৰ আৰু অবিভক্ত গোৱালপাৰা জিলাৰ চৰ-চাপৰি অঞ্চলসমূহত 'মাগুন' পৰম্পৰা আৰু 'পুযৰা' উৎসৱ বা মেলা আজিও উলহ-মালহেৰে আয়োজন কৰে। যাঁড় যুঁজ, পেৰা যুঁজ, ঘোৰা দৌৰ, লাঠিবাৰী খেল, ৰচী টনা, টেকেলী ভঙা, হাডুডু খেল আদিৰ প্ৰতিযোগিতা আৰু কবিগান, যাত্ৰাপাৰ্টিৰ অভিনয় আদিকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান 'পুযুৰা' উৎসৱৰ অভিন্ন অংগ।

অসমীয়া জাতীয় জীৱনত  বিশেষ স্থান দখল কৰা চৰ-চাপৰিবাসী মিঞা মুছলমান লোকসকলৰ পূৰ্বপুৰুষৰ জন্মস্থান আছিল অবিভক্ত বাংলাদেশ। তেওঁলোকৰ সৰহসংখ্যকেই মৈমনসিং জিলাৰ পৰা অহা। অসমৰ লোকসংস্কৃতিৰ প্ৰবাহমান সুঁতিত এইসকল কৃষি আৰু শ্ৰমনিৰ্ভৰ জনসাধাৰণৰ বৰঙনি অনস্বীকাৰ্য। এওঁলোকৰ সংস্কৃতিৰ পথাৰ বিশাল; গীতৰ বৰপেৰা ঠাহ খাই আছে। ভাটিয়ালী গীত, ধুৱাগীত, নিকেনি গীত, ভৈশাল গীত, পল্লী গীত, মুৰ্শিদী বা মাৰফতী গীত, নিচুকনি গীত বা কোলা গান, কালাৰ গান, ফকিৰী গান, বিচাৰ গান, গাজিপৰীয়া গান, মাণিকপীৰৰ গান আদি নানা বিষয়ক গীতৰ সম্ভাৰ। ৰাহাল গীত আৰু মাগুন গীত সম্পূৰ্ণৰূপে গৰখীয়া গীত। পৰিশ্ৰম নিৰ্ভৰ জীৱন-শৈলীৰ মাজতো নিজা ভাষা, গীত-মাত-নৃত্য আৰু কলা-কৃষ্টিৰে চৰ-চাপৰিবাসী পুষ্ট। উল্লেখ্য যে 'মাগুন' আৰু 'পুযুৰা' উৎসৱ বৰ্তমানৰ প্ৰেক্ষাপটত অকল মিঞা মুছলমান নতুবা চৰ-চাপৰিবাসীৰ উৎসৱ হৈ থকা নাই, বৰং নামনি অসমৰ সমাজ-সংস্কৃতিৰ সাংস্কৃতিক উপাদানৰূপে চিহ্নিত হৈ এক সমন্বয়ৰ সেতু গঢ়িবলৈ সক্ষম হৈছে।

**পাদটীকা ঃ**

[১]কুৰবান আলি চৌধুৰী, বয়স-65, আনন্দপুৰ, ভৱানীপুৰ, বৰপেটা, 15-07-2019
[২]কুৰবান আলি চৌধুৰী, বয়স-65, আনন্দপুৰ, ভবানীপুৰ, বৰপেটা, 15-07-2019
[৩]আব্দুল চালাম, বয়স-65, ৰাজাহাট, পাঠশালা, 15-07-2019
[৪] নেকিবুৰ জামান, বয়স-13, মফিজুৰ হক, বয়স-12, মফিকুল আলি, বয়স-08, দৌলাশাল, নলবাৰী, 06-07-2019
[৫]মুছলিমুদ্দিন আহমেদ, বয়স-72, ৰাজাঘাট, পাঠশালা, 15-07-2019
[৬]আব্দুল হামিদ, বয়স-70, মৈৰাদিয়া চৰ, বৰপেটা, 07-05-2019
[৭]মুকতাৰ আলি, বয়স-40, বালাপাৰা, কাৰৈমাৰি, 12 নংব্লক, বৰপেটা, 14-01-2019

**গ্ৰন্থপঞ্জী ঃ**

নাথ, দ্বিজেন. *গোৱালপৰীয়া লোকসংস্কৃতি*, দ্বিতীয় প্ৰকাশ, বনলতা, গুৱাহাটী, ২০১৩
---. *গোৱালপৰীয়া লোকগীত*, বাণী প্ৰকাশ, গুৱাহাটী, ১৯৭৫
বৰা, দেৱজিত (সম্পা.). *উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোকসংস্কৃতি*, তৃতীয় প্ৰকাশ, এম. আৰ. পাব্লিকেশ্বন, গুৱাহাটী, ২০১৬

---(সম্পা.). *উত্তৰ-পূৰ ভাৰতৰ জনগোষ্ঠীয় উৎসৱ-অনুষ্ঠান,* দ্বিতীয় প্ৰকাশ, এম. আৰ. পাব্লিকেশ্বন, গুৱাহাটী, ২০১৮
ৰহমান, হবিবুৰ, *বৃহত্তৰ অসমীয়া জাতি গঠনত চৰ-চাপৰিবাসীৰ অৱদান,* অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ 2014
হোছেইন, ইছমাইল, *অসমৰ মুছলমানৰ ঐতিহ্য আৰু সংস্কৃতি,* বনলতা, গুৱাহাটী, প্ৰথম প্ৰকাশ 2015

*****

- লেখক ঃ ডিব্ৰুগড় নিৱাসী এগৰাকী গৱেষক তথা সহকাৰী অধ্যাপক।

# নামনি অসমৰ মহখেদা উৎসৱ মহোহো

**পাৰ্বতী পাটোৱাৰী**

লোক সংস্কৃতি হৈছে জাতি এটাৰ জীৱনৰেখা। বৃহত্তৰ অসমীয়া জাতিটোৱে স্মৰণাতীত দিনৰে পৰা বিভিন্ন ধৰণৰ লোক-সংস্কৃতি পালন কৰি আহিছে। অসমৰ অন্যতম লোকসংস্কৃতি হ'ল মহোহো বা মহ খেদা উৎসৱ। অসমীয়া সংস্কৃতিৰ ই এক ধ্ৰুপদী অংশ। সাধাৰণতে অসমৰ ই এক জনপ্ৰিয় উৎসৱ। সাধাৰণতে গাঁও অঞ্চলত ইয়াক পালন কৰা হয় বাবে ইয়াক গাৱলীয়া কৃষ্টি বা চহাকৃষ্টি বুলিও কয়। পৰম্পৰাগত ৰীতিনীতি আৰু লোক উৎসৱ পালন কৰা হয়। এই উৎসৱে মহ খেদি সমাজত মংগল সাধন কৰিব বিচাৰে। 'মহোহো শব্দটো 'মহ' আৰু 'হো' এই দুটা শব্দ লগলাগি সৃষ্টি হৈছে। বড়ো ভাষাত 'হো' মানে খেদা। সেইকাৰণেই 'মহোহো' মহ খেদা উৎসৱ। মহ খেদা উৎসৱৰ পিছত মহবোৰ আতৰি যায় বুলি জনবিশ্বাস আছে।

মহখেদা উৎসৱ কেতিয়াৰ পৰা আৰম্ভ হৈছে তাৰ সঠিক তথ্য পোৱা নাযায়। এই উৎসৱৰ লগত জৰিত গীতসমূহ অতিপুৰণি। সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাই তেওঁৰ পুথি 'উছবৰ ৰংচৰা'ত উল্লেখ কৰা মতে এই উৎসৱ অবিভক্ত কামৰূপ জিলাৰ নলবাৰী অঞ্চলত প্ৰথম হেনো আৰম্ভ হৈছিল। প্ৰতিবছৰে আঘোনৰ পূৰ্ণিমাত চেমনীয়া সকলৰ দ্বাৰা পালিত এই উৎসৱ। প্ৰতি গৃহস্থৰ ঘৰৰ চোতালত মহোহো দিয়ে আৰু গৃহস্থই চাউল আৰু পইচা দিয়ে। আঘোন মাহৰ পূৰ্ণিমা তিথিত নিৰ্মল আকাশৰ তলত জোনৰ পোহৰত চেমনীয়া সকলে পাচ-ছয়জনীয়া দল হৈ আবেলিৰ পৰা ৰাতিলৈকে হাতে হাতে টোকন একোডাল লৈ ঘৰে ঘৰে গৈ চোতালৰ মাটিত টোকনেৰে খুন্দিয়াই এইদৰে গায়।

আঘোনৰ পূৰ্ণিমা  
সেই পূৰ্ণিমাত মহোহো  
চন্দুক খোলোৰে আমাক  
বিদায় দিওৰে।  
আঘোনৰ পূৰ্ণিমা হ'ল,  
মহ খেদবাৰ হুকুম হ'ল ।  
ওহোহো মহোহো  
মহ খেদ্‌বা যাঁও যো।

মহোহো গীতবোৰক মূলত দুটা ভাগত ভগাব পৰা যায় গীত আৰু নৃত্য চেমনীয়াবোৰে বাঁহৰ দীঘল (প্ৰায় ৪-৫ ফুট মান) লাঠী লৈ মানুহৰ ঘৰলৈ গৈ চোতালত খুন্দিয়াই নাচি নাচি মহোহো গীত গায়। কিছুমান ঠাইত আকৌ মানুহৰ ঘৰৰ চোতালত ঘূৰণীয়াকৈ অৱস্থান কৰি আগফালে হালি হালি গীত পৰিবেশন কৰে। কিছুমান ঠাইত আকৌ এজন

চেমনীয়াই হাতত এডাল দীঘল বাঁহ লৈ মাটিত পেলাই এটা মূৰত ধৰি থাকে আৰু লগৰবোৰে বাঁহডালত কোবাই কোবাই এইদৰে গায়---

অহৰি মহোহো।
মহ খেদবা যাওযো।।
মহে বোলে মইল্লুদে।
টেপৰ গুৰা খালুদে।।
টেপলিত নহল নুন।
চাউল তোলে একো দুন।।
চাউল দি নাটিলা।
খৰি দি আটিলা।।
হিদলৰ ফয়েটা।
বাঘ মাল্লু ছয়টা।।
গাৰে গাৰে একুটা।
অ গৃহস্থ বিদায় দে।।

আকৌ কিছুমানে গায়--

টেপৰত নহল লোন।
চাউল লাগে দোন দোন।।
চাউল নেদি দিলাক খৰি।
এন্ধাৰ ঘৰ লৰিচৰি।।
লৰি চৰি যাওতে
সনাৰ লৰু পাওঁতে
সনাৰ নাঙাল ৰূপাৰ ফাল
এন্ধাৰ ঘৰটু দেখবা ভাল

গৃহস্থক চাউল পইচা খোজা চেমনীয়াহঁতৰ বাঘমৰা সাহসো যে আছে সেই কথাগীতৰ মাজেৰে প্ৰকাশ কৰে। হাতত টাঙোন লোৰা চেমনীয়াসকলে যে মহবোৰৰ মাককো খেদি পঠিয়াব পাৰে সেই কথা প্ৰকাশ কৰে এনেদৰে—

হাল দিলো সিৰালে
মৈ দিলো পাতে,
মহৰ মাকক পাৰ কৈল্লু
বুঢ়া দিয়াৰ ঘাটে।

গৃহস্থৰ পৰা চেমনীয়াহতে হাত লেতেৰা পইচা যে নিবিচাৰে তাকো গীতৰ মাজেৰে প্ৰকাশ কৰে।

বাঁহৰ পাত চিকিমিকি;
আমাক লাগে বগা সিকি।
বাঁহৰ পাত চকা মকা;
আমাক লাগে বগা টকা।
চাউল গুচি দিলাক খৰি- ,
আইথেৰ ঘৰ লৰি চৰি।

বাঁহৰ পাত মাদেলি
আমাক লাগে আধেলি।

মহোহো গীত পৰিৱেশন কৰাৰ পাচত চেমনীয়া সকলে কয়- "অ গৃহস্থ বিদায় দিয়া"। তেতিয়াই গৃহস্থই চাউল, পইচা যি পাৰে সাধ্যনুসাৰে চেমনীয়া সকলক দিয়ে। কোনোবা অৱস্থাপন্ন মানুহে যদি চাউল পইচা দিবলৈ হেলা কৰে তেতিয়া চেমনীয়া সকলে এই দৰে গায় -

আহাৰ ঘৰত কিহৰ চুঙা,
চলি কান্দে টুঙা টঙা।
আহাৰ ঘৰ বৰ চেপ্‌টা,
টকা চাউল নেদে দুটা।
আহাৰ ঘৰ বৰ ধনী,
চাউল দেই গনি গনি।

মহোহক ঠাই বিশেষে ভুলুকা খেদা উৎসৱ বুলিও কোৱা হয়। কিছুমান ঠাইত মহোহো দিয়া চেমনীয়া দলটোৰ এজনে এডাল শুকান ঢকুৱাৰ খাৰু, বাজু আৰু মুকুট পিন্ধে আৰু শুকান পাত গাত মেৰিয়াই লৈ ভালুকৰ বেশ ধৰি নাচে। কামৰূপৰ মানুহৰ মাজত প্ৰাচীন কালৰে পৰা এক জন বিশ্বাস প্ৰচলিত হৈ আহিছে যে- আঘোন মাহৰ পূৰ্ণিমা তিথিত পূৰ্ণিমাৰ জোনাকৰ নিৰ্মল ফৰিং ফুটা পোহৰত ভালুকে মুখ মেলি মহ খায়। সেই কাৰণেই মহে ভালুকক ভয় কৰে। ভালুকৰ বেশ ধৰি মহোহো গীত পৰিবেশন কৰা দলটোক ভাল ভলুকা দল আৰু গীতবোৰক ভাল ভলুকা গীত বুলি কোৱা হয়। ভালুক হোৱা চেমনীয়া জনে ভালুকৰ মুখা পিন্ধি মহখোৱাৰ ভংগীমা প্ৰদৰ্শন কৰে। কোনো কোনো ঠাইত কিন্তু ভালুকহোৱা চেমনীয়া জনে হাতত এডাল বাহৰ টাঙোন লৈ মাটিত মাৰি মাৰি নাচ প্ৰদৰ্শন কৰে। ভালুক জনে মাজত নাচে আৰু বাকীবোৰে চাৰিওফালে ঘুৰি ঘুৰি বাঁহৰ টকা বজাই মহোহো গীত গায়, এইদৰে-

অহোহো মহোহো
মহ্ খেদবা যাও যো।
সোনৰ নাঙাল ৰূপৰ ফাল,
ভাল ভোলকা দেখ্‌ৱা ভাল।

মহোহো উৎসৱক কোনো কোনো ঠাইত 'আউৰি গাঠা উৎসৱ আৰু গীত বোৰক 'আউৰি গাঠা গীত' বুলি জনা যায়। গোৱালপাৰা জিলাত পালন কৰা 'এউৰি মাগা' আৰু নলবাৰী জিলাৰ উত্তৰ অঞ্চলত ঠাই বিশেষে পালন কৰা 'বাম্বোল পিটা' উৎসৱৰ গীতৰ লগত মহোহো গীতৰ কিছু মিল আছে।

মহোহো গীতবোৰৰ সাংগীতিক মূল্য নুই কৰিব নোৱাৰি। সমস্বৰে যেতিয়া চেমনীয়া সকলে এইদৰে গায়-

অ' হৰি হৰণ।
মা লক্ষ্মীৰ চৰণ।।
মাও লক্ষ্মী দিয়ে বৰ।
ধান টোপটো ওলাই পৰ।।
ধান টোপা আলি জালি।
সোনা বনাম পাচ পুলি।।
সোনৰ ৰং চুৰা।
আমাৰ লাখৰ খায় গুৱা
খাৰ গুৱাতে নাপালে চূণ।
পন্‌তা ভাতে ঢালে নুন।।

পন্তা ভাত মিল মিলায় ।
আমাৰ লাখৰ মিল কিলায়।।
পূৰ্ণিমাৰ জোন হ'ল।
পেট্ কামোৰাৰ হুকুম হ'ল।।
ভৈশৰ শিং একা বেকা।
তাতে পৰিল মাছৰোকা।।
মাছ ৰোকা টিউ টিউ।
মাথা টিপলে ওলায় ঘিউ।।

তেতিয়াই এক সাংগীতিক সুৰে শ্ৰোতাৰ মন আছন্ন কৰে। গীতৰ বৰ্ণনা আৰু ঘৰুৱা শব্দৰ প্ৰয়োগ বিশেষ মন কৰিবলগীয়া। চেমনীয়াহতে গায়-

খাৰা নাকা আউলা ধান ।
জাপে কাটিম নাক কান।।
নাকান্দিবা কলৰ ছাটি।
আঘোনৰ পূৰ্ণিমাত লগাম বাটি।।
আঘোনৰ পূৰ্ণিমা, সেই পূৰ্ণিমাত মহোহো।
আমি খেলং বাঘভোল।।
বাঘভোলৰ গলত মনি ।
এইঘৰ মানুহ বৰ ধনী।।
চন্দুক খোলোৰে।
আমাক বিদায় দিয়ৰে।।
আইচু ভকত মাচ্চুখুটি।
নেদা যদি নাযং উঠি।।

যি ঘৰ মানুহৰ চোতালত মহোহো দিয়ে তেওঁলোকে যদি চাউল বা পইচা দিয়াত পলম কৰে তেতিয়াই তেওঁলোকে জেদ্ পাতে নিদিয়ালৈকে উঠি বা গুছি নাযাও বুলি।

চেমনীয়া সকলে আকৌ গায়-

অ' হৰি হৰি ভায়;
খৰি আনলু দীঘাল চায়।
সেই খৰি নাপায়া,
চোতালখন চাফায়া।
চোতালে লুৰা মাটি,
হাঁহে মৰে বুক ফাটি।
হাঁহৰ তেল,
বাৰ বছৰ গেল।
হেলা কইল্লি বেলা হব,
চা-চলিৰ তাম্চা হব।

বৰ্ত্তমান মহ খেদা গীতৰ এই ৰূপটো আৰু 'ভাল্ ভোল্কা' নাচ প্ৰায় নায়েই। গীতৰ ঠাই দখল কৰিছে মাত্ৰ কিছুমান আশীৰ্বাদ সূচক মাত কথাহে। যেনে-

ভাল হওঁক কুশল হওক
ভাখ্‌ৰীৰ ধান বাঢ়ক, গোহালিৰ গৰু বাঢ়ক
আমাক এটা পইচা দিবাক লেগি শক্তিমন্ত কৰক।
জয় ৰাম্‌ব বোলা জয় হৰি বুলা।

গৃহস্থই চাউল আৰু পইচাৰে মহোহো দিয়া চেমনীয়া সকলক সন্তুষ্ট কৰি বিদায় দিয়ে। মহোহো দলক চাউল পইচা দি গৃহস্থইও গৌৰৱ অনুভৱ কৰে। এই চাউল আৰু পইচাৰে পিছদিনা খন চেমনীয়া সকলে লগভাত খায় আৰু ৰং ৰহইচ্ কৰে।

মহোহো গীতবোৰ মুখে মুখে প্ৰচলিত মৌখিক গীত। গীতত ব্যৱহৃত বেছিভাগ শব্দৰে অৰ্থ নাই কেৱল ছন্দ মিলাবৰ বাবেহে ব্যৱহাৰ কৰা হয়। অনাখৰী লোকৰ দ্বাৰা এই মহোহো গীতবোৰ ৰচিত হৈছিল। গতিকে ইয়াক অনাখৰী লোক সাহিত্যৰ ভিতৰত পেলাব পাৰি। মহোহো গীতবোৰে ঐক্য বা একতাৰো প্ৰতীক। কাৰণ চেমনীয়া হতে মহোহো গীতত গায়-

শাৰী হোৰে শাৰী হো
কানাকুজা একফালহো
কানা কুজা ধোৰা যোৰা,
ওজা পাতো বৰেৰ পুৰা।
থুপ্‌ৰি হো ৰে থুপ্‌ৰী হো,
কানা কুজা লগ হো।

অসমৰ মৌখিক গীত মাত বোৰক বহল ভাৱে তিনিটা ভাগত ভগাব পাৰি- (১) অনুষ্ঠান- মূলক গীত (২) কৰ্মগীত (৩) বৰ্ণনা মূলক মালিতা বা আখ্যানমূলক গীত। অনুষ্ঠান মূলক গীতৰ শ্ৰেণীত বিহুগীত, বিয়ানাম, আইৰ নাম, পাউৰাতোলা গীত, অপেশ্বৰী সবাহৰ গীত, মহোহো গীত আদি। এই অনুষ্ঠান মূলক গীত বোৰৰ কিছুমান ভক্তি প্ৰধান গীত আৰু কিছুমান ভক্তি নিৰপেক্ষ গীত । মহোহো গীতকো ভক্তি নিৰপেক্ষ গীত বুলি কব পাৰি।

মহোহো হৈছে এক উদ্দীপনা আৰু একতাৰ উৎসৱ। ইয়াত অৰ্ন্তনিহিত হৈ আছে লোক বিশ্বাস। মহোহোৰ পিছদিনাৰ পৰাই হেনো অসমত মহ নোহোৱা হৈ যায়। মহোহোৰ মাজেদি প্ৰকাশ পাই আহিছে নামনি অসমৰ কৃষ্টি সংস্কৃতি। যিয়েই নহওক এই মহোহো উৎসৱ আৰু মহোহো গীতে আমাৰ লোক সাহিত্যকো চহকী কৰিছে। গতিকে এইবোৰক উদ্ধাৰ কৰি চেমনীয়া সকলে গাই উৎসৱটো পালন কৰিলে ইয়াৰ গুৰুত্ব বাঢ়িব।

*****

● লেখক ঃ অৱসৰী অধ্যক্ষা, সৰ্থেবাৰী, উঃ মাঃ বিদ্যালয়।

# অসমীয়া উপন্যাসত জনজাতীয় জীৱনৰ অন্বেষণ ঃ এটি পৰিচয়

**শচীন শৰ্মা**

সাম্প্ৰতিক সময়ৰ অসমীয়া ভাষাত সচেতনভাৱে সাহিত্য সমালোচনা কৰি থকা এজন আলোচক হৈছে ডঃ অজিৎ শইকীয়া। বিশেষকৈ জানজাতীয় জীৱনভিত্তিক অসমীয়া উপন্যাস সাহিত্যৰ বিষয়ে দুখন উল্লেখযোগ্য প্ৰবন্ধ সংকলন প্ৰকাশৰ যোগেদি শইকীয়াই এজন সঠিক দায়বদ্ধ আলোচকৰ পৰিচয় দিছে। ইয়াৰ লগতে লেখক হিচাপে সাম্প্ৰতিক সাহিত্য-আলোচনী, বাতৰি কাকতত নিয়মীয়াকৈ উল্লিখিত নাইবা অন্যান্য সাহিত্য বিষয়ত লেখা-মেলা কৰি থকাৰ লগতে তেখেতে 'মিতভাষ' ৰচনা আৰু এৰা-ধৰাকৈ কবিতাৰ চৰ্চাও কৰি আছে। লেখকৰ বিশেষ কৃতি জনজাতীয় জীৱনভিত্তিক উপন্যাস সমালোচনাৰ গ্ৰন্থকেইখনৰ নাম হৈছে- 'জনজাতীয় জীৱনভিত্তিক অসমীয়া উপন্যাস' (2005) আৰু 'অসমীয়া উপন্যাসত জনজাতীয় জীৱনৰ অন্বেষণ' (2015)। 'কথা ৰিডাৰ্ছ ফ'ৰাম গ্ৰন্থমালা 100–ৰ অধীনত প্ৰকাশিত লেখকৰ দ্বিতীয় গ্ৰন্থখনৰ সামগ্ৰিক আভাস এটা দিয়াৰ লক্ষ্য আগত ৰাখি এই আলোচনাটি যুগুত কৰা হৈছে।




লেখকে 'অসমীয়া উপন্যাসত জনজাতীয় জীৱনৰ অন্বেষণ' শীৰ্ষক 144 পৃষ্ঠাৰ গ্ৰন্থখন তিনিটা অধ্যায়ত ভাগ কৰি মুঠ 8 টা প্ৰবন্ধ সংকলিত কৰিছে। প্ৰথম অধ্যায়ৰ প্ৰবন্ধ দুটাৰ প্ৰথমটোত বৃহত্তৰ অসমৰ সম্প্ৰীতি গঠনত এই উপন্যাসবোৰৰ ভূমিকা আৰু দ্বিতীয়টোত অসমীয়া উপন্যাসত জনজাতীয় জীৱনৰ সমীক্ষা চলাইছে। দ্বিতীয় অধ্যায়ৰ প্ৰবন্ধ তিনিটাৰ প্ৰথমটোত জনজাতীয় জীৱনীভিত্তিক অসমীয়া উপন্যাসত নাৰীচৰিত্ৰ, দ্বিতীয়টোত স্বাধীনতা পৰৱৰ্তী নগা জীৱনভিত্তিক উপন্যাসত নগা মানস আৰু তৃতীয়টো প্ৰবন্ধত জনজাতীয় জীৱনীভিত্তিক উপন্যাসত শংকৰদেৱৰ সংগ্ৰহণ সম্পৰ্কে আলোচনা আগবঢ়াইছে। তৃতীয় অধ্যায়ৰ তিনিটা প্ৰবন্ধৰ প্ৰথমটোত কৈলাশ শৰ্মাৰ উপন্যাসত নগা মানস আৰু পাহাৰী প্ৰকৃতিৰ চিত্ৰণ, দ্বিতীয়টোত ৰংবং তেৰাঙৰ উপন্যাসৰ সামগ্ৰিক আলোচনা আৰু তৃতীয়টোত উমাকান্ত শৰ্মাৰ 'ভাৰগু পক্ষীৰ জাক' উপন্যাসত সমন্বয়ধৰ্মিতাৰ অৰক্ষয়-সম্পৰ্কে আলোচনা কৰিছে।

আলোচিত গ্ৰন্থখনৰ 'বৃহত্তৰ অসমৰ সম্প্ৰীতি গঠনত জনজাতীয় জীৱনভিত্তিক অসমীয়া উপন্যাস' শীৰ্ষক প্ৰথম

প্ৰবন্ধটোত আলোচকে একে ভৌগোলিক পৰিবেশ, হিন্দু ধৰ্ম আৰু অসমীয়া ভাষা বৰঅসমৰ সম্প্ৰীতিৰ প্ৰাথমিক কাৰক হিচাপে বিচাৰ কৰাৰ লগতে ৰজনীকান্ত বৰদলৈয়ে 'মিৰি জীয়ৰী' উপন্যাসৰ যোগেদি সম্প্ৰীতিৰ বাট কাটি তেওঁ 'মহান উদাৰতা আৰু মহানুভৱতা'ৰ পৰিচয় দিয়া বুলি মত ৰাখিছে। বৃহত্তৰ অসমৰ সম্প্ৰীতি গঠনত আলোচকে জনজাতীয় জীৱনভিত্তিক উপন্যাসৰ কেইবাটাও অৰিহণাৰ কথা কৈছে। অন্যান্য বিষয়ৰ উপন্যাসত জনজাতীয় জীৱন চিত্ৰণেৰে বিচিত্ৰতাৰ মাজত ঐক্য স্থাপনৰ প্ৰয়াস, আধুনিক জীৱন আৰু সমাজৰ আগ্ৰাসনৰ মাজত সোমাই সন্মুখীন হোৱা জনজাতীয় জীৱনৰ দুখ-যন্ত্ৰণা, পৰম্পৰাগত মূল্যবোধৰ ঠাইত নতুন মূল্যবোধৰ আমদানিৰ চিত্ৰ, উত্তৰ-পূৰ ভাৰতৰ শান্তি-সম্প্ৰীতি প্ৰগতিৰ বাবে বুজাবুজি আৰু ভাতৃত্ববোধৰ প্ৰয়োজনৰ প্ৰসংগ, উমৈহতীয়া সমস্যা আৰু ইবোৰৰ সমাধানৰ বাবে একত্ৰিত প্ৰচেষ্টা আৰু উমৈহতীয়া দীৰ্ঘম্যাদী কৰ্ম-আঁচ নি প্ৰস্তুতৰ চিন্তাৰ আভাস, উপন্যাসবোৰত দেখুওৱা আন্তঃবৈবাহিক সম্পৰ্ক, উত্তৰ-পূৰ ভাৰতৰ ভৌগোলিক চিৰসেউজ অঞ্চলবোৰৰ চিত্ৰ, উল্লিখিত উপন্যাসবোৰত চিত্ৰিত চৰিত্ৰ কেইটামানৰ কথা-কাৰ্যৰ যোগেদি প্ৰতিফলিত ভাতৃত্ববোধৰ চিন্তা, সেইবোৰত বৰ্ণিত সংশ্লিষ্ট জনগোষ্ঠীটোৰ প্ৰতি সহানুভূতিশীল দৃষ্টি, উপন্যাসলানিয়ে পোৱা সামাজিক স্বীকৃতি ইত্যাদি প্ৰসংগৰ লগতে পাহাৰ-ভৈয়ামৰ সমন্বয়-সম্প্ৰীতি গঠনৰ বাবে উপন্যাসবোৰত প্ৰতিফলিত বিভিন্ন দিশৰ উন্মোচনৰ বিষয়ে আলোচনা কৰিছে।

প্ৰথম অধ্যায়ৰ দ্বিতীয় প্ৰবন্ধ 'অসমীয়া উপন্যাসত জনজাতীয় জীৱন ঃ এক সমীক্ষাত্মক অধ্যয়ন'ত আলোচকে অসমীয়া উপন্যাসৰ আৰম্ভণি আৰু বিকাশৰ প্ৰথম স্তৰৰ বৰ্ণনাৰে আৰম্ভ কৰি কৌশলেৰে 'মিৰি জীয়ৰী'ৰ আলোচনাৰ যোগেদি জনজাতীয় জীৱনীভিত্তিক উপন্যাসসমূহৰ মাজলৈ সোমাই আহিছে। আলোচনা আৰু অধ্যয়নৰ সুবিধাৰ বাবে আলোচকে অসমীয়া ভাষাত ৰচিত জনজাতীয় জীৱনভিত্তিক উপন্যাসবোৰত প্ৰতিফলিত হোৱা সংশ্লিষ্ট জনজাতিবোৰ পৃথক শীৰ্ষকেৰে প্ৰণালীবদ্ধ ৰূপত আলোচনাৰ প্ৰয়াস কৰিছে। অসমীয়া ভাষাত মিচিং, নগা, আদি, গাৰো, খাছি, কাৰবি, ছেৰদুকপেন, ডিমাছা, টাগিন, ৰাভা, বড়ো, খাম্পা, মিজো, তিৱা, মনপা, টাংচা, টাইফাকে আৰু মিশ্ৰিত জনজাতীয় জীৱনৰ চিত্ৰণেৰে মুঠ সোতৰটা জনজাতীয় জীৱনৰ ভেটিত উপন্যাস ৰচনা হোৱাৰ কথা লেখকে আলোচনা কৰিছে। এই আলোচনাত উপন্যাসবোৰত প্ৰতিফলিত চৰিত্ৰ বা পৰিস্থিতিৰ বৰ্ণনা প্ৰসংগত জনজাতীয় জীৱনচৰ্যাৰ বিৱৰণৰ লগে লগে উপন্যাসসমূহৰ সাৰ্বজনীন কিছুমান সমৰূপতা আলোচনা কৰা হৈছে। সমাজৰ পৰম্পৰাগত কু-সংস্কাৰ আৰু অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদৰ লগতে সমাজ সংস্কাৰৰ চিন্তা, সামাজিক পৰম্পৰাক অন্ধভাৱে অনুকৰণৰ ঠাইত ইবোৰৰ যুক্তিনিষ্ঠ বিচাৰ, বৃহত্তৰ অসমৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে সংহতিৰ প্ৰয়োজনীয়তা, জাতিভেদ প্ৰথা অৱসানৰ আৱশ্যকতা, সদ্ভাৱ-সম্প্ৰীতিত গুৰুত্ব, প্ৰেম-প্ৰীতি, পৰম্পৰা আৰু নতুনৰ সংঘাত, আৰ্থ-সামাজিক জীৱন, সমকালীন ৰাজনৈতিক অৱস্থাৰ প্ৰতি লেখকৰ উদাসীনতা ইত্যাদি দিশবোৰত উপন্যাস আলোচনাৰ প্ৰসংগত আলোচকে পোহৰ পেলাইছে।

দ্বিতীয় অধ্যায়ৰ প্ৰথম প্ৰবন্ধটো হৈছে 'জনজাতীয় জীৱনভিত্তিক অসমীয়া উপন্যাসত জনজাতীয় নাৰী চৰিত্ৰ (1895–1994)'। এইপ্ৰবন্ধটোত 'মিৰি জীয়ৰী' ৰচনাৰ পৰৱৰ্তী উল্লিখিত এশ বছৰত প্ৰকাশিত জনজাতীয় জীৱনভিত্তিক অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰৰ আলোচনা কৰিছে। এই সময়ছোৱাত এঘাৰটা জনজাতিৰ জীৱনক কেন্দ্ৰ কৰি মুঠ বত্ৰিছখন উপন্যাস প্ৰকাশিত হৈছে। উপন্যাসৰ চৰিত্ৰ সম্পৰ্কে এটি পৰিচয়জ্ঞাপক টোকা প্ৰস্তুত কৰাৰ পিছত লেখকে মূল বিষয়ৰ মাজলৈ গতি কৰিছে। পৃথকে পৃথকে বিভিন্ন জনজাতিবোৰৰ নাৰী চৰিত্ৰৰ আলোচনা প্ৰসংগত আলোচকে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'ইয়াৰুইঙ্গম' উপন্যাসৰ চাৰেংলা, 'কইনাৰ মূল্য'ৰ গুৰমা চৰিত্ৰকেইটাৰ বাদে বাকী প্ৰায়বোৰ উপন্যাসৰে নাৰী চৰিত্ৰবোৰ স্থিতিশীল চৰিত্ৰ হিচাপে আলোচনা কৰিছে। ইয়াৰ লগতে কিছুমান উপন্যাসত পোৱা টাইপ চৰিত্ৰবোৰৰো আলোচনা কৰিছে। পাহাৰী সৰলতা, স্পষ্টবাদিতা, সঁচা প্ৰেম আৰু মমত্বময় চৰিত্ৰ, ত্যাগ আৰু আদৰ্শৰ প্ৰতীক ৰূপত নাৰী চৰিত্ৰ, বস্তুবাদী মানসিকতাত প্ৰকৃষ্ট চৰিত্ৰ, জাত-পাতৰ ঊৰ্দ্ধত বহল মনৰ পৰিচয় দিব পৰা চৰিত্ৰ, পতিপৰায়ণা নাৰী, আধুনিক শিক্ষাৰ প্ৰতি কিছু পৰিমাণে ৰক্ষণশীলা নাৰী, মানসিকভাৱে দৃঢ় আৰু স্পষ্ট দৃষ্টিভঙ্গীসম্পন্ন

নাৰী, স্বাৰ্থপৰ আৰু সুবিধাবাদী নাৰী চৰিত্ৰৰ বিষয়ে আলোচনা কৰাৰ লগতে আলোচকে এনে কাম-কাজ আৰু চিন্তাৰ যোগেদি যে চৰিত্ৰবোৰে অগতানুগতিক আৰু স্বতন্ত্ৰৰূপে ধৰা দিছে সেই কথা দোহাৰিছে। সাহসী চৰিত্ৰবোৰৰ মাজত থকা সমাজৰ অন্যায়-অবিচাৰৰ নিৰ্মূলকৰণ আৰু ন্যায় প্ৰতিষ্ঠাৰ বাবে অপ্ৰিয় সত্যক স্বীকাৰ কৰাৰ কথাটোত আলোচকে শলাগ লৈছে। প্ৰায়বোৰ চৰিত্ৰৰে উপন্যাসসমূহত ভূমিকা আওপকীয়া যদিও কাহিনীৰ গতিপথত এওঁলোকৰ ভূমিকা আছে। 'কেন্দ্ৰীয় অৱস্থানৰ চৰিত্ৰৰে নামকৰণ' শীৰ্ষকৰ আলোচনা প্ৰসংগত আলোচকে এনে কাৰ্যৰ দ্বাৰা জনজাতীয় সমাজত থকা নাৰীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথাকে সূচিত কৰাৰ কথা ব্যক্ত কৰিছে। 'নাৰী চৰিত্ৰসমূহৰ বিশ্লেষণ' শীৰ্ষকৰ আলোচনাত মুক্তক চৰিত্ৰ হিচাপে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'ইয়াৰুইঙ্গম' উপন্যাসৰ চাৰেংলাৰ আলোচনা কৰিছে। আনহাতে অন্যান্য উপন্যাসসমূহৰ নাৰীচৰিত্ৰবোৰ 'বিভিন্ন মতাদৰ্শৰ ভিন্ন নাৰী চৰিত্ৰই আপোন বৈশিষ্ট্যৰে জিলিকি উঠিছে' বুলি মত প্ৰকাশ কৰিছে।

গ্ৰন্থখনৰ 'স্বৰাজোত্তৰ নগা জীৱনভিত্তিক অসমীয়া উপন্যাসত নগা মানস' শীৰ্ষক দ্বিতীয় অধ্যায়ৰ দ্বিতীয় প্ৰবন্ধটোত আলোচকে জনজাতীয় জীৱনভিত্তিক অসমীয়া উপন্যাসৰ আলোচনাৰে পাতনি তৰি এনে উপন্যাসৰ লেখক, উপন্যাস, জনজাতি আদিৰ এটি পাৰিসাংখ্যিক খতিয়ান দাঙি ধৰিছে। অসমীয়া ভাষাত বৰ্তমানলৈকে মুঠ পাঁচখন নগা জীৱনভিত্তিক উপন্যাস ৰচিত হৈছে। সেইবোৰ হ'ল কৈলাস শৰ্মাৰ 'বিদ্ৰোহী নগাৰ হাতত' (1958), 'অনামী নাগিনী' (1963), 'ডালিমীৰ সপোন' (1972), বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'ইয়াৰুইঙ্গম ' (1960) আৰু অপৰাজিতা বৰুৱাৰ 'আথিনিহু' (2009)। নগা মানস বিচাৰৰ প্ৰসংগত আলোচকে আটাইকেইখন উপন্যাস সামৰি সামগ্ৰিক এটি ছবি নিৰ্মাণৰ চেষ্টা কৰিছে। স্বৰাজোত্তৰ  নগাভূমিৰ ৰাজনৈতিক বিৰোধ, বিচ্ছিন্নতাবাদী আন্দোলন, কৃষিজীৱী নগাসকলৰ পৰিশ্ৰমী আৰু কষ্টসহিষ্ণু জীৱন, প্ৰাকৃতিক মমত্ববোধ, শান্তিপ্ৰিয়তা, পৰাধীনতাৰ শিকলিৰ বান্ধোনৰ পৰা নিজকে মুক্ত কৰাৰ ইচ্ছা, অসমকো নগাভূমিৰ লগতে মুক্ত কৰাৰ স্পৰ্শকাতৰ প্ৰসংগ, স্বকীয় নগা ৰাজ্যৰ সপোন, স্বাধীনচিতীয়া মনোভাব, বিদ্ৰোহী নগা চৰিত্ৰ, বিদ্ৰোহৰ নামত এচামে সমাজক ভুল বাটেৰে নিয়াৰ প্ৰসংগ, শক্তিশালী ৰাজনৈতিক সংগঠনৰ অভাৱত পৃথক মানসিকতাৰ সৃষ্টি, আঞ্চলিকতাবাদী ৰাজনৈতিক আন্দোলন, পতি অবিহনে নগা নাৰীৰ জীৱনৰ নিঃস্ব আৰু দুৰ্বল হোৱাৰ প্ৰসংগ, নাৰী চৰিত্ৰৰ বৈপৰীত্য, বিবাহ-প্ৰথাৰ স্বীকৃতি বা নিষিদ্ধ হোৱাৰ কাৰক, মৃত্যু বা মৃত্যু সম্পৰ্কীয় বিশ্বাস আৰু লোক-অনুষ্ঠানৰ আলোচনা, প্ৰতিশোধ পৰায়ণ চৰিত্ৰ, সাজ-পাৰ, বেশ-ভূষা, শান্তিকামিতা, চৰিত্ৰৰ বিশ্লেষণ, দাৰ্শনিক চিন্তাৰ আলোচনাৰ যোগেদি উল্লিখিত উপন্যাসবোৰত নগা মানস প্ৰতিফলিত হৈছে বুলি  বৰ্ণনা কৰিছে।

'জনজাতীয় জীৱন আধাৰিত অসমীয়া উপন্যাসত শঙ্কৰদেৱৰ সংগ্ৰহণ' শীৰ্ষকৰ দ্বিতীয় অধ্যায়ৰ তৃতীয় প্ৰবন্ধটোত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত শঙ্কৰদেৱৰ প্ৰসংগৰে আলোচনা আৰম্ভ কৰিছে। জনজাতীয় সমাজত শঙ্কৰদেৱে সংহতি স্থাপনৰ চেষ্টা কৰাৰ প্ৰসংগ, জাতি-জনজাতিৰ লোকক নিজৰ ধৰ্মৰ আওতালৈ আনি দিয়া উদাৰ দৃষ্টি, ৰাজনৈতিক-ভৌগোলিকআহুকালৰ পিছতো শঙ্কৰদেৱৰ ধৰ্মই পোৱা বিস্তাৰ, জনজাতীয় সমাজৰ লোকসকলে নৱবৈষ্ণৱ ধৰ্মত লোৱা দীক্ষাৰ প্ৰসংগ, জনজাতীয় সমাজত নামঘৰৰ ভূমিকা, শঙ্কৰদেৱৰ পৰৱৰ্তী কালত তেওঁৰ ধৰ্ম গ্ৰহণৰ বাবে অহাসকলৰ মাজত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰকৃত ৰূপৰ অভাৱ ইত্যাদিক মূল আলোচনাৰ প্ৰস্তাৱনা হিচাপে আলোচনা কৰিছে। জনজাতীয় জীৱন আধাৰিত উপন্যাসত শঙ্কৰদেৱৰ সংগ্ৰহণ শীৰ্ষকৰ মূল বিষয় আলোচনা প্ৰসংগত আলোচকে কেইবাটাও বিশেষ দিশত পোহৰ পেলাইছে। শঙ্কৰদেৱ-মাধৱদেৱৰ নাম স্মৰণ কৰি আশীৰ্বাদ দিয়া, মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি জনজাতীয় সমাজৰ আস্থা, মহাপুৰুষীয়া হোৱাৰ বাবেই ৰাতি-খোৱা ধৰ্ম বাদ দিয়া, হিন্দুৰ বিশেষকৈ মহাপুৰুষীয়া উপাসনা পদ্ধতিৰ আলোচনা, চিন্তা-ভাবনাত মহাপুৰুষ দুজনাৰ প্ৰসংগ, আশীৰ্বাদ দি 'মুক্তিত নিস্পৃহ' প্ৰাৰ্থনা কৰা, নামঘৰত শৰাই দিয়া, গোপিনী সবাহ পতা, উচ্চবৰ্ণ অসমীয়াসকল যে শঙ্কৰদেৱৰ আদৰ্শৰ পৰা বিচ্যুত হৈছে সেই বিষয়ে জনজাতীয় চৰিত্ৰই চিন্তা-চৰ্চা কৰা, জনজাতীয় লোকৰ শঙ্কৰদেৱৰ প্ৰতি থকা শ্ৰদ্ধা,  বিষ্ণু ৰাভাই আঁকা শংকৰদেৱৰ ছবি বেৰত লগাই ৰখা,

নিচুকনি গীত শুনি 'কাণখোৰা'ৰ পদ আৰু হেঙুল আকাশ দেখি 'তেজৰে কমলাপতি' মনলৈ অহা, বৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠত্ব ব্যাখ্যা ইত্যাদি দিশৰ কথা মনোগ্ৰাহীভাৱে প্ৰবন্ধটোত আলোচনা কৰা হৈছে।

গ্ৰন্থখনৰ তৃতীয় অধ্যায়ৰ প্ৰথম প্ৰবন্ধ হৈছে 'কৈলাস শৰ্মাৰ উপন্যাসত নগা সমাজ আৰু পাহাৰী প্ৰকৃতি'। কৈলাস শৰ্মাৰ নগা জীৱনভিত্তিক উপন্যাসকেইখন হ'ল - 'বিদ্ৰোহী নগাৰ হাতত', 'অনামী নাগিনী' আৰু 'ডালিমীৰ সপোন' । নগা মানস আৰু পাহাৰী প্ৰকৃতি-সম্পৰ্কে আলোচনাৰ প্ৰসংগত আলোচকে এইবোৰ দিশৰ ওপৰত আলোকপাত কৰিছে - নগা বিদ্ৰোহৰ পৰিবেশ, বিদ্ৰোহী নগা জীৱনৰ টুকুৰা-টুকুৰ চিত্ৰ, নগা ক্ষমতালোভী এদলে কিদৰে নগা জনসাধাৰণক বিপথে নিছিল তাৰ চিত্ৰ, নগা সামাজিক জীৱনৰ খণ্ডিত চিত্ৰ, আক্ৰমণৰ লোমহৰ্ষক মুহূৰ্ত, নগা স্বাধীনচিতীয়া দৃষ্টিভংগী, নগা জীৱনৰ লগত বাস্তৱানুগত কাহিনী, গ্ৰাম্য জীৱন আৰু গ্ৰাম্য প্ৰকৃতি, নগা বিদ্ৰোহ দমনৰ বাবে কৰা ভাৰতীয় সেনাৰ অভিযান, পৰস্পৰ বিৰোধী আদৰ্শৰ সংঘাত, প্ৰাকৃতিক পৰিবেশ, সামৰিক বাহিনীৰ সৈনিকসকলৰ জীৱন ইত্যাদি। আটাইবোৰ উপন্যাসত নগা মানস প্ৰতিফলিত নোহোৱাৰ কাৰণ হৈছে যুদ্ধভূমিৰ বৰ্ণনাৰ বাহুল্য। ঠিক সেইদৰে চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰতো 'অনামী নাগিনী'ত একে সমস্যাই দেখা দিছে বুলি আলোচকে মত প্ৰকাশ কৰিছে।

ৰংবং তেৰাঙৰ বিশদ আৰু দীঘলীয়া পৰিচয়েৰে আৰম্ভ কৰা তৃতীয় অধ্যায়ৰ দ্বিতীয় প্ৰবন্ধটো হৈছে 'ৰংবং তেৰাঙৰ উপন্যাস'। 'ৰংমিলিৰ হাঁহি'কে ধৰি তেৰাঙে মুঠ ৪ খন উপন্যাস প্ৰকাশ কৰি উলিয়াইছে। দীঘলীয়া প্ৰবন্ধটোত আলোচকে থুলমূলকৈ প্ৰায়বোৰ উপন্যাসৰে পৰিচয় দি তেৰাঙৰ উপন্যাসৰ যিবোৰ বিশেষত্ব বা আলোচনাযোগ্য দিশ বাছি উলিয়াইছেäÂ সেইবোৰ এনে ধৰণৰ - কাৰবি সমাজ-সংস্কৃতিৰ পৰিচয়, সংশ্লিষ্ট সমাজ-সংস্কৃতিৰ সমলৰ উপযুক্ত উপস্থাপৰ যোগেদি বিশ্বাসযোগ্যতা দান, পাহাৰৰ নৈসৰ্গিক প্ৰকৃতি, সৰল কাৰবি লোকৰ দ্বন্দ্ব-সংঘাত, চৰিত্ৰৰ বিশ্লেষণ, ক্ষয়ংকাৰী বিৱৰ্তনৰ প্ৰতি থকা বিশ্বাসহীনতা, বৈচিত্ৰ্যময় চৰিত্ৰ, ৰচনাৰীতি আৰু ভাষা, কানিৰ প্ৰসংগ, চৰিত্ৰ মানস্তাত্ত্বিক বিশ্লেষণ, সংলাপ ব্যৱহাৰত পৰিপক্কতা, কাৰবি গীত-মাত, কাৰবি শব্দ, লোকজীৱন, পৰম্পৰাগত প্ৰশাসনিক ব্যৱস্থা, বিশ্বাস-পৰম্পৰা, লাওপানী বা হৰলাঙৰ ব্যৱহাৰ, খাদ্যসম্ভাৰ, কাৰবি তিৰোতা বুজাবলৈ ব্যৱহাৰ কৰা বিশেষ পন্থা ইত্যাদি।

'সমন্বয়ধৰ্মিতাৰ অৱক্ষয়ৰ চূড়ান্ত ট্ৰেজেদি 'ভাৰণ্ড পক্ষীৰ জাক' শীৰ্ষক গ্ৰন্থখনৰ তৃতীয় অধ্যায়ৰ তৃতীয় তথা গ্ৰন্থখনৰ অন্তিম প্ৰবন্ধটোত বড়ো সমাজ-সংস্কৃতিৰ দলিল স্বৰূপ উপন্যাসখনত প্ৰতিফলিত হোৱা সমন্বয়ধৰ্মিতাৰ অৱক্ষয় সম্পৰ্কে আলোচনা কৰিছে। বিভিন্ন ভাষা-ভাষী জনগোষ্ঠীৰ সামূহিক জীৱনলৈ অহা বিভাজনমুখী, ক্ষয়িষ্ণু আৰু অস্থিৰ অৱস্থাৰ ছবি উপন্যাসখনৰ মূল বিষয় । বড়ো সমস্যাক লৈ ৰচিত উপন্যাসখনত বিভাজনৰ চিত্ৰৰ বৰ্ণনাৰ লগতে বিভিন্ন দিশ পোহৰলৈ আনিছে। লেখকে গতানুগতিক কাহিনীৰ পৰিৱৰ্তে ঘটনা-প্ৰৱাহৰ সৰু-বৰ খণ্ডচিত্ৰ, সবল আৰু স্পষ্ট চৰিত্ৰ সৃষ্টি, চৰিত্ৰৰ মন আৰু বৈচিত্ৰ্যপূৰ্ণ চৰিত্ৰ, নিজৰ মানুহখিনিৰ প্ৰতি কিবা এটা কৰাৰ চিন্তা কৰা চৰিত্ৰ, একে সমাজৰ দুদল মানুহৰ মাজত কৰ্ম আৰু আদৰ্শৰ সংঘাত, শিক্ষা আৰু সচেতনতাৰে উন্নতিৰ সোপান গঢ়াৰ চিন্তা, ঐতিহাসিক জ্ঞান-সমৃদ্ধ চৰিত্ৰৰ সৃষ্টি, অন্য উপন্যাসৰ চৰিত্ৰৰ লগত সাদৃশ্য বিচাৰ, নাৰী চৰিত্ৰৰ বৈপৰীত্য, ৰণ্জিলা নামৰ চৰিত্ৰটোৰ যোগেদি সমাজ জীৱন আৰু ব্যক্তি জীৱনৰ উন্নতিৰ চিন্তা, অজনজাতীয় শক্তিশালী চৰিত্ৰ সৃষ্টি, সুবিধাবাদী চৰিত্ৰ, বড়ো গ্ৰাম্য প্ৰকৃতি, মহাকাব্যধৰ্মিতা গুণ, বড়ো বিবাহ অনুষ্ঠান, অন্ধবিশ্বাস, বড়ো শব্দ-বাক্য-গীত-মাতৰ প্ৰয়োগ, চৰিত্ৰৰ পৰিচয় সংকট, মানৱতাবোধৰ নিদৰ্শন, নামকৰণৰ সাৰ্থকতা ইত্যাদি বিষয়ৰ সুন্দৰ আৰু বিস্তৃত আলোচনা আগবঢ়াইছে।

1895 চনত 'মিৰি জীয়ৰী' প্ৰকাশৰ পৰা আজি পৰ্যন্ত অসমীয়া ভাষাত জনজাতীয় জীৱনভিত্তিক ভালেমান উপন্যাস ৰচিত হৈছে। উল্লিখিত বিষয়তে সম্মানীয় ডক্টৰেটডিগ্ৰী লাভ কৰা অজিৎ শইকীয়াৰ বিষয়টোৰ সম্পৰ্কত থকা জ্ঞান আৰু সাহিত্যিক প্ৰতিভাৰ স্বাক্ষৰ 'অসমীয়া উপন্যাসত জনজাতীয় জীৱনৰ অন্বেষণ' গ্ৰন্থখনে বহন কৰিছে। জনজাতীয় সমাজ-সাংস্কৃতিক জীৱনৰ বিৱৰণ, জনজাতীয় আৰু অজনজাতীয় লেখকৰ প্ৰতিভা, জনজাতীয় জীৱনভিত্তিক উপন্যাসৰ

সমীক্ষা, কেইখনমান উপন্যাস আৰু লেখকৰ পৃথক আলোচনা, জনজাতীয় জীৱনভিত্তিক উপন্যাসত শঙ্কৰদেৱ প্ৰসংগ ইত্যাদি অসমীয়া সমালোচনা সাহিত্যত নতুন আৰু মনোগ্ৰাহী দিশৰ আলোচনাৰ যোগেদি ডঃ শইকীয়াই বিষয় এটা সৰল আৰু সুখপাঠ্য ৰূপত উপস্থাপন কৰাৰ সকলো কৌশল গ্ৰন্থখনত প্ৰয়োগ কৰিছে। 2015 বৰ্ষৰ ছেপ্টেম্বৰত প্ৰথম প্ৰকাশ হোৱা গ্ৰন্থখনৰ মূল্য 250 টকা।

*****

- লেখক ঃ সমালোচক, ডিব্ৰুগড় জিলা নিৱাসী ঊষাপুৰ (সোণাপুৰ) গাঁৰৰ এগৰাকী বিশিষ্ট সাহিত্যিক।